# ৰাংডু নদীৰ পাৰ

মেদিনী চৌধুৰী

সুদৰ্শন প্ৰকাশ
কাহুলীবজাৰ
গুৱাহাটী-২১

প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী ১৯৮৭

সুদৰ্শন প্ৰকাশৰ হৈ নাৰায়ণ চন্দ্ৰ ককটকীৰ দ্বাৰা
বামুণীমৈদাম গুৱাহাটী ২১ ৰ পৰা প্ৰকাশিত আৰু
সুদৰ্শন প্ৰেছ বামুণীমৈদাম গুৱাহাটী ২১ ত
মুদ্ৰিত

মোৰ সাহিত্য-কৰ্মত অশেষ প্ৰেৰণা যোগাওঁতা মোৰ সহধৰ্মিণী প্ৰণতি চৌধুৰী আৰু আমাৰ অসীম সাহসী বিদুষী বান্ধৱী নিৰুপমা বৰগোহাঁইৰ নামত অৰ্পিত ।

*First must the rain fall on our public field*
*The private fields receive it afterwards*

Book of Poetry

# শুভ দৃষ্টি

চীনলৈ যোৱাৰ প্ৰবল আগ্ৰহ এটা মোৰ আগৰে পৰাই আছিল। বিশেষকৈ তাৰ য়াংজু নদীৰ দক্ষিণ অববাহিকাৰ অঞ্চলবোৰ চোৱাৰ বাবে। আৰু চাং আনকো পাৰিলে এপাক চাই অহাৰ। হান বংশৰ ৰজাসকলে যেতিয়া চীনত ৰাজত্ব কৰিছিল ( খৃঃ পূঃ ৩য় শতিকাৰ শেষ ভাগৰ পৰা খৃঃ ৩য় শতিকা ) সেই সময়ত চীনৰ উক্ত অববাহিকা অঞ্চলৰ পৰা বিভিন্ন জনগোষ্ঠীৰ লোক দক্ষিণলৈ হু হকি আহিছিল। সেই লোকসকল কালক্ৰমত কম্পুচিয়া ভিয়েটনাম আদিৰ পৰা প চিমে ভাৰতবৰ্ষ পৰ্যন্ত বিয়পি পৰিছিল। আৰু ইতিমধ্যে এইদেশবোৰত বিস্তাৰ লাভ কৰা ভাৰতীয় সংস্কৃতিৰ অংশীদাৰ হৈ পৰিছিল। আনহাতে এই লোক সকলৰ বহুতেই আদিম পিতভূমিৰ সতে সংযোগ একেবাৰে ছিন্ন কৰা নাছিল। স্বাভাবিকতে চীনৰ সেই অঞ্চলৰ জনগণৰ সতে নতুনকৈ ভাৰতীয় সংস্কৃতিৰ অংশীদাৰ হোৱা লোকসকলৰ যোগাযোগে ভাৰতবৰ্ষ আৰু চীনৰ সাংস্কৃতিক সম্বন্ধ নিবিড় কৰি তুলিছিল। গতিকে য়াংজু নদীৰ দক্ষিণ অব বাহিকাৰ অঞ্চলবোৰৰ প্ৰতি দুৰ্বাৰ আকৰ্ষণ এটা মই বহুদিনৰ পৰাই অনুভৱ কৰিছিলো।

৯৬৮ চনত অসমৰ পৰা অপসাৰিত কৰা প্ৰায়বোৰ চীনালোকেই দক্ষিণ চীনৰ আছিল। সেইসকলৰ মাজত দক্ষ মিস্ত্ৰী আৰু পটু দন্ত চিকিৎসক বহু জনক লগ পাইছিলো। চীনাসকলে অসমত পোন প্ৰথমে কয়লাখাণ্ডত কাম কৰিছিল তাৰ পাচত চাহ বাগিচাত কলঘৰৰ মিস্ত্ৰী আৰু ঘৰ সজা আচবাব-পত্ৰ তৈয়াৰ কৰা বাঁহ কাম কৰিছিল। শেষত নিজৰবীয়াকৈ জোতা বা ফানিচাৰৰ দোকান হোটেল অথবা দন্ত চিকিৎসালয় খুলিছিল। আৰু একেজন লোকেই বিভিন্ন কামকাজত বিশেষ পটুতাৰ প্ৰমাণ দিব পাৰিছিল। মোৰ এনে অভিজ্ঞতাও উক্ত আকৰ্ষণৰ কাৰণ আছিল।

চাং আন আছিল আকৌ টাং যুগত চীনৰ ৰাজধানী। য'ৰ পৰা সপ্তম শতিকাৰ আগছোৱাত বৌদ্ধ পণ্ডিত য়ুৱান চৱাঙ (Xuan Zang) আহিছিল ভাৰতবৰ্ষলৈ। বৌদ্ধ ধৰ্মৰ গ্ৰন্থৰ সন্ধানত। পশ্চিমেদি সোমাই পুব একেবাৰে কামৰূপ

( অসম ) পৰ্যন্ত আহিছিল ঝুৱান চৱাঙ । কামৰূপত তেতিয়া সম্রাট আছিল ভাস্কৰ বৰ্মণ । ৬৪৩ খৃষ্টাব্দৰ ২০ ফ্ৰেব্ৰুৱাৰীৰ দিনা যেতিয়া তেওঁ কামৰূপত প্ৰবেশ কৰিছিল স্থানীয় জনগণৰ মাজত হেনো উদুলি মুদুলি লাগি পৰিছিল ।

সেই চাং আন চোৱাবো হেপাহ আছিল । পিছে সেই চাং আন আৰু নাই । তাৰ নাম আজি কালি ক্সিয়ান ( Xian ), স্রেনচি প্ৰদেশৰ অন্তভুক্ত । যিয়ে নহওঁক লাগিলে ঠাইখনতো আছে । ভাবিছিলো তালৈকো যোৱাৰ কথা । চীনৰ স্থাপত্যৰ বিশেষ চাবলগীয়া একো নাই । কিয়নো অষ্টম শতিকাতে তেতিয়াৰ কামৰূপৰ শিল্পীসকলে চীনা স্থাপত্যৰ আহিত দুই এটা ঘৰ নিৰ্মাণ কৰিছিল । তাৰ ভগ্নাৱশেষ আজিও ঠাই বিশেষে আছে যদিও সেই ঠাইবোৰ এতিয়া আৰু ভাৰতবৰ্ষৰ অন্তৰ্গত নহয় । আচলতে প্ৰাচীন চৈনিক নিৰ্মাণত বৈচিত্ৰ্য নাই । আছে বিশালতা । আনহাতে ভাৰতবৰ্ষৰ প্ৰাচীন নিৰ্মাণ ৰীতি ইমান বৈচিত্ৰ্যেৰে ভৰা যে ভাৰতীয় মানুহে প্ৰাচীন নিৰ্মাণৰ সৌন্দৰ্য আৰু বিচিত্ৰতা উপলব্ধি কৰিবলৈ নিজৰ দেশৰ বাহিৰে আন ঠাইলৈ নগলেও চলে । ভাৰতবৰ্ষৰ পূৱলৈ আৰু পূব দক্ষিণলৈ থকা দেশবোৰৰ প্ৰাচীন নিৰ্মাণ ৰীতিৰ মূল ভিত্তি ভূমি আছিল ভাৰতীয় ৰীতি । কেৱল নিৰ্মাণ ৰীতিৰ ক্ষেত্ৰতে নহয় প্ৰাচীন ভাষা সমাজ ব্যৱস্থা জনবিশ্বাস আদিতো ভাৰতৰ প্ৰভাৱ সুস্পষ্ট ।

আজি কিছু বছৰৰ আগতে মই গুৱাহাটীৰ উপকণ্ঠৰ এগৰাকী বৃদ্ধ ভদ্ৰলোকৰ লগ পাইছিলো । তেখেতসকলৰ পৰিয়ালটো ১৮৯৫ খৃষ্টাব্দত ব্ৰহ্মদেশলৈ উঠি যাবলগীয়াত পৰিছিল চৰকাৰী সেৱাৰ খাটিৰত । গৈ তেওঁলোকে বসতি কৰিছিল ইৰাৱতী নৈৰ পাৰৰ মেৎচিনা নামৰ ( Myit kyina ) এখন জিলাত । সেই ভদ্ৰলোকে দ্বিতীয় মহাসমৰৰ পাচত মিলিটাৰী চাকৰিৰ পৰা অৱসৰ লৈ গুৱাহাটীৰ পুৰণি গাঁৱৰ কাষতে থিতাপি লৈছিল হি । ব্ৰহ্মদেশত তেখেতসকলে থকা অঞ্চলবোৰত আজিও নেপালী আৰু হিন্দী ভাষা চলে । অসমীয়া আৰু শ্যাম ভাষাও চলে । মেৎচিনা জিলাৰ গাওঁবোৰৰ নাম কদমতলা ৰামপুৰ এনেধৰণৰ । মাছমৰা বিল কেইখনমানৰ নাম পদোবাৰী শিলোবাৰী সৰু ভেৰবাৰী ডাঙৰ ভেৰবাৰী ।

মেৎচিনাৰ দক্ষিণলৈ চেলুৱিন নদীৰ পাৰত আছে লাহো নামৰ অঞ্চলটো । তাৰে এঠাইত কন্ব মুনিৰ আশ্ৰম আছিল শকুন্তলা আছিল বুলি মানুহে বিশ্বাস কৰে আৰু আজিও কন্বমুনিৰ পূজা কৰে । আমাৰ গুৱাহাটীৰ ভদ্ৰলোক গৰাকীয়ে ১৯৩৭ ৩৮ চনত যেতিয়া বৃটিছ সৈন্যবিভাগত চাকৰি কৰিছিল তেওঁ নিজেও বহুবাৰ তাত দৰ্শন কৰি আহিছে ।

কম্পুচিয়া আদি দেশত সংস্কৃত ভাষা নতুনকৈ বৰ্ণভুক্ত ভাৰতীয় সমাজ পতিসকলৰ বমন উপাধি ষষ্ঠ শতিকামানৰ পৰাই প্ৰচলিত আছিল। ভাৰতবৰ্ষৰ প্ৰাচীন মহাকাব্য আৰু পুৰাণৰ কাহিনীসমূহৰ বিচিত্ৰ ধৰণে পুনৰাবৃত্তি হৈছিল পুব আৰু দক্ষিণ পুবৰ দেশসমূহত। তদুপৰি বৌদ্ধ ধৰ্মৰ প্ৰভাৱে এই দেশবোৰৰ উপৰিও চীন জাপান আদিকো প্ৰভাৱিত কৰিছিল। ভাৰতলৈ সপ্তম শতিকাত পৰিভ্ৰমণৰ অৰ্থে অহা বিখ্যাত চীনা বৌদ্ধ সাধু ঝুৱান চুৱাঙৰ মূৰৰ লাওখোলাৰ এক ষষ্ঠাংশ জাপানতো সমাধিস্থ কৰা হৈছিল। এই গৰাকী বৌদ্ধ সাধুৱে এনে গুৰুত্ব অৰ্জন কৰিছিল এই কাৰণেই যে তেওঁ ভাৰতবৰ্ষত ধৰ্মৰ বিষয়ে সুদীৰ্ঘ অধ্যয়ণ কৰিবলৈ সুযোগ লাভ কৰিছিল। পৃথিবীৰ ইতিহাসত ভাৰতবৰ্ষই একমাত্ৰ দে। যিয়ে যুদ্ধ নকৰাকৈ কেৱল নিজৰ উৎকৰ্ষতাৰে আৰু শান্তিৰ অমোঘ বাণীৰে দেশৰ পাচত দেশ জয় কৰিছিল।

গতিকে চীনত প্ৰাচীন নিমান ৰীতি চোৱাৰ আগ্ৰহ সিমান নাছিল যিমান আছিল মোৰ নিজৰ দেশৰ সতে প্ৰাচীন সম্বন্ধ থকা অঞ্চলবোৰ চোৱাৰ। দৰাচলতে এব প্ৰকাৰৰ নষ্টেলেজিয়াই মোৰ মন অশান্ত কৰি তুলিছিল। মোৰ পিচে বিশেষ সুযোগ এটা আহি পৰিছিল হঠাৎ। ভাৰতীয় প্ৰতিনিধিৰ দল এটা যাব চীনলৈ তাৰ পাট শিল্প (Silk Industry) অধ্যয়নৰ উদ্দেশ্যে। খবৰ পালো যে মোকো তাৰ অন্যতম প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰা হৈছে। পাট আৰু ওক টচ্ছৰ উৎপাদনত চীনেই বিশ্বৰ সকলো দেশৰ ভিতৰত শ্ৰেষ্ঠ স্থান অধিকাৰ কৰি আছিছে। আৰু পাট শিল্পৰ সকালো দিশ চাবলৈ যাম যেতিয়া চহৰ গাওঁ সকলোবোৰ অঞ্চল চোৱাৰ নিশ্চয় সুযোগ পাম। মই তৎক্ষণাৎ সন্মতি প্ৰকাশ কৰিছিলো। আমাৰ দলত আঠ গৰাকী প্ৰতিনিধি আছিল। তাৰে এগৰাকী আছিল মহিলা।

চীনত গৈ পিচে তিনিখন চাবলগীয়া ঠাই মই চাবলৈ নাপালোঁ। প্ৰথমখন হ'ল লিয়নিং প্ৰদেশ য'ত আটাইতকৈ বেচি টচ্ছৰৰ খেতি হয়; দ্বিতীয়খন হ'ল ঝিচুৱান প্ৰদেশ য'ত আটাইতকৈ বেচি পাট (mulberry silk) উৎপাদন হয়, আৰু চাবলৈ পোৱা নাছিলোঁ শিয়ান নামৰ নগৰখন য'ৰ পৰা আমাৰ ইয়ালৈ ঝুৱান চৱাঙ আহিছিল। এনেহলে পিচে য়াংজুৰ দক্ষিণ পাৰৰ বহুত চহৰ-গাওঁ চোৱাৰ সুযোগ পাইছিলো। অবশ্যে ঐতিহাসিক খেনডং প্ৰদেশ জিয়াংশু প্ৰদেশবো বহু গাওঁ চহৰলৈ আমি গৈছিলোঁ।

সময়টোও বৰ ভাল আছিল। চীনৰ আধুনিকীকৰণ প্ৰচেষ্টাত অলপতে কেতবোৰ অভিনব সাহসী পদক্ষেপ লোৱা হৈছে। এশ কোটিতকৈও অধিক

জনসংখ্যাৰ এখন দেশত যত বিচিত্ৰ সংস্কাৰৰ বিভিন্ন ভাষাভাষী লোক আছে তাৰ এশ এবুৰি সমস্যাৰ মাজত কিদৰে জনসাধাৰণে নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে তাক অনুভব কৰিবৰ কাৰণে তাক উপলব্ধি কৰাৰ অৰ্থে উন্নত আৰু উন্নয়নকামী নানান ৰাষ্ট্ৰৰ ঔদ্যোগিক আৰু আন ক্ষেত্ৰৰ অগ্ৰনীসকলে চীনলৈ ঢাপলি মেলিছে। চীনৰ এনে এক মাহেন্দ্ৰক্ষণত তালৈ যোৱাৰ সযোগ পোৱাটো মোৰ কাৰণে এৰাব নোৱাৰা আকৰ্ষণ হৈ পৰিছিল।

চীনত সচাকে এটা নতুন জাগৰণ আহি পৰিছে। লিবাৰেশ্যনৰ (১৯৪৯) পাচত এনেধৰণৰ জাগৰণ কাহানিও হোৱা নাছিল। আৰু পনৰগঠনমূলক কমাচনিতো ইমান ক্ষিপ্ৰ গতিৰে চীনৰ জনসাধাৰণে আগবঢ়া নাছিল। এটা দৃষ্টান্ত দিলেই শ্ৰোতা অবাক হৈ যায়। বেইজিং চহৰত পকী আলিবাট আজি এই মুহূৰ্ত্তত আছে দুহেজাৰ ছশ তেষষ্ঠি কিলোমিটাৰ। এই দৈৰ্ঘ্য সমগ্ৰ পাকিস্থানৰ পকী আলিবাটৰ দৈৰ্ঘ্যৰ দুগুণ হব। এনেধৰণৰ চমকপ্ৰদ সাফল্যৰ উপৰিও আছে বৃন্দাধিক মানুহৰ ভৰণ পোষণ যিটো এখন ৰাষ্ট্ৰৰ সবাতোকৈ মৌলিক সমস্যা। চীনে এই মৌলিক সমস্যাটোৰো সমাধান কৰিছে। চীনত আজি ৰোটি-কপড়া মকান নোহোৱা এজনো ব্যক্তি নাই। চীনৰ বাবে দৰিদ্ৰতা এটা বিস্মৃত শব্দ হৈ পৰিছে। সম্প্ৰতি চীনদেশে আন এক গুৰুতৰ প্ৰত্যাহ্বানৰ মুখামুখি হৈছে।

চৈৰ্কি অৰ্থনীতিৰ মুক্তদ্বাৰ নীতি (Open door policy) য়ে কেতবোৰ ভয়াবহ সমস্যাৰ সৃষ্টি কৰিছে। Special Economic Zone অক কেন্দ্ৰ কৰি। আৰু ১৯৮৩ চনত বিদেশী বেহাৰ বাবে মুক্ত কৰি দিয়া চৈধ্যখন সাগৰপৰীয়া চহৰক কেন্দ্ৰ কৰি এনে কেতবোৰ অভাবনীয় ঘটনা ঘটিবলৈ লৈছে যে চীনা সমাজৰ সযত্ন পালিত সামাজিক প্ৰমূল্যসমূহৰ স্খলন হবলৈ আৰম্ভ কৰিছে। দেশৰ জননেতাসকলৰ মনত ভয় হৈছে যে মুক্তদ্বাৰ নীতিয়ে চীনা জনসাধাৰণৰ অৰ্থনৈতিক দিশত যিমান উপকাৰ সাধন কৰিব বুলি আশা কৰা হৈছিল সিমান উপকাৰ সাধন কৰক বাবি ইমান দিনৰ অবৰ্ণনীয় কষ্ট আৰু ত্যাগ স্বীকাৰৰ ফলত যি এটা আৰ্থ-সাংস্কৃতিক ভেটি গঢ়ি উঠিছিল সেই ভেটিও অচিৰে খহি নাইকিয়া হৈ যাব।

বিশ্বৰ উন্নয়নশীল ৰাষ্ট্ৰসমূহত কিছুমান উন্নত ৰাষ্ট্ৰৰ যি কোনো ধৰণৰ অনুপ্ৰবেশেই যুগপৎ ভয় আৰু সন্দেহৰ সৃষ্টি কৰিছে। যাৰ ফলত উক্ত-ৰাষ্ট্ৰসমূহৰ কেতবোৰত অস্থিৰতাৰ সৃষ্টি হৈছে। এনে পৰিস্থিতি দেখি এনেও ভাব হৈছে যে কিছুমান উন্নত ৰাষ্ট্ৰৰ ধ্যান-ধাৰণাই উন্নয়নশীল ৰাষ্ট্ৰৰ নতুন

পুৰুষৰ এচামক এনেদৰে প্ৰভাবিত কৰি পেলাইছে যে উন্নত ৰাষ্ট্ৰলৈ গৈ তাত থাকি শিক্ষালাভ কৰি সেই চামৰ মনৰ দিগন্ত প্ৰসাৰিত হব ছাৰি সংকীৰ্ণ আঞ্চলিকতাবাদ সাম্প্ৰদায়িকতাবাদে তেওঁলোকৰ মন ৰোগগ্ৰস্ত কৰি তুলিছে। তেওঁলোকে উন্নত দেশৰ পৰা এটা মাত্ৰ অভিনৱ শিক্ষা লাভ কৰি আহিছে সেইটো হ'ল সংকীৰ্ণ স্বাৰ্থক বিশ্ব মানবৰ মুক্তিৰ শ্লোগানলৈ ৰূপান্তৰিত কৰিব পৰা বাক চতুৰালি।

চীনদেশে এবছৰতে হাত পোৰা খালে। শুনিবলৈ পাইছোঁ। দালিয়ান গুৱাংঝাও এনেদৰে মাত্ৰ চাৰিখন সাগৰপৰীয়া চহৰ মুক্ত ৰাখি বাকী দহখন হেনো বিদেশী বেহাৰ কাৰণে বন্ধ কৰি দিছে। হাইনাম শ্বেনজেন এইবোৰ অঞ্চল মুক্ত কৰি দিয়াৰ ফলত চীনৰ অভ্যন্তৰত কেতবোৰ অভাৱনীয়ভাৱে অনিষ্টকৰ ঘটনা ঘটিছে। যাৰ ফলত এনে ব্যৱস্থা লোৱা হৈছে।

অৱশ্যে খাল কাটি কুমীৰ সুমাই লোৱা এনেধৰণৰ ঘটনা চীনৰ ইতিহাসত বিৰল নহয়। সোতৰ শতিকাৰ শেষ ভাগৰ পৰা বিশেষকৈ উনৈ। শতিকাৰ চতুৰ্থ দশকৰ পৰা এনে ঘটনাই চীনৰ জনসাধাৰণক জুলুকি জুলুকিকৈ শিকাইছিল। চীনৰ তথাকথিত বাহৰ বেৰৰ ( bamboo wall ) প্ৰয়োজন আছিল সেইবাবেই। কেৱল চীনেই নহয় য়ুৰোপীয় বৰৰ বেপাৰী জাতি বোৰৰ কবলত পৰি দক্ষিণ পূব এচিয়াৰ প্ৰায়বোৰ দেশেই এনেধৰণৰ যন্ত্ৰণা ভোগ কৰিবলগীয়াত পৰিছিল। থাইলেণ্ডত ফৰাচী সকলৰ নামৰ পৰাই অৱজ্ঞাসূচক ফাৰাং ( বিদেশী ; য'ৰ পৰা ভাৰতবৰ্ষত ফিৰিঙি শব্দৰ উদ্ভৱ হৈছে ) শব্দৰ উৎপত্তি হৈছিল। সেই ৰাষ্ট্ৰৰ নৰা ৰজাই ফৰাছীবোৰৰ আগ্ৰাসী মতলবৰ প্ৰমাণ পাই বিদেশীক ইমান ঘৃণা কৰিছিল যে তেওঁ আনকি সন্মানেৰে প্ৰশাসনৰ ওখ আসনত বহুৱা গ্ৰীক কনষ্টেণ্টাইন ফলকানকো হত্যা কৰিছিল আৰু পশ্চিমীয়া ৰাষ্ট্ৰৰ মানুহক তেওঁৰ ৰাষ্ট্ৰত সোমোৱাটো নিষিদ্ধ কৰি দিছিল। ফলত ১৬৮৮ চনৰ পৰা ১৫০ বছৰ ধৰি কোনো ফাৰাং থাইলেণ্ডত সোমাব পৰা নাছিল। আমাৰ দেশৰ ইতিহাসতো আমি আটায়ে জানোহক।

চীনৰ জননায়কসকলে সেইবাবে পুনৰ সতৰ্ক হৈ পৰিছে। এফালে আধুনিকতম কাৰিকৰী জ্ঞান আৰু প্ৰয়োগ বিদ্যাৰ অপৰিহাৰ্যতা আনফালে তাৰ অৱশ্যপ্ৰায় অনুষংগ কেতবোৰ অনিষ্টকৰী প্ৰভাৱ। এই দুটা মহৰ শিঙৰ মাজেদি চীনৰ জনসাধাৰণৰ গাত এটা আঁচোৰ নলগাকৈ আগবঢ়াই নিয়াৰ এক অভূতপূৰ্ব প্ৰত্যাহ্বানক মোকাবিলা কৰিবলগীয়া হৈছে চীনৰ জননায়ক-সকলে। সচাকৈ সময়টো মোৰ কাৰণে বিশেষ আকৰ্ষণীয় হৈ পৰিছিল।

আমাৰ লগত থকা মহিলা গৰাকীয়ে বাৰে বাৰে মোক সোঁৱৰাই দিছিল যে মই right place অলৈ right time অত আহিছিলো। আমাৰ ভাৰতীয় মানুহৰ কাৰণে পঞ্চাশোৰ্দ্ধৰ বয়স হিচাপ নিকাচৰ বয়স। এনে বয়সত মই যে বিশ্বৰ মনযোগ বিশেষভাৱে আকৰ্ষণ কৰা চীনদেশলৈ অহাৰ সুযোগ পালো তাকেই মহিলাই সোঁৱৰাই দিছিল হয়তো।

আমাৰ দলটোৰ লগত মৰম লগা চীনা ডেকাল ৰা এটা দোভাষী হিচাপে আছিল। তেওঁ মোক কৈছিল নতুন চীনৰ জন্ম হেনো ম হৰ বছৰত ( year of the buffalo )। আৰু ১৯৮৫ চনটোও হেনো চীনা জ্যোতিষ শাস্ত্ৰমতে ম হৰ বছৰ। চীনৰ কাৰণে অতি ায় শুভ বছৰ। মই হাহি হাহি ধেমালি কৰি কৈছিলো— সেই কাৰণেইতো তোমালোকে মোৰ দৰে এগৰাকী ব্যক্তিৰ সংসৰ্গ লাভ কৰিছা?

ঃ দ্যাট ইজ দ্য অনলি ৰলট ইন দ্য হোৰোস্কোপ। উই মে হেভ টু ফেচ চাম কেলামিটি।

ডেকাল ৰাও টপৰাই মোৰ কথাৰ প্ৰত্যুত্তৰ দিছিল। অৱশ্যে কাকতালীয় সংযোগ এটা ঘটিছিল। আমি চীন এৰি অহাৰ পাচত ১৯ মে ৰ দিনা বেইজিঙত ফুটবল খেলা এখনক কেন্দ্ৰ কৰি ৰায়ট হৈছিল; যিটো ঘটনা যোৱা পোন্ধৰ বছৰৰ ভিতৰত ঘটা নাছিল। আৰু হৈছিল মধ্য চীনত প্ৰলয়ংকৰী বানপানী।

বাতৰিবিলাক পাই স চাকে মোৰ বেয়া লাগিছিল আৰু মৰমলগা চীনা ডেকাল ৰাজনৰ বেপৰোৱা হাহিভৰা মুখখনলৈ বাৰে বাৰে মোৰ মনত পৰিছিল। এই বানপানীৰ বাতৰিটো পায়েই আমাৰ লইত যেন লগা য়াংজু নইখনৰ কথা মনলৈ আহিছিল। আৰু তাৰ দক্ষিণ অৱবাহিকাত দেখা ম হৰ পিঠিত পথাৰ পাৰ হৈ যোৱা কৃষক তেওঁলোকে মূৰত লোৱা জাপি আৰু পথাৰৰ পানীত বতাহত চউ খেলা ৰাইচ ফীল্ড ৰাইচ ষ্টেমৰ সেউজ ভৰাবোৰ মোৰ চকুৰ আগত আজন্ম চিনাকি দ্যৰ দৰে ভাহি উঠিছিল।

সেয়ে মোৰ অনুভৱৰ চীনৰ সতে য়াংজু নদীৰ পাৰ একাকাৰ হৈ পৰিছিল। জনদিয়েক বন্ধুৱে মোক সুধিছিল চীনলৈ গৈ মোৰ কেনে লাগিল বুলি। নিজৰ কথাৰে ভালদৰে বুজাব নোৱাৰি মই উদ্ধৃতি দিছিলো অক্সফোৰ্ডৰ ইতিহাসৰ অধ্যাপক গল্ডৱিন স্মিথে লিংকনৰ বিষয়ে কোৱা সেই স্মৰণীয় কথাষাৰৰ—

**The glory of him (Lincoln) has nothing in it dazzling or grandoise it is the quiet halo which rests round**

the upright self devoted unwavering and unwearing performance of the hardest public duty But its quiet light will shine steadily when many a meteor that has flamed in history has been turned by the judgement of a sounder morality to darkness

চীনত একাধিক বিজ্ঞানীক আৰু গ্ৰাম্য শিল্প বিশেষজ্ঞক লগ পাইছিলোঁ। সেইসকলৰ আলোচনাবোৰ মনত পেলালেই মোৰ মনলৈ আহে এটা নিষ্কম্প প্ৰদীপ শিখাৰ কথা। অত্যাধুনিক বিদ্যুত উৎপাদন কেন্দ্ৰৰ কৰবাত যান্ত্ৰিক বিভ্ৰুতি ঘটিলে আমাৰ যুগৰ দুৰ্ঘোৰ এন্ধাৰত ঘি শিখা আমাৰ পৰম আশ্ৰয়। অধ্যাপক স্মিথৰ সেই স্মৰণীয় কথাষাৰ একমাত্ৰ এনে এটা অনুভৱ প্ৰকাশ কৰিবলৈকে মই পাই দিছিলো। আৰু য়াংজু নদীৰ পাৰৰ কাহিনী মই তেনে এটা অনুভবেৰেই কৰলৈ প্ৰয়াস কৰিছোঁ। তাকে কৰোতে চীনা জনসাধাৰণৰ চিন্তা চৰ্চাৰ আৰু তাৰ ঐতিহাসিক পটভূমিৰ কেতবোৰ দিশ মোৰ বিচাৰ বুদ্ধিৰে আলোচনা কৰিছোঁ। চীনৰ জনসাধাৰণে আকৌ হাতৰ আখৰ চাই ব্যক্তি বিশেষৰ গুনানুগুণ নিৰ্ণয় কৰে। সেইসকলে কয় ছিয়াং কাই শ্বেকৰ চহীটো হেনো হান যুগৰ অমানুষিক দুঃসাহসিকতাৰ প্ৰতীক আৰু মাও চে টুঙৰটো হেনো টাং যুগৰ মানৱ-মুক্তি আৰু গতিশীলতাৰ প্ৰতীক। নতুন চীনৰ নিমাতা হিচাপে মাও চে-টুঙে চীনা জনসমাজত কি ধৰণৰ মুক্তি আৰু গতিশীলতাৰ সৃষ্টি কৰিছিল সেই সম্বন্ধেও পাৰ্শ্বমানে আলোকপাত কৰাৰ চেষ্টা কৰা হৈছে।

কিতাপখনি যুগতাওতে মোক মোৰ জীয়ৰী বিনিন্দিতাই (মামুন) আৰু পাৰমিতাই (বুন) বিভিন্নভাৱে সহায় কৰিছে। আৰু লেখি শেষ কৰাৰ উদ্দীপনা দিলে শ্ৰীনাৰায়ণ বৰকটকীয়ে ছপাৰৰ বাবে দায়িত্ব লৈ। তেওঁৰ কাম কাজ নিখুঁত যে হব মই ব্যক্তিগত অভিজ্ঞতাৰ পৰা নিশ্চিত। কিতাপখন লেখিবলৈ লোৱা বুলি শুনি আন বহুতেই প্ৰকাশৰ দায়িত্ব লবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। কিন্তু বৰকটকীয়ে ইচ্ছা প্ৰকাশ কৰাৰ লগে লগে মই সিদ্ধান্ত লৈছিলোঁ। অসমৰ পঢ়ুৱৈ সমাজে কিদৰে কিতাপখন গ্ৰহণ কৰে মই নাজানো। কিন্তু এটা কথা মই দৃঢ়ভাৱে কব পাৰো যে আমাৰ চুবুৰীয়া কোনো ভাষাতে চীন ভ্ৰমণৰ বিষয়ে লেখোঁতে ইমান বিস্তাৰিত পটভূমি গ্ৰহণ কৰা নাই। আমাৰ আধুনিক ভাৰতবৰ্ষৰ জননায়কসকলৰ চিন্তা চৰ্চাৰ সতে নতুন চীনৰ জননায়কসকলৰ ধ্যান-ধাৰনাৰ তুলনামূলক উপলব্ধি দাঙি ধৰা হোৱা

নাই। চীনৰ কৃতিত্ব দেখি মই বহুবাৰ মুগ্ধ হৈ পৰিছোঁ কিন্তু চীনে মোক কোনোদিনে সন্মোহিত কৰিব পৰা নাই।

হয়তো মোৰেই উপলব্ধিৰ ভুল। কিন্তু য়াংজু নদীৰ পাৰ মোৰ উপলব্ধিৰ অবিকৃত দলিল। একোতে আবৰণ নিদিয়াকৈ ভুলে চুকে সমস্ত মই দাঙি ধৰিছো।

গুৱাহাটী
অক্টোবৰ ১৯৮৬

মেদিনী চৌধুৰী

ভ্ৰমণৰ আটাইতকৈ দুঃসহ মুহূৰ্ত হ'ল মাজপথৰ বেকাৰ নিৰুপায় প্ৰতীক্ষাৰ মুহূৰ্তবোৰ। অসহ্য উদ্বেগ। ক্লান্তি আৰু নিদাৰুণ আশাভংগৰ উপৰ্যুপৰি আঘাতত মন বিধ্বস্ত নিষ্প্ৰাণ হৈ পৰে মুহূৰ্তে মুহূৰ্তে।

কিন্তু সৌভাগ্যক্ৰমে যদি হয় হংকঙৰ দৰে মনোৰম চহৰতলি আৰু লগত থাকে যদি কিছু সময়, তেতিয়াহ'লে তেনে অপেক্ষাৰ মুহূৰ্তবোৰ আৰু দুঃসহ হৈ নাথাকে বৰঞ্চ বহু উপভোগ্য হৈ পাৰে।

হোটেল প্ৰাচুৰ্যৰ ফালৰ পৰা বিচাৰিলে হংকঙত তিনিটা ৰাতি খপিব লগীয়া নহ'ল মই। হংকঙৰ ফালৰ পৰা দিনৰ কোনো মূল্য নাই। তাৰ দিনবোৰ কেৱল জীৱনৰ কৰ্তব্যবোৰ পূৰণৰ সমষ্টি মাত্ৰ। হংকঙৰ ৰাতিবোৰ হ'ল মোহময়। দিনৰ দিনটো আলস্য জড়িত হৈ পৰি থকা সময়ে পথবোৰৰ বলাক্লান্তৰ মাজত সজাগ হৈ উঠে।

বিমানকোঠৰ গাতে লাগি থকা এয়াৰপোৰ্ট হোটেলৰ মেৰিডিয়ানত মই ৰাতি কেইটাৰ বাবে আশ্ৰয় লৈছিলোঁ। এঘাৰ তলাৰ ওপৰত। কামত লাগিছিল মোৰ নাইট ক্লাব। যত পুৰতি নিশা তিনি বজালৈ চলিছিল অতিথি অভ্যাগতৰ ব্যস্ত অথচ ৰহস্যময় প্ৰবেশ প্ৰস্থান। মই অৱশ্যে নিতৌ বাটবোৰৰ মাজলৈ গৈ হোটেল আৰু বিমানকোঠ সংলগ্ন কৰা সুদীৰ্ঘ কৰিডৰবোৰৰ গুলাই আহিছিলোঁ। কৰিডৰটোৰ দুয়োকাষে আছিল সুদীৰ্ঘ কাচৰ বেৰ। তাৰ তলেদি গৈছিল কোৱালুনৰ হাৰবাৰৰ আটাইতকৈ ব্যস্ত চিত্ৰ এক্সপ্ৰেছৱে। যত বিৰতিহীন ভাবে চলে হাজাৰ হাজাৰ দ্ৰুতগামী কাৰৰ মিছিল। কৰিডৰটো পাৰ হৈ দ্বিতীয় মহলাৰ হোটেলৰ প্যাৰাজ। যত সম্প্ৰসাৰণমান গাড়ী অবিৰত থাকেই। পথবোৰ কৰিডৰটোত থিয় হ'লেই অনুভৱ কৰিব পৰা যায় হংকং মহানগৰীৰ প্ৰাণৰ উদ্দাম স্পন্দন। তাত কিছুপৰ ৰ'লেই ওপৰৰ বিমান আৰু তলৰ শব্দৰ সংঘাতত নিজকে হেৰুৱাই পেলোৱাৰ আমেজ অনুভৱ কৰিব

পৰা যায়। অলপ এন্ধাৰ হলেই নামি গৈছিলো বিমানকোঠলৈ। কবৰ কবৰ যেন লগা নয়াৰ ইণ্ডিয়াৰ অফিচটোৰ সন্মুখত বহি চাৰিওপিনে নিজৰ ভাগে ব্যস্ত হৈ থকা যাত্ৰীবোৰলৈ চাই নিজকে একেবাৰে অকল শৰীয়া যেন লাগিছিল। ভাৰতীয় যাত্ৰীৰ মুখ দই এখোকাখন কেতিয়াবাহে দেখিছিলো সেই হেজাৰ হেজাৰ যাত্ৰীৰ মাজত। লগে লগে ভয় লাগিছিল হঠাৎ জানোচা মোৰ অবলম্বনৰ তামেজ নষ্ট হৈ যায়। হ কঙৰ স্থানীয় দুজনী সৰু সৰু ছোৱালীৰ তিনিটা ৰাতিতে দেখিছিলো মই বহাৰ ওচৰতে থকা অটো মেটিক ফটোগ্ৰাফ কাউন্টাৰত চাৰি ডলাৰ চাৰি ডলাৰকৈ দি পাচপোৰ্ট চাইজৰ ফটো তুলি থৈ যোৱা। বিমানকোঠতে থকা ঘড়ীৰ দোকানীজনৰ জীয়েক বোধহয় দুয়োজনী। কাষ্টমচ ফ্ৰী বোলা প্ৰচাৰৰ চেপ লৈ বিমান যাত্ৰীক ঠগা দোকানী বাপেকৰ বোধকৰো আদৰৰ দুলালী তাহাত। পইচা জধে মধে খৰচ কৰাত হাত ধৰোতা কোনো নাই নিশ্চয় নহলে দহ এঘাৰ বছৰীয়া ছাবালীজনী আৰু তাইৰ ভনীয়েকৰ ইমানবোৰ পাচপোৰ্ট চাইজৰ ফটো তুলি এনেদৰে ডলাৰৰ শ্ৰাদ্ধ কৰাৰ কোনো অৰ্থ মই বিচাৰি পোৱা নাছিলো।

এয়াৰপোৰ্টৰ চালে চকু থৈৰে যোৱা ইউনিফৰ্ম পিন্ধা চিকিউৰিটি বিষয়া [illegible]পৰা কীয়েও নিশ্চয় তাৰ অৰ্থ বিচাৰি পোৱা নাছিল। দ্বিতীয় দিনাৰ ৰাতি এগৰাকী ধুনীয়া চিকিউৰিটি অফিচাৰে ছোৱালী দুজনীক কেণ্টনিজ ভাষাত বোধকৰো মৰম কৰি কিবা এষাৰ সুধিছিল। প্ৰশ্নবোৰ মই বুজা নাছিলো। কিন্তু লাজ লাজ কৰি বাহিৰৰ পিনে থকা চাকটত আপোনা আপুনি সৰি পৰা ফটো চাৰি কপি লৈ যেতিয়া দুয়োজনী কিবা এষাৰ চমুকৈ কৈয়ে দোকানৰ পিনে দৌৰ মাৰিছিল মই উত্তৰটো অনুমান কৰিছিলো। নিশ্চয় তাহাতে এনেয়ে বুলি কৈ দৌৰ মাৰিছিল।

হ কঙৰ সময়মতে (ভাৰততকৈ আঢ়ৈ ঘণ্টা আগ) ৰাতি সাত বজাৰ লগে লগে নিতউ টোকিওৰ পৰা এখন প্লেন আহে। দুয়ো ৰাতি দেখিছিলো তাত বহুত জাপানী আৰু কোৰিয়ান লোক অহা। তেওলোক আহি মাল বস্তুৰে সতে মোৰ চাৰিওপিনে বহেহি। মই তেতিয়া লাহে লাহে উঠি যাও ৰাতিৰ আহাৰৰ উদ্দেশ্যে বিমানকোঠৰ ভিতৰৰে মীৰামাৰ ৰেষ্টোৰালৈ।

মীৰামাৰ ৰেষ্টোৰাও বোধকৰো এয়াৰপোৰ্ট হোটেলৰ দৰে কোনোবা এগৰাকী ইংৰাজ মালিকৰ। ১৯৯৭ চনত হংক যেতিয়া চীনৰ সতে

চামিল হব তেতিয়া কি হয় নাজানো কিন্তু এতিয়া হংকঙৰ আটাইতকৈ মনোৰম আৰু সবিধাজনক স্থানত স্থাপিত ৰেষ্টোৰাঁ এইখনেই। ইয়াৰ বৰবোৰ আয়নাৰ। হংকঙত অবশ্যে গাড়ক হোৱালীৰ দৰেই আয়নাও যদি তেনি দেখিব'লৈ পোৱা যায় আনকি ভ্ৰাম্যমান শুমতিতো আয়নাৰ বৰ থাকে। গীৰামাৰ ৰেষ্টোৰাঁৰা তিনিফালে মজিয়াৰ পৰা মুধচলৈ আয়নাৰ বেৰ।

মই তিনি বাতি এবেটা চুকত টেবুল পাইছিলো। গধূলি হোৱাৰ লগে লগে প্ৰশান্ত মহাসাগৰীয় দেশবাৰে চুক কোণ যত্ন খিমান বিধে বিধ মাত আৰু ছয়াতে যে। উজ্জ্বল কৰি বাকি দিয়ইছি।

চুকৰ অবলম্বীয়া টেবুলত জগা পোৱাটো লোভনীয় দুটা কাৰণত। বিদেশৰ মাৰামাৰ ৰেষ্টোৰাত। তাত বহিলে নিজৰ হোটেলৰ বিপুল জনসমাগম সম্পৰ্শ্য কৰি ৰখা যেন অনভৱ হয়। জনসমাগমৰ মাজতে নিজক নিজা নিলিপ্ত বিচ্ছিন্ন যেন লাগে। দ্বিতীয় কাৰণটো হ'ল এই আন্তৰ্জাতিক বিমানকোঠৰ বিশাল সবিস্তীৰ্ণ টাৰমাক আৰু কোৱানলন পাৰবাৰৰ সাগৰীয় নীলা খদি প্ৰশস্ত ৰাণ এৰেটো দীঘল সৰু হৈ সাগৰৰ নীলা নীলিমা সোনাৰ দৰা উপভোগ কৰা।

বাতি বিমানৰ হৃহা যোৱা কিছু পাতলি আহে। দিনত কিন্তু দেখিছিলো প্ৰতি দুই মিনিটৰ অন্তৰে অন্তৰে বিমান উৰিছে আৰু নামিছে। পানএম ব্ৰিটিছ এয়াৰওৱেজ লফটহানছা কাথে পেচিফিক এয়াৰওৱেজ চিঙ্গাপুৰ এয়াৰলাইনচ চিনা নচি আদি পৃথিৱীৰ বিভিন্ন বিমান সংস্থাৰ বিশালকায় অজস্ৰ বিমানে কোৱানলন হাৰবাৰৰ আকাশ শান্তি ধৰিছে। কোনোবাখন উৰি গৈ সাগৰৰ নীলা আৰু আকাশৰ নীলা যত একাকাৰ হৈ পৰিছে তাৰে কোনোবাখিনিত এটা বিন্দুত বিলীন হৈ গৈছে তাৰ প্ৰায় অব্যৱহিত পাচতে ঠিক তাৰে পৰাই আন এটা বিন্দু ক্ৰমে ডাঙৰ হৈ চকুৰ সন্মুখতে এখন প্ৰকাণ্ড বিমান হৈ নামি হাই সাগৰৰ পাৰীয়মণি চুই একা বাণবেত পৰিছহি।

ৰাতি বিমানৰ এহা যাৱা কম কিন্তু বিমানৰ ৰঙা নীলা বিচিত্ৰ লাইট আৰু বিমানকোঠৰ নিয়ন মাৰ্কাৰি আদি বিধে বিধে লাইটৰ মাজত যেন অঘোষিত বিউটি কনটেষ্ট চলে মুহূৰ্ত মুহূৰ্তে।

সেইবাৰৰ দেশত সক্ৰিয়া ছয় বজাত মানুহে ডিনাৰ খায়। জাপানী ডাঙৰ পৰিয়ালবোৰ অষ্ট্ৰেলিয়াৰ সৰু সৰু পৰিয়ালবোৰ, থাইলেণ্ডৰ

পকামৰীয়া বুঢ়া বুঢ়ী মুখাবয়বত ম োল মুকলি হাহি ি গাপৰৰ জিন স্টোনবাচ পিন্ধা বিচিত্ৰ সাজত চমনিয়া ডেকালৰা কোৰিয়াৰ গোমোঠা মুখীয়া বি ষেজ্ঞৰ তিনি ীয়া দলটো কাৰিসাৰ মা লা স হাৰ চীনা ভাষা অধ্যয়নৰ উদ্দে্যে পাদহীয়া এ ৰাকাৰ নতৃত্বত অহা যৱশী মহিলাৰ সদস্য ছাৰাবনী পাটায় নিজৰ নিজৰ টেবলত খোৱাত ব্যস্ত হৈ পৰি ল। আৰু পঠৰ অ লি পাত ি তা নৰি ি ল। চীয় া োল সবলৰ দেখিছোঁ তেন্তে চীনাৰ হ ক নাইবা জাপানৰ হ ক দক্ষি। কাৰিয়াৰ হওক নাইবা হ ক াহ লগে হ ব পৰা ছয় বজাত দিনটোৰ বা ব কামলৈ ওলোবাব লা ল। মখৰ াত নাই। এ কবা ৰ সম্ভিয়া ছয়বজাত ডীনাৰৰ টেবুলত বহাৰ পা লাহে ত লোকৰ কণ্ঠৰ পর্গা োল খায়। একেবাৰে প ব া বোবা মানুহৰ যতিয়া মখৰ হৈ উঠে দ শ্যটো • বচ উপা া হৈ পৰে। গধুলি য়ৰপাৰ পাচত মীৰামাৰ ৰেস্টোৰাত ঘহিনা মোৰ োবিবৰ পাত মাষ পীনা পৰাৰ আদি মানৰ সই পানকুৰ কথা। পানবুৰে যেন তৰ ি ল হাতেৰে প্র া সাগৰৰ দ্বীপ দ্বীপান্তৰৰ পৰা আজলিয়ে আজলি য় বিচিত্ৰ মাছ বাঁলি আনি নিতৌ গধুলি মীৰামাৰ ৰ টোৰাত মেলি দি কৰবাৰ আৰৰ পৰা ৰং চাই থাকিব।

সেই মুহূৰ্তত যেন ম িজ পাক হৈ পৰো। পাইও নাৰ চুকত বহি পৰম নিলিপ্ততাৰে মীৰামাৰত সমবেত বি াল জাতাৰ ৰ চাহ খাকো।

সেইদিনা পিচ এটা অপ্রত্যাশিত ঘটনাই মাৰ মনৰ ৰ হৰি িছিল। এটা মুহূৰ্তৰ বাবেও মই শান্তি পাবা াছিলে। ঘণ্টাৰ ষাঠিটা মিনিটৰ প্ৰতিটো মিনিট মিনিটটোৰ ষাঠিটা চকেণ্ডৰ প্ৰতিটো চে ণ্ড মই পাহৰিব পৰা নাছিলো। চি এ এচি ( Chinese Airlines )ৰ ১৭ ন কাউন্টাৰৰ চীনা পাভৰু ৰাকীৰ ভগা ভা ই ৰাজীৰ গালি বেইমাৰ— ইউ হেভ চিটেড আৱাৰ এয়াৰলাইনচ। উই কান্ট হেল্প ইউ হেভ টু বাই এ নিউ টিকেট —ইত্যাদি মানুহক একেবাৰে হতাশ কৰি পেলাৱা বহুত গঞ্জনা।

আচলতে ঘটনাটো আছিল একেবাৰে অপ্রত্যাশিত। চীনৰ প্ৰবেশ পথ এসময়ত অনেক আছিল। ৰুচ দেশৰ মাজেদি ৰেলেৰে আহি মংগোলীয়াৰ উল্লান বাটেৰেদি অথবা হ কঙৰ পৰা পো ন পোনে ৰেল বা বিমানেৰে গুৱাংঝাও ( আগৰ ক্যান্টন )। হ কঙৰ পৰা গুৱা ঝাওৰ দুৰত্ব মাত্ৰ একানব্বৈ মাইল। এই বাটবোৰৰ প্ৰথমটো আজিকালি নাই। আৰু বিশেষ অনুমতি

নহলে দ্বিতীয় পথটোকো ধৰিব নোৱাৰি। আমাৰ পিচে প্ৰথম গন্তব্য স্থল আছিল বেইজিং। হংকঙৰ পৰা চাৰে চাৰিঘণ্টাৰ বিৰতিহীন বিমানপথ। আৰু চি এ এচিত বাদে আন বিমান সংস্থাৰ সেই পথত নিৰংকুশ যাতায়াত নাই। চি এ এচিত বাদে গত্যন্তৰ নাছিল বাবেই তাত স্থান সংৰক্ষণ বিচাৰি হংকঙত ৰাতি থপিব লগীয়াত পৰিছিলোঁ। তৃতীয় দিনৰ দিনাও আমাক কলে যে, চি এ এচিৰ সেইদিনাৰ সমস্ত স্থান সংৰক্ষিত হৈ গৈছে; আৰু তাত সকলো কথা কমপিউটাৰাইজড্। গতিকে উপায় নাই।

মই কাউন্টাৰৰ চীনা গাভৰুজনীৰ ভাবলেশ বৰ্জিত যান্ত্ৰিক কথা-কেইষাৰ শুনাৰ পাচত আমাৰ টালিটোপোলাবোৰ এজনক চাবলৈ দি অকণ খোৱা পানী বিচাৰি গৈছিলোঁ। হংকং আমাৰ গুৱাহাটী বা দিল্লীৰ দৰে নহয়, য'তে ত'তে খোৱা পানীৰ ব্যৱস্থা থকা। পানী বিচাৰি মই তিনিটা মিনিট অনৰ্থক ঘূৰি আকৌ টালিটোপোলাবোৰ ৰাখি থোৱা ঠাইলৈ ঘূৰি আহি একেবাৰে হতবাক হৈ গলোঁ। টালিটোপোলাৰ তাত চিনচাবেই নাই আৰু থৈ যোৱা সংগীজনো উধাও। মই তাতে শিলা-মূৰ্তিৰ দৰে হৈ গলো।

কিছুসময়, কিমান সময় মই আজিও কব নোৱাৰোঁ, মই থৰ হৈ তেনেদৰেই হৈ আছিলো। সেইখিনি সময়ৰ ভিতৰতে অলেখবাৰ মোৰ মনৰ মৃত্যু আৰু পুনৰুজ্জীৱন ঘটিছিল। শেষত আন দুজন সংগীক আহা দেখি মোৰ মুখলৈ পানী আহিছিল। কিন্তু হঠাৎ যেতিয়া শুনিলো যে, মোৰ প্লেনৰ টিকটটো ফলা হৈছে আৰু সেই টিকটটোতে মোৰ টালি-টোপোলাৰ দায়িত্বত ৰাখি থৈ যোৱা বন্ধুজন গ'ল, আনহাতে মোৰ টালি-টোপোলা আৰু বন্ধুজনৰ নিজৰ টিকটটোও তেওঁ লগতে লৈ গ'ল। মই কথাটো শুনি চাৰিওপিনে এন্ধাৰ দেখিলোঁ। সংগীদুজনৰ এজনে মোৰ ফলা টিকটটো মোলৈ ঘূৰাই দি উপদেশ দিলে কাউন্টাৰৰ গাভৰুজনীক লগ ধৰিবলৈ।

কাপোৰ-কানি আনকি টুথব্ৰাচ ডালো লগত নাই; হংকঙত এতিয়া আকৌ অন্ততঃ এটা ৰাতি কটাব লাগিব। মই পৰম আশাৰে বিশ্বাসৰদে লৰি গলোঁ ১৭ নং কাউন্টাৰলৈ -এই ফ্লাইটতে কিবা এটা কৰি মোক পঠাই দিব পাৰেই জানোচা। চীনা গাভৰুজনী কাউন্টাৰতে আছিল। মই যে যিমান বিনম্ৰ হব পাৰোঁ সিমান বিনম্ৰভাৱে মোৰ কথাটো কলোঁ। কি যেন বিহ হে খাই মলোঁ। ছোৱালীজনী একেবাৰে জাঙুৰ খাই উঠিল। তীব্ৰ ভাষাত কি কি যে গালি দিলে আজি আৰু মনত নাই। মাত্ৰ এষাৰ

পাজি মই আজিও পাহৰা নাই —মই হেনো এটা চিট অৰ্থাৎ প্ৰৱঞ্চক আৰু মই চাইনিজ এয়াৰ লাইন চক প্ৰৱঞ্চনা কৰিবৰ চেষ্টা কৰিছোঁ।

নিৰৱে নিৰুত্তৰে মই সমস্ত গঞ্জনা সহ্য কৰাৰ অন্তত তেওঁ হাতেৰে কাউণ্টাৰৰ পৰা আঁতৰি আহিবলৈ খেদি পঠোৱাৰ ভংগী দি কলে গো উই কান্ট হেল্প ইউ। বাই এ নিউ টিকেট এণ্ড কাম। উই শ্বেল শ্বী হোৱাট ক্যান উই ডু। মই এষাৰো ওজৰ আপত্তি নোতোলাকৈ আঁতৰি আহিছিলো। তেওঁ দেখোন আকৌ কলে তুমি আমাৰ অফিচলৈ যাবা এক বজাত। কম তিনিশ পচপন্ন। নতুনকৈ টিকট কিনিবলগীয়া হোৱাৰ দৰে ভীষণ বিপদৰ সম্মুখীন হোৱা সত্বেও এইবাৰ মাতটো অকণ কুমলি পৰা যেন শুনি সেমেকা হাহি এটাৰে সহাৰি দিয়াৰ চেষ্টা কৰিছিলো। তেওঁৰ মুখাবয়বৰ কঠোৰতা কিন্তু তেতিয়াও আঁতৰা নাছিল।

ইমান দুৰ্ভাগ্যজনক পৰিস্থিতিৰ মাজতো হোটেলৰ এৰি থৈ যোৱা কোঠালিটো যে আকৌ পাম মই ভাবিবই পৰা নাছিলো। পিন্ধি একা সাজেৰেই ভিডিঅ'ৰ চেনেল এটা লগাই দি বিছনাত দীঘল দি পৰিলো। চীনৰ বিশ্ববিশ্ৰুত খেলুৱৈ ঝাও জিয়াঙৰ জীৱনীৰ আধাৰত প্ৰস্তুত কৰা ছবিখন চাই চাই এসময়ত নিজৰ বিপদৰ কথা পাহৰি গৈছিলো।

বিৰামবিহীন বিচাৰি ঠিক এক বজাতে ৩৫৫ নং কোঠালিটো পাইছিলো। তাত যিটো দৃশ্য দেখিলো মই বিস্ময়ত হতবাক হৈ পৰিলো। একাধিক ব্যস্ত কৰ্মচাৰীৰ মাজত মই গাভৰুজনীক দেখা নাছিলো। কিন্তু মই কোঠালিটোত সোমোৱাৰ অব্যবহিত পাচতে তেওঁ হাহি হাহি সোমাই আহিল আৰু মোৰ বিস্ময়টো নিশ্চয় বসাল কৰি সকলোকে জনালে। আটায়ে হাঁহি মোৰ মুখলৈ চালে। মই হতবুদ্ধি হৈ গছৰ মুঢ়া এটাৰ দৰে থৰ হৈ বৈ পলো। গাভৰুজনীয়ে তেওঁৰ কামৰ চকীখন দেখুৱাই মোক বহিবলৈ কলে। মই ভয়ে ভয়ে বহিলোঁ। গাভৰুজনী প্ৰকৃততে যে ইমান ধুনীয়া আছিল মই ইমানপৰে ধাৰণাই কৰিব পৰা নাছিলোঁ। তেওঁ দেখোন আৰু কোনো ভূমিকা নকৰি মোৰ পিনে চাই হাঁহি হাঁহি সুধিলে—আৰ ইউ এ চাইনীজ? অৰ্থাৎ তুমি চীনা নেকি? মোৰ তো কাণ মুখ গৰম হৈ প'ল। এইবাৰ আকৌ কিহৰ পাল্লাত পৰিলোঁ। চীনদেশৰ কাউণ্টাৰ এটেণ্ডেণ্টজনৰ দল হেনো মাৰাত্মক ভয়াবহ। একেবাৰে নিৰ্মম। মই ভয়ে ভয়ে সুধিলোঁ:— কিয় সুধিলে বাৰু?

: ইউ লুক সো।

অৰ্থ সেই কথা। ভাৰতীয় উত্তৰ পূৰ্বাঞ্চলৰ মানুহৰ মুখাৱয়ৱত চীনাসকলৰ দৰে মংগোলীয় ছাপতো আছেই। মই এইবাৰ অলপ দৃঢ়তাৰে কলো—

ঃ মই ভাৰতীয় হে। ইন্দো।

হোষ্টেজনী কিন্তু নাছোড়বান্দা—

ঃ বাট ইউ লুক চাইনীজ।

ঃ ভাৰতীয় বহুত মানুহ চীনাসকলৰ দৰেই মংগোলীয় বংশোদ্ভব।

ঃ চাইনীজ আৰ নট মংগোলচ।

ঃ হয়তো হেজাৰ হেজাৰ বছৰৰ আগতে আমি একেঠাইৰে আছিলো।

ঃ মে বী।

তেওঁৰ মন্তব্যবোৰৰ লগে লগে কোঠাটোৰ কেউজনেই কিন্তু আনো গিজনি মাৰি হাহি দিলে। মই বৰ বিব্ৰত বোধ কৰিলো। খন্তেক পাচতে তেও হাহি সামৰি মেকুৰি এটাই কাণুৰি আধা মৰা কৰি লোৱা নিগনিটোৰে সহাৰি দিব বুলি যিদৰে অপলক দৃষ্টিৰে চায় সেইদৰে মোলৈ কিছুপৰ চালে। পাচত গম্ভীৰভাৱে কলে—

ঃ ইউ কাম উইথ ইওৰ টু ফ্ৰেণ্ডচ টু কাউণ্টাৰ টেৱেনটিন টমৰো এট টেন থাৰ্টি।

তেওঁক প্ৰথম দেখাৰ সেই মুখভাৱ ঘূৰি অহা দেখি ধন্যবাদ দিবলৈ গৈও মোৰ কথাষাৰ আড়ষ্ট হৈ গ'ল। আৰু কবৰাও হয়তো হঠাৎ তওঁৰ মনটো ঘূৰি যাব পাৰে বুলি ভয়তে লৰালৰিকৈ কোঠাটোৰ পৰা ওলাই আহিলো।।

হোটেললৈ আৰু ঘূৰি নগলো। কাপোৰকানি সলাই অলপ বিশ্ৰাম লোৱাৰ প্ৰশ্নই নুঠে লগত একো নাছিল বেতিয়া। হোটেলৰ সেণ্ট কাৰ্ডখন জেপতে আছিল। গতিকে হোটেলৰ বাচষ্টেণ্ডত বহি ৰলো। বাচখনে তো গৈ হংকঙৰ আটাইতকৈ ব্যস্ত অঞ্চল নাথান ৰোডৰ হাই এম টি এৰ সন্মুখত নমাই দিলে। ওচৰত ভাৰতীয় মানুহৰ বিভিন্ন দোকান। কাপোৰ ইলেকট্ৰনিক্স আদি বিধে বিধে সামগ্ৰীৰ দোকান।

এনেয়ে কিছুপৰ ঘূৰি চোৱাৰ পাচত এবাৰ এজন বাটৰ কাষত বহি থকা মুচিয়াৰক জোতাযোৰত ৰং দিবলৈ কলো ইংৰাজীতে। হংকঙৰ ৯০ ভাগ মানুহেই চীনা বংশোদ্ভূত যদিও শতকৰা ৭০ ভাগ মানে আজৰা আটদাগ হলেও ইংৰাজী বুজি পায়। তেওঁ আঙুলি দুটোটা মেলি' দি

ক'লে চেন। জোতা এযোৰ বং দিওতে দহ ডলাৰ লোৱা মই প্ৰথম ভাতেই পালোঁ। হংকঙৰ ১০ ডলাৰ মানে আমাৰ প্ৰায় ষোল টকা। মানুহজনৰ ব্যৱহাৰ ইমান বেয়া যে মই জোতাযোৰ দহডলাৰ বুলি জানিও বং কৰিবলগীয়াত পৰিলোঁ। অৱশ্যে সেই দহটা ডলাৰে মোক সিমান চিন্তিত কৰি তোলা নাছিল যিমান চিন্তিত কৰি তুলিছিল সেই ১৭ নং কাউণ্টাৰৰ চীনা গাভৰুজনীয়ে।

বজাৰৰ পৰা ঘূৰি আহি এয়াৰ পোৰ্টত বহিলোহি। হেজাৰ হেজাৰ মানুহ কোন কলৈ গৈছে তাক জনাৰ কোনো উপায় নাছিল। তাতে হয়তো কোনোবাখন বিমান এৰাৰ বাবে কিছু সময় আছে; যাত্ৰীয়ে এয়াৰ পোৰ্টত ফটো তোলাত আৰু মদ কিনাত ব্যস্ত হৈ পৰে। ছাট ছাট ফ্লাস্ক বান্ধৰ এক্সপোজাৰৰ পোহৰ অনবৰত অন্তত দহটা বিভিন্ন স্থানত দেখিবলৈ পোৱা যায়। ভাবিলো সেইবোৰকে চাই মন পাতলাম। মন পাতলোৱা দূৰৰ কথা অনুক্ষণ চীনা গাভৰুজনীৰ কঠোৰ মুখভাব আৰু গালি কেইষাৰ মনত পৰি থাকিল।

মীৰামাৰ ৰেষ্টোৰাৰ চুকত বহি আগদিনাৰ দৰেই একেবাৰে নিলিপ্ত হৈ চাৰিওপিনৰ দৃশ্য উপভোগ কৰাৰ চেষ্টা কৰিছিলো। কিন্তু প্ৰতিটো মুহূৰ্তত মনলৈ আহিছিল ১৭ নং কাউণ্টাৰৰ সেই ভয়াবহ অভিজ্ঞতাটোৰ কথা।

পাচদিনা আকৌ এখন কেলেংকাৰী। তেও মোক মাতিছিল চাৰে দহ বজাত। মই কিন্তু আঠ বজাতেই কাউণ্টাৰত হাজিৰ। ভৰি থিয়ালেই অকণ টহল দি লও আৰু তাৰ পাচত আকৌ কাউণ্টাৰত মূৰ্তিৰ দৰে থিয় হৈ থাকোঁ। তেওঁ কিন্তু কাঁটাই কাঁটাই চাৰে দহ বজাত কাউণ্টাৰত বহিছিলহি। মোক দেখিও তেও নেদেখা ভাও জুৰিলে। মই মৰণত শৰণ দি তেওঁ যে মোক চাৰে দহ বজাত মাতিছিল সোঁৱৰাই দিলো। তেওঁ কোনো বিশেষ প্ৰতিক্ৰিয়া নেদেখুৱাকৈ স্বাভাৱিকভাৱেই কলে— কাম এট ইলেভেন বুলি। এঘাৰ বজালৈ আৰু আধা ঘণ্টা থকা দেখি মই কাউণ্টাৰৰ পৰা আঁতৰি এজুম ঠাঁহি মাতি ফটো তুলি থকা মানুহৰ কাষত থিয় হৈছিলোঁহি।

হঠাৎ এজন পাতল ছাইৰঙী ইউনিফৰ্ম পিন্ধা মানুহে মোক একৰকম ঠেলিয়ে লৈ গ'ল কাউণ্টাৰৰ ওচৰলৈ। কাউণ্টাৰত থিয় হোৱাৰ লগে লগে তাত সংৰক্ষণৰ কাৰণে বৈ থকা জনতাৰ প্ৰত্যেকে মোৰ পিনে বিস্ফাৰিত নয়নে চালে মই যেন কিবা এটা অদ্ভুত জীৱহে। তেও কিন্তু মোৰ পিনে এখন বোৰ্ডিং কাৰ্ড আগবঢ়াই দি আবেগহীন ভাবে কলে—

ঃ মিণ্টাৰ চধ্ৰী দিছ ইজ ইওৰ বোৰ্ডিংকাৰ্ড। দিছ ইজ ইওৰ টিকেট ইউ গো দেয়াৰ।

মোৰ চৌধুৰী উপাধিটোক ইমান বিকৃত কৰি চধ্ৰী' বুলি মতাত আনসময়ত হোৱা হ'লে মোৰ আত্মমৰ্য্যাদাৰ বিৰুদ্ধে এক বিৰাট প্ৰত্যাহ্বান বুলি ধৰি নলওঁহেতেন। কিন্তু সেই পৰিস্থিতিত আৰু বিশেষকৈ তেনে এটা মুহূৰ্তত মই তেওঁৰ কথাষাৰত অপ্ৰত্যাশিত এক হৃদ্যতা অনুভৱ কৰিছিলোঁ।

মোৰ লগৰ এজনে মোক সেই সময়তে পিঠিত চকা দি কৈছিল— তুম ভি আই পি বন গয়ে হো। তমিতো বুঢ়া তোমাৰ চাম নাই, কোনোবেয়ে পটালা তাইক!

মই নিজেই ভাবি পোৱা নাছিলো। কেনেকৈকয়ে কি হ'ল? মোৰ লগৰীয়াৰ প্ৰশ্নৰ কেনেকৈ উত্তৰ দিওঁ বাৰু?

ডেল্টিবিউলৰ এটা পাকত হঠাৎ আ তৰি যাবলৈ বাট এৰি দিয়া গাভৰুজনীক দেখি যেৰাৰৰ বাবে মনত পৰিছিল তেওঁৰ কথা। প্লেনত বহি হাত ভৰি মেলি চকু দুটা মুদি দিছিলো। কৌতুহল আৰু প্ৰত্যাশাৰ দ্বন্দ্বত খন্তেক পাচতে হংকঙৰ সমস্ত কথা মনৰ পৰা অন্তৰ্হিত হৈছিল। বেইজিঙলৈ ৩ ঘণ্টা ২৫মিনিটৰ বাট। হংকঙৰ সময়মতে ১২বাজি ৫৫ মিনিটত বিমান এৰিছে আৰু বেইজিং পোৱাৰ কথা ৪ বাজি ২০ মিনিটত। সেই মুহূৰ্তৰ পৰা আৰম্ভ হবলগীয়া চীন ভ্ৰমণক কেন্দ্ৰ কৰি কৌতুহল আৰু প্ৰত্যাশাৰ চাকনৈয়াত মোৰ সমস্ত চেতনা হেৰাই গৈছিল।

বোধকৰো চৰম দুশ্চিন্তাৰ অন্তত মোৰ মনটো ক্লান্ত হৈ পৰিছিল আৰু কিছু সময়ৰ কাৰণে মোৰ টোপনি আহিছিল। চি এ এচিৰ বিমানৰ ঘি আকলি মুৰ্কালি যহাৰ জেগা আৰু চীনা বৈমানিকৰ মিহে পটুতা আজীৰ টোপনি নহা টোহে আচৰিত। মই অৱশ্যে গভীৰ টোপনিত পৰা নাছিলোঁ। চীনা গাভৰুৰ মধুৰ কণ্ঠস্বৰত সাৰ পাই উঠিছিলো। —জাণ্ট আফটাৰ এইট মিনিটচ হেন্স উই আৰ লেণ্ডিং এট বেইজিং। পাচ মিনিট দহ মিনিট অথবা পোন্ধৰ মিনিটৰ পাচত নহয় ঠিক আঠ মিনিটৰ পাচত বিমানখন বেইজিঙত নামিব। মনতে মোৰ হাঁহি উঠিছিল। গুৱাহাটীৰ পৰা দিল্লীলৈ গলে আমাৰ বিমানৰ গুৰুৱাতে ঘোষণা কৰে— আমি এতিয়া ৩১ হেজাৰ ফুট উপৰেদি গৈ আছোঁ। বাহিৰৰ তাপমান কোৰ ডিগ্ৰী বিলো ফ্ৰিজিং পইণ্ট, তজত আমাৰ সোহাতে বেনাৰচ; ঠিক সাত বাজিবলৈ পাচ মিনিট থাকোতে আমি দিল্লী পামগৈ। আৰু দিল্লীত বিমানখন অৱতৰণ কৰোতে সাত

বাজি পোন্ধৰ মিনিট পাৰ হয়। তেতিয়া হোষ্টেচ এগৰাকীয়ে যথাসম্ভৱ মোলায়েম কৰি ক্ষমা প্ৰাৰ্থনাৰ সুৰত কয় আমাক পাইলটে জানিবলৈ দিছে যে দিল্লীৰ আকাশত ট্ৰাফিক জাম থকা কাৰণে বিমানখনৰ দেৰি হ'ল।

চীনা গাভৰুৰ ঘোষণাৰ শুনি পৰম অৱজ্ঞাৰে মই হাতৰ ঘড়ীটোলৈ চালোঁ। তেতিয়া চাৰি বাজি বাৰ মিনিট গৈছিল। বিমানখনে উচ্চতা হেৰুৱাই এসময়ত বেইজিং এয়াৰ পোৰ্টৰ ওপৰ পাইছিলহি। এয়াৰ পোৰ্টখন এখন প্ৰকাণ্ড জনহীন প্ৰান্তৰৰ দৰে দেখা গৈছিল। হেংগাৰত বিমান কেইখনমান আছিল টাৰমাকতো নখন মান বিমান ৰৈ থকা দেখিছিলোঁ। পুৰণি জৰাজীৰ্ণ ৰাচিয়ান ট্ৰাক দুখন নে তিনিখন এঠাইত ৰৈ আছিল লগত সিমান সংখ্যক অগ্নি নিৰ্বাপক গাড়ী ওচৰত ৰাখি থোৱা দেখিছিলো। বিস্তীৰ্ণ টাৰমাকখনত কতো অকণো চাঞ্চল্যৰ আভাস দেখা নাছিল'। বিমানৰ দুৱাৰকেইটা খোল খোৱাৰ লগে লগে তলত দেখিছিলোঁ পাচজন ইউনিফৰ্ম পিন্ধা মানুহে চাইকেলত বেগেৰে টাৰমাকলৈ সোমাই আহিছিল। বিমানখনে ভূমি স্পৰ্শ কৰাৰ দুইমিনিটৰ ভিতৰত আমি বিমানৰ পৰা নামি আহিছিলো।

ঘড়ী চাই দেখিছিলো ঠিক চাৰি বাজি বাই। মিনিট যোৱাত আমি এয়াৰপোৰ্টৰ লাউঞ্জ পাইছিলোঁহি। সময়টো জনাৰ লগে লগে মই মনতে পুলক অনুভৱ কৰিছিলো কিয়নো ছোৱালীজনীয়ে ঘোষণা কৰা মতে ঠিক আঠ মিনিটৰ পাচতেই বিমানখনে অৱতৰণ কৰিছিল আৰু গাড়ী ভৱাৰ সহায় নথকা সত্বেও অতি কম সময়ৰ ভিতৰতে বিমানৰ পৰা যাত্ৰী নমাৰ বাবে সমস্ত আয়োজন সম্পূৰ্ণ কৰা হৈছিল।

বিমান বন্দৰত আমাক আদৰণি জনাবলৈ ৰৈ আছিল চীন গণৰাজ্যৰ কৃষি মন্ত্ৰালয়ৰ বৈদেশিক বিভাগৰ উপ মুখ্য-মাণ্ডলিক মিস্টাৰ উ ( হ বুলি উচ্চাৰণ কৰে ) চাওলিন আৰু আন বিষয়ববীয়া জনদিয়েক। এখন জাপানী টয়োটাত আমাক লৈ যোৱা হৈছিল বেইজিং চহৰৰ উপকণ্ঠৰ এখন হোটেললৈ। হোটেল পাওতে আমাৰ প্ৰায় চাৰে পাচ বাজিছিল। চাৰিওপিনৰ প পলাৰ গছৰ জাৰণিত এন্ধাৰ আৰু শীত দুয়োটাই গাঢ়হৈ নামি আহিছিল। হয়ৰজাত প্ৰায় কুৰি কিলোমিটাৰ নিলগৰ আন এখন ৰেস্টোৰাণ্ট আমাৰ নিশৰ পৰাই এটা ভোজনৰ আয়োজন কৰা হৈছিল। গতিকে নগৰ চুটকেচটো হোটেলৰ নিৰ্দিষ্ট, কোঠাত পেলাই থৈয়ে মই ওলাই আহিছিলোঁ।

ৰেষ্টোৰাঁখনৰ ওপৰ তলাৰ ডাইনিং ৰুমত সোমায়ে দেখিছিলোঁ ক্লুটি মন্ত্ৰালয়ৰ অন্যতম উপসঞ্চালক মিণ্টাৰ ক্চিং টু ঝাং তেওঁৰ মহকৰ্মীসহ টেবুলত বহি আমাৰ বাবেই বাট চাই আছিল। গৈয়েই চিনাকি হৈছিলোঁ আন্তৰ্জাতিক সহযোগ বিভাগৰ বিষয়া আং হুং টাও ঝাং হুং মিন ঝাং ক্চিং হুং লিন ঝাও আদিৰ লগত। তেওঁলোকৰ সহজ সৰল ব্যৱহাৰত কোনো লক চাক নাছিল। ওৱাইনৰ গিলাছবিলাক (মদৰ অকণমান গিলাচ) তুলি লৈ চিঞৰিছিল 'কাম্পে কাম্পে' বুলি।

কাম্পে শব্দৰ অৰ্থ হ'ল মদ শেষ কৰি খোৱাৰ বাবে আহ্বান। অৱশ্যে চবেই যে মদ খাবই লাগিব তেনে কোনো কথা নাই। মদ নেখালে বীয়েৰ; আৰু যদি বীয়েৰো নেখায় তেনেহলে কমলাৰ ৰস। পানীৰ ব্যৱস্থা কিন্তু নাই। শেলুৰৈৰ চুপ মাটিত পুতি থোৱা কণীৰ আঞ্জা চী কুকুৰাৰ কাঠফুলাৰে সতে ৰন্ধা মচ আৰু মদত লোটিয়োৱা মিছা মাছ ভজা আৰু বহু ধৰণৰ কিবা কিবি সোৱাদ লগা নতুন আঞ্জা খাইছিলোঁ সেইদিনা।

আমাৰ অদূৰত আন এখন টেবুলত বহিছিল চীনৰ আৰু ইটালীৰ ডেকা ল'ৰা কেইটামান। চীন দেশে ইটালীৰ সতে যুটীয়া কাৰখানা এটা আৰম্ভ কৰিছে চীনত, গাড়ী তৈয়াৰ কৰাৰ উদ্দেশ্যে। এইবছৰতে ২ নিযুতখন কাৰ তৈয়াৰ কৰি উলিওৱাৰ আঁচনি হাতত লৈছে। চীনদেশৰ আঁচনি প্ৰায়ে বিফল নহয়। ২ নিযুত মানে ২ নিযুত কাৰেই ওলাব বছৰটো শেষ হোৱাৰ আগতেই হয়তো দুই চাৰিখন বেচিহে ওলাব পাৰে; কম কিন্তু নহয়।

ডেকাল'ৰা কেইটাই বিৰাট হুলস্থুল কৰি আহাৰ খাইছিল। ল'ৰা-কেইটাৰ উন্মত্ত আহ্লাদ দেখি মোৰ মনৰ অৰ্গলবোৰ খোল খাই আহিছিল।

মোৰ কাষত ধুনীয়া ডেকা ল'ৰা এটা বহিছিল। চেং ঝাও-ক্চিং (Qing) নাম। চাংহাই চহৰত ঘৰ। আমাৰ জুনিয়ৰ ইন্টাৰপ্ৰিটাৰ, চিনিয়ৰ ইন্টাৰপ্ৰিটাৰ আছিল মিণ্টাৰ হু চাওলিন। মিণ্টাৰ ক্চিঙক সুধিছিলোঁ কিয় ল'ৰা কেইটাই ইমান হুলস্থুল কৰিছে বুলি। উত্তৰত তেওঁ চমুকৈ এষাৰ কথা কলে, অথচ কথাষাৰ শুনাৰ পাচত নৈতিকতাৰ ওপৰত লিখা সুদীৰ্ঘ ভাষণ এটা নীৰবে শুনি থকাৰ দৰে বোধ হ'ল মোৰ।

তেওঁ কৈছিল—হুলস্থুল কৰাৰ এইটোৱেই সময়। আমাৰ টেবুলৰ বয়সস্থ চীনা ভদ্ৰলোক কেই গৰাকীৰ মুখৰ কথাটো সম্ভ্ৰান্তিকৈ বোজা

খাইছিল। মিণ্টাৰ চিঙে যোক কৈছিল সন্ধিয়া ছয় বজাত ডীনাৰত বহাৰ পৰা হাহি ধেমালিৰ সময়। কিয়নো পুৱা ছয় বজাত পুৱাৰ আহাৰ খোৱাৰ লগে লগে আৰম্ভ হয় কামৰ সময়, একেবাৰে ডীনাৰৰ সময়লৈকে। গধুলি ছয় বজাৰ পৰা আঠ বা চাৰে আঠ বজালৈ হাহি তামাচাৰে ডীনাৰ চলে। তাৰ পাচত দহ বজাৰ লগে লগে শোৱাৰ সময়। মিণ্টাৰ চিঙৰ চমু উত্তৰযাৰে মোৰ মনত পেলাই দিছিল মোৰ নিজৰ বিভিন্ন অভিজ্ঞতালৈ। ডীনাৰ পৰ শেষ নোহোৱালৈকে মিণ্টাৰ চি হতে আমাক হোটেলত এৰি থৈ নোযোৱালৈকে মোৰ মনটো মুকলি লগা নাছিল।

গৰমপানীৰে গাটো তিয়াই বিছনাত পৰাৰ লগে লগে মিণ্টাৰ চিঙৰ কথাষাৰ পাহৰি গৈছিলো। মনলৈ আহিছিল বেইজিঙৰ প্ৰাচীন আৰু সাম্প্ৰতিক বিভিন্ন ঐতিহাসিক কাহিনীৰ কথা। মনতে এটা অদ্ভুত পুলক অনুভৱ কৰিছিলো আৰু অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছিলো ৰাতিটো পুৱাবলৈ বুলি। এসময়ত মোৰ অজ্ঞাতে অপেক্ষমান চকুযোৰ টোপনিৰ ভৰত মুদখাই আহিছিল।

বেইজিঙৰ নাম তেতিয়া আছিল টাটু। অথাৎ মহাৰাজধানী। ত্ৰয়োদশ শতিকাৰ মংগোলবংশীয় প্ৰখ্যাত সম্ৰাট কুবলাই খানে এই নাম দিছিল নিজৰ ৰাজধানীৰ মহানগৰীখনৰ। ভেনিচৰ সাউদ মাৰ্কোপলোৱে তাৰ নাম দিছিল কাম্বালক বা খানবালিক। বিশ্বৰ আটাইতকৈ মনোৰম চহৰ বুলি তেওঁ উল্লেখ কৰিছিল খানবালিক অথাৎ খানপুৰীৰ কথা। মিং বংশৰ সম্ৰাটসকলে বেইজিঙৰ নাম দিছিল পিকিং বুলি। পিকিং অথাৎ উত্তৰীয় ৰাজধানী। মিংসকলে খৃষ্টীয় চৈধ্য শতিকাৰ শেষাধৰ পৰা সোতৰ শতিকাৰ মাজভাগলৈ ৰাজত্ব কৰিছিল।

চীন গণৰাজ্যৰ জন্মদাতা ড খান ইয়াৎ খেনৰ দিনত (১৮৬৬—১৯২৫) পিকিঙৰ নাম দিয়া হয় পেইপিং—অথাৎ উত্তৰৰ স্বৰ্গ বুলি। টাইপেৰ চীনাসকলে আজিও পেইপিং বুলি কয় পিকিং চহৰক। দ্বিতীয় মহাসমৰৰ পাচত ১৯৪৯ চনত যেতিয়া পিপলচ ৰিপাব্লিক অফ চাইনাৰ প্ৰতিষ্ঠা হল মাও চে তুঙৰ নেতৃত্বত তেতিয়া এই চহৰখনৰ পুৰণি পিকিং নামটো আকৌ বাহাল কৰা হল।

বেইজিঙত পাচদিনা ৰাতি পওৱাৰ লগে লগে সাৰ পাই উঠিছিলোঁ। ভাবিছিলো ক্লুচেং গেটটোৰ কাষত এসময়ত যত চীনদেশৰ বিখ্যাত বিপ্লবী কবি লু শ্বুনে বাস কৰিছিল সেই ঘৰটো চাই আহিম। সেই ঘৰটোতে তেওঁ ১৯২৪-২৬ চনৰ ভিতৰত তেওঁৰ বহু প্ৰশংসিত ৱাইল্ড গ্ৰাছ নামৰ গদ্য কবিতাৰ সংকলনটো লিখি উলিয়াইছিল। আৰু সেই শ্বাও শ্বিং হোস্টেলটো বা আকৌ আজি কালি আছে নে নাই। তাত কেৱল শ্বাওশ্বিঙৰ পৰা অহা লোকেহে আশ্ৰয় পাইছিল। লু শ্বুনো তাতে ১৯১২ চনৰ পৰা ১৯১৯ চনৰ নৱেম্বৰ মাহলৈ আশ্ৰয় লৈছিল।

পুৱাতে এপাক গৈ সেইবোৰ চাই অহাৰ কথা ভাবিছিলো। তদুপৰি চোৱাৰ কথা ভাবিছিলো বেইজিঙৰ আধুনিকতম চাংআন বলেভাৰ্দ। গ্ৰেট ৱাল মিং টুম্ব ফৰবিডন পেলেচ চামাৰ পেলেচ—এইবোৰতো চাবই লাগিব। কিয়নো পিকিঙে যদিও কুবলাইখাঁৰ দিনতে পৃথিৱীৰ ভিতৰতে বিতোপন চহৰ হিচাপে গঢ় লৈছিল তৃতীয়জনা মিং সম্ৰাট চেং চ্চুৰ দিনতহে পিকিং হৈ পৰিছিল চীনা সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। গ্ৰেট ৱাল (চীনৰ প্ৰাচীৰ) প্ৰাচীন শ্বাং চৌ আৰু হান বংশৰ সম্ৰাট সকলে যদিও তৈয়াৰ কৰাইছিল তথাপি তাত সেইসকলৰ দিনৰ কাষ্ঠ নিৰ্মিত হৰ্ম্যপুৰীৰ অথবা পৰপুৰুষৰ স্মৃতি মন্দিৰৰ কোনো চিন চাবেই নাই এতিয়া। এতিয়া গ্ৰেট ৱাল যি ৰূপত দেখিবলৈ পোৱা যায় সেয়া মিং সম্ৰাটৰ অৱদান মাত্ৰ। ১৩৬৮ খৃষ্টাব্দত যেতিয়া মিং বংশই চীনদেশৰ শাসন মংগোল (Yuan ইয়েন বংশ) বংশৰ সম্ৰাটৰ পৰা হস্তগত কৰে সেই সময়ত যদিও নানকিং ৰাজধানী আছিল পিকিঙৰ প্ৰভাৱ কিন্তু কমি যোৱা নাছিল। মিং সম্ৰাট চেং চ্চুৱে যেতিয়া পিকিঙলৈ ৰাজধানী তুলি নিছিল তেতিয়া কিন্তু নানকিঙৰ গুৰুত্ব একেবাৰে কমি গৈছিল। চীনা ঐতিহ্যৰ সতে পিকিঙৰ নিবিড় সম্বন্ধ যে দীৰ্ঘদিনীয়া এইকথাই তাকে সচায়। এই মিং সম্ৰাটসকলেই পিকিঙত ৰাজধানী প্ৰতিষ্ঠা কৰি দেশখন সুৰক্ষিত কৰাৰ উদ্দেশ্যে পুৰণি প্ৰায় ধ্বংস-প্ৰাপ্ত টুকুৰাবোৰ জোৰা দি আজিৰ গ্ৰেটৱালখন গঢ়ি তুলিছিল।

পুৱা বাহিৰলৈ ওলাই আহি দেখিলোঁ পথৰ পাইন ঝাউ জিংকো কাটাল্লা আদি বিধে বিধে গছৰ কুঞ্জ। পুৱাৰ চেঁচা বতাহত সিহঁতে বৰ মোজাৰি হালি জালি নাচিছে। মিস্টাৰ হু আমাৰ বাবেই বৈ আছিল হোটেলৰ আগত।

ঃ নি হাও

নি হাও

নতুনকৈ শিকা সুপ্ৰভাতৰ চীনা শব্দ দুটা এই সুযোগতে কামত লগালো। মিষ্টাৰ হুৱেও প্ৰশান্ত হাহি মাৰি তাৰ প্ৰত্যুত্তৰ দিলে।

উই আৰ লেট। ইট ইজ অলৰেডি এইট।

মই ভবাই নাছিলো ইমান পুৱাতেই সময় যে ইমান আগবাঢ়ি গৈছিল। মিষ্টাৰ হুৰ পিচে পিচে হোটেলৰ বাহিৰলৈ ওলাই আহি মই অবাক হৈ গলো। জাপানী ধৰণীয়া মিনি বাচখনত বহি আটায়ে মোৰ বাবেই অপেক্ষা কৰি আছিল। অকণ অপ্ৰস্তুতও হৈ পৰিছিলো।

মই গাড়ীত উঠি বহাৰ লগে লগে ড্ৰাইভাৰে গাড়ী ষ্টাৰ্ট দিলে। মোৰ কাষতে বহা মোৰ সংগী এগৰাকীয়ে কাণে কাণে সুধিলে

মানি এক্সচেঞ্জ কৰোৱা লিয়া?

তেওঁ কি টকা বদলি কৰাৰ কথা কলে মই হঠাৎ বুজা নাছিলো। পাচত হঠাৎ মনলৈ আহিল চীনা ৰেমিবি আৰু ইয়েন (yuan) ৰ কথা। দেশৰ পৰা লৈ আহিছিলো আমেৰিকান ডলাৰ হংকঙত থাকোতে হংকং ডলাৰলৈ ভঙাই লবলগীয়াও পৰিছিলো কিছু অংশ। চীনত আকৌ বিদেশীৰ কাৰণে মুদ্ৰাও বেলেগ দোকানো বেলেগ। স্থানীয় ৰেমিবি বিদেশীয়ে চলাব নোৱাৰে; বিদেশীৰ কাৰণে লাগে চাটিফাইদ ইয়েন। এক ইয়েনত (জাপানৰ yen নহয়) আমাৰ চাৰে চাৰি টকা মান হয়। ১৯৩২ চনৰ পৰা চীন দেশত ইয়েন চলিছে। ইয়েনৰ অৰ্থ হল (greatness) মহানতা। কুবলাইখানে তেওঁৰ সাম্ৰাজ্যৰ নাম থৈছিল ইয়েন (yuan)। ইয়েনৰ পিচে নামেইহে সাৰ; হংকং ডলাৰৰো মূল্য আছে বহিৰাগত বিদেশীৰ মাজত কিন্তু ইয়েনৰ সিমান মূল্য নাই। নিজে জড়িত হৈ পৰা এটা ঘটনাক আশ্ৰয় কৰি মই এই মন্তব্যষাৰ দিছো। সময়ত কম ঘটনাটোৰ কথা।

মই সংগীবন্ধুৰ প্ৰশ্নষাৰ শুনিও নুশুনা ভাও জুৰিলো। কিয়নো আমাৰ ভ্ৰমণসূচীৰ বিষয়ে যি গম পাও বেইজিঙত ডলাৰ ভঙোৱাৰ কাম নাছিল।

আমাৰ আটক ধুনীয়া লাইম চিনখনৰ ঘড়ীটোৱে আমাক সময়ৰ কথা মুহূৰ্তে মুহূৰ্তে সোৱৰাই দিছিল আৰু ৰেকৰ্ডাৰৰ পৰা ভাহি অহা চীনা গাভৰুৰ সুমধুৰ সংগীতে বাৰে বাৰে আমাক সময় সম্বন্ধে উদাস কৰি তুলিবৰ বাবে যত্ন কৰিছিল। গীতবোৰ সচাকৈ শুৱলা আছিল। চীনা স্থানীয় আৰু পাশ্চাত্য সুৰৰ মিশ্ৰণ বোধকৰো।

এনেতে অলপ সময়ৰ বাবে গীত বন্ধ হৈছিল আৰু খন্তেক পাচতে চেনেলত ভাহি আহিছিল মুকেশৰ সেই এসময়ৰ জনপ্ৰিয় গীতটো মেই আৱাৰা হু । ক্চিওে ৰবই নোৱাৰিলে—মেই আৱাৰা হু – বুলি সুৰে সুৰে গাবলৈ লাগি গ'ল । মুকেশৰ তাহানিৰ হিট গোৰডৰ কেছেট এটা আমাৰ এজন বন্ধুৱে যে মনে মনে লগত লৈ আহিছিল মই জনা নাছিলোঁ । মুকেশৰ গীতটো বজাৰ লগে লগে নিজৰ দেশৰ ভিতৰতে কৰবাত গৈ থকা যেন অনুভৱ হৈছিল হঠাৎ ।

ভাষাই সঁচাকৈ মানহৰ অনুভূতি গভীৰভাৱে প্ৰভাবিত কৰে । প্ৰথম ভাৰতবৰ্ষ এৰাৰ দিনা মোৰ এটা পাহৰিব নোৱাৰা অভিজ্ঞতা হৈছিল ভাষাক লৈয়ে । আমি দিল্লী বিমান বন্দৰ এৰিছিলোঁ ভাৰতীয় সময় মতে ৰাতি ৭ বজাত । ৰাতি তেতিয়া প্ৰায় ১ বাজি কুৰি মিনিটমান হ'ব । আমাৰ বিমান খন ব্যাংকক আৰু হংকঙৰ মাজৰ কৰবাত আকাশপথত আছিল ।

মনটো কিবা গধৰ গধুৰ লাগি আছিল । কাষত মোৰ ভাৰতীয় সংগী এজনত বাদে চব অচিনাকি । হয়তো চাৰে পাচমাইলমান ওপৰেদি ই আছিলো সেই সময়ত । বিমানখনৰ গুম গুম এটা চেপা শব্দত বাদে এবোৰে সাৰে থকা যেন লগা নাছিল । হোষ্টেচ ষ্টুৱাৰ্ড চাৰেই পুৱতি নিশাৰ আমেজত কৰবাত নিজুম হৈ বহি আছিল নিশ্চয় । মই কৰিবলৈ কাম বিচাৰি নাপাই আৰহ সংগীত শুনাৰ বাবে ইয়াৰ ফোনটো লগাই চেনেলবোৰ ঘূৰাই গৈ আছিলো । কৰবাত হিন্দুস্থানী উচ্চাংগ কৰবাত কৰ্ণাটকী কৰবাত হিন্দী কৰবাত তামিল গীত কৰবাত পাশ্চাত্য সমলয় । বিৰক্ত হৈ শেষত এঘাৰ নম্বৰ চেনেলটো ঘূৰাই দিলো । ঘূৰাই দিবলৈহে পালো হঠাৎ ভাহি আহিল ড ভূপেন হাজৰিকাৰ সুৱদি কণ্ঠৰ গীত— মই আৰু মোৰ ছাঁ । তাৰ পাচত খগেন মহন্তৰ নাজিতৰা এনুৱা পীৰিতি আৰু শেষত এটা বাংলা গীত— নদীৰ যেমন ঝৰণা আছে ঝৰণাৰো নদী —মনৰ সমস্ত অস্বস্তি মুহূৰ্ততে দূৰীভূত হ'ল । চাৰিওপিনৰ পৰিবেশটো হঠাৎ আপোন আপোন যেন লাগি গ'ল ।

মিষ্টাৰ হু আমি কলৈ গৈ আছো ?

মোৰ প্ৰশ্নত মিষ্টাৰ হু অলপ অপ্ৰস্তুত হোৱাৰ দৰে দেখা গ'ল । তেও অৱশ্যে পাতল হাহি এটা মাৰি কলে—

ঃ উই ক্যাণ্ট গো টু গ্ৰেট ৱাল । ইউ ডোণ্ট লাইক গ্ৰেট ৱাল ?

ঃ ভাল পাও । মহান চীন দেশলৈ আহি গ্ৰেট ৱাল নাচালে কেনেকৈ হ'ব বাৰু ?

ইট ইজ দ্য অনলি লেণ্ডমার্ক অন দা চাৰফেচ অফ আথ দ্যাট কুড বী কট ফ্রম দ্য স্পেশ ষ্টীপ ।

পৃথিৱীৰ আন বস্তু আনকি হিমালয় পৰ্বতকো মহাকাশযানৰ পৰা ধৰিব পৰা নহয় ; পৃথিৱীৰ ভিতৰত কেৱল এই চীনৰ প্ৰাচীৰকেইহে মহাকাশৰ পৰা ধৰিব পৰা গৈছে ।

গ্ৰেট ৱালৰ কথা সৰুতে ভূগোলত পঢ়িছিলো পৃথিৱীৰ সপ্ত আশ্চৰ্যৰ অন্যতম স্বৰূপে । সেই দেখিলো পৃথিৱীৰ বিভিন্ন দেশৰ ভূগোলত বোধকৰো আমাৰ দৰেই গ্ৰেটৱালৰ বিষয়ে উল্লেখ আছিল । নহলে ইমান বিভিন্ন দেশৰ মানুহ ! যেন এখন সৰু সুৰা কুম্ভ মেলাহে ! সকলোৱে আহিছে গ্ৰেট ৱাল চাবলৈ । জাপানৰ বহা বহী এহাল আৰু (বোধকৰো) ইউৰোপৰ জাৰ্মানীৰ তিনিটা বৃদ্ধৰ মানুহৰ সোতত মিলি অৱলীলাক্ৰমে ওপৰলৈ উঠি যোৱা দেখি মইও বিহাৰী সংগী এজনৰ সতে কিছুদৰ ওপৰলৈ উঠিছিলো । ওপৰত প্ৰায় ১৬ ১৭ ফুট বহল বাট পটা । কৰবাত খটখটি হৈ ওপৰলৈ উঠিছে আৰু কৰবাত হয়তো এচলীয়া হৈ নামি গৈছে । ওখ ২২।২৩ ফুট হব অৱশ্যে পৰ্বতৰ কৰবাত হয়তো হেজাৰ ফুটো ওপৰলৈ উঠিছে দেৱালখন । আৰু দীঘল ? বোলেও ভালদৰে নাজানে । কাৰোবাৰ মতে ছহেজাৰ চাৰিশ কিলোমিটাৰ খেনোৰ মতে আকৌ দুহেজাৰ চাৰিশ মাত্ৰ । দৈৰ্ঘ্য যিমানেই নহওক লাগিলে এটা কথা অৱশ্যে সত্য যে এই গ্ৰেটৱালে তিব্বতৰ পৰা পবে পো হাই অ াদ পীত সাগৰ পৰ্যন্ত এই বিশাল ফাকটোক জোৰা দিছে । বেইজিঙৰ পৰা প্ৰায় ষাঠি কিলোমিটাৰ দৰত গ্ৰেটৱালৰ যিটো অংশ দেখা যায় সেই অংশটো সমুদ্ৰ পৃষ্ঠতকৈ তিনি হেজাৰ ফুটতকৈও ওখ বাদালিং পৰ্বতৰ ওপৰেদি গৈছে । চীনাসকলে এই গ্ৰেটৱালৰ নাম দিছে চাং চেং । খৃষ্টপৰ সপ্তম শতিকামানতে ইয়ান ঝাউ আৰু ছিন নামে তিনিখন ৰাজ্যই উত্তৰৰ শিয়ংন নামৰ যাযাবৰী অঘৰী জাতি এটাৰ দস্যু চদাৰ দাস বেপাৰী সকলে সেই ৰাজ্যকেইখনৰ প্ৰজাৰ মাজত অত্যাচাৰ কৰা দেখি নিজৰ নিজৰ উত্তৰ সীমান্ত দাস বেপাৰী যাতে সোমাব নোৱাৰে সেই উদ্দেশ্যে প্ৰাচীৰ গঢ়াইছিল । আচলতে গ্ৰেটৱালৰ সন্নপাত সেয়ে । তাৰ পাচত চি ৰাজ্যই এখন দেৱাল তুলিলে ল ৰাজ্যৰ পৰা কোনেও যাতে আহিব নোৱাৰে ; আকৌ ৱেই ৰাজ্যই তেনেদৰে দেৱাল তুলিলে চিন আৰু হান ৰাজ্যৰ কোনেও আহিব নোৱাৰাকৈ । চাও ৰাজ্যই তুলিলে আকৌ ৱেইৰ বিৰুদ্ধে । য়েনে তুলিলে আকৌ দানব আৰু চি ৰাজ্যৰ

বিৰুদ্ধে। কিন্তু আচলতে চিন খ্রি হুৱাং ট্টিয়েহে সৰু সৰু ৰাজ্যবোৰ লগ লগাই এখন প্ৰকাণ্ড শ । মাইলজোৰা দেৱাল গঢ়াৰ কল্পনা কৰিছিল। এইজনা সম্ৰাটে হেনো আকাৰত বিৰাট নহলে একোকে পছন্দ নকৰিছিল। তেওঁৰ মতে আকাৰেই আছিল পৰাক্ৰমৰ মাপকাঠি। চিন বংশৰ এইজনা সম্ৰাটে খৃ পূঃ তৃতীয় শতিকাত খ্রি কল্পনা কৰিছিল তাৰে পৰিণতি এই গ্ৰেটৱাল। অৱশ্যে এইজনা সম্ৰাটৰ একমাত্ৰ উদ্দেশ্য আছিল দামবৰ (খিয়ং নু) উপযুপৰি আক্ৰমণ প্ৰতিহত কৰা। আজিৰ গ্ৰেটৱালখনে খ্রি এক বিশাল ৰূপ ধাৰণ কৰিছে সেয়া হ'ল বিভিন্ন কালত বিভিন্ন বংশৰ শাসনকৰ্তাসকলৰ প্ৰচেষ্টাৰ পৰিণতি। অৱশ্যে এই পৰিণতিয়ে চূড়ান্ত ৰূপ পৰিগ্ৰহ কৰিছিল মিং বংশৰ (১৩৬৮—১৬৪৪) সম্ৰাট সকলৰ দিনত। পূবে খানহাইগুৱান পাছৰ পৰা আৰম্ভ কৰি পশ্চিমে জিয়াওগুৱান পাছ পৰ্যন্ত খিদৰে অ কাই পকাই ঘূৰি ঘূৰি গৈছে এই গ্ৰেটৱালে তাৰ দৈৰ্ঘ্য চাৰে ছহেজাৰ কিলোমিটাৰতকৈ কম নহব যেন লাগে।

অৱশ্যে স গীজনৰ সৈতে মানুহৰ সোঁতত ৱালৰ ওপৰেদি ভ াহি গৈ াবো ত দৈৰ্ঘ্য সম্পৰ্কে অনমান কৰিব পৰা নাছিলোঁ। কিন্তু তাৰ উচ্চতা বিশেষকৈ তাৰ প্ৰস্থ সম্পৰ্কে কেৱল অনুমানেই নহয় অনুভৱো কৰিছিলোঁ। কুৰিজ া মান মানহে একেলগে হেলাৰঙে একেটা পথাৰি শাৰীত খোজ কাঢ়ি যাব পাৰে ৱালখনেদি। আমাৰ শাৰীত সেইদিনা অন্ততঃ ত্ৰিশ-পঁচিশতকৈ কম হোৱা নাছিল।

এঠাইত গৈ এটা গেট পালোঁ। ওপৰৰ চালখন চাপৰ বাটটোও সেইখিনিতে ঠেক হৈছে। গেটটোত জপনা এখন পাব হৈ সোমাব লাগে। মই জপনাখন পাৰ হৈ ঠেক বাটটোত সোমাই মানুহৰ ভুম ফালি কোনোমতে গেটটো পাৰ হৈ মুকলিত ভালদৰে থিয় হৈ লৈছোঁ। দেখিলো মোৰ কান্ধৰ বেগটো নাই।

মই বিমূঢ় হৈ পৰিলোঁ। মোৰ যথাসৰ্বস্ব আছিল তাত। বিদেশত যথাসৰ্বস্ব হ'ল পাচপোৰ্ট আৰু ভিছা। বিশেষকৈ চীনৰ দৰে দেশত। তদুপৰি তাত মোৰ নোটবহীটোও আছিল। সংগীজন আগবাঢ়ি গৈছিলেই। মোক থমকি ৰোৱা দেখি ঘূৰি আহি সুধিলে—

ঃ ক্যা হুৱা ?

ঃ সৰ্ব্বনাশ হুৱা। মেৰা ব্যাগ খো গয়া।

সৰ্ব্বনাশ হ'ল। মোৰ বেগটো হেৰাল। তেওঁ দুৰ্ঘটনাৰ গুৰুত্বটো

শুনাৰ লগে লগে প্ৰশ্ন কৰিলে—

ঃ পাচপোর্ট ভিছা ?

ঃ চৰ খো গয়া ।

ঃ তৰতো প্ৰব্লেম হো গয়া ।

পাচপোর্ট ভিছা যদি হেৰাল তেনেহলেতো সমস্যা গুৰুতৰ। তথাপি ৰবাচোন সৌৰা মিস্টাৰ হু নামি আহিছে। সুধি চোৱা যাওক।

সংগীজনৰ আশ্বাসবাণীকে সাৰোগত কৰি মিস্টাৰ হু আমাৰ কাষ পোৱালৈ বাট চাই থাকিলোঁ। মিস্টাৰ হুৰে অলপ আতৰৰ পৰাই আমাৰ মুখৰ চেহেৰা দেখি বোধকৰো আন্দাজ কৰিছিল—

ঃ এনি প্ৰব্লেম ?

সমস্যা মানে দুৰ্যোৰ সমস্যাত পৰিছোঁ। মই কথাটো কলোঁ। মিস্টাৰ হুৰে খন্তেক চিন্তা কৰাৰ দৰে দেখা গল; কিন্তু হঠাৎ প্ৰসন্ন হৈ কলে—

ঃ নো প্ৰব্লেম; ইউ উইল গেট ইট। ওৱেইট।

আমাক ৰবলৈ কৈ তেও গেটটোৰ পিনে আহিল আগবাঢ়ি। অলপ গেটৰ ভিতৰত জনতাৰ মাজত তেও হেৰাই যোৱাৰ দৰে হল।

আম অৱশ্যে হতাশ হৈছিলোঁ। ইমান জনতাৰ মাজত হেৰোৱা বেগটো ঘূৰাই পোৱাৰ কোনো আশাই আমি দেখা নাছিলো। তথাপি মিস্টাৰ হু ঘূৰি অহালৈ বাট চাই আছিলোঁ।

অলপ পাচত দেখিলো এজন চীনা লোকে বেগটো লৈ মানহুবোৰৰ মুখলৈ চাই ফুৰিছে। ইন্দু অৰ্থাৎ ভাৰতীয় কাক পায় নিশ্চয় তাকে চাই আহিছিল। আমাক দুয়োকে দেখি তেও আমাৰ কাষত বৈ গল আৰু বেগটো দেখুৱালে। মই হয় বুলি মূৰ দুপিয়োৱাৰ লগে লগে আৰু কোনো প্ৰশ্ন নকৰাকৈ বেগটো মোৰ হাতত দি তেও উভতি মানুহৰ মাজত হেৰাই গৈছিল। মোক আনকি থি স্কী বুলি ধন্যবাদষাৰ দিয়াৰ সুযোগকে নিদিলে।

মিস্টাৰ হু আহি একোৱে যেন হোৱা নাই এনেদৰে স্বাভাৱিকভাৱে কলে—ঃ কাম কাম উই আৰ লেট।

মোৰ সংগীজনে মোক বাৰে বাৰে কলে বেগটোৰ বস্তুবোৰ ঠিকে ঠাকে আছে নে নাই চাই লবলৈ। মোঁৰো মন গৈছিল; কিন্তু মিস্টাৰ হু আৰু সেই চীনা ভদ্ৰলোক জনৰ কথা মনত পৰাত বেগটো খুলি

চাবলৈ মোৰ সংকোচ হৈছিল। মই চাব পৰা নাছিলো।

গ্ৰেট ৱালৰ ওচৰতে এখন ৰেস্টোৰাত যেতিয়া খাবলৈ বহিছিলোঁ তেতিয়াহে মিস্টাৰ হুৱে গোপনীয় কিবা এবাৰ কোৱাৰ দৰে সুধিছিল—

'হেভ ইউ চেক ড দ্য কনটেণ্টচ ? মই বেগটো খুলি চোৱা নাই বুলি কোৱাত মিস্টাৰ হুৱে আশ্বাসৰ সুৰত কলে—

ঃ ইটচ অল ৰাইট ইফ দেয়াৰ ইজ নো ব্ৰেকেথজ চ।

তেওঁৰ কথাষাৰ শুনি মই সচাঁকৈ নিশ্চিন্ত হৈছিলোঁ। আৰু মই মনে প্ৰাণে বিশ্বাস কৰিছিলো যে বেগৰ প্ৰতিটো বস্তু ঠিকেই আছে।

তেইশ বছৰীয়া ধুনীয়া ডেকালৰা মিস্টাৰ চিচিং আমাৰ জুনিয়ৰ ইণ্টাৰপ্ৰিটাৰ। খোৱাৰ টেবুলত তেওঁ মোৰ কাষত বহিছিল। তেওঁ এনেয়ে সুধিলে—

হাউ ডু ইউ লাইক ইট ?

ঃ হোৱাট ?

গ্ৰেট ৱাল ?

বৰ ভাল আকৌ ! বাৰু ইটাবোৰৰ ৰং ? সেইবোৰ বাৰু ইটাই নে ?

অ হয়। সেইবোৰ গ্ৰে ব্ৰিক। মিস্টাৰ চিচিঙে ইংৰাজীত কলে। গ্ৰে ব্ৰিক অৰ্থাৎ ছাইৰঙী ইটা আৰু সুন্দৰকৈ কটা শিলৰ টুকুৰা আৰু মাটি তাৰেই তৈয়াৰী হৈছে গ্ৰেট ৱাল। এই 'গ্ৰেটৱালে এসময়ত চীনদেশৰ প্ৰায় সোমাজেদি এক দুৰ্ভেদ্য প্ৰাচীৰ ৰচনা কৰিছিল। এই প্ৰাচীৰৰ এপিনৰ মানুহৰ সমাজ ব্যৱস্থা অৰ্থনীতি জীৱন পদ্ধতি সাংস্কৃতিক ঐতিহ্য একেবাৰে সতে আনপিনৰ মানুহৰ মিল নাছিল। ১৯৪৯ চনৰ ৰাষ্ট্ৰীয় মুক্তিৰ আগলৈকে প্ৰায় এনে ব্যৱস্থাই বাহাল আছিল। সম্প্ৰতি অৱশ্যে সেই ব্যৱধান নাইকিয়া হৈছে আৰু লগে লগে এই গ্ৰেটৱাল হৈ পৰিছে এক দুঃস্বপ্নৰ ইতিহাসত পৰিণত।

এই গ্ৰেটৱাল গঢ়ি তোলোঁতে নিঃসহায় কত লক্ষজনে নিজৰ সুখ-স্বাচ্ছন্দ্য নিজৰ ঘৰ-পৰিয়াল আত্ম-পৰিজন আনকি নিজৰ জীৱনকো বিসৰ্জন দিব লগীয়াত পৰিছিল। তাকে লৈ অলেখ অনুপম কাহিনী যুগ যুগ ধৰি চীনাসকলৰ মুখে মুখে চলি আহিছে। হান যুগৰ বহু প্ৰচাৰিত সেই বালাড— গ্ৰেটৱালৰ তলৰ খালত মই ঘোঁৰাক পানী খুৱাইছিলোঁ' আজিও দূৰ দূৰান্তৰ গাঁৱৰ চীনা বাইজৰ মুখে মুখে। আৰু প্ৰখ্যাত সেই লোক গাঁথাটো। স্বামীৰ সুদীৰ্ঘ বিৰহত শোকাবিহ্বলা মেং-চিয়াঙৰ ক্ৰন্দন

সেই লোক গাঁথাটোৰ কথা মোৰ আগত কৈছিল এগৰাকী মহিলাই। খোৱাৰ মেজত মহিলা গৰাকীৰ কথাবোৰ মিঃলীৰ চিচঙে যিমান পাৰে ৰসাল কৰি ইংৰাজীত ভাঙি গৈছিল মোৰ বুজাৰ কাৰণে। মেং চিয়াঙে হঠাৎ এদিন অহকাণে পহুকাণে হেনো শুনিছিল যে সেই প্ৰকাণ্ড দেৱালখন সাজোতে বহুত সহস্ৰ মানহ মৰিছিল আৰু তাৰ ভিতৰত তেওঁৰ স্বামীও আছিল। চীনা সমাজত এটা বিশ্বাস আছিল যে মৃতকৰ উপযুক্ত সৎকাৰ নহলে আত্মাই শান্তি নেপায়। তেও বাতৰিটো শুনি মৰ্মাহত হ'ল কিন্তু হতাশ নহ'ল। তেও যাত্ৰা আৰম্ভ কৰিলে গ্ৰেটৱালৰ সেই অংশলৈ য'ত তেওঁৰ স্বামীয়ে দেহত্যাগ কৰিছিল। হেজাৰ হেজাৰ মাইল জুৰি বিপদ সংকুল সেই পথত তেওঁৰ সংগী কোনো নাছিল। তথাপি এদিন তেও গন্তব্যস্থল পাইছিল। কিন্তু তাত তেও দেখিলে তেওঁৰ মৃত স্বামীৰ কঙ্কাল পৰ্বতাকাৰ গ্ৰেটৱালৰ তলত কৰবাত পোত খাই আছে। নিঃসহায় নিৰুপায় হৈ তেও পাৰেমানে কান্দিলে। কথিত আছে তেওঁৰ দুঃখ দেখি গ্ৰেট ৱালৰো হেনো অন্তৰ গলি গৈছিল। ৱালখনে নিজে খহি গৈ তেওঁৰ স্বামীৰ জকাটো উলিয়াই দিছিল। মেং চিয়াঙে জকাটো আলফুলে আনি পৰিয়ালৰ সমাধিস্থানত যথাৰীতি সৎকাৰ কৰিছিল।

গল্প শুনি তন্ময় হৈ পৰিছিলো। মিঃলীৰ হুৰে আহি মোক সচেতন কৰি দিলেহি।

খোৱা হোৱাৰ লগে লগেই কমালেৰে মুখখন মচি তেও ক'লেহি যে সময় নাই যাত্ৰা আকৌ সুৰু হওক। এইবাৰ মি টুম্ব অৰ্থাৎ মিং বংশৰ মৈদাম। মোৰ পিচে গ্ৰেটৱাল চোৱাৰ পাচত চীন দেশৰ পুৰণি একোকে চাবলৈ মন যোৱা নাছিল। কিয়নো চীনত নতুন যিবোৰ ঘটনা ঘটিছে সেইবোৰ পুৰণি ঐতিহাসিক ঘটনাতকৈ বহুত বেচি চমকপ্ৰদ। সেই বাবে অহাৰ বাটত ও গং অৰ্থাৎ নিষিদ্ধ নগৰীত মিং সম্ৰাটৰ ৰাজপ্ৰাসাদৰ সন্মুখত অজস্ৰ বাহ্ন আৰু মানুহৰ সমাগম দেখিও নামিবৰ মন যোৱা নাছিল; আৰু যেতিয়া মিঃলীৰ হুৰে কৈছিল যে নিষিদ্ধ নগৰী চাবলৈ সময়ে নুকুলাব মই মনতে ভালেই পাইছিলো।

এইবাৰ মিং টুম্ব। নেক্ৰপলিচ অৰ্থাৎ সমাধি নগৰ। পাঁচ শক্তিকামান আগৰ মিং সম্ৰাট জনমিয়েকেল মৈদাম। আকৌ একেই

বিবক্তিকৰ অভিজ্ঞতা। নগৰৰ তোৰণ দ্বাৰলৈ যোৱাৰ বাটত কেইটামান পুণাকাৰ জন্তুৰ প্ৰস্তৰ মূৰ্তি। তাত কোনো চাৰু অথবা কাৰু কলাৰ চমৎকাৰিত্ব মই হলে দেখা নাছিলো। কল্পনা অথবা নৈপুণ্যৰ নামত শিল্পীসকলৰ কিবা আছিল যদিও মূৰ্তিকেইটা দেখি মই ধাৰণা কৰিব পৰা নাছিলো।

তোৰণ দ্বাৰত এটা প্ৰকাণ্ড অট্টালিকা। মুখচত ধেনুভিৰীয়া মেচ; চুকৰ আওলাতো। যিটো চৈনিক স্থাপত্য ৰীতিত সচৰাচৰ দেখা যায়। য়াংজু নদীৰ দক্ষিণে ছুৰাও উছি আদিৰ দাতিকাষৰীয়া অঞ্চলত সেই মচটোৱে নাও যেন দেখা হৈ পৰে ঠিক আমাৰ অসমৰ আহোম যুগৰ ৰ ঘৰৰ চালখনৰ দৰে। এই সম্বন্ধে পাচত বিশদভাৱে আলোচনা কৰিম।

অট্টালিকাৰ বেৰত দেহলিত সকলোতে ড্ৰাগন আৰু ফিনিক্সৰ মিলিক। মি বংশৰ কাৰণে ড্ৰাগন' আৰু ফিনিক্সৰ (পখী) গুৰুত্ব অপৰিসীম। ইয়াৰ অন্তৰালত আছে এক ঐতিহাসিক বিপ্লৱৰ কাহিনী।

সেয়া ১৩৫৫ চনৰ কথা। লিটল ব্ৰাইট কিওৰ ৰাজত্বৰ আৰম্ভণি। সেই সময়ছোৱাৰ এটা নামাকৰণ কৰিলে কিওে অৰ্থাৎ ৰজাই নিজেই। দ্য পেৰিয়ড অফ দ্য ড্ৰাগন এণ্ড দ্য ফিনিক্স। ড্ৰাগন আৰু ফিনিক্সৰ কাল।

এওৰ পিতা কাই পোনপ্ৰথম শ্বেত পদ্ম নামৰ এটা ধৰ্মীয় অনুষ্ঠানৰ অন্তৰালত তলে তলে নিপীড়িত আৰু অসন্তুষ্ট চীনা জনসাধাৰণক মংগোল সম্ৰাটৰ বিৰুদ্ধে সংগঠিত কৰিছিল। তেওঁক সম্ৰাটৰ গুপ্তচৰে ধৰি মৃত্যু দণ্ড দিছিল।

এই লিটল ব্ৰাইট অৰ্থাৎ ক্ষুদ্ৰ উজ্জ্বল ৰজাইও মংগোল শক্তিৰ ওচৰত পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। সেই পৰাজয় অৱশ্যে ক্ষণস্থায়ী আছিল। কিয়নো মিং বংশৰ প্ৰথম সম্ৰাট চু ইয়েন-চাঙে এই পৰাজয়ৰ ভগ্নস্তুপৰ মাজৰ পৰাই আৱিষ্কাৰ কৰিছিল দুৰ্বাৰ গণশক্তিৰ অজেয় আত্মাক। আৰু ১৩৬৮ চনত পিকিং অধিকাৰ কৰি চীনৰ বুকুত চিৰতৰে অন্ত পেলাইছিল অপৰাজেয় মংগোল ৰাজত্বৰ।

ক্ষুদ্ৰ ৰজাৰ সৈন্যবলৰ নাম আছিল ৰেড আৰ্মি মানে ৰঙাকুৰীয়া সেনানি। মূৰত ৰঙা পাগুৰি মৰা গুণে এই নাম ৰখা হৈছিল। মুক্তি আন্দোলনৰ সেনানিৰ নাম ৰেড আৰ্মি ৰখা আৰু মিং ৰাজত্বত ড্ৰাগন-ফিনিক্সৰ গুৰুত্বৰ মূলতে হ'ল এই ঐতিহাসিক কাহিনী।

মিং টম্ব দুটাহে দেখা যায়। চাংলিং আৰু দিংলিং। চাংলিং ওপৰতে আছে;

লিংলিংটো আৱিস্কৃত হৈছিল ১৯৫৬ চনত। ভূগৰ্ভত। এতিয়াও বহুত খলপা নামিহে তাৰ আচল সমাধিটো দেখা যায়। তাত পাঁচটা শিলৰ ভল্ট আছে।

এনেদৰে ভূগভস্থ ঘৰত মৃতদেহৰ সমাধি ৰচা প্ৰথাটো হান ৰাজত্বৰ (খৃঃ পূঃ তৃতীয় শতিকাৰ পৰা খৃঃ তৃতীয় শতিকালৈকে) কালতো আছিল। এই পদ্ধতিটোৰ প্ৰাচীনতম প্ৰয়োগ পোৱা গৈছে ইজি চৰত। ফাৰাও টুটান-খামুনৰ সমাধিত। তাতো মৃতদেহৰ লগত বিভিন্ন পাৰ্থিৱ সামগ্ৰী পোৱা গৈছে আৰু মিং টম্বতো আছে, আমাৰ আহোম স্বৰ্গদেউসকলৰ মৈদামতো আছে। ফাৰাও টুটানখামুনে খৃঃ পূঃ ১৩৩৪ চনৰ পৰা খৃঃ পূঃ ১৩২৫ চনলৈ ৰাজত্ব কৰিছিল। মিং সকলে চীনদেশৰ ৰাজপাট আমাৰ স্বৰ্গদেউসকলে ৰাজত্ব আৰম্ভ কৰাৰ বহুবছৰৰ পাচতহে দখল কৰিছিল।

তদুপৰি আনৰ কি ধাৰণা নাজানো মোৰ ধাৰণামতে কিন্তু বাহিৰৰ জীৱজন্তুৰ মূৰ্তিবোৰ আৰু সমাধিৰ সন্মুখৰ ঘৰৰ দেৱালত থকা ৰিলিফবোৰ সমাধি তৈয়াৰ কৰাৰ বহু যুগ পাচত কৰা। সেইটো যি কি নহওক প্ৰতিজন দৰ্শকেই এটা কথা অনুভৱ কৰিবই লাগিব যে চীনা স্থাপত্যৰ বৈশিষ্ট্য হ'ল তাৰ বিশালতাত। সমাধিৰ ভল্ট অৰ্থাৎ ভূগৰ্ভস্থ গৃহবোৰ শিলেৰে ৰিলৰে নিৰ্মাণ কৰা হৈছে তাক দেখিলে প্ৰতিটো মুহূৰ্তত তাৰ ভয়ংকৰ বিশালতাই অভিভূত কৰি ৰাখে।

মোৰ আক্ষেপ মিং টম্বৰ পৰা ওলাই আহি মন গৈছিল খিয়েন (HSIEN) ৰ ওচৰত ১৯৭৪ চনত আৱিস্কৃত হোৱা হান যুগৰ সেই পূর্ণাকাৰ মৃৎ সেনানিবোৰ চাই আহিবলৈ। চীনাসকলে তাক এইথ ওৱান্দাৰ অফ দ্য ৱাৰ্ল্ড বুলি প্ৰচাৰ কৰে। মিস্টাৰ হুক মই সুধিছিলোঁ। তেখেতে কলে যে খিয়েন আমাৰ ভ্ৰমণ পথত নাই।

হুৱে মোক সুধিলে— ইউ নো এবাউট খিয়েন এক্সকাভেশ্যান? খিয়েনৰ খননকাৰ্যৰ কথা মই পঢ়িছোঁ বুলি কোৱাত তেখেত থমকি ৰ'ল। আৰু হঠাৎ কলে যে বোণাল্ড ৰীগান তালৈ গৈছিল। তেখেতৰ কথাষাৰত অকণ গৰ্বৰ আভাস পাই মই মনতে চমকি উঠিছিলোঁ। মাকিন যুক্ত-ৰাষ্ট্ৰৰ প্ৰতি সচাঁকৈ চীনাসকলৰ মন একেবাৰে সলনি হৈ গৈছে।

হোটেললৈ আহি আকৌ আগৰ দিনাৰ দৰেই ব্যস্ততা। আমাৰ সন্মানত চীনৰ কৃষি মন্ত্ৰালয়ে ডীনাৰৰ আয়োজন কৰিছে। ডীনাৰ পৰ্ব শেষ কৰি পাৰবলৈ লাগিব বেজ ষ্টেচন। ৰাতি নহ বজাত ট্ৰেনযোগে আমি যাম লাগিব চানটুং (Shandong) প্ৰদেশ অভিমুখে।

চীনাৰৰ টেবুলত আমাৰ লগত বহিছিল মিস্টাৰ ফ্যাং ইবুং-মিং মিস্টাৰ ফ্যাং চ্চিং হং—দুয়ো বৈজ্ঞানিক আমাৰ ধুনীয়া ইণ্টাৰপ্রিটাৰ চ্চিং আৰু এগৰাকী সুন্দৰী গাভৰু। মোৰ সংগী এগৰাকীও আমাৰ টেবুলতে বহিছিল।

এইখিনিতে চীনাসকলৰ নামৰ বিষয়ে কোৱাটো ভাল হ'ব। চীনা-লোকৰ নাম তিনিটা শব্দেৰে গঠিত। পাচৰ দুটাৰ মাজত হাইফেন থাকে। প্রথম শব্দটো হ'ল উপাধি পাচৰ দুটাৰ এটা হ'ল বংশৰ নাম আৰু আনটো হ'ল ব্যক্তিগত নাম। ফ্যাং চ্চিং-হং—ইয়াৰে ফ্যাং হ'ল উপাধি চ্চিং-বংশ আৰু আচল নাম হ'ল হং। ঠিক তেনেদৰেই চান ইয়াং-চেন মাও চে-তুং।

চীনাৰ খাই আছোঁ। আমাৰ সংগীজনে মিস্টাৰ চ্চিঙৰ সতে ধেমালি কৰি কথা পাতি খাই আছিল। মই বিশেষ মন কৰা নাছিলোঁ। চ্চিঙে বোধকৰোঁ কথাৰ মাচতে নকৰলগীয়া কিবা কথা কৈ পেলাইছিল। গাভৰু-জনীয়ে চ্চিঙৰ পিনলৈ চালে। মইও চোৱা দেখিছোঁ গাভৰুজনীক। সেই দৃষ্টিত কি আছিল মই আজিও ধৰিব পৰা নাই; কিন্তু দেখিছিলোঁ। মিস্টাৰ চ্চিঙৰ বঙচুৱা মুখখন আৰু বঙা পৰিছিল। আৰু চ্চিঙে হঠাৎ পাতল ৰসিকতা বাদ দি গহীন নীৰৱ হৈ পৰিছিল।

প্রত্যেকেই কথাটো মন কৰিছিল। মোৰ বাদে আন কেইজনে হয়তো তাৰ হেতুটোও জানিছিল। মই অৱশ্যে স্বাভাৱিক হবৰ চেষ্টা কৰি টেবলত একাষে থকা দিয়াচলাইটো লৈ তাৰ ছবিত থকা মানুহজনৰ বিষয়ে মিস্টাৰ হঙক সুধিছিলোঁ। সেই ছবিটো আছিল এজন বীৰৰ। নাম উচ্চ ং টাও শ্খা। তেওঁ শুদা হাতে বাঘ এটা মাৰিছিল। দিয়াচলাইৰ বাকলিত তেওঁৰহে ছবিটো আছিল; বাঘৰ ছবি তাত নাছিল। দিয়াচলাই বাকচত বাঘমৰা বীৰ এজনৰ ছবি—কথাটো শুনিলে আচহুৱা যেন লাগে। কিন্তু চীনাসকলৰ বীৰ পূজাত এনে একাধিক আচহুৱা কাহিনী আছে।

এই আচহুৱা কাহিনীটো শুনাৰ পাচতো মোৰ মনৰ পুৰণি খোকো-জাটো মাৰ যোৱা নাছিল। গাভৰুজনীৰ দৃষ্টিত মই অস্বাভাৱিক একোকে দেখা নাছিলোঁ অথচ মই স্পষ্টভাৱে দেখিছিলোঁ সেই দৃষ্টিত মিস্টাৰ চ্চিং হঠাৎ হতোদ্যম হৈ পৰা ।

ৰাতি ট্রেনৰ যাত্রা আৰম্ভ হৈছিল ১৯ বাজি ৩৭ মিনিটত। মই শোৱাৰ আগে আগে মিস্টাৰ চ্চিঙক সুধিছিলোঁ গাভৰুজনীৰ বিষয়ে —

ঃ ইজ্ শ্বী ফ্রম চাংচুন?

চাংচুন চহৰৰ মহিলা হেনো আটাইতকৈ ধুনীয়া; সেই গাভৰুজনী বাৰু

চাংচুনৰ নেকি? মিস্টাৰ চিং জাওুৰ খাই উঠিল।

ঃ নো নো। হাও ক্যান শ্বী বী? শ্বী ইজ অনলি টল।

"তেওঁ কেৱল ওখহে। কেনেকৈ হব পাৰে তেওঁ চাংচুন চহৰৰ? মিস্টাৰ চিঙে যিয়েই নকওক গাভৰু কিন্তু কেৱল ওখই নাছিল আৰু কিবাকিবি বহুত আছিল। বিশেষকৈ আকৰ্ষণীয় আছিল তেওঁৰ চকুৰ বিষন্ন চাৱনিটো। ধুনীয়া মহিলা নিশ্চয় কেৱল চাংচুনতেই নাছিল চিঙে কোৱাৰ দৰে। গাভৰুজনীৰ কথা যেন একেবাৰে স্বাভাৱিক কৌতুহলেৰেহে মনত পেলালো এনে এটা ভাব দেখুৱাই গাভৰুৰ কথা সিমানতে এৰি চিঙক সুধিছিলো -

ঃ আপোনাৰ চাংহাইৰ ঘৰত কোনে বাৰু ভাত ৰান্ধে?

প্ৰশ্নষাৰ শুনি চিং অলপ হতভম্বৰ দৰে হ'ল। মোক পাল্টা প্ৰশ্ন সুধিলে—

ঃ কিয় বাৰু?

এইবাৰ মোৰ হতভম্ব হোৱাৰ পাল। হয়তো নুসুধিবলগীয়া কিবা এটা সুধি পেলালোঁ। অচিনাকি দেশৰ কথা; কি প্ৰশ্নৰ তাৎপৰ্য কেনে ধৰণৰ হবগৈ পাৰে জনাৰ উপায় নাই। মই সেইকাৰণে তেনে পৰিস্থিতিত যি উপায় আটাইতকৈ প্ৰযোজ্য হোৱাটো সম্ভৱ তেনে এটা উপায়কে ললো। মই আমাৰ সমাজত সেই কথাটো কি ধৰণে কৰা হয় ব্যাখ্যা কৰি কৈছিলোঁ—

আমাৰ ফালত ভাত ৰন্ধাটো ঘৰৰ তিৰোতাজনীৰ কাম। হয় মাৰে নহয় কোনোবা এজনী জীয়েকে সেই কামটো কৰে।

চিঙে এইবাৰ বৰ আমোদজনক কথা এষাৰ শুনাৰ দৰে হাঁহিলে আৰু ক'লে—

ঃ আমাৰ ইয়াত কোনো কামতে তেনে লিংগভেদ নাই। আমাৰ ইয়াত সময় হ'ল মূল কথা। যিয়ে সময় পাব সেয়ে ৰান্ধিব। পিতাই আগতে ঘৰ যদি পায়হি পিতাই ৰান্ধিব; যদি মাই পায় মায়ে ৰান্ধিব; যদি মই গৈ আগতে পাওঁগৈ মই ৰান্ধিম।

ঃ ইজ ইট দ্যাট চিম্পল?

ঃ ইয়া দ্যাট চিম্পল।

চীনাসমাজত বাৰু নাৰীৰ স্থান কেনে ধৰণৰ মিস্টাৰ? হুৰ বোধকৰো স্টাপনি অহা নাছিল। তেখেতো আহি মোৰ কাষতে বহি ললেহি। বহাৰ লগে লগেই মোৰ প্ৰশ্নৰ উত্তৰ হিচাপে কলে—

ঃ হাফ অফ দ্য স্কাই। মাও সে-টুং (Mao Tse-dong) টোল্ড ইট।

মাও চে টুঙে নাৰীক অধাকাশ বুলি কৈছিল ; আৰু মুক্তি সংগ্ৰামৰ সময়ত বিশেষকৈ দ্বিতীয় মহাসমৰত জাপানৰ বিৰুদ্ধে যুদ্ধত ক্ৰিন্ডয়াচৰ কাচবোৰ তৈয়াৰ কৰাৰ দায়িত্ব বিশেষকৈ নাৰীৰ ওপৰত অৰ্পণ কৰিছিল। নাৰী-মুক্তিৰ কাৰণে তেনেধৰণৰ কাযকৰী কৌশল পৃথিৱীৰ ইতিহাসত আছিল এক অভিনব ঘটনা। নাৰী শক্তিক দেশৰ জৰুৰী কামত প্ৰয়োগ কৰাতকৈও তাৰ আন দিশটো আৰু বেচি চমকপ্ৰদ। সেইটো আছিল নাৰীক চিৰা চৰিত ট্ৰেডিশ্যনৰ পৰা মুক্ত কৰি অনা। অন্যদেশত হলে নাৰী হ লহেতেন হয়তো সৈনিকৰ পোছাক তৈয়াৰ কৰা আহত সকলৰ শুশ্ৰূষা কৰা সহযোগী এটা সংগ। কিয়নো এনেবোৰেই নাৰীৰ চিৰাচৰিত কৰ্তব্য। চিচঙে কলে—চীনাসমাজত হেনো নাৰী পুৰুষতকৈ একাঠি চৰাহে। তেওঁৰ মাকে হেনো ঘৰত প্ৰায়ে পিতাককৰ শাসন কৰে। অলপ আগতে চীনাৰৰ টেবুলত যি দেখিলো মনে প্ৰাণে কথাষাৰ বিশ্বাস কৰাত বাদে মোৰ উপায় নাছিল। তেনেধৰণৰ অৱস্থা এটা আমাৰ সমাজতো প্ৰায়ে দেখা যায়। অৱশ্যে ঘৰৰ বাহিৰত নাৰীৰ যি মুক্তিপ্ৰয়াস সেয়া বোধকৰো আমাৰ সমাজতে আটাইতকৈ দুবল।

সেই ৰাতি (পিকিং) বেইজিং ষ্টেচনত ট্ৰেইনত উঠাৰ মুহূৰ্ত ধৰি চীনত যে সেই প্ৰয়াস কিমান সবল তাক উপলব্ধি কৰিছিলো। ট্ৰেইনৰ ষ্টাফ আটাইবোৰেই মহিলা। অফিচাৰ এটেণ্ডেণ্ট আটাইবোৰেই। স্মাৰ্ট ইউনিফৰ্মত সেই মাজনিশাও পুৰা দহমান বজাত পা পা ধুই পৰিচ্ছন্ন হৈ নতুন উদ্যমেৰে কামবোৰ কৰি যোৱা যেন লাগিছিল।

ৰাতি বিশ্ৰামৰ কাৰণে কাপোৰ-কানি চেণ্ডেল এনেবোৰ সামগ্ৰী ৰেলৰেই যোগান ধৰে। তদুপৰি চাহ খোৱাৰ বাবে চাহপাত গৰমপানী কাপ চচাৰ চৰ দিয়ে ৰেলৰেই। এনেবোৰ বস্তু যতনাই দিয়া মানুহগৰাকীও আছিল মহিলা।

মিণ্টাৰ হুৱে আমাৰ কোঠাবোৰ ঠিক কৰোতে যিগৰাকী বিষয়াৰ লগত আলোচনা কৰিছিল আৰু যাৰ নিদেশক্ৰমে কোঠাবোৰ দেখুৱাই দিয়া হৈছিল তেৱো আছিল মহিলা। আলোচনা কৰাৰ সময়ত তেওঁৰ চকু মুখত কিবা এক গহীন নৈৰ্ব্যক্তিক ভাব কোনেও অকণ প্ৰশ্ৰয়ৰ আশা কৰিব নোৱাৰে তেনেবোৰ ব্যক্তিৰ পৰা। মোৰ সঁচাকৈ শ্ৰদ্ধা হৈছিল। বিষয়াগৰাকীৰ প্ৰতি। মনে মনে ভাবিছিলোঁ আথাৰ হেইলীয়ে উইমেনচ এমানচিপেশ্যনৰ ওপৰত 'ষ্ট্ৰং মেডিচিন' লেখাৰ আগতে চীনদেশলৈ এবাৰ আহি যোৱা হেতেন বিশেষ উপকৃত হ'লাহেতেন।

তেনে কেতবোৰ অলাগতিয়াল চিন্তাৰ মাজত শুই পৰিছিলোঁ। পাচদিনা সন্ধিয়াহে হেনো আমাৰ গন্তব্যস্থান পামগৈ। হাতত অফুৰন্ত সময়। অলপ শুই লোৱাটো বেয়া নহব। ৰাতিৰ এন্ধাৰত ট্ৰেইনৰ ডবাটোৰ ভিতৰখনেই আছিল আমাৰ জাত পৃথিৱী। গতিকে টোপনিতে কিবা হেকয়াই লোৱাৰ কোনো ভয় নাছিল মোৰ।

আমি শ্বানটুং প্ৰদেশত কেতিয়াবাই সোমাই পৰিছিলো। টোপনিতে পাৰ হৈ অহা ঠাইবোৰ আছিল হোৱাংহো নদীৰ পলসে যুগ যুগ ধৰি খাল-বিল সাগৰৰ ঘুলিবোৰ পুতি পুতি বাম কৰা ঠাই। শ্বানটুঙৰ ওখ ওখ বিচ্ছিন্ন অঞ্চলবোৰ হোৱাংহোৰ পলসেই লগ লগাইছে। গোবি মৰুৰ কাষৰ পাহাৰী চালধীয়া মাটিবোৰ (loess) খহাই হোৱাংহোৱে কঢ়িয়াই আনি বছৰি প্ৰলয়ংকৰী বানপানীৰে বিধ্বস্ত কৰাৰ যেন এনেদৰেই ক্ষতিপূৰণ দিছিল চীন দেশক।

অৱশ্যে আজি আৰু আগৰ দৰে হোৱাংহোৰ বান প্ৰলয়ংকৰী নহয়; কিন্তু বান আজিও আছে আৰু পলসে আজিও চীনৰ মাটি সাৰুৱা কৰে। পুৱা শুই উঠি খিৰিকী মেলিয়েই তাৰ প্ৰমাণ পাইছিলো। মাইল মাইল জুৰি চকুৰে মনমনালৈকে সেউজ ঘেহুৰ পথাৰ। জুনৰ শেষৰ পিনে দাব এই ঘেহুবোৰ। পাঁচবিধ ঘেহু আমি দেখিছোঁ। লহপহকৈ উঠিছে কেওদিশে সমানে। যেন ওপৰৰ অসীম আকাশখনকে গাঢ় সেউজ বোল সানি কোনোবাই তললৈ নমাই আনিছে। বাহিৰত বৰষণ দি আছিল। হোৱাংহো নৈৰ শান্ত পানীবোৰে বৰষণৰ কোব খাই অস্থিৰ হৈ পৰিছিল। হোৱাংহোৰ শান্তৰূপ দেখিলেই চীন মহাদেশৰ জনসাধাৰণৰ অপৰাজেয় শক্তিৰ প্ৰতি শ্ৰদ্ধাৰ উদ্ৰেক হয়।

চীনা জনসাধাৰণৰ ইতিহাস ঐতিহ্য সংস্কৃতি সকলো ক্ষেত্ৰতে আছে হোৱাংহো নদীৰ প্ৰভূত অৱদান। চীনা পুৰাণ মতে আদি মানৱ পান কুৱে যেতিয়া কান্দিছিল তেওঁৰ চকুপানী দুধাৰিয়ে হোৱাংহো আৰু য়াংজু নদী হৈ বৈ গৈছিল।

মানৱ সমাজৰ প্ৰাচীনতম সম্ৰাট কুচিৰ পাচতে পৃথিৱী শাসন কৰা ৰাণী নু উৱে হেনো হোৱাংহো নদীৰ বানৰ পানী বন জুইৰ ছাইৰে শুকাই দিছিল। তেওঁৰ বহু যুগৰ পাচত চীন দেশৰ ৰাজপাটত বহিছিল ৰজা ছুনৰ পুত্ৰ য়ুৱে। ৰাজপাটত বহিয়েই হেনো তেওঁ দুজন বিষয়াক পাঠিছিল পৃথিৱীখন কিমান দীঘল জুখি উলিয়াবলৈ। তেওঁলোক দুয়ো উত্তৰ মেৰুৰ পৰা দক্ষিণ মেৰুলৈ আৰু পুবান্তৰ পৰা পশ্চিমান্তলৈ খোজকাঢ়ি গৈছিল আৰু দূৰোৱাৰে

দূৰত্ব পাইছিল দুই লক্ষ তেত্রিশ হেজাৰ পাচশ লি আৰু পয়সত্তৰ পু অৰ্থাৎ চৌৰাশী হেজাৰ মাইল। ৰজাই নিজেই দেশখনৰ ওবেমূৰে ভ্ৰমণ কৰিছিল। পৰ্বত পাহাৰৰ অৱস্থানবোৰ লিখিছিল; নদীবোৰ সমীক্ষা কৰিছিল পথৰ জংঘলবোৰ কটাইছিল। এই য়ু ৰজাই চীনৰ ডাঙৰ ডাঙৰ নৈ চাৰিখন হোৱাংহো য়াংজু হান আৰু হুৱাইক খানি দ কৰি সাগৰলৈ ভালদৰে বোৱাই দিয়াইছিল। আৰু চীনদেশৰ জনসাধাৰণক চিৰাচৰিত বন্যাৰ কবলৰ পৰা মুক্ত কৰিছিল।

ৰজা য়ুৱে তেৰ বছৰ ধৰি অক্লান্তভাৱে কাম কৰি লক্ষ লক্ষ প্ৰজাৰ প্ৰতি এই মহান দায়িত্ব সমাধা কৰিছিল। এই সুদীৰ্ঘ তেৰটা বছৰত তেওঁ যি ত্যাগ স্বীকাৰ কৰিছিল তাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অপূৰ্ব ৰূপকথাৰে চীনা পুৰাণ সমৃদ্ধ।

এইটোও একৰকম নিশ্চিতভাৱেই প্ৰমাণিত হৈছে যে হোৱাংহো নৈৰ বিশাল উপত্যকাত পোন প্ৰথমে চীন সভ্যতাৰ গোড়াপত্তন হৈছিল। এই উপত্যকাৰ চাৰিখন প্ৰদেশৰে অন্যতম হ'ল শ্বানটুং। হোৱাংহো নদীৰ দলঙত শব্দ কৰি ট্ৰেইনখন উঠাৰ লগে লগে মিষ্টাৰ ছুৱে কৈছিল—দিচ ইজ ইয়েলো ৰিভাৰ। (হোৱাংহোৰ নতুন নাম ইয়েলো অৰ্থাৎ পীত নদী। loess অৰ বং সানি হালধীয়া হোৱা নদী)

নদীৰ নামটো শুনিয়ে মোৰ মন পুলকিত হৈ উঠিছিল। আৰু এই কাহিনীবোৰ মনলৈ আহিছিল। ইয়াৰ পাচতে জিনান পামগৈ। হোৱাংহোৰ পাৰতে এই জিনান শ্বানটুং প্ৰদেশৰ ৰাজধানী। তাৰ পৰা আমি পূব উত্তৰ পিনলৈ যাম। আৰু প্ৰায় দহ এঘাৰ ঘণ্টাৰ পথ।

জিনানত ব্ৰেকফাষ্ট কৰিলো। ট্ৰেইনৰ কেণ্টাৰিঙত। পৰিবেশটো বেচ ভাল লাগিল।

জিনান ঋান অৰ্থাৎ জিনান ষ্টেচনত গাড়ী কিছুপৰ ৰৈছিল। ইয়াৰ ওচৰতে কৰবাত নিশ্চয় আই হো চুৱান অৰ্থাৎ বক্সাৰ সকলৰ মূল ঘাটি আছিল। যি বক্সাৰ সকলে ১৯০০ খৃষ্টাব্দত চীনত বিদেশী কতৃত্বৰ অৱসান ঘটোৱাৰ অৰ্থে বিদ্ৰোহ সংগঠিত কৰিছিল। এই ঠাইবোৰ ভালদৰে চাই যাব পৰা হলে! সঁচাকৈ আমাৰ হাতত সময় নিচেই নাছিল। তদুপৰি আই পৰ্য্টকৰ দলত নাছিলো। এটা বিদেশ সজাতি দলৰ সদস্য হিচাপে গৈছিলোঁ। গতিকে মনৰ আশা মনতেই সামৰি থৈছিলোঁ।

এতিয়া ৰৰমুণ অলপ কমিছে। জিনান ষ্টেচনৰ পৰা আমাৰ গাড়ীখন

মুকলিলৈ ওলাই আহিছে। দূৰ দূৰান্ত দেখা হৈ পৰিছে। গোটেই দিনটো হেপাহ নপলোৱাকৈ খানচুং প্রদেশৰ ৰূপ পান কৰা যাব। খিৰিকীৰ কাষত এৰাপ ফিকা চাহ লৈ বহি লৈছিলো।

সন্ধিয়া সাত বাজি পাচ মিনিট যোৱাত আমাৰ ট্রেইনখনে এটা টাৰমিনাচত ৰৈ গৈছিল। মিণ্টাৰ হুৱে নামিবলৈ কোৱাত আমি নামি পৰিলো। য়ানটাই আছিল ঠাইখনৰ নাম। বেচ ঠাণ্ডা; তাতে কিনকিনীয়া বৰষণ।

হোটেললৈ যাওঁতে ৰাস্তাত কি কি পাইছিলো একোকে নেদেখিলো। মাত্র হোটেলৰ সন্মুখ পাওঁতেহে দেখিছিলো যে আমি জিফু (Zhifu) নামৰ এটা হোটেলত উঠিবলৈ লৈ ছোঁ। হোটেলৰ সন্মুখটো পোহৰে জলমলাই আছিল। বাটত আহোতে এখনো গাড়ী দেখা নাছিলো। হোটেলৰ সন্মুখতো কোনো গাড়ী নাছিল আমাৰ দুখনত বাদে। সেই দুখনো আমাক থৈ কৰবালৈ গুচি গৈছিল।

একেবাৰে নিজম নিতাল বৰ ভাল লাগিছিল পৰিবেশটো। চীনত ইমান মানুহ। এ। তিনি কোটি পৃথিবীৰ সবমুঠ জনসংখ্যাৰ প্রায় ত্রিশ াতাংশ। অথচ বেইজিং আৰু এই য়ানটাই চহৰত দেখিছো যেন ত্রি। চনৰ গুৱাহাটীহে। কোনো হাই উৰুমি নাই বেল-মোটৰৰ হুলস্থূল নাই। অথচ য়ানটাই চহৰখন এবছৰৰ আগতেই (১৯৮৪ চনত) বিদেশী ব্যৱসায়ীৰ বাবে মুক্ত কৰি দিয়া হৈছে।

সেইদিনা ৰাতি যি জিৰণি ললো দেহমনৰ ভাগৰ এনেদৰে জুৰালো জীৱনত তেনে জিৰণিৰ অভিজ্ঞতা খুব কমেই লাভ কৰিছোঁ। পৰা পাচ বজাতে সাৰ পাইছিলোঁ। সাৰ পাই খিৰিকীৰ পৰ্দাইওখন আঁতৰাই যি দেখিলো মই হতবাক হৈ গৈছিলো। হোটেলৰ উত্তৰ পূব সীমা চুই আছে এখন বিশাল সাগৰে। মাছমৰীয়াৰ সৰু সৰু নাওবোৰ আৰু থৰ হৈ ওপঙি থকা ট্রলাৰবোৰ চাই মোৰ মনলৈ আহিছিল এখন তৈলচিত্ৰৰ কথা। দূৰত দেখা সাগৰৰ মাজত ওলাই থকা টিলাবোৰ দেখা গৈছিল একোটাহত প্রকাণ্ড প্রাগঐতিহাসিক জন্তুৰ দৰে। মই অৱশ্যে হঠাৎ সচেতন হৈ পৰিছিলো এজনীও চৰাই নেদেখি। অন্ততঃ এজনী গাল বা চিলনী এজনী মাছিমাহী বা দলপুঙা। হঠাৎ কৃত্রিম যেন লাগি গৈছিল সাগৰখনকে।

য়ানটাই চহৰখন পিচে কৃত্রিমেই চাবলৈ গলে। ১৯৮৩ চনত জিফু

(আচলতে চেক্সুহে) নামৰ এই ঠাইখনতে য়ানটাই চহৰখন পত্তা হৈছিল। সাগৰ যেন দেখা জলাশয়টো হ'ল পো হাই সাগৰৰ পোতাশ্ৰয় এটা। চহৰখন আচলতে এটা খ্ৰী বেচৰ্ট।

পুৰা ওলায়েই লিফটত লহপহকৈ মৰম লগা ছোৱালী এজনী দেখিলোঁ। মোক নি হাও জনাই হাহোতে মুক্তাৰ দৰে দাঁত কেইটাৰে মুখখন উদ্ভাসিত হৈ উঠিছিল। তাইৰ পুৰা ছটাৰ পৰা আবেলি দুই বজালৈ ডিউটি। অথচ লিফটৰ কোঠাত আহৰি পালে বহিবলৈ এখন টুলো নাছিল। মই হক চিন্তাল বাচ হৈ সুধিলোঁ পেলালো কথাষাৰ। হুৱে ক'লে—

হোৱাই? খ্ৰী ইজ নট চাপোজদ টু চিত দিউৰিং ওৱাৰ্কিং আৱাৰচ।

ওৱাৰ্কিং আৱাৰচত বহিব নেপায়? আমাৰ দেশত হ'ব লাগিছিল ইউনিয়নত প্ৰস্তাৱ লৈ আন্দোলন কৰি কতৃপক্ষক থাওা বনাই দিলেহেতেন। কাম কৰিলে বুলি অকণ নবহিবও নেকি? মই হঠাৎ উজুটি খোৱাৰ দৰে থমকি ৰৈ গলো মিস্টাৰ হুৰ কথা শুনি।

আমি আঠমান বজাত ৱেং দেং কাউন্টিলৈ ওলাই গৈছিলোঁ। সাগৰখনত কোনো ব্যস্ততা চকুত পৰা নাছিল। আচলতে সাগৰ আছিল বহুত দূৰত। সেয়া সাগৰৰ ব্যাক ওৱাটাৰ। য়ানটাং পেনিনচুলাৰ প্ৰাচীন ইতিহাসৰ এই সাগৰ যেন দেখা জলাশয়টোৱেই হ'ল একমাত্ৰ সাক্ষী। য়ানটাং পেনিনচুলা ষ'ত এই চেফু (অৰ্থাৎ জিফু) বোলা ঠাইখন আছিল সেয়া এটা পো হাই (পীত সাগৰৰ অংশ) সাগৰৰ দ্বীপ মাত্ৰ। পীত নদী অৰ্থাৎ হোৱাংহোৱে (হোৱাং মানে হালধীয়া বা পীত হো মানে নদী) কঢ়িয়াই অনা হালধীয়া পলসে সাগৰকো হালধীয়া কৰি পীত সাগৰ নাম পোৱালে। আৰু পো হাইৰ অঞ্চলবোৰ পূতি য়ানটাং পেনিনচুলাক চীন দেশৰ মাই ভূমিৰ সতে লগ লগাই দিয়ালে। হয়তো আৰু হাজাৰ বছৰ পাচত এই জলাশয়টোও মাৰ যাব আৰু চেফুৰ (বৰ্তমান য়ানটাই) দৰেই একাধিক চহৰ গঢ়ি উঠিব।

চহৰৰ বাটত মানুহ দেখিলো। চব ব্যস্ত। এঠাইত দেখিলো কনষ্ট্ৰাকশন ব্ৰিগেদ নামিছে। এটা প্ৰকাণ্ড ঘৰ সাজি আছে। প্ৰায় চাৰিশমান মানুহে ভাগে ভাগে বিভিন্ন কাম কৰি আছিল। কিন্তু কোনো হৈ হুলোড় বা হট্টগোল নাছিল।

মহিলা ড্ৰাইভাৰে চলোৱা প্ৰকাণ্ড পাব্লিক বাছত মানুহে ভিৰ কৰি উঠিছে। কিন্তু কতো পুলিচ নাছিল। বাস বাচৰ ভিতৰত দেখিছিলোঁ অজস্ৰ চাইকেল আৰু ছইল বেবোৰ প্ৰাচুৰ্য।

য়ানটাই চহৰখন আন 'তৰখন সাগৰপৰীয়া চহৰৰ সতে মাত্ৰ ১৯৮৪ চনত বিদেশীৰ বণিজৰ বাবে খুলি দিছে। ইয়াৰ আগলৈকে চীন দেশৰ মাত্ৰ ৬৩৫ খন চহৰ বিদেশীৰ বাবে মুক্ত আছিল। আচলতে ভাবিবলৈ গলে আমি বৰ ভাল দিনত চীনদেশলৈ আহিছোঁ। ছবছৰমান আগৰ পৰা চীনৰ ৰাজনীতি আৰু অথনীতিৰ ক্ষেত্ৰত মুক্ত দ্বাৰ নীতি মানি চলা হৈছে। বহুতো চহৰ বিদেশীৰ বাবে খুলি দিয়াৰ উপৰিও কেইটামান স্পেচিয়েল ইকনমিক জোন কৰিছে য ত বিদেশী মালটিনেশ্যনেল আহি ব্যৱসায়ত নামিলেও চীনৰ আপত্তি নাই বৰঞ্চ স্বাগতমহে জনায়। হংকঙৰ উত্তৰে চীনৰ শ্বেনজেন নামৰ বন্দৰটো তেনে এটা ইকনমিক জোন।

এই ইকনমিক জোনবোৰত এটা বিপুল অথনৈতিক আলোড়নৰ উদ্ভৱ হৈছে। অৱশ্যে এক্সপেট্ৰিয়েশ্যন অফ প্ৰফিট ৰ প্ৰশ্ন লৈ প্ৰথমতে কিছু শ কা বা কুণ্ঠা আছিল যদিও আজি সেইবোৰ একো নাই। হংকঙৰ উপৰিও অষ্ট্ৰেলিয়াৰ লগত কলাব ৰেশ্যনত হোটেল উদ্যোগত নামিছে ইটালীৰ লগত নামিছে মোটৰ গাড়ী তৈয়াৰী কাৰখানা উদ্যোগত কোনো কুণ্ঠা নোহোৱাকৈ। বুৰোক্ৰেটিক বিলম্বৰ হাত সাৰিবলৈ এনেবোৰ ক্ষেত্ৰত প্ৰদেশবোৰক স্বাধীনতা দিয়া হৈছে। অথাৎ পিপলচ গৱৰ্ণমেণ্ট অফ দ্য প্ৰভিঞ্চে ষ্টেটচৰ (অথাৎ কেন্দ্ৰ চৰকাৰৰ) অনুমোদন নোহোৱাকৈয়ে বিদেশী স স্থাৰ সতে ব্যৱসায়িক চুক্তি সম্পাদন কৰিব পৰাৰ ক্ষমতা দিয়া হৈছে।

আৰু আটাইতকৈ আচৰিত লাগলগীয়া কথা হ'ল স্পেচিয়েল ইকনমিক জোনৰ পৰিচালকে কামত অনুপযুক্ত দেখিলে শ্ৰমিকক বৰখাস্ত কৰিব পৰাৰ ক্ষমতা দিয়া হৈছে।

চীন দেশৰ সব সম্মানিত নেতা ডেং শিয়াও-পিঙৰ (Deng Xiao ping) মতে ইট ইজ চ চিয়েলিজম নো দাউট বাট উইথ চাইনীজ কেৰেক্টাৰিষ্টিকচ এয়া হ'ল চৈনিক সমাজবাদ।

ঃ হাউ ইউ লাইক ইট ?

পিঙৰ প্ৰশ্নযাৰত মোৰ মনোভংগ হ'ল।

ঃ নাথিং লাইক ইট।

সঁচাকে বৰ সুৱদি কণ্ঠত এটা চীনা লোকগীতৰ সুৰ ভাঁহি আহিছিল কেবিনটোৰ পৰা। গায়িকাৰ নাম হেনো পেংলীয়েন। চীনদেশৰ জনপ্ৰিয় লোক-গীত শিল্পী। তেওঁ গোৱা লোকগীতটো হেনো য়ানচুং প্ৰদেশৰ।

সেই সময়ত আমি পকী আলি এৰি গাঁৱলীয়া প্ৰেজেল ৰোডত নামিছিলোঁ।

জাপানী গাড়ী এখন আৰু এখন পুৰণি ট্ৰাক এঠাইত বৈ থকা দেখিছিলোঁ। বোধকৰো কিবা ফেক্টৰী আছিল সেইঠাইত। নহলে চীনৰ ব্যক্তিগত ঘৰত তেনেদৰে গাড়ী বৈ থকা দেখা নাযায়। গাওঁ পাৰ হৈছিলোঁ কেইখামনো। বিহাৰৰ গাঁৱৰ দৰে। গছ গছনি নোহোৱা টাইলৰ চাল দিয়া ইটাৰ ঘৰ শাৰী শাৰী, কেঁচা আলিবাটৰ দুইকাষে সৰু খড আলিবাটৰ দাঁতিত শস্যৰ ঠাবিৰ দম-সেয়ে চীনদেশৰ গাওঁ। ভালদৰে চাই গ লে হঠাৎ কেতিয়াবা দেখিব দুই এজনী ছাগলী বান্ধি ৰখা অথবা গাহৰিৰ গৰাল। বুঢ়া গছ দুই এজোপা কেতিয়াবা কাচিৎহে দেখি। যেন পুৰণি ধুই মচি চব নতুন কৰাৰ প্ৰয়াস গাওঁ ভুই সকলো ঠাইতে।

পেংলীয়েনৰ গীতটোৱে মোকো অভিভূত কৰি তুলিছিল, কিয়নো চিওে মোৰ মনোযোগ আকৰ্ষণ কৰাৰ লগে লগে বাহিৰত দেখিছিলোঁ এখনি জুৰিৰ পাৰত ওচৰৰ গাঁৱৰে নিশ্চয় কেবাগৰাকীও মহিলা, পানী-জুৰিৰ শিলত বহি লৈ কাপোৰ ধোৱাত ব্যস্ত। চীনত সেই সময়ত চলি আছিল বসন্তোৎসৱ। মোৰ বাৰে বাৰে মনলৈ আহিছিল আমাৰ অসমৰ গাৱঁতো প্ৰতিটো বিহুৰ আগে আগে ঠিক এনেদৰে মহিলাসকলে কাপোৰ ধোৱাৰ দৃশ্য।

মই মন সামৰিব নোৱাৰিলোঁ চিওক কলোৱেই —

বুজিছা মই যিখন প্ৰদেশৰ পৰা আহিছোঁ তাতো ঠিক এনেদৰে গাঁৱৰ মহিলাই নৈ বা জুৰিৰ পাৰত কাপোৰ ধোৱে। সওঁ সেউজ পাহাৰটো এইয়া চকুৰে মণিব নোৱাৰা শস্যৰ পথাৰ এই জুৰি মোৰ একেবাৰে নিজৰ নিজৰ যেন লাগিছে পৰিবেশটো।

ইজ ইট ছো ?

ঃ ইয়েচ এণ্ড নো।

ঃ হোৱাই নো ?

ঃ ইউ ডোণ্ট হেভ অ'ল্ড ট্ৰিজ এণ্ড বাৰ্ডচ।

ঃ দ্যাট ইজ নট কাৰেক্ট। ইন বেইজিং ইটচেল্ফ উই হেভ গট
ট্ৰিজ নাইন হানড্ৰেড ইয়াৰচ অ'ল্ড।

মই জানো এজোপা জিংকো গছ আছে বেইজিঙত ৯০০ বছৰ বুঢ়া। বুঢ়া গছ গ্ৰানটাইত সোমাওতেও দেখি আহিৰ দুয়োকাষে চল্লিশ পঞ্চাশ বছৰীয়া পপলাৰ গছ। কিন্তু আমাৰ দৰে শাখা প্ৰশাখাৰে এৰিআমান মাটি আগুৰি ৰখা পাত খোপ্দ লেলুৰে আৰু অজস্ৰ টেমুথাৰে বহু যুদ্ধৰ সৈনিক যেন প্ৰাচীন গছ চীনদেশৰ কতো দেখা পোৱা নাই। মিস্টাৰ হুৱে তনাতে ভৰ কাপা এটা প্ৰকাশেৰে

মোৰ প্ৰশ্নটোৰ উত্তৰ দিছিল হাহি হাহি—

উই এলিমিনেন্ট দেম এজ চুন এজ দে আউটলীভ দিয়াৰ ইউটিলিটি।

ধেমালিতে কলেও কথাষাৰ কিন্তু বিশেষ গুৰুত্বপূৰ্ণ। চীনা জনসাধাৰণ আৰু বিশেষকৈ চীনদেশৰ নতুন নেতৃত্বৰ এয়া এক অভিনৱ উপলব্ধি। এই উপলব্ধিৰ প্ৰভাৱ দেশৰ সামৰিক বাহিনী প্ৰশাসন অৰ্থনৈতিক প্ৰচেষ্টা সকলোতে পৰিছে। আনকি দেশৰ ৰাজনৈতিক মতবাদক এই উপলব্ধিয়ে প্ৰভাৱিত কৰিছে। বেইজিং চহৰৰ সাংস্কৃতিক বিপ্লৱৰ সময়ত চৰকাৰে অধিগ্ৰহণ কৰা লক্ষ লক্ষ ব্যক্তিগত ঘৰ ওভোটাই দিয়া হৈছে আৰু চীনদেশত এতিয়া অলেখ লক্ষপতি আছে। মই অলপ জোকাই লোৱাৰ মনেৰেই ঘৰটোলৈ দেখুৱাই কলো—

ঃ এইটো চাগে কোনোবা লক্ষপতিৰ ঘৰ। এখন চহৰ যেন লগা ঠাইৰ মাজেদি গৈ আছিলো। সেই মহত্তত। আমি কেতিয়া গ্ৰেভেল এৰি পকী আলিবাটত উঠিছিলো। মোৰ খবৰেই নাছিল। ধনীয়া বেচ চকুতলগা এটা অট্টালিকা পাই কথাষাৰ সুধিছিলো। চিচিও কাণ্ল অকণ জোৰ দি— নহয়। ব্যক্তিগত ঘৰ এনেদৰে নাথাকে আমাৰ দেশত। এইখন হল মোপি কাউন্টি টাউন। এইটো কাউন্টি অফিচ। কাউন্টি মানে আমাৰ জিলাৰ দৰে। এইখন জিলাৰ সদৰ ঠাই আৰু এইটো সদৰ অফিচ। সম্মুখত দুখন মপেদ বৈ আছিল। এই মপেদ আৰু নাৰী য়ামাহা মোটৰ বাইক — এইবোৰ হল চীনদেশৰ বিশেষৈ চীনা যুৱকসকলৰ নতুন বিলাস। ফেক্টৰীত যেতিয়া দিনটোৰ কাম শেষ হয় তেতিয়া দৰমিবটীয়া নগৰ আৰু গাঁৱৰ আলিবাটত দেখিব শ শ চাইকেলৰ মাজত দুই এক্কোখনহত মপেদ বা য়ামাহা মোটৰ বাইক পৰে ৰে চাইকেলৰ জুমবোৰ পাৰ হৈ যোৱা।

আমি এসময়ত মোপিং কাউন্টিৰ সদৰ ঠাই পাৰ হৈ গলো। দুয়োকাষে বিস্তীৰ্ণ পথাৰ একাষে পাহাৰ দুই পথাৰখন থমকি বৈ গৈছে। চীনত আটাইতকৈ মন কৰিবলগীয়া কথা হল চৰাই অথবা জীৱ-জন্তু প্ৰায়ে দেখা নেযায়। ইমান দৰ বাটত মাত্ৰ এজনী দহিকতৰা আৰু এটা মহ দেখিছিলো। দহিকতৰা-জনীয়ে আমাৰ আলিবাটটোৰ দাতিতে এটা টিলাত বহি জানো কি কৰি আছিল আলিৰ কেঁকুৰীটো পাৰ হৈ গাড়ীখন ওলোৱাৰ লগে লগেই তাই চকখাই উৰি গৈ অলপ আঁতৰৰ টিলা এটাত পৰিছিল। মহটো আকৌ দেখিছিলো। এখন গাঁৱৰ মুৰৰ শাৰী এটাৰ পাচফালে বান্ধি ৰখা অৱস্থাত।

চীনৰ মানহে ইমান গৰুৰ মাংস খায়, উত্তৰৰ কণীৰ আজা উত্তৰ দিনৰ হোটেলবোৰত হাতে ভতে পাব। য়ানটুওৰ চৰাইৰ বাহৰ চুপ বহু প্ৰচলিত

এপদ আজা। অথচ চীনৰ যি কোনো এটা আলিবাটতে শ শ মাইল ভ্ৰমণ কৰক, পাহাৰ ভুমি নৈ পাৰ হৈ যাওক, কতো এটা গৰু নাইবা এজনী বনৰীয়া চৰাই নেদেখিব।

এসময়ত বিৰক্ত হৈ পৰিছিলো দুয়োকাষে কেৱল সেউজ পথাৰ দেখি। কিবা আনুষ্ঠানিক নিৰ্জীৱ লাগিছিল গোটেই পৰিবেশটো। এনেতে হঠাৎ এটা অদ্ভুত দৃশ্য দেখিছিলো। এটা মোহনীয় পৰিবৰ্তন। বাটৰ দুয়োকাষে কমলা আৰু পাতল গুলপীয়া ৰঙৰ ফুল। গছবোৰত পাত নাছিলেই, আছিল কেৱল ফুল। আৰু গছৰ শাৰীবোৰ আছিল মাইল মাইল জুৰি। চেৰী আৰু আপেলৰ গছ। এপ্ৰিল মাহৰ কথা, একেবাৰে বলিয়া হৈ ফুলিছে চেৰী আৰু আপেলৰ গছবোৰে। নিৰ্জীৱ পৰিবেশটো ফুলৰ সমাৰোহত আকৌ যেন সজীৱ হৈ উঠিছিল।

ফুলৰ মাজে মাজে কিমান দূৰ গৈছিলোঁ মই ভাবি চোৱা নাছিলোঁ। এবাৰ দেখিলো হঠাতে ফুলবোৰ শেষ হ'ল আৰু আমাৰ গাড়ীখনে মসৃণ তাৰ বন্ধ কৰি গ্ৰেভেল ৰাস্তাটো এৰি এটা গাঁৱলীয়া আলিবাটত সোমাই পৰিল। আৰু তিনি কিলোমিটাৰমান যোৱাৰ অন্তত আমি এখন গাঁৱত নামি পৰিলোঁ। গাওঁখনৰ নাম আছিল চেনেনজং। গাঁৱৰ সন্মুখতে মালবেৰী ইয়াদ। অৰ্থাৎ নুনীগছৰ বাগিছা। ছহাং ৩২ জাতৰ নুনীগছেই সেই অঞ্চলত বেছিকৈ চলে। চীনা বিজ্ঞানীসকলে নতুনকৈ আবিষ্কাৰ কৰা উন্নতমানৰ পাত দিয়া এইবিধ নুনীগছৰ পাত আমাৰ ভাৰতীয় বিজ্ঞানীসকলে আবিষ্কাৰ কৰা এম ফাইভৰ দৰে দেখি।

মোৰ এতিয়াহে অপেক্ষাৰ ওৰ পৰা যেন লাগিছিল। চীনৰ আচল ৰূপ চোৱাৰ সুযোগ এতিয়াহে পাম। মনত উৎসাহ অনুভৱ কৰিছিলোঁ। যি চীনদেশৰ বিষয়ে জনাৰ আৰু যিখন চীনদেশ দেখাৰ বাবে পৃথিৱীৰ মানুহৰ কৌতুহলৰ অন্ত নাই সেই চীনদেশৰ হৃৎপিণ্ডত হাত দি তাৰ কলিজাৰ ধমনি অনুভৱ কৰিবৰ সুযোগ পালোঁ। কেৱল চীনদেশৰে নহয় পৃথিৱীৰ কৃষি নিৰ্ভৰশীল প্ৰতিখন দেশৰে মূল হৃৎপিণ্ডটো থাকে তাৰ গাওঁবোৰত। তাতে এই চেনেনজং গাওঁখন আছিল একেবাৰে ভিতৰুৱা অঞ্চলত। তদুপৰি আৰু এটা আকৰ্ষণীয় দিশ আছিল তাৰ নুনীগছৰ বাগিচাখন।

নুনীগছৰ পাত পাটপলুৱে খায়। চীনদেশৰ পাটশিল্প বহু হেজাৰ বছৰৰ পুৰণি। উৎপাদনতো হান যুগৰ (খ্ৰীঃ পূঃ ২০৩ ৰ পৰা খ্ৰীঃ ২২২ লৈ) পৰা আজি পৰ্যন্ত চীনদেশক পৃথিৱীৰ কোনেও চেৰ পেলাব পৰা নাই। হান যুগৰ

পৰা আজি পৰ্যন্ত চীনৰ পাটে আন্তৰ্জাতিক বজাৰত বিশেষ স্থান দখল কৰি আছিছে। অসম তথা ভাৰতৰ সতেও চীনৰ বাণিজ্যিক যোগাযোগ এই ৰেচম ব্যৱসায়েৰেই পোনতে আৰম্ভ হৈছিল। সিও হান যুগৰে কথা।

চেমেনজঙৰ নুমী বাগিছাত সোমাই মই যেনেদৰে আশা কৰিছিলোঁ তেনেদৰে গছবোৰৰ চেহেৰা নেদেখি অলপ হতাশ হৈছিলোঁ। মোৰ সংগী কেইজনো নিশ্চয় হৈছিল। কিন্তু মোৰ অসমীয়া দোষটোৱে উক দি উঠিল। পেটত কথাটো ৰাখিব নোৱাৰি উলিয়াই দিলোঁ—

ঃ গছবোৰৰ চেহেৰা দেখোন আশানুৰূপ নহয়?

মোৰ প্ৰশ্নবাণ শুনি ওৱেং দেং কাউন্টিৰ বিশেষজ্ঞজনে পাতল হাহি এটা উলিয়াবৰ চেষ্টা কৰি কলে—

ঃ আমাৰ ইয়াত প্ৰতি হেক্টৰ মাটিত আঠহিচৰ পৰা পঞ্চহিচ হেজাৰ কেজি পাত হয়। বছৰত। আপোনালোকৰ ঈশত কিমান হয় বাৰু?

আমাৰ এগৰাকী উত্তৰ ভাৰতীয় সংগী বিশেষজ্ঞই মোক উত্তৰ দিবলৈ সুযোগ নিদি কলে—

ঃ আমাৰ ভাতো কৰ্ণাটক নামৰ প্ৰদেশ এখনৰ ঠায়ে ঠায়ে এনেকুৱাই হয়।

চীনৰ পেটুৱাঠাগুৱা বিশেষজ্ঞজনে তেওঁৰ উত্তৰবাৰলৈ অপেক্ষা নকৰা যেন দেখুৱাই আকৌ কলে—

ঃ আমাৰ দেশত এইটো মনিকম প্ৰডাকশ্যন বেট। অৱশ্যে নুমীৰ জাত ঠাই বিশেষে বেলেগ। কথাৰ লাচত অসাৱধানতাবশতঃ আমাৰ সংগীয়ে আৰু কিবা কৈ আমাক কেউজনকে পলাঠেকত পেলাব পাৰে বুলি ভয়তে বোধকৰে। আমাৰ একমাত্ৰ মহিলা সংগীগৰাকীয়ে কলে—

ঃ আমি অলপ বিয়াৰিং চাওঁ বʼলক।

ঃ আমাৰ প্লাণ্টেশনটো এইখানে অলপ আগতীয়া হʼল। এতিয়াতো বিয়াৰিং নাই। এতিয়া নকৰে আকৌ।

পলু পোহা নাই যদিও পলুপোহা ঘৰটোকে চাই যাওঁ বুলি আমি গাঁৱৰ ফালে খোজ লৈছিলোঁ। গাওঁখনত সোমোৱাৰ লগে লগে ঘৰটো পাই গৈছিলো। প্ৰাণহীন আনুষ্ঠানিক এটা ব্যৱস্থা। একে ধৰণৰ ঘৰ, চোতাল আৰু চৌহদ। যেন একে ছাঁইৰ কেতবোৰ অফিচিয়েল কোৱাৰ্টাৰ।

পলু পোহা ঘৰটো মজুৰীয়া। দুই একে ছুটিকলত ঘৰতো লোহে। চকৰীৰ কৰ্মীবোৰৰ চেনকাৰী। বিশেষকৈ গৱৰ্ণমেণ্ট আৰু দা ভতিকল নিৰ্দেশত সমবায়

প্ৰত্যেক তত্বাৱধানত চৰকাৰী স'চ পাৰত কৰা। প্ৰতিকে কাউণ্টিয়ে পঠায় আৰু কাউণ্টিৰ পৰা ব্ৰীগেদৰ বিশেষজ্ঞ সকলে আনি তেওঁলোক ইন্‌ষ্টাৰ অৰ্থাৎ দ্বিতীয়বাৰ মোট সজোৱালৈকে পলুবোৰ নিজৰ তত্বাৱধানত আওৰ পৰা লোকৰ চাহিদামতে গাঁৱৰ সমূহীয়া পলু পোহা ঘৰলৈ পঠাই দিয়ে। আমি পলপোহা ঘৰটোত মাত্ৰ কেইখনমান বাহেৰে গোঠা চুকীয়া চন্দ্ৰকি (আমাৰবোৰ দলাৰ দৰে ঘূৰণীয়া। চন্দ্ৰকি হ'ল পলুৱে বাহ বন্ধা স'থুৰি), জাপানী কাঠ-বকলাৰ কৰুনেজ ট্ৰে (খলপা থকা চন্দ্ৰকি) আৰু প্লাষ্টিক প্ৰাচৰ (কেঁকুৰা বনৰ দৰে) চন্দ্ৰকি দেখিছিলোঁ। আমি জাপানী ট্ৰেখনৰ কাটো কৰলৈ বিচৰাত গাঁৱৰ গাভৰু এজনীয়ে ধৰি মেলি সহায় কৰি দিছিল। গাভৰুজনীক দেখি মোৰ চিকু হোটেলৰ লিফ্‌টৰ গাভৰুজনীলৈ মনত পৰিছিল। দুয়োজনীৰ মাজ পাৰ একে হাহিটোও একে। মাত্ৰ হোটেলৰ গাভৰুজনীৰ সাজপাৰত ইংৰাজৰ ছাপ অবিকৃত আছিল।

মই হোটেলৰ ছোৱালীজনীৰ কথা উল্লেখ কৰি মিণ্টাৰ হৰ মনযোগ আকৰ্ষণ কৰিছিলোঁ—। তেওঁ কলে—

ঃ নেচাৱেলি। আমাৰ দেশত কাকো তুমি ফটা কাপোৰ পিন্ধা নেদেখিবা। প্ৰতিজনেই খাবলৈ পায় পিন্ধিবলৈ পায় আৰু প্ৰতিজনৰে থকাৰ আশ্ৰয় আছে। তুমি ভিখাৰী কেতিয়াও নেদেখিবা।

চীনলৈ আহিছে।হে। আৰু অন্ততঃ দুই তিনি সপ্তাহ হাতত আছে। বহুত চোৱা বহুত দেখাৰ সময় আছে এতিয়াও। মিণ্টাৰ হৰ কথাবাৰত মই এটা প্ৰত্যাহ্বানৰ ইংগিত অনুভৱ কৰিছিলোঁ। চীনৰ যদি মুখে ইমান কুৰাই পাচিয়ে নথবা অৱস্থাই হৈছে তেন্তে চীনে মূল সমাজবাদৰ ধাৰণা পৰিহাৰ কৰি চীনা লক্ষণ (Chinese Characteristics) নিজান অনুযায়ী ভাৰতবৰ্ষৰ mixed economy ৰ ধাৰণা আমদানি কৰাৰ কিয়বা প্ৰয়োজন আছিল। মনে মনে সচাকৈ মই এটা প্ৰত্যাহ্বান হিচাপেই লৈছিলোঁ মিণ্টাৰ হৰ কথাষাৰ।

চেনেলজওৰ সমূহীয়া পলুপোহা ঘৰটোৰ পৰা ওলাই গাঁৱৰ ঘৰবোৰৰ মাজে মাজে জেতেৰা আজি এটাৰে আমি গাড়ীখনলৈ ঘূৰি আহিছিলোঁ। এটা ঘৰৰ সন্মুখত এটা গাহৰি পৰাজত দুটা গাহৰি আছিল। ওচৰত পথাৰ ঠাৰিৰ দম। এটাইত এজনী ছাগলী বন্ধা আছিল।

ঃ তুমি অনুমান কৰিব পাৰিবানে ছাগলীজনীৰ মালীৰ কিমান ওজন? মই সুধিছিলোঁ হুৱাং সংগী একজনক। তেওঁ কলে যে অনুমানৰ প্ৰয়োজন নাই, জানিছোঁ।

গাঁৱত এইজনীমান ছাগলীয়ে আধা কিলো বা সাতশ পঞ্চাশ গ্ৰাম দিব, এইখন চীন দেশ, কাজেই বেছিকৈ ধৰা। ডেৰ কিলো হব।

বুঢ়ী মহিলা এগৰাকীয়ে ছাগলীজনীৰ ওচৰতে কিবা কিবি কৰি আছিল। মই মিণ্টাৰ হুক সুধিবলৈ দিলোঁ।

ক্ষোঃ কিলোজ।

মিণ্টাৰ হুৰ মুখে চাৰি কিলো বুলি জানিব পাৰি ছাগলীজনীলৈ বিস্ময়েৰে চোৱাত বাদে আমাৰ উপায় নাছিল।

ঃ এওঁলোকে চৰ বঢ়াই কৈছে যেন পাইছো।

আমাৰ সংগীজনৰ সেই মন্তব্যযাৰে মোৰ প্ৰত্যয় দঢ় কৰি তুলিছিল। মিণ্টাৰ হুৰ দুয়োষাৰ কথা'ত মই প্ৰত্যাহৰানৰ আভাষ পালো।

উ-কোৱান চিং নামৰ এখন গাঁৱলৈ যোৱাৰ পথত মিণ্টাৰ হুৰ সেই কথা যাৰ মনত লৈ গৈ আছিলোঁ। কৰবাত চকুত পৰেই জানোচা অন্ততঃ এটা ভিখাৰী, অন্ততঃ ফটা চিটা কাপোৰ পিন্ধি আলিৰ দাতিত কোনোবাই কিবা দিয়ে বুলি হাত পাতি বৈ থকা এজনী বয়স্কা মহিলা। যোৱাৰ দয়োকাষে দেখিছিলোঁ প্ৰশস্ত পথাৰ। বৰফশীতল বতাহৰ কোবৰ পৰা ৰক্ষা কৰিবলৈ দিয়া চেলোফেন পেপাৰৰ ঢাকনি কোনো ডৰা শস্যত। ৰদ লাগি দৰৰ পৰা সাগৰৰ পানীৰ দৰে জলমলাই আছিল। এঠাইত দেখিছিলো বিস্তীর্ণ অঞ্চলজুৰি চেলোফেন পেপাৰৰ ঢাকনি। কাষত সেউজ শস্য। পো হাই নান হাই এযোদা'ৰ কোনোবাখন সৰু সাগৰৰ যেন নিৰিবিলি পোতাশ্ৰয় এটাহে!

চীনৰ উত্তৰ-পূৰ্বাঞ্চল টেম্পাৰেট অৰ্থাৎ নাতিশীতোষ্ণ অঞ্চলত পৰে। পোনে পোনে পশ্চিমলৈ টিয়েন পৰত তাৰ পূৰলৈ টকলামাকান মৰুভূমি নান পৰ্বত। এইবোৰৰ পৰা চেচা বতাহ একেবাৰে সম্পূৰ্ণকৈ নহলেও বৰ বেচি বাধা নোহোৱাকৈ আহে। অন্ততঃ বসন্ত কালত উষ্ণতাক দমাই ৰাখে। এই বতাহ ইমান শুকান আৰু প্ৰবল হয় যে খেতিও নষ্ট কৰে। সেয়ে এই চেলোফেনৰ সাগৰ। সচাকৈ দূৰৰ পৰা দেখি প্ৰথমতে মোৰেই ভুল হৈছিল।

এসময়ত পথাৰ এৰি আমি আকৌ পাহাৰৰ মাজত সোমাই পৰিলো। কিছুদূৰ আহিয়ে উ কোৱান চিং গাওঁখন পালেহি। তাত চহৰ খেতি কৰে। পাহাৰত শীতে আধাযৰা কৰি থৈ যোৱা চহৰ পলুৰ খাদ্য গুৰু গছবোৰ দেখিছিলোঁ।

ভাৰতবৰ্ষতো চহৰ আছে। অতিশয় প্ৰাচীন মাজিতা চহৰ। চাওতাল পৰগণাত এই চহৰৰ খেতি স্থানীয় লোকসকলে প্ৰাচীন কালৰে পৰা কৰি

আছিছে। এই টছুৰ আমাৰ অসমতো আছে। ৰংপৰী আৰু অৰ্জুন গছৰ মাজে মাজে পোৱা যায়। কিন্তু অসমত ইয়াৰ খেতি কৰা হোৱা নাই।

চীনৰ টছুৰ হ'ল ওক টছুৰ। বেইজিঙৰ উত্তৰে লিয়নিং প্ৰদেশত এই খেতি আটাইতকৈ বেছি হয়। এই একে টছুৰকে বেলেগ নাম দি মণিপুৰ আৰু অসমত দহ বছৰমানৰ আগতে প্ৰথম কৰা হৈছে।

ঃ এইবোৰ কি গছ বাৰু ?

সুধিব লাগে কাৰণেই সুধিছিলোঁ। চাৰিফুটমানৰ ওখ ওকাম গছৰ ঠাৰি পুতি থোৱা যেন দেখা গৈছিল গছবোৰ। ওচৰতে থকা বৈজ্ঞানিকজনে মোৰ প্ৰশ্নৰ নুবুজিলেও উমানতে ধৰি ললে। তেওঁ কলে—

ঃ মালি।

ঃ এনি ছাইন্টিফিক নেম ?

আমাৰ উত্তৰ ভাৰতৰ বৈজ্ঞানিকজনে প্ৰশ্ন কৰিলে। মিস্টাৰ হু কাষ চাপি আছিল। আৰু চীনা বৈজ্ঞানিকজনক প্ৰশ্নৰ বুজাই দিলে। তেওঁ কলে—

ঃ আমাৰ বেলেগ নাম নাই—মালিয়েই। আমাৰ লগত একবাকী ডেকা বৈজ্ঞানিক আছিল উত্তৰ পুৰাঞ্চলৰ। বেচ উদ্যোগী। তেওঁ হঠাতে পেণ্টৰ জেপৰ পৰা পাত এটা উলিয়াই দেখুৱালে—

ঃ ইজ দিছ মালি ?

এৰা এয়ে এইবোৰ গছ। কুঁহিপাত দুই এদিনতে ওলাব। চীনা বিশেষজ্ঞজনে কলে। আমাৰ উত্তৰভাৰতীয় বৈজ্ঞানিকজনে বিজয় হাঁহি এটা মাৰি কলে—

ঃ দিছ ইজ কোৰেৰ্কাচ চেৰেটা। বোটানিকেল নেম। উই হেভ দিছ ইন এৰাক্ষেশ ইন আৱাৰ হিলচ।

ঃ চাচ্চ দিফিকাল্ট নেম। ডু ইওৰ পিজেন্টচ আন্দাৰষ্টেণ্ড চাচ্চ দিফি-কাল্ট নেম ? হোৱাই ড'ন্ট ইউ ইউজ ইউচ লোকেল নেম ইন্টেড দিজেণ্টচ্ ইজিলী ফলো।

মিস্টাৰ হুৱে বিশেষ কাকো উদ্দেশ্য নকৰাকৈ কথাখিনি কলে। আমাৰ গাত লাগিছিল নে নাই নাজানো মোৰ হলে কথাখিনিয়ে বুকুত শেলে বিন্ধাদি বিন্ধিছিল।

আমাৰ দেশত এই ধাৰণাটো একেবাৰে ওলোটা। যোনৰ বিশেষজ্ঞই মাথো জানে জনসাধাৰণৰ মাজৰ পৰা। কৃষি বিশেষজ্ঞই কৃষকৰ পৰা সমাজ বিজ্ঞানীয়ে জানে সাধাৰণ সমস্যাৰ পৰা। আমাৰ আকৌ কৃষকে কষ্ট কৰি শিকিবলগীয়াত

পৰে ক্ৰমি বিশেষজ্ঞই আৱিষ্কাৰ কৰা দাঁত-ভঙা টেক নিকেল চাৰ্টবোৰ। আমাৰ দেশৰ সমাজ বিজ্ঞানীৰতো কথাই বেলেগ। ইমান দুৰ্বোধ্য ভাষাত মধ্যযুগৰ তান্ত্ৰিকসকলেও হয়তো আধ্যাত্মিক আলোচনা কৰা নাছিল।

চহৰৰ আৰু কিবা কিবি চাইছিলোঁ। কিন্তু হুৱ সেই কথাবাৰ শুনাৰ পাচত একোতে মোৰ মন বহা নাছিল। চীনলৈ যাওতে মনতে গৰ্ব লৈ গৈছিলোঁ। চীনদেশৰ অতীত ইতিহাস গৌৰবোজ্জল সঁচা আৰু স্বনিৰ্ভৰশীলতাৰে মহিমাময়ো নিশ্চয়। চীন এনেকুৱা এখন দেশ যিখন দেশে কোনো কালে আন কোনো দেশৰ পৰা একোকে ধাৰ কৰা নাই। চীনাসকলৰ সংস্কৃতিৰ কোনো এটা দিশতে আনৰ ছাপ পৰা নাই। বৰঞ্চ ওচৰচুবুৰীয়া দেশবোৰতহে চীনৰ প্ৰভাৱ পৰিছে।

এইবোৰ চব সঁচা মাত্ৰ এটা কথাত বাদে। সেইটো হ'ল চীনৰ আধ্যাত্মিক চেতনা। এই এটা মাত্ৰ কথাত চীনে ভাৰতবৰ্ষৰ ঋণ স্বীকাৰ নকৰি উপায় নাই। ভাৰতীয় আধ্যাত্মিক চেতনাৰ অনুষংগ হিচাপে চীনৰ ভাস্কৰ্য-স্থাপত্যত একালত ভাৰতীয় প্ৰভাৱ যে পৰিছিল সেইটোও মানিবই লাগিব। সপ্তম শতিকাত চীনৰ প্ৰখ্যাত পণ্ডিত যুৱান চুৱাঙেও আধ্যাত্মিক পৰম তত্ত্বৰ উৎস বিচাৰি আহিছিল—পৃথিৱীৰ আন কোনো দেশলৈ নহয়—কেৱল ভাৰতবৰ্ষলৈ। আৰু আজিও চীনৰ বয়োবৃদ্ধ নেতা টেং খিয়াও পিঙে চীনক নতুনকৈ গঢ়াৰ অৰ্থনৈতিক যি মুক্তদ্বাৰ নীতি গ্ৰহণ কৰিছে চাবলৈ গলে সেয়াওতো ভাৰতবৰ্ষৰে নীতি। পদে পদে শ্ৰদ্ধা নেপালেও অন্ততঃ ভাৰতীয় হিচাপে আমি আমাৰ প্ৰাপ্য গুৰুত্বৰ পৰা বঞ্চিত নহয় বুলি মনতে সাহস লৈ আহিছিলোঁ। কিন্তু মাজে মাজে মিল্টাৰ হুৱে মোক হতাশ কৰি পেলাইছিল।

হোং দেং কাউন্টি অফিচত আমাৰ কাৰণে আটাইতকৈ থকা দেখি মোৰ মনটো অলপ ভাল লাগিছিল। দুৱাৰ মুখৰ চিপয় এখনত ভাপত সেমেকাই ৰাখি থোৱা চাভিয়েট এখন লৈ আহি চোকা এখনত বহিছিলোঁহি। য়েচমিনৰ সুগন্ধ আহিল চাভিয়েটখনত। তাৰে মুখখন মচি লোৱাত নিজকে পৰিচ্ছন্ন যেন লাগিল।

সন্মুখৰ টেবুলত ভিহত থোৱা আছিল আপেল আৰু বাদাম। ওচৰৰ টিপয়ত আছিল সাকৰ থকা একোটাইত পিয়লা। গাভৰু ছোৱালী এজনীয়ে এটা প্ৰকাণ্ড থাৰ্মফ্লাস্কত গৰম পানী লৈ পিয়লাবোৰত ঢালি দি সাকৰ মাৰি গৈছিল। খন্তেক পাচতে ঢাকোন উদি'চাই দেখিলো সুগন্ধি চাহেৰে পিয়লা ভৰি আছে। চেনি নাই, গাখীৰ নাই কিবা চাহ।

প্ৰথমতে আলোচনাবোৰ শুনাত মন দিছিলোঁ আৰু পাহৰি এবাৰ পিয়লাটো তুলি লৈ সোহং মাৰিলোঁ। চাইনীজ টী যে ইমান সুন্দৰ লেইছিলাহে পৰখ কৰি

খাইছোঁ। চাইনীজ চীন খাদ্য হ'ল লাহে লাহে আকৰ্ষণ অভ্যন্তৰে চিন' খাইছোঁ। ৱেং দেং কাউন্টিৰ চহৰৰ মেয়ৰে নিজৰ কাউন্টিৰ বিষয়েই বৈ' আছিল। তেওঁৰ কথাবোৰো চাইনিজিনিৰ মৰেই মোক্ষম লগা আছিল।

কাউন্টিৰ জনসংখ্যা সাতশ হেজাৰ অৰ্থাৎ সাত লাখ। খেতিৰ মাটিৰ পৰিমাণ হ'ল এক নিযুত মু (এক মুত আমাৰ দুকঠাজান হ'বলৈ)। ১৯৬৮'ৰ পৰা বেচম উৎপাদনত ধৰিছে। বেচমৰ লগতে গাহৰি আৰু মাছপোহাৰো সংযোজিত কৰা হৈছে ঠায়ে ঠায়ে। জনমুৰি বছৰি আয় হ'ল ৩৭৬ ইয়েন।

একালৰ পৰা কৈ গ'ল মেয়ৰ গৰাকীয়ে। লিবাৰেশ্যনৰ আগতে ৱেং চেং কাউন্টিত চেৰিকালচাৰ কিম্বা এগ্ৰিকালচাৰৰ অৱস্থাও আছিল নিতান্ত শোচনীয়। এতিয়া এই কাউন্টিৰ বছৰেকীয়া মুঠ আয় হ'ল ছাব্বিশ নিযুত ইয়েন।

প্ৰায় একেধৰণৰ কথাকে কৈছিল ৱেং দেং কাউন্টিৰ চিল্ক ফেক্টৰীৰ মেনেজাৰ মিচেচ ৱাঙেও। তেওঁৰ ফেক্টৰীৰ সাতশ আঠ গৰাকী শ্ৰমিকৰ পাচশ বাইচ গৰাকী হ'ল মহিলা। বেলেগ বেলেগ পটিৰ বিধমান কাপোৰ সেই ফেক্টৰীয়ে উৎপাদন কৰে। মিচেচ ৱাঙৰ ফেক্টৰী ঘূৰি চাই একটানালৈ পাচত আকৌ ঘূৰি আহিছিলোঁ গাঁৱৰ মাজেদি। শস্যৰ ঠাৰিৰ দম গাহৰিৰ কাষে কাষে। এই শস্যৰ ঠাৰিবোৰ প্ৰায়বোৰ ক্ষেত্ৰতে খৰি হিচাপে ব্যৱহাৰ কৰা দেখিছোঁ। ১৯৮২ চনৰ এটা সমীক্ষা মতে সমগ্ৰ বিশ্বৰ বিকাশশীল দেশবোৰত ৯০০ নিযুত ঘন মিটাৰ কাঠ আৰু ৪০০ নিযুত ঘন মিটাৰ গোবৰ আৰু শস্যৰ ঠাৰি পোৰা হয়। এই শক্তি দিনে পাঁচ নিযুত বেৰেল তেল পোৰাৰ সমান। অৱশ্যে এছীয় আৰু আফ্ৰিকীয় বিধুৰান দেশত খৰিৰ বাবে কৰাৰ গছ কটাৰ দৰে ভুল চীনদেশে কৰা নাই। এই শস্যঠাৰিবোৰ শস্য চপোৱাৰ পাচত আন লাভজনক কামত খটোৱাৰ উপায় নোহোৱাতহে এনেদৰে পোৰা হৈছে। কিন্তু মোৰ পাচদিনাখন চিহ্না (Qixia) কাউন্টি অফিচত দেখিছিলোঁ তাৰ কাৰ্পেটখন আছিল শস্যৰ ঠাৰিৰে কৰা। বেচ ধুনীয়া আছিল কাৰ্পেটখন।

পাচদিনা চিহ্না কাউন্টিলৈ দৈ কিয়ে এক অদ্ভুত অভিজ্ঞতা হৈছিল তাতে লোৱেয়া হয় মোৰ হয়তো চীন ভ্ৰমণেই অসম্পূৰ্ণ হৈ ৰ'লহেঁতেন।

দৃশ্যটো দেখি মোৰ ভাৱহতে খাঁটা ভাৰতীয়সংগীতজ্ঞৰ কৈছিল ঃ জেৱা তৰ কালচাৰেল ৰিভলিউচ্যনৰ কল আউট।

তেওঁৰ মতে কালচাৰেল ৰিভলিউশ্যনৰ সময়ত চীনৰ আনুষংগিক জাতি

পিচটো ঠিক কৰি দিছে। নহলেনো কণ কণ শিশুকেইটাই শিক্ষকে খাবলৈ গলেও হাতত পতাকা লৈ কিউ কৰি যাবনে কৰবাত!

আমি চিহা কাউণ্টিলৈ গৈ আছিলোঁ য়ানটাইৰ পৰা। ত্ৰিশ কিলোমিটাৰ মাত্ৰ দূৰত্ব। আগদিনা সন্ধিয়া ঘূৰি আহোঁতে বৰ বেচি মন কৰিব পৰা নাছিলো। এইবাৰ মন কৰিলো আলিবাটৰ দুয়োকাষে থকা পপলাৰ আৰু চিনাৰ গছবোৰ পঞ্চাশ বছৰীয়া হব অন্ততঃ। পপলাৰ গছবোৰতকৈও চিনাৰ গছবোৰৰ ওখ ডাঙৰ হোৱাৰ ইস্ছাটো যেন প্ৰবল। আমাৰ ভাৰতবৰ্ষত আকৌ চিনাৰ গছবোৰ কাশ্মীৰত অতীজৰ পৰাই আছিল নে মধ্যপ্ৰাচ্যৰ পৰা অনা হৈছিল সেই লৈ বিৰাট তৰ্কবাদ চলি আছে সম্প্ৰতি। জীৱনৰ বেচি ভাগ সময় আমি ভাৰতীয় মানুহে এইটোকে কৰোঁ।

যাই হওঁক সেইদিনা মোৰ এটা অদ্ভুত অভিজ্ঞতা হৈছিল। গ্ৰেট ওৱাল মিং টুম—এইবোৰেও তেনে অদ্ভুত অভিজ্ঞতা মোক দিব পৰা নাছিল।

আমি পপলাৰ আৰু চিনাৰৰ শাৰীবোৰ এৰি এসময়ত ওখৰা মোখৰা পাহাৰ পালোহি। পাহাৰৰ স্পৰ্শত আমাৰ আলিবাটটোৱে যেন দেহত অজস্ৰ ভাঁজ তুলিছিল। এই নিমজ ভাঁজবোৰ পাৰ হৈ যাওঁতে হঠাৎ মোৰ টোপনিৰ ভাব হৈছিল। মই অৱশ্যে জোৰেৰে চকু দুটা মেলি ৰাখিছিলোঁ; নহলে সেইদিনা আৰু এটা বিৰল দৃশ্য নেদেখিলোহেঁতেন।

সেই খিনিতে পাহাৰত নতুনকৈ কিবা গছ ৰোৱা হৈছে। চকুৰ এক পচাৰতে সহস্ৰাধিক নতুনকৈ ৰোৱা গছৰ পুলি চকুত পৰে। তাৰ মাজতে কিবা খুচৰি আছিল পাৰ্বতীয় চৰাইজনী। আমাৰ ডঁৰিকটোৰ সমান। মতা মুৰগীৰ দৰে ৰঙা-কলা ৰঙ মিহলি। চৰাইজনীয়ে অবাক হৈ আমাৰ গাড়ীখনলৈ চাইছিল, আৰু আমি বিস্ময়সে তাইৰ দৃষ্টিৰ পৰা আঁতৰি আহিছিলো। চৰাই দেখাটো চীনত সঁচাকৈ এটা বিৰল অভিজ্ঞতা। নিজম পোতাশ্ৰয় প্ৰশস্ত হ্ৰদ উন্মুক্ত আকাশ শস্যভৰা বিস্তীৰ্ণ পথাৰ গছেৰনে সেউজ হৈ থকা পাহাৰ—চব দেখিছোঁ চীনত। কিন্তু চৰাই? একেবাৰে বিৰল। আমাৰ অসমৰ গুৱাহাটীৰ দৰে ব্যস্ত মহানগৰীতো আকাশত ৰনোৱা চিলনী-শগুন আলিবাটৰ আৱৰ্জনাৰ স্তূপত কাউৰীৰ জাক খাদ্য শস্যৰ ভঁৰাল থকা আলিবাটত শস্যৰ গুটি বুটলি ব্যস্ত হৈ পৰা কপৌ শালিকা আৰু পাৰ চৰাই—এইবোৰ একোটাইত সাধাৰণ দৃশ্য।

বিৰল চৰাইজনী দেখি সঁচাকৈ মোৰ মনৰ বহুতো বন্ধ অৰ্গল সুলকি পৰা যেন লাগিছিল। কেইছেটৰ চীনা ছোৱালীজনীৰ গীতৰ সুৰটোৱে মনত বেলেগ আমেজ আনি দিছিল। পৰিবেশটো যদিও কেইটামান মুহূৰ্ত একেবাৰে

অচেতন হৈ পৰিছিলোঁ। এনেতে দেখিছিলোঁ সেই অদ্ভুত দৃশ্যটো।

হঠাৎ আমাৰ গাড়ীখনৰ গতি ৰুদ্ধ হৈ পৰিছিল। মই সচকিত হৈ পৰিছিলোঁ আৰু বাহিৰত দেখিলোঁ অনেক চঞ্চল মানুহৰ সমাগম।

ঃ টাং চিয়া ফু ( Tang Jia Pou ), এ টাউনশ্বিপ।

মিস্টাৰ হুৱে ঘোষণা কৰাৰ দৰে কৰি কলে। টাং চিয়া ফু সৰু চহৰ বাৰু বুজিলোঁ, কিন্তু ইমান মানুহ কেলেই? চীনত দিনৰ ভাগত ইমান চঞ্চল মানুহতো দেখা নেযায়।

ঃ এন অ পেন মাৰ্কেট।

মুকলি বজাৰ বহিছে এয়া। হুৱ কথাষাৰে মোক হতভাক কৰি দিলে। চীনৰ 'বেম্বু কাৰ্টেন' বোলা কথাটো সৰাচৰতে চীনক ভাল নোপোৱাসকলে প্ৰচাৰ কৰা এটা মনগঢ়া গুজৱ মাত্ৰ। বান্দুং কনফাৰেন্সত তেতিয়াৰ চীনৰ প্ৰধান মন্ত্ৰী চৌ এন লায়ে এইকথা স্পষ্টভাৱে কৈছিল। তাৰ পাছত কালচাৰেল ৰিভলিউশ্যনে কিন্তু এখন ডাঠ কাৰ্টেনেৰে বিশ্বৰ পৰা লুকাই ৰাখিছিল চীনৰ স্বৰূপ। অৱশ্যে চৌ এন লাইৰ জনপ্ৰিয় উপ নাম আছিল চীনা ভিয়েনত্ৰীপ টাও বেং অৰ্থাৎ কেতিয়াও বাগৰি নপৰা সেই বুঢ়া মানুহটো (এই নামৰ পুতলা চীনত বৰ জনপ্ৰিয়)। চৌ এন লায়ে বান্দুঙত যি ঘোষণা কৰিছিল তাক প্ৰতিপন্ন কৰিবলৈকেই যেন কালচাৰেল ৰিভলিউশ্যনৰ পাচতেই ১৯৭৮ চনত বহা চীনা কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ মুকলি অধিৱেশনে চীনৰ সমগ্ৰ বিশ্বাস সমগ্ৰ ধাৰণাত এক সুদূৰপ্ৰসাৰী আলোড়ন আনি দিছিল। তাৰ পৰিণতি কেৱল চীনৰ মুক্তদ্বাৰ নীতিয়েই নহয় চীনৰ সমাজবাদী ধাৰণাৰ আমূল সংস্কাৰকো তাৰ পৰোক্ষ পৰিণতি বুলিব পাৰি। কিন্তু এনেদৰে উন্মুক্ত বজাৰ বহিব বুলি দিনত কামবন ধতি কৰি দলে দলে জনসাধাৰণ আহিব - তেনে কথা কোনেও কল্পনাও কৰা নাছিল।

আমি গাড়ীখন ৰখাই নামি পৰিছিলোঁ খন্তেকৰ বাবে। খাদ্য সামগ্ৰী কাপোৰ আৰু বিভিন্ন ব্যৱহাৰ্য সামগ্ৰীৰ প্ৰকাণ্ড এখন পোহাৰ বহিছিল। চীনৰ টাং চিয়া ফুৰ দৰে দেশৰ সৰু চহৰৰ ( commune ) সংখ্যা হ'ব আঠৰশিতি হেজাৰ ত্ৰিশোন অৰ্থাৎ পাওঁ লাখে চাৰে সাত লাখ আৰু বৰ আছে চাৰে ওঠৰ কোটি। কিন্তু কতো মানুহৰ হুলস্থুল নাই। আইবোৰ দেখিলে বিশ্বাসে নহয় চীনত যে একোকোটিতকৈও অধিক সংখ্যক মানুহে বাস কৰে পঞ্চবিশ কোটি শ্ৰমিকে সেইবৰ দেশৰ সৰাঙ্গক প্ৰগতিৰ কাৰণে অহৰ্নিশে কাম কৰে। কিন্তু এনেধৰণৰ চঞ্চল জনসমাগম চীনত সঁচাকৈ যে' দিবসৰ বাদে কতো

দেখা নাপায় ।

ঃ চীনত এটা অভুতপূৰ্ব দৃশ্য দেখিলোঁ ।

ঃ কি ? এই বজাৰখন ?

ঃ উঁ ।

ঃ এনে বজাৰ সাপৰপৰীয়া এলেকাত আৰু বহুত হৈছে আজিকালি । ইট ইজ পাৰ্ট অফ আৱাৰ নিউ ইকনমিক পলিচি ?

মই হুৰ উত্তৰলৈ মনোযোগ দিয়া নাছিলোঁ । মই চাইছিলোঁ মানুহবোৰলৈ । অদ্ভুত মধ্যভাব মানুহবোৰৰ । কোনো বিশেষ কাম নকৰাকৈয়ে মানুহবোৰ যেন ব্যস্ত । প্ৰত্যেকৰে কিবা এটা আত্মম্ভৰিতা আছে যাৰ কাৰণে হঠাৎ বিৰক্ত কৰিবলৈ আনৰ ভাল নালাগে । আৰু নিশ্চয় এই আত্মম্ভৰিতাৰ কাৰণে চীনামানুহে বিদেশীৰ প্ৰতি ভাৰতীয় সাধাৰণ মানুহৰ দৰে কৌতূহল প্ৰকাশ নকৰে । মই সঁচাকৈ অলপ ভয়ে ভয়ে নামিছিলোঁ গাড়ীৰ পৰা । ভাবিছিলোঁ নামি ৰাস্তাৰত থিয় হলেই শই শই কৌতূহলী মানুহে আমাক ঘেৰি ধৰিব । কিন্তু আমি ইমানবোৰ বিদেশী এ কলগে নামি পৰিছিলোঁ কতো এটা সামান্য তৰংগৰ সৃষ্টি হোৱা নাছিল ।

জাপানী ইলেকট্ৰনিক দ্ৰব্য কিবা দেখোঁ নেকি চাইছিলোঁ । কিয়নো সম্প্ৰতি চীনত জাপানী ব্যৱহাৰ্য সামগ্ৰীৰ বিশেষকৈ ইলেকট্ৰনিক সামগ্ৰীৰ চাহিদা খুব বাঢ়িছে । আনহাতে চীনৰ পাটকাপোৰ আৰু সূতা জাপানলৈ ইমান আমদানি হৈছে যে জাপানৰ ঘৰুৱা বেচম শিল্পৰ যথেষ্ট ক্ষতি হৈছে । সেইটো থিয়ে নহওক গাঁৱলৈ যে জাপানী বস্তু বৰ বেচি সোমাৱৰ পৰা নাই বজাৰখন চায়ে বুজিব পাৰিছিলোঁ । আচৰিতভাৱে মনটোত স্বস্তি অনুভৱ কৰিছিলোঁ ।

হঠাৎ মোৰ ডেকা সংগীজনে কিন্তু মিস্টাৰ হুৰ প্ৰত্যাহ্বান কৰাৰ দৰে কলে—

ঃ আপোনালোকে আমেৰিকাক বৰ প্ৰশ্ৰয় দিছে, চাব আমেৰিকান চৰে অতি সোনকালে আপোনালোকৰ ইণ্ডাষ্ট্ৰীক নষ্ট কৰি দিব ।

ঃ ডু ইউ নো ইফ এনি চাইনীজ পাৰ্ট নেবীজ এন আমেৰিকান, হী উইল বী এন আউটকাষ্ট ? আৱাৰ চোচাইটী উইল নট একচেপ্ত হাব ।

হুৱে হাঁহি হাঁহি কলে । সুৰত অকণো প্ৰতিবাদ হৈছিল আত্মম্ভৰিতাৰ লক্ষণ । আকৌ একে আত্মম্ভৰিতা । হয়তো এই লক্ষণেই ৰক্ষা কৰিছে সে আৰু কিহবাই কৰিছে নাজানো, চীনৰ সংস্কৃতি কিন্তু হংকঙৰ সংস্কৃতিৰ

দৰে নিজৰ স্বকীয় সংস্কৃতি পৰিহাৰ কৰি পশ্চিমৰ অনুগামী হোৱা নাই এই পৰ্যন্ত।

ঃ তুমি জাপানে যাওঁতে কি দেখিছিলা ?

মিশ্চাৰ হুৱে নিশ্চয় মনতে মোৰ সংগীৰ কথাবোৰকে পাগুলি আছিল। তেওঁ সংগীয়ে কিবা কোৱাৰ আগতেই The New Stage অৰ্ড মাওৱে কোৱা কথাখিনিকে জেহেৰী খোউজাৰ দৰে কৰি কৈ গৈছিল। Uncoditional Westernization বৰ ভুল আৰু অনিষ্টকৰ নীতি। অন্ধভাৱে বিদেশী নমুনাবোৰ গ্ৰহণ কৰাটোৱে চীনৰ ইতিমধ্যে বহু ক্ষতি কৰিছে। আৰু নহয়। আনকি Marxism অকো প্ৰয়োগ কৰোঁতে চীনা জনসাধাৰণ এতিয়া সাৱধান।

চীনা জনসাধাৰণৰ এই সাৱধানতা কিন্তু নতুন নহয়। চীনা প্ৰবীণ নেতা টেং খিয়াও পিঙে সমাজবাদত চৈনিক বৈশিষ্ট্য আমদানি কৰাৰ বহু আগৰে আগতেই এই বৈশিষ্ট্য আনয়নৰ পূৰ্বাভাস দেখা গৈছিল। ১৯২৬ চনত চাংহাই হত্যাকাণ্ড ( Shanghai Massacre )ৰ পাছতে হোৱা চীনা কমিউনিষ্ট পাৰ্টিৰ অধিবেশনত সেই পূৰ্বাভাসৰ প্ৰকাশ পৰিস্ফুট হৈছিল। সেই অধিবেশনত কমিনটাৰ্ণৰ উপদেষ্টা আৰু প্ৰাউডাৰ জেকবুচ্ দখিয়াট পাড়ভজ মিফ বৰদিন আৰু সেইকালৰ কমিনটাৰ্ণৰ আটাইতকৈ ক্ষমতাশালী নেতা এম এন ৰয় উপস্থিত আছিল। কিন্তু তেওঁলোকৰ প্ৰধান ধাৰণাতে চীনৰ মাটিৰ গোন্ধ নথকা কাৰণে তেওঁলোকক অনুপযুক্ত বুলি চীনৰ সংগ্ৰামী জনতাই পৰিহাৰ কৰিছিল। আৰু দৰাচলতে আছিল চীনা সমাজবাদৰ যি এক নতুন ধাৰণাৰ জন্ম হৈছে সেয়া অংকুৰিত হৈছিল সেই ১৯২৬ চনতেই। তেতিয়াই সংগ্ৰামী চীনা জনসাধাৰণৰ সমাজবাদী ধাৰণাত চৈনিক প্ৰকাশে দেখা দিছিল। এই প্ৰকাশৰ কাৰণেই হব পাৰে হয়তো, চীনৰ চহৰবোৰ হাতে হিচাপে চৈনিক ; এছীয় চহৰ বুলি প্ৰথম দৃষ্টিতে কব পৰা যায়, যিটো টাইৱান হংকং, চিংগাপুৰ অথবা ব্যাংককৰ ক্ষেত্ৰত নহয়। চীনৰ পাতে জাধি থকা চহৰ হংকঙৰ হৰ নিযুক্ত মানুহৰ হাতত যিমান টকা আছে হয়তো চীনদেশৰ এক তৃতীয়াংশ (অৰ্থাৎ চৌত্ৰিশ কোটি) লোকৰ হাততো সিমান নাই। আনহাতে আকৌ হংকঙৰ আৱশ্যকীয় খাদ্য সামগ্ৰীৰ শতকৰা নব্বৈ ভাগ যোগান ধৰিবলগীয়া হয় চীনদেশে।

হংকঙৰ খাদ্য সামগ্ৰীৰ দোকান সাধাৰণ কেইখনমানহে আছিল। শতকৰা প্ৰায় পঁচানব্বৈ ভাগ দোকান আছিল কাপোৰৰ। দাম অত্যন্ত কম।

খেমিৰি চলে। বিদেশীয়ে তাত কিনিব নোৱাৰে। মই অৱশ্যে চাইছিলোঁ মানুহবোৰলৈ। মিণ্টাৰ হৰ প্ৰত্যাহশনৰ প্ৰত্যুত্তৰ দিব পাৰে। নেকি সেই আশাত। কিন্তু এজনৰ গাতো ফটা চিটা কাপোৰ নেদেখিলোঁ। এজনেও আমাৰ পিনে ভ্ৰূক্ষেপেই নকৰিলে। কোনোবাই কিবা এটা কিনিবলৈ জোৰকৈ ধৰিব বা আন কিবাএ টাৰ কাৰণে উপৰোধ কৰিব পাৰিলেহেঁতেন। তাকো নকৰিলে। আমি বিদেশী পৰ্যটক আমালৈ সম্মান প্ৰদৰ্শন কৰোতে কাৰ্পণ্য কিন্তু কাৰো নাই। আমি যিপিনে গৈছোঁ মানুহে সসম্ভ্ৰমে বাট এৰি দিছে। কিন্তু আমাৰ প্ৰতি অহেতুক অথবা অতিমাত্ৰা মনযোগ দি আমাক যে বিব্ৰত কৰিব এনে কথা চীনা জনসাধাৰণৰ চৰিত্ৰত নাই।

আমাৰ গাঁৱৰ বজাৰবোৰ হ'ল জনসাধাৰণৰ অসহনীয় দাৰিদ্ৰ্যৰ নিৰ্মম প্ৰকাশ মাত্ৰ। যলৈকে দলে দলে ভিখাৰী আছে অনাহাৰী দিন মজুৰ আছে অৰ্দ্ধাহাৰী খেতিয়কে কান্ধত শস্যৰ টোপোলা আৰু হাতত তেলৰ খালী বটল ওলোমাই লৈ আছে।

ইয়াৰ এক পচাৰতে দেখা প্ৰায় দহ হেজাৰ জনতাৰ মাজত ইমান চোৰা সত্ত্বেও এজনকো অকমাণ হীন নেদেখিলোঁ। পোছাক পাতি প্ৰত্যেকৰে একে ধৰৰ। আৰু বোধকৰো সেইবাবেই প্ৰতিজনৰে মুখভাব একেধৰণৰ আত্ম-মৰ্যাদাৰে গম্ভীৰ।

চিছুৱা কাউণ্টিৰ কাৰ্য্যালয় দুপৰীয়া পাইছিলোহি। আপেল ঘেঁহু আৰু মাৰ্বল পাথৰৰ কাৰণে বিখ্যাত চিছুৱা কাউণ্টি। লোক সংখ্যা চাৰে ছয় লাখ। ভুট্টাৰ ঠাৰিৰে কৰা কাৰ্পেটখন গছকিবলৈ বেয়া লাগিছিল। তাতো চাভিৰেটৰে হাত মুখ মচি ফিকা চাহ আৰু আপেল খাই ফং চান (Pong cha n) গাঁওলৈ বুলি ওলাই আহিছিলোঁ। চিছুৱাৰ মেয়ৰে তেওঁৰ কাউণ্টিৰ চাৰে ছয় লাখ মানুহৰ বাবে কি কি অৰ্থকৰী ব্যৱস্থা হাতত লৈছিল সকলোকে আমাক জানিবলৈ দিছিল।

চীনৰ অৰ্থনৈতিক আচনিত এটা কথাই দেখিলোঁ – সেইটো হ'ল মানুহৰ কামত লাগিব পৰা কোনো বস্তুকে আৱৰ্জনা বুলি ভবা নহয়। সেইবাবেই আলিবাট ৰেল লাইনৰ কাষ অথবা চহৰ বা গাঁওৰ কাষৰ নদীৰ পাৰবোৰ আমাৰ দেশৰ দৰে লেতেৰা নহয়। চীনত আলিবাটৰ দুয়োকাষে পাচলিৰ খেতি কৰাও দেখিছোঁ। চাংহাই চহৰৰ বিশাল জনসমুদ্ৰৰ শৌচ-প্ৰস্ৰাৱ আৰু অন্যান্য নানাম আৱৰ্জনাবোৰ আছে চীনৰ চাৰিটা ধানৰ ভঁৰালৰ (rice bowl) অন্যতম য়াংজু যোহনাৰ কৃষি ক্ষেত্ৰৰ উৰ্বৰতা অটুট ৰাখিবলৈ। সেই অঞ্চলৰে দুৱাৰত

বিশাল পথাৰত যিমান সাৰৰ প্ৰয়োজন তাৰ সমস্তখিনি আছে চাংক্সাইৰ সাৰ উৎপাদন কাৰখানাৰ পৰা। পৃথিৱীত ইমান কম খৰচতে সাৰ উৎপাদন হোৱা আন কতো নহয়।

কোনোবাখন গাঁৱত সোমালেই গাঁৱৰ মলমূত্ৰবোৰ জমা কৰি বাজহুৱা বায়ু গেচ প্লেণ্টলৈ নিয়া হয়। মুঠতে চীনৰ বেজিৰ তলত থকা সকলোবোৰ বিষয় হ'ল ইনষ্টিটিউশ্যনেলাইজড। নিষ্প্ৰাণ যেন লাগে কথাবোৰ; কিন্তু প্ৰতিটো ব্যৱস্থা হ'ল চীনৰ এশ তিনি কোটি মানুহৰ প্ৰতিজনকে নিৰোগী দীৰ্ঘজীৱি আৰু প্ৰাণময় কৰি তোলাৰ কাৰণে।

ফং চান গাঁৱৰ ওক ইয়াদ চাই যেতিয়া আমি নামিছিলোঁ এই কথাবোৰকে ভাবি আহিছিলো তললৈ চাই চাই। ওক ইয়াদখন য'ত আছে তাৰ উচ্চতা হ'ল ৩৬৬ মিটাৰ অৰ্থাৎ এহেজাৰ দুশ ফুট। তাৰ পৰা পাখি আহোতে দেখিছিলো ফংচান আৰু কেবাখনো গাঁৱৰ বিশাল পথাৰ এখন। সেউজ মেৰুৱনি আৰু মাজে মাজে নতুনকৈ চহোৱা মাটিয়ে আৰু প্লাষ্টিক হীটৰ সাগৰে পকৰা চিতৰা কৰা এখন ইপাৰ সিপাৰ মনিব নোৱাৰা উপত্যকা।

ইমান মনোমোহা দৃশ্য। অথচ ওপৰৰ আকাশখনত এজাক বগলী নেলাগে বাৰু নতুবা পাখীৰ শব্দ কৰি তলেদি উৰিযোৱা এজাক কপৌও নেলাগে অন্ততঃ একেবাৰে নিলিপ্ত হৈ যদি এটা শগুণ অথবা এজনী চিলনীয়েও বনাই থাকিল হেতেন কিমান প্ৰাণময় হ'লহেতেন দৃশ্যটো।

চীনদেশৰ পক্ষীকুলৰ কথা প্ৰায়ে শুনা যায়। য়ুন্নান প্ৰদেশত হেংদুৱান পৰ্বত দিচ্চিং মালভূমি আৰু সিচুৱাংবানা অৰণ্যত হেনো পৃথিৱীৰ ৯ হেজাৰ বিধ চৰাইৰ এহেজাৰ বিধেই আছে। বগা কান লগা বালিমাহী কুজি চৰাই ডাউক এইবোৰ চৰ আছে হেনো। আনকি পৃথিৱীৰ বিৰল ট্ৰেগোপান (এবিধ পাট্ৰিজ জাতীয় চৰাই) যিটো ভাৰতবৰ্ষৰ কেৱল নগালেণ্ডতহে আছে— সেয়াও আছে হেনো চীনদেশত। বেচম বিজ্ঞানীসকলে কোৱামতে চীনত তহঁতৰ পৰম আটাইতকৈ মাৰাত্মক শত্ৰু হ'ল চৰাই আৰু বতাহ। কিন্তু আমিনো এটাও চৰাই দেখিব নাপালোঁ বাৰু বিশাল চেঙ্গাং এখন ঘূৰাৰ পাচতো। চীনৰ প্ৰাচীন সাহিত্যত থকা The years disappear like the jade birds who fly into the yellow hills"— সেই পীত পাহাৰলৈ উৰি যোৱা সেউজ চৰাইজাকৰ এজনীও যদি দেখিলোহেতেন!

নামি আহি গাঁৱত সোমালোঁ। তহঁতৰ সঁচ কেন্দ্ৰ এটা আছিল গাঁৱত। তাত হেনো কৰ্মী আছিল তহঁতৰ পৰিয়াৰ। চাৰিওফালে ছিটিং পাওঁলাম

চট্টিয়াই গৈছিল যাতে মাধি ৰবল এবো আছি নষ্ট কৰিব নোৱাৰে, যবৰ চৌহদত আলিবাটত নওলা মুখত যতে ততে বিল্ডিং পাউদাৰ। দেখিলেই কিবা লাগি যায়। তথাপি ভাল লাগিছিল অন্তত গাঁৱৰ দুগৰাকী মহিলা আৰু পাঁচ ছয়টামান শিশু আলিবাটৰ কাষৰ এজোপা গছৰ তলত অলসভাৱে বৈ থকা দেখি। আমাৰ এগৰাকী সংগী আছিল ৰাজপুত। কাৰোবাৰ সতে চিনাকি হলেই তেওঁ কৰবলৈ নাপাহৰিছিল যে ভাৰতবৰ্ষই যাক লৈ গৰ্ব কৰে সেই ইতিহাস প্ৰসিদ্ধ বীৰ ৰাজপুতৰ বংশধৰ তেওঁ। তেওঁ য'তে ত'তে বিল্ডিং পাউদাৰবোৰ দেখি বেচ বিৰক্ত হৈ পৰিছিল ; কিন্তু তেৱোঁ আলিৰ কাষত মহিলা আৰু শিশু কেইটা তেনেদৰে বৈ থকা দেখি পৰম স্বস্তিৰে নওলামুখতে বহি লৈছিল।

মই জানো কি কৰি আছিলো আলিৰ দাতিত হঠাতে আমাৰ দলটো আহিলৈ নামি আহিছিল আৰু কিহবাক লৈ গৰম বাক বিতণ্ডা আৰম্ভ কৰিছিল। দলটোত মযে আছিলো বয়োবৃদ্ধ। ওচৰ চাপি আহি সুধিলোঁ ঘটনাটো কি ? ৰাজপুত সংগীয়ে কলে— দে আৰ মাস্টাৰ ইভেদাৰ।

কোন ?

কোন হব আৰু এই চীনা বিশেষজ্ঞসকল! কিয়ানটা চেৰিকালচাৰ চেন্টাৰ দেখুৱালে কিন্তু কতো আমাক বিয়াৰিং আৰু চীড ড্ৰিজাৰ্ভেশ্যন নেদেখুৱালে। এগ্ৰি হোৰেৰ উই আৰ ফাইটিং এ লুজিং বেটল।

: লাইক আৱাৰ ৰাজপুত ওৱেৰিয়ৰ চ।

হঠাৎ মোৰ মুখৰ পৰা কথাষাৰ ওলাই গৈছিল। যাৰলৈহে পালে সকলো স্তব্ধ। কথা বন্ধ কৰি আটায়ে গাড়ীৰ পিনে খোজ ললে।

হু মোৰ কাষ চাপি আহিছিল আৰু হাত খনত ধৰি সুধিছিল— কিনো ক'লা তুমি তেওঁলোকক! মই কাকি দি কলো যে মই বাক বিতণ্ডা বন্ধ কৰিবলৈ কৈছিলোঁ। আহি টাং চিয়াও শ্ৰু চিকক মিলত নোসোমোৱা পৰ্যন্ত আটায়ে গম্ভীৰ্যৰ সমদলৰ দৰে নীৰৱে আহিছিল।

মিল পাওতে ঠিক চাৰি বাজিছিল। আবেলি ছুটিৰ ঘণ্টা পৰিছিল। শ্ৰমিকবোৰ ঘোৰা দেখি মিলৰ এগৰাকী বিষয়াই পাছৰ শ্ৰমিক এগৰাকীক কিবা এটা কৰিবলৈ দিছিল। তাই কিন্তু মুখখন তেওঁ চাই ৰচি কৈছিল। মিস্টাৰ হু আছিল অদ্ভুত তৎপৰ। এই সাধাৰণ কথাটোও, মিস্টাৰক, মই যে লক্ষ্য কৰিছো, সেই কথা তেওঁৰ দৃষ্টি এৰাই যাব পৰা নাছিল। তেওঁ নিৰ্বিকাৰ ভাৱে কলে—

ঃ আমাৰ ইয়াত এইটো আদৰ্শ ভিত্তি। মুক্তি মানে মুক্তি। মুক্তিৰ পাছত ভিত্তি কৰাৰ ৰেওৱাজ আমাৰ ইয়াত নাই। অন্ততঃ আজিকালিৰ ইউৰোপ পছন্দ নকৰে। মই অৱশ্যে খ্ৰিষ্টান হব পৰা এজনৰ প্ৰশ্ন আশা কৰিছিলো। আমাৰ মতেমতে এয়াৰ স্বাভাৱিক প্ৰশ্ন। মই খ্ৰিষ্টান হ যোৱা হয়তো কলো-হে তেন—

ঃ আমাৰ ইয়াত এইটো আদৰ্শ ভিত্তি। আপোনালোকৰ তাত কিমান বাক ?

চীনা জনসাধাৰণৰ বিদেশীৰ বিষয়ে বিশেষকৈ ভাৰতীয়সকলৰ বিষয়ে কোনো কৌতূহলেই নাই যেন লাগিল। মই উপস্থিতিয়ে কলো আমাৰ তাতো তেনেকুৱাই বুলি। তেওঁ অৱশ্যে ভাল বেয়া একো মন্তব্যকে নকৰিলে। মোৰ কথাই বিশেষ তেওঁক প্ৰভাৱিত নকৰিলে সেইমতে কিন্তু হয় কথাইও মোৰ মনৰ খোকোজা দূৰ কৰা নাছিল। মই খাওঁতে হোৱাৱীজনীৰ মুখৰ তেওঁ চালিত দেখা পাইছিলো নতুন দিনৰ প্ৰত্যাহ্বান।

চিন্তু হোটেল পাওঁতে চাৰে ছয় মান বাজিছিল অৰ্থাৎ ডীনাৰৰ সময় নিগৰি গৈছিল।

আহোঁতে বাটত দুখন খৰিয়াল দেখি মনটো মুকলি লাগিছিল। এখন আচলতে বাটত নাছিল। পথাৰত লাগিছিল। কৰ্মৰত দুজন মানুহৰ মাজৰ চোঁপোৰা এটা লৈ টনাটনি কৰিছিল। ওচৰতে পায় কুৰি দিয়া মহিলা দুগৰাকীয়ে মাটিৰাটো দেখিও হস্তক্ষেপ কৰা নাছিল।

ইখন দেখিছিলো চহৰ সোমাওঁতে। এটা বাচ ষ্টেণ্ডত। দোভাষৈ পাৰ্কিং প্লেচত দুজন ড্ৰাইভাৰৰ মাজত কাজিয়া। গৰম বাক বিতণ্ডা। ওচৰৰ এজনেও হস্তক্ষেপ কৰিবলৈ আগ বাঢ়ি অহা নেদেখিলো। ওচৰতে পুলিচো নাছিল। এনেয়ে চীনৰ চহৰত আৰু আজিকালিটো দোকান-পোহাৰ এনে বাজৰেৱা ঠাইত পুলিচ প্ৰায়ে দেখা নাযায়।

ড্ৰাইভাৰসকলৰ শেষ কি হ'ল জনাৰ উপায় নাছিল। কিন্তু ঘটনা দুটা দেখাৰ লগে লগে মোৰ মনত পৰিবেশটো স্বাভাৱিক হোৱাৰ দৰে অনুভব হৈছিল।

আকৌ 'চয়া', ফ্ৰিন্দ, এস্‌প্লেনাৰ্দাচ, [illegible] [illegible], [illegible], [illegible]

আদিৰ বিবিধ ব্যঞ্জনেৰে ভীনাৰ। লগতে বিবিধ পানীয় একমাত্র পানীত বাদে। সোনকালেই ভীনাৰ পৰ সমাধা কৰি কোঠাত অকলশৰে বহি-ছিলোঁহি। কোঠাটো এক্কাৰ কৰি খুলি দিছিলোঁ। উত্তৰ পূৰৰ প্ৰকাণ্ড খিৰিকী খনৰ বলাইওখন। কাষ চাপি আহিছিল পোহাই উপসাগৰৰ বিশাল পোতা-শ্ৰয়টো; য ত কেৱল নিৰিবিলি আশ্ৰয় আছিল কিন্তু আশ্ৰয় লবলৈ তাত কোনো পোত বা তৰী অথবা এজনী দিশাহাৰা পখীও নাছিল। অৱশ্যে আশ্ৰয়ৰ উপৰিও তাত আৰু দুটা বস্তু আছিল। সীমাহীন জোনাক আৰু নিজ নতা।

দুৱাৰত কোনোবাই মৃদু শব্দ কৰিছিল। বোধকৰোঁ। লন্দ্রিবেগ লৈ হোতৰ ছোৱালীজনী আহিছিল। মই সহাৰি দিয়া নাছিলোঁ। সেই মুহূৰ্তত মই মাথোন অসীম নিজনতাৰ মাজত নিজকে অকলশৰে পাবলৈ চেষ্টা কৰি ছিলোঁ। ■

য়ানটং প্ৰদেশত বছৰি গড়ে ৰ দ দিয়ে সাতাইশ শ ঘন্টা। চীনৰ বেচম বিজ্ঞানীসকলে সুধিলেই কৈ দিব পাৰে দেশখনৰ কোন ঠাইত কিমান ঘন্টা ৰ দ দিয়ে আৰু ক ত কিমান ঘন্টা ধৰি হয় বৰষণ। কিন্তু জোনাক? জোনাকৰ কিয় বাৰু হিচাপ নাই কতো? আমাৰ প্ৰাতঃস্মৰণীয় কবি ৰঘ নাথ চৌধাৰী থকা হলে হয়তো কলেহেতেন— জোন বা জোনাকৰ মূল্যাই বা কি— জোন হ ল পৰাধীন জীৱনৰ প্ৰতীক। তাৰ পোহৰক আশ্ৰয় কৰি হয়তো বহুত কিবাকিবি কৰিব পাৰি কিন্তু জীৱনৰ বাস্তৱ সমস্যাৰ সমা-ধানৰ ক্ষেত্ৰত জোনাকৰ কোনো মূল্য নাই।

চীনা জনসাধাৰণৰ জীৱনত জু কবিতাৰ (tz u poem) যুগত হয়তো জোনাকৰ মূল্য আছিল। আৰু ভাৰতীয় প্ৰাচীন প্ৰজাক অনুসৰণ কৰি বছৰ মাহৰ গণনা কৰোতে জোনক মূল্য দিয়জলীয়াত পৰিছিল। কিন্তু নতুন চীনৰ জনসাধাৰণৰ জীৱনত জোন বা জোনাক কেৱল মূল্যহীনেই নহয় তেওঁলোকৰ কাৰণে জোনাক প্ৰগতিৰ কল্যানৰ বাধাস্বৰূপ—

a full moon that makes
the world clear and brilliant
Comes our squad leader on his rounds
Saying how tonight is so bright
We must listen with care
Moon do not light us my shadow

Silently ever more quietly
Avoiding moonlight we hug low cliffs
As we steal forward, it seems
Three stones ahead are three ears
Three bushes three pairs of eyes!

—Li Ying—1961

একেবাৰে সাম্প্ৰতিক চীনা লেখক মুক্তধাৰ নীতিৰ ধ্বজাবাহক চীনা কবিয়েও জোনক সহজে লব পৰা নাই—

I am plough,
The rebel of cold and death,
The vast field meets me head on,
Bringing the dream of spring,
To meet me a wet crescent moon,
—My ancient but graceful body

(YANG LIAN 1981)

জোন আৰু জোনাক নতুন চীনৰ বাবে কেৱল [illegible] আৰু নিৰাশাৰ প্ৰতীক।

চীনদেশৰ নতুন পুৰুষৰ চিন্তাধাৰাত আটাইতকৈ [illegible] আৰু [illegible] এটা কথাই—সেয়া হল মানুহৰ প্ৰয়োজন। অৰ্থাৎ যেতিয়া মানুহ [illegible] দীৰ্ঘায়ু হৈ পাৰিবে জীয়াই থাকিবলৈ তিয়োৰ কথা বা কামৰ প্ৰয়োজন সেই কথা বা কামত বাদে আনবোৰ কথা বা কাম একেবাৰে অৰ্থহীন। এনেধৰণৰ চিন্তাৰ বাবেই চীনৰ চিন্তানায়কসকলে [illegible] দিছে [illegible] জনসাধাৰণক আত্মনিৰ্ভৰশীল কৰি তোলাত গুৰুত্ব। আত্মনিৰ্ভৰশীল [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] resource [illegible]

চীনত [illegible] গাড়ীৰ (car) উৎপাদন [illegible] [illegible] [illegible] আছিল। [illegible] [illegible] [illegible] [illegible] উৎপাদন [illegible] [illegible]

পৰাহে আৰম্ভ হৈছে। ইটালীৰ সতে যৌথ উদ্যোগত। CA 141 Liberation ট্ৰাকৰ উৎপাদন চাংচুন অটোমবাইল ফেক্টৰীত সম্প্ৰতি আৰম্ভ হৈছে। অথচ আনহাতে চীনত পেট্ৰোলিয়ামৰ উৎ াদনত আধুনিক টেকনিকৰ আশ্ৰয় লোৱা হৈছে তিনিটামান দশকৰ আগতেই। যাৰ ফলত ১৯৮৪ চনত উৎপাদন হৈছে ১১৪ নিযুত টন পেট্ৰোলিয়ামৰ। সাংহাইৰ শ্বিপ ইয়াৰ্ডত ইতিমধ্যে তৈয়াৰ কৰা হৈছে প্ৰকাণ্ড অয়ল টেংক'ৰ আৰু যাত্ৰীবাহী জাহাজ। আধুনিক সমৰাস্ত্ৰ আৰু সমৰোপকৰণ ৰ তানি কৰাত চীনে ইতিমধ্যে লাভ কৰিছে বিশ্বজোৰা প্ৰতিষ্ঠা।

কথাত কথা ওলায়। আচৰিত এক যোগসূত্ৰ। এই শ্বানটুং প্ৰদেশৰ চিফু নে জিফু নে চুফু—আমি থকা এই চহৰখনৰে কোনোবাখিনিত খৃঃ পূ ৫৫১ চনত বিশ্ববি্ৰুত মহামনিষী এগৰাকীয়ে জন্মলাভ কৰিছিল। তেওঁৰ নাম আছিল কনফুচিয়াচ। তেখেতক এবাৰ প্ৰশ্ন কৰা হৈছিল যে ৰজাৰ কতব্য কি? তেখেতে উত্তৰ দিছিল তিনিটা কতব্য বুলি। এটা হ'ল—যথেষ্ট খাদ্য মজুত ৰখা দ্বিতীয়তো হ'ল—যথেষ্ট সমৰ শক্তি অৰ্জন কৰা আৰু ে ষে আৰু মুখ্যতম হ'ল—ৰজাৰ প্ৰতি প্ৰজাসকলৰ মাজত অপৰিসীম আস্থা জাগৰূক ৰখা। তেখেতক পুনৰ সোধা হৈছিল ইয়াৰে যদি দুটাহে ম্ভৱপৰ হয় তেন্তে কোনটো বাদ দিব? তেখেতে কৈছিল—সমৰ শক্তি বুলি। নতুন চীনৰ জন্ম দাতা মাও চে টুঙৰ সমালোচকসকলে কয় যে মাওৱে হেনো কনফুচিয়াচৰ ধাৰণাক নিজৰ মতাদৰ্শত প্ৰয়োগ কৰিলেও তেওঁ এই তিনিওটা বিষয়ৰ পাৰস্পৰিক অগ্ৰাধিকাৰ ওলোটা দিনৰ পৰা দিয়ে। অৰ্থাৎ সহজভাৱে কবলৈ গলে মাওৱে দুটা অসম্ভৱ হলে সমৰ শক্তিক ৰাখি বাকী দুয়োটাকে বাদ দিবলৈ কুণ্ঠাবোধ নকৰে।

সেইবাবেই হেনো মোটৰকাৰ বা ট্ৰাক তৈয়াৰৰ উদ্যোগ নগঢ়ি কৰিছিল আধুনিক সমৰাস্ত্ৰ তৈয়াৰৰ কাৰখানা। এই প্ৰশ্নৰ উত্তৰ দিছে ইমান সহজে নহয়। ইয়াৰ উত্তৰ বিচাৰি যাব লাগিব চল্লিচৰ দশকৰ জাপানী আক্ৰমণৰ সেই দুৰ্যোগপূৰ্ণ দিনবোৰলৈ। চিয়াংকাইচেকৰ কুওমিণ্টাং বাহিনীৰ সতে জাপানী আক্ৰমণৰ পৰা চীনক মুক্ত কৰাৰ যুদ্ধত মাওৰ কমিউনিষ্ট গৰিলা-বাহিনীয়ে যোগ দিব নে নিদিয়ে সেই লৈ বিতৰ্কৰ সৃষ্টি হৈছিল দলৰ মাজত। মাওৱে তেতিয়া কৈছিল "সমাজবাদেই কৰোঁ বা যিয়েই নকৰোঁ দেশখনেই যদি পৰৰ অধীনলৈ যায় তেনেহলে ক'ত প্ৰয়োগ হব আমাৰ মতাদৰ্শৰ বাস্তৱ [illegible]?"

সেইবাবেই নিশ্চয় দেশৰ নিৰাপত্তাক সকলো সময়তে আগ দিয়া হয় সাম্প্ৰতিক ৰাজনীতিত। অৱশ্যে এইটো কথা নিশ্চয় সঁচা নহয় যে চীনত সমৰ-সজ্জাত বাদে বাকীবোৰত গুৰুত্ব দিয়া হোৱা নাই। নহলেনো এশ ত্ৰিশ কোটি মানুহৰ মাজত এজনো দৰিদ্ৰ নাই বুলি মিণ্টাৰ হয়ে গৰ্ব কৰি কব পাৰে নে মোৰ আগত!

কথাষাৰতো অবিশ্বাস কৰিলগীয়াও নহয়। মইতো আজিলৈকে এজনো দেখা নাছিলোঁ। মই কিন্তু ১৯৫২ চনত ভাৰতবৰ্ষৰ পৰা অহা সাংস্কৃতিক প্ৰতিনিধিৰ দলটোত বিজয়লক্ষ্মী পণ্ডিত আচাৰ্য নৰেন্দ্ৰ দেৱ অধ্যাপক শিব্বনলাল চাক্সেনা চেলাপথি ৰাও ফ্ৰেংক মৰেচ কল্যাণ কুমাৰ মণ্ডল ডাঃ অমৰ নাথ ঝা অধীৰ বেনাৰ্জি এচ ভগৱন্তম নবাব জাৰ জং মিচ শান্তি ৰাও এচ এন বিজ্ৰে এনেদৰে ডাঙৰ কেইজন সচেতন ব্যক্তি আছিল। তেওঁলোকে চীনত ছয় সপ্তাহ ভ্ৰমণ কৰিছিল। তেওঁলোকেও চাংহাই চহৰতহে এজন ভিখাৰী দেখিছিল। আৰু কতো এজনো দেখা নাছিল।

এবাৰ মই মিণ্টাৰ হক সুধিছিলোঁ চীনত গুৰু উদ্যোগ আছে নে নাই বুলি। মই 'গ্ৰেট লীপ ফৰৱাৰ্ড''ৰ মূলত ব্যাক ইয়াৰ্ড ফাৰ্নেচৰ কথা শুনিছিলোঁ। আৰু এই কেইটা দিনতে কিছু দেখিছোঁও। বিহা কাউন্টি অঞ্চলতে বোধকৰোঁ পেদেস্টেল ফ্যান কিছুমান দেখিছিলোঁ। মই সোধাত তাৰে কাউন্টি অফিচিয়েল এগৰাকীয়ে কৈছিল যে কেনেবোৰ স্থানীয় কাৰখানাত স্থানীয় খেতিয়ক সকলোৱেই আহৰি সময়ত কৰা। নতুন উদ্যোগ নীতি অনুসৰি দাইভাৰ্চিফাইদ (বাৰেমতৰা) ইক'নমিত ব্যস্ত কৃষক সকলক ক্ৰমাগত ভাৱে উদ্যোগিক উৎপাদন-কৰ্মত নিয়োজিত কৰা হৈছে। অফিচিয়েল গৰাকী আছিল স্থানীয় বিউৰো [illegible] দাইভাৰ্চিফাইদ ইক'নমিৰ এজন কৰ্মকৰ্তা।

হকে অৱশ্যে পাল্টা প্ৰশ্ন কৰিছিল—

ঃ তুমি গুৰু উদ্যোগ মানে কি বুজাব খুজিছা?

প্ৰথমবাৰে মোৰ মূৰ্খামিক প্ৰকট কৰি তুলিছিল। মই কথাটো বুজাই কলোঁ—

ঃ আচলতে মই কনজিউমাৰ গুডচৰ কথা কৈছোঁ।

ঃ ফাৰ্ষ্ট থিং ফাৰ্ষ্ট।

বেচ ৰহস্যপূৰ্ণ হাঁহি মাৰি হকে কথাষাৰ কৈয়ে মোক এৰাই গৈছিল। মই পিচে বুজিছিলোঁ— ব্যৱহাৰ্য সামগ্ৰীতকৈ অগ্ৰাধিকাৰ পায় আণৱিক অস্ত্ৰশস্ত্ৰীয় সামগ্ৰীয়ে। নহলে এই বিশাল দেশখনৰ এক তৃতীয়াংশ মানুহক, কোনো [illegible], কোনোৱেই [illegible]। জাপান বা আমেৰিকাৰ দৰে দুহ বা তিনি কোটি মানুহক

খুৱা-পিন্ধোৱাৰ সমস্যাতো নহয়। চীনৰ হ'ল এক বিলিয়ন অৰ্থাৎ এশ কোটি মানুহক খুৱা পিন্ধোৱাৰ প্ৰশ্ন। পৃথিৱীৰ কোনো দেশেই এটা মহাদেশৰ আকাৰতো ইমানবোৰ মানুহৰ দায়িত্ববহন কৰাটো সহজসাধ্য নহয়। সেইদিশে প্ৰথমতম কথা হ'ল অত্যাৱশ্যকীয় সামগ্ৰীৰ বিষয়ত স্বাৱলম্বী হোৱাটো। এই কথা মই মনে মৰ্মে উপলব্ধি কৰিছিলোঁ। এই বিষয়ত চীন এতিয়া স্বাৱলম্বীয়ে নহয় বিভিন্ন খাদ্য দ্ৰব্য ৰপ্তানিও কৰে। তদুপৰি হংকঙৰ খাদ্যদ্ৰব্যৰ শতকৰা নব্বৈ ভাগ চীনেই যোগান ধৰে। সেইদিশে চীনে এতিয়া কম্পিউটাৰৰ ওপৰত জাপিছে। জাপানৰ পৰা বহুগুণ (Billion) টকাৰ ইলেকট্ৰনিক সামগ্ৰী আমদানিও কৰিছে। চীনৰ জনসাধাৰণৰ জীৱন নিৰ্বাহৰ মান উন্নীত কৰাত সম্প্ৰতি মনোনিবেশ কৰা হৈছে। ক্ৰমাগত ভাৱে মুক্তদ্বাৰ নীতিৰ জৰিয়তে চীনা জনসাধাৰণৰ জীৱনধাৰা আগৰ বিভিন্ন বাধ্য বাধকতাৰ পৰা মুক্ত কৰি উন্নীত কৰিব বিচৰা হৈছে। আৰু দেখিছিলোঁ ইয়াৰ লগে লগে গুৰুত্ব দিয়া হৈছে জনসাধাৰণৰ সৰ্বাংগীন দক্ষতা বৃদ্ধি কৰাৰ ওপৰত। সেইদৰে আন দেশৰ সৈতে যৌথ উদ্যোগত (Joint collaboration) হোটেল উদ্যোগ মোটৰ কাৰ উৎপাদন কাৰখানা এইবোৰ কৰিলে সকলো কথাৰ কাৰণে বিদেশীৰ ওপৰত তেওঁলোকৰ কাৰিকৰী জ্ঞানৰ ওপৰত অজ্ঞৰ দৰে নিৰ্ভৰশীল হ'বলগীয়াত পৰিব।

চীনা কৰ্মীৰ কাৰিকৰী দক্ষতা সম্পৰ্কে সম্প্ৰতি চীনা কৰ্মকৰ্তাসকল নিজেই সন্দিহান আৰু বোধ কিন্তু তেনে নহয়। মেচন গৱেষণা কেন্দ্ৰত যাৱতীয় ব্যৱহাৰৰ কাৰণে যি ফাউণ্টেন পেনৰ আৱশ্যক হয় সেইবিলাক পেন মেচন গৱেষণা কেন্দ্ৰৰ কাৰিকৰী বিশেষজ্ঞসকলে কেন্দ্ৰতে তৈয়াৰ কৰি লোৱা মই দেখিছিলোঁ। তাৰ পেনৰ গুণগত মান আমাৰ দেশৰ পেনৰ কাৰখানাত হোৱা শ্ৰেষ্ঠটোতকৈ কোনোগুণে কম নহয়।

কোৰিয়াৰ দৰেই চীনেও গুৰুত্ব দিব খুজিছে কথাত—efficiency আৰু low cost ৰ ওপৰত। চীনৰ শস্যাগাৰত দেখিছোঁ বিজ্ঞানীসকলে নিৰ্ভৰ কৰিছে তেওঁলোকৰ বিশেষ ক্ষেত্ৰত পূৰ্বসূৰীসকলে যুগ যুগ ধৰি লাভ কৰি অহা অভিজ্ঞতাৰ ওপৰত। সেইদিক সহায়বোৰক সংকোচিতভাৱে ক্ৰমাগত [illegible] আৰু [illegible] আটাইবোৰ এনে সুন্দৰ কৰ্মপদ্ধতি বাচি লোৱা [illegible], প্ৰকৃতি আৰু মানুহৰ সহযোগী হৈ পৰিছে। বিশেষ [illegible] [illegible] [illegible] [illegible] প্ৰতিপাদিত কৰি [illegible] [illegible] [illegible] [illegible]।

মই শুনি আচৰিত হৈছিলোঁ যে তাৰ পাঠ্যসূচী [illegible] [illegible] [illegible] যি পেষ্টছ [illegible] ভাৰতবৰ্ষত বছৰি কোটি কোটি টকা মূল্যৰ [illegible] খেতি সমূহকে নষ্ট হয়।

: হেভ ইউ ইৰাডিকেটেড পেষ্টছ ?

মই সুধিছিলোঁ। কাউন্টিৰ বিজ্ঞানীজনে টপজাই উত্তৰ দিছিল —

: উই হেভ প্ৰিভেন্টেড ইট।

মই সুধিছিলোঁ কেনেকৈ [illegible] [illegible] ? তেওঁ [illegible] [illegible] [illegible] নুঠে আৰু কেনেকৈ হ'বলৈ দিয়া নাই।

উত্তৰ শুনি মই অবাক হৈ তেওঁৰ [illegible] [illegible] [illegible] চাই [illegible] বাবে উপায় নাছিল। সঁচাকৈ চীনৰ [illegible] [illegible] [illegible] [illegible] শ্যান প্ৰদেশ আছে চাবে সাত [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]। এইবোৰত চাকে ওঠৰ নিযুক্ত [illegible] [illegible] [illegible] নিযুক্ত [illegible] কাম কৰে। আৰু ভাবিলে আচৰিত লাগে ইয়াৰ প্ৰতিটো প্ৰদেশতে বিশেষ কাৰিকৰী অভিজ্ঞতা থকা লোক আছে আৰু প্ৰতিটো গাঁৱতে সাধাৰণ কাৰিকৰী অভিজ্ঞতা থকা শ্ৰমিক আছে।

দিনত আহৰণ কৰা এই তথ্যবোৰ [illegible] [illegible] [illegible] সীমাহীন উজ্জ্বল জোনাকবোৰ আৰু নিজেমকৈ [illegible] [illegible] সাগৰ যেন [illegible] [illegible] ওবাচাৰক কপালী হৈ পৰা [illegible] [illegible] [illegible] [illegible] নাছিলো।

মই মাথোন অনুভৱ কৰিছিলোঁ। [illegible] [illegible] এক [illegible] [illegible]। [illegible] বিশালকায় সুচতুৰ [illegible] দৃষ্টিত মই [illegible] [illegible] [illegible] — [illegible] এক [illegible] বাৰে বাৰে [illegible] কৰিছিলোঁ। প্ৰাচীন দিনৰ [illegible] [illegible] [illegible] মাতৃভূমি ভাৰতবৰ্ষৰ কথা [illegible] [illegible]: যি ভাৰতবৰ্ষই একালত মধ্য এচিয়া আৰু দক্ষিণ পূব এচিয়াৰ বিভিন্ন জনসাধাৰণক সাংস্কৃতিক [illegible] এক বলিষ্ঠ নেতৃত্ব দিছিল। ভাৰতবৰ্ষৰ প্ৰাচীন [illegible] [illegible] [illegible] এই [illegible] চীনৰ জাতি সত্তা গঠনত সহায় কৰিছিল। চীনৰ প্ৰাচীন [illegible] [illegible] দিনত চীনাসকলৰ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] অথবা [illegible] নামৰ [illegible] [illegible] [illegible] [illegible] খৃঃ পূঃ ১৪০ চনতে।

[illegible] [illegible] [illegible] চীনে [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] ([illegible] [illegible] [illegible] [illegible] [illegible]) [illegible] [illegible] [illegible]

পৰম শ্ৰদ্ধেয় গুৰুৰ দেশ ভাৰতবৰ্ষলৈ যাত্ৰা আৰম্ভ কৰিছিল বুদ্ধৰ মহাভক্ত ফাহিয়েনে। ধৰ্মগ্ৰন্থৰ সন্ধানত তেওঁ পশ্চিমৰ পৰা পূবলৈ আহি একেবাৰে তাম্ৰলিপ্তি পাইছিলহি। সম্প্ৰতি পশ্চিমবংগ আৰু উৰিষ্যাৰ সংগমস্থলত সাগৰ পাৰৰ এই জনপদখন আছিল নৌ ব্যৱসায়ী কৈৱৰ্ত্ত সকলৰ প্ৰধান কেন্দ্ৰ।

আজিও কাহিনীটো মনত পেলালে গাৰ নোম শিয়ৰি উঠে কিদৰে প্ৰচণ্ড তুফান আৰু নৃশংস জলদস্যুৰ হাত সাৰি মহাসাগৰৰ বুকুত কতদিন কত ৰাতি দিশাহাৰা হৈ ৪১৪ খৃষ্টাব্দৰ এদিন গভীৰ ৰাতি ধুমুহাৰ কোবত তেওঁৰ নাওখন জৰাজীৰ্ণ অৱস্থাত এই শ্বানটুং প্ৰদেশৰে কোনোবা এটা পোতাশ্ৰয়ৰ পাৰত ঠেকা খাইছিলহি।

শ্বানটুঙৰ শাসনকৰ্তাই তেওঁৰ দুৰৱস্থা দেখি এখন ঘোঁৰাৰ গাড়ীৰে তেওঁক চাং আনলৈ পঠাই দিছিল। ফাহিয়েনৰ মুখত সেই ভয়াবহ কাহিনী শুনি বহুতে ভাবিছিল ভাৰত দৰ্শনৰ স্বপ্নৰ সেয়ে শেষ বুলি। কিন্তু হ'ল জানো শেষ?

এই চাং আনৰ পৰাই ৬২৯ খৃষ্টাব্দত পুনৰ ভাৰত দৰ্শনৰ অৰ্থে যাত্ৰা আৰম্ভ কৰিছিল আন এগৰাকী চৈনিক পণ্ডিতে। তেৱেঁই আছিল প্ৰখ্যাত পৰিব্ৰাজক হিউৱান চুৱাঙ। বৌদ্ধ ধৰ্মৰ চৈতন্য কেৱল মতাদৰ্শৰ প্ৰতিষ্ঠাতা। অশেষ কষ্ট স্বীকাৰ কৰি জীৱনৰ সুখ স্বাচ্ছন্দ্যই কেৱল নহয়—আনকি জীৱনৰ নিৰাপত্তাকো তুচ্ছ জ্ঞান কৰি দুস্তৰ বালিৰ নদী (লিউ-ছা গোবি মৰুভূমি) পাৰহৈ জ্ঞাত পৃথিৱীৰ শেষ প্ৰান্তলৈকে বিশ্বৰ সুদীৰ্ঘতম পথ পৰিক্ৰমা আৰম্ভ কৰিছিল বৌদ্ধ ধৰ্মগ্ৰন্থৰ সন্ধানত। সুদীৰ্ঘ চৈধ্য বছৰৰ পাচত যাত্ৰাৰ অন্তত যেতিয়া তেওঁ স্বদেশলৈ উভতি আহিছিল তেতিয়া টাং ৰাজত্বৰ স্বৰ্ণযুগ। আৰু সাহিত্যত ভাৰতবৰ্ষত চীনদেশে অৰ্জন কৰিছিল বিচিত্ৰ আৰু অভূতপূৰ্ব দক্ষতা। আনকি তেওঁৰ এই যাত্ৰাক লৈয়েই দক্ষ কথাশিল্পীয়ে ৰচনা কৰিছিল বিচিত্ৰ কাহিনী নাটক আৰু আন সাহিত্য সম্ভাৰ।

অৱশ্যে চীনৰ জনসাধাৰণৰ মাজত বৌদ্ধ ধৰ্মৰ প্ৰচাৰ হৈছিল টাংযুগৰ কেবা শতিকাবো আগতেই। ভাৰতীয় বৌদ্ধ ভিক্ষু জনৈক বোধিধৰ্মৰ (চীনা-সকলৰ মতে টা-মো) প্ৰচেষ্টাত। বহুতৰ মতে তেৱেঁই চা'ন মতাদৰ্শৰ প্ৰবৰ্তক যি মতাদৰ্শৰ মূল তত্ত্ব হ'ল ধ্যান-সৰ্বস্বতা।

চীনৰ সাম্প্ৰতিক কালৰ ঐতিহাসিক সকলে বোধিধৰ্মৰ ঐতিহাসিক অস্তিত্ব মানি লব নোখোজে। সেই সকলৰ মতে এটা সুসংগঠিত আধ্যাত্মিক অভিমত হিচাপে চা'ন মতাদৰ্শই স্বীকৃতি লাভ কৰিছিল মাত্ৰ সপ্তম শতিকাত।

তাৰ পাচত জেন বিষ্ট আৰু হুই নেওৰ নেতৃত্বত এই মতাদর্শ ক্রমে উত্তৰী আৰু দক্ষিনী শাখাত বিভক্ত হয়। ৮৪৫ খৃষ্টাব্দত চীনত যেতিয়া ইতিহাসৰ সৰ্বা- তোকৈ ভয়াবহ বৌদ্ধ নিধন যজ্ঞ চলিছিল তেতিয়াও এই মতাদর্শ পাত এটা অাচোৰ নলগাকৈ বাচি গৈছিল। কিয়নো বৌদ্ধ মতবাদৰ সৰ্বসাধাৰণ স্বীকৃত প্রকৰণগত বাধ্য বাধকতাৰ অপৰিহাযতা এই চান মতবাদে স্বীকাৰ কৰা নাছিল। সেই নিধন যজ্ঞই ইয়াৰ পৰম্পৰা ব্যাহত কৰিব পৰা নাছিল। ইয়াৰ দক্ষিনী শাখাটোৱেই কালক্রমত বিস্তাৰ লাভ কৰি সময়ৰ প্ৰভাৱত কিছু পৰিমাণে ৰূপান্তৰিত হৈ জাপানত প্রবেশ কৰে। আৰু তাত জেন নামে এক নতুন স্বীকৃতি লাভ কৰে।

সেইয়া যি কি নহওক চীনা কিম্বদন্তী মতে ভাৰতীয় বৌদ্ধ ভিক্ষু বোধিধৰ্মই পঞ্চম শতিকাৰ তৃতীয় দশকত চীনত ধৰ্ম প্ৰচাৰ কৰিছিল; আৰু সেইকালৰ উত্তৰী ওৱেই বংশৰ সম্রাট টাই-উৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। চীনাসম্রাটে নিজে ধম গ্রহণ কৰি দেশত সাত্বিক ভোজন ব্যৱস্থাৰ ( নিৰামিষ পিয়াজ নহক নথকা ) প্ৰবৰ্ত্তন কৰিছিল।

তেওঁৰ মতাদশত বিশ্বাসী বিখ্যাত চৈনিক পণ্ডিত হ্যুৱান চুৱাঙে ভাৰত- বৰ্ষলৈ গৈ শ্ৰাৱস্তী কপিলাবস্ত নালন্দা আদি বৌদ্ধ ধমৰ চৰ্চা কেন্দ্ৰৰ উপৰিও পৌণ্ড্ৰবৰ্দ্ধন কামৰূপ কৰ্ণসুবৰ্ণ তাম্ৰলিপ্ত ( তাম্রলিপ্ত ) আদি ভাৰতীয় দেশ পৰিভ্ৰমণ কৰিছিল। সেই কথা অলপ আগত আমি পাই আহিছোঁহক।

মইতো আকৌ ভাৰতবৰ্ষৰ পুব প্রান্তৰ মানুহ। প্ৰাচীন কালৰ পৰাই চীনা বেপাৰীয়ে তিব্বতৰ মাজেদি আহি ভাৰতৰ পুব প্রান্তত সোমাব পৰাকৈ এটা পথ হান যুগৰ পৰাই আছিল। এই একে বাটেদিয়ে ভাৰতৰ পুব প্রান্তৰ পৰা এৰী পলু পোহা প্ৰথা চীনা সকলে নিজৰ দেশলৈ লৈ গৈছিল। সেই একে বাটেদিয়ে চীনৰ জনসাধাৰণৰ মাজত মুখে মুখে প্রচলিত যুদ্ধ জয়ৰ গীত এটা ভাৰতৰ পুব প্রান্তৰ বেপাৰীয়ে চীনৰ পৰা লৈ আহি প্রচাৰ কৰিছিল; যিটো গীতৰ কথা কামৰূপ সম্রাট ভাস্কৰ বৰ্মণে ৬৩৮ খৃষ্টাব্দত কনৌজত হ্যুৱান চৱাঙ ( হ্যুৱান ঝাং )ক লগ পাই কৈছিল।

ভাৰতবৰ্ষৰ ইমান অবদান সত্বেও প্ৰাচীন কালৰে পৰা চীনৰ সতে ইমান নিবিড় যোগাযোগ সত্বেও আজি কিয় চীনৰ জনসাধাৰণক ইমান অচিনাকি যেন অনুভৱ হয়?

মনেৰে আকাশ পাতাল ভ্ৰমি এইবোৰকে ভাবি ভাবি কেতিয়া যে টোপনিত পৰিছিলোঁ মই কব নোৱাৰোঁ। দুৱাৰত প্ৰচণ্ড এটা শব্দ শুনি

যহ-মহ কৰে সাৰ পাই উঠি বহিছিলোঁ। খিৰিকীৰ কাষৰ দিভান খনতে মই যে শুই পৰিছিলোঁ তেতিয়াহে ভাবি পালো।

ব্ৰেক ফাষ্ট কা টাইম হো গিয়া।

বাহিৰৰ পৰা দুৱাৰত চকা পৰাৰ লগে লগে সংগীজনৰ চিঞৰ শুনিছিলো।; তেতিয়া সাগৰত ব'দে জলমল। তাৰা তাৰি মুখ খন ধুই ওলাই আহিলোঁ। আজি দিনত কলৈকো যোৱাৰ প্ৰোগ্ৰাম নাই। অফুৰন্ত অৱসৰ। মনটো ভাল লাগি গৈছিল। লবালৰিকৈ ৰেষ্টোৰালৈ নামি আহিছিলো।

সংগী কেইজন অশান্ত হৈ পৰিছিল মোৰ পলম হোৱা দেখি। কিয়নো তেওঁলোক সেইদিনা বজাৰ চাবলৈ যাব। বহুত কিবা কিবি কিনিব। তেওঁ-লোকৰ অস্থিৰতা দেখি মোৰ মনত পৰিছিল ভাৰতৰ খ্যাতনামা সাংবাদিক চেলাপথি ৰাৱে ভাৰতীয় সাংস্কৃতিক দলৰ এজন হিচাপে চীন ভ্ৰমণ কৰি আহি ১৯৫২ চনত নেশ্যনেল হেৰাল্ডত লেখা কথা এষাৰলৈ—

Chinese friends could be pardoned if they thought that ours was more a purchasing mission than a cultural delegation

কথাষাৰ মনত পৰাত মই নিৰুৎসাহিত হলো। মই নগলো বজাৰলৈ। চীনৰ নতুন নীতি সম্বন্ধে দিয়া টেং শ্বিয়াও পিঙৰ ভাষণ কেইটামান লৈ ৰূমতে সোমাই থাকিলো।

সেইদিনা ৰাতি আমি য়ানটাই এৰি যাম। চীনত এষাৰি কথা আছে—ৰাটেদি নোযোৱাকৈ আগৰ কেঁকুৰিত কি আছে জনাৰ উপায় নাই। মইও মনৰ কৌতুহল মনতে চেপি ৰাখি ভাষা কেইটা হাতত লৈ খিৰিকীৰকাষৰ দিভানখনত বহি ললোঁ।

When the moon rose above the travelling palace It looked down in grief ' Po Cho-i

শেতা শীণ জোনটো দেখা গৈছিল কিবা এটা প্ৰকাণ্ড ঘৰৰ পিচপিনৰ পৰা উঠি অহা। আমি আছিলোঁ চলন্ত ট্ৰেইনত। ঘৰটো সচাঁকৈ travelling palace যেন দেখা গৈছিল।

আমি গৈ আছিলোঁ জিনান অভিমুখে। য়ানটুং প্ৰদেশৰ ৰাজধানী জিনান। য়ানটাই ৰেল ষ্টেচনলৈ আহি আমি যিখন গাড়ীত উঠিছিলোহি, সেইখন আচলতে আমি যাবলগীয়া গাড়ীখন নাছিল। আমাৰ গাড়ীখন ৰাতি ঠিক দহ বজাতে ষ্টেচন এৰিছিল। আমাক অৱশ্যে আমি ভুল কৰি উঠা গাড়ীখনতে যাবলৈ দিছিল। য়ানটাই হল এটা টাৰমিনাচ। গাড়ীবোৰ একে বাটেদিয়ে ঘূৰিব। এইখনত গলেও আমি জিনান পামগৈ।

আমাৰ সময়টো ভুল হোৱাৰ কাৰণটো সুধিছিলোঁ। উত্তৰত মিণ্টাৰ হৱে কলে যে সময়ৰ খবৰটো ভুলকৈ কোনোবা এজনে দিলে। হক কিবা কথা লকুৱা যেন লাগিল। মই দুনাই প্ৰশ্ন নকৰিলোঁ।

বাহিৰত শেতা জোনাকে চৰ অস্পষ্ট কৰি দিছিল। ডবাৰ ভিতৰত কৰিড ৰটোত ষ্টাফৰ মহিলাসকল ব্যস্ত হৈ পৰিছিল। মই মোৰ চীনা চৰকাৰী চেগুেলযোৰ বিচাৰি পোৱা নাছিলোঁ। চীটবোৰৰ তলত ইফালে সিফালে চাবলৈ লওতেই ষ্টাফৰ কম বয়সীয়া মহিলা এগৰাকী সোমাই আহিল। তেওঁ এযোৰ চেণ্ডেল লৈ আহিছিল। অথাৎ কৰিড ৰটোত যিহকে লৈ ব্যস্ত নাথাকক লাগিলে বিদেশী অতিথি কেইজনৰ সুখ সুবিধালৈ ষ্টাফৰ কড়া নজৰ আছিল।

মই কলোঁ— শ্বি শ্বী। অথাৎ ধন্যবাদ।

উত্তৰত তেও কি একাষাৰ কৈ ততাতৈয়াকৈ ওলাই গ ল মই ধৰিব নোৱাৰিলো। মাত্ৰ এটা কথা স্পষ্ট হৈ পৰিছিল যে মোৰ ধন্যবাদষাৰ তেওঁ প্ৰাপ্য বলি ভবা নাছিল। তেওঁ তেওঁৰ ন্যস্ত কৰ্ত্তব্য সম্পাদন কৰিছে মাত্ৰ।

চীনা কৰ্মী আৰু কমচাৰী সকলৰ আগে তেওঁ বৈজ্ঞানিক হওক অথবা কৃষক হওক উচ্চ চৰকাৰী কমচাৰী হওক অথবা শ্ৰমিক হওক দায়িত্ব পালন তেওঁলোকৰ সবপ্ৰথম কথা। সেই চি কু হোটেলৰ লিফটৰ ছোৱালীজনী। পৰা ছয় বজাৰ পৰা আবেলি দুইবজালৈ লিফটত কাম কৰে। আজৰি সময়ত অকণ বহি জিৰাবলৈ ব্যৱস্থা নাই। কিন্তু সকলো সময়তে হাহি মুখ। আবেলি পাচ বজাত দেখিব হোটেলৰ সম্মুখত সেই একেজনী ছোৱালীয়ে এপাল ল ৰা ছোৱালীৰ লগত প্ৰচণ্ড বিক্ৰমেৰে ভলি বল খেলিছে—নাইবা বেডমিণ্টনৰ কোটত খেলতকৈ বেচি হলহু ল কৰিছে।

আমাৰ চিনিয়ৰ ইণ্টাৰ প্ৰিটাৰ হ। তেওঁ চীনা কেন্দ্ৰীয় চৰকাৰৰ কৃষি মন্ত্ৰালয়ৰ এটা ডিভিজনৰ ডেপুটী চীফ। দিনৰ দিনটো আমাৰ লগত ঘূৰিছে। খাইছে আধা ইঞ্চেল মুঠ্যৰ কমন ভীনাৰ আৰু শুইছে আন এজন সহকৰ্মীৰ সতে একেখন বিছনাত। এই মুহূৰ্ত্তটো হয়তো তেওঁ ট্ৰেইনত ভাল নহে শুবলৈ

জেগাকে পোৱা নাই। কিয়নো এইখন আমাৰ যাবলগীয়া গাড়ীখন নহয়। অৱশ্যে ট্ৰেইনত বেছি ভীৰ নাই। যাত্ৰী আছে বহুত; কিন্তু ভীৰ হোৱা নাই। মই ট্ৰেইনত অজস্ৰ মানুহ উঠা দেখিছো কিন্তু মই আমাৰ দেশত যি ভীৰ দেখিছোঁ তেনে ভীৰ ইয়াত হোৱা নাই। তথাপি আগতে ৰিজাৰ্ভেশ্যন নকৰিলে শুবলৈ জেগা পোৱাটো টান। তাত চীনত বিমান ৰেল সকলোতে ৰিজাৰ্ভেশ্যন হয় কম্পিউটাৰৰ যোগেদি। আমাৰ চীট কেইটাকে মিষ্টাৰ হু আৰু ইয়াৰ স্থানীয় কৰ্মচাৰী সকলে ৰেলৰ ষ্টাফৰ লগত কিবা কিবি আলোচনা কৰি কিদৰে যে যোগাৰ কৰিলে মই ভাবি পাব পোৱা নাছিলো।

মোৰ বিহাৰী সংগীজনে চাহ তৈয়াৰ কৰি এটা কাপ আগ বঢ়াই দিয়াৰ লগে লগে বাহিৰত অকমান হুলস্থূল লগা যেন শুনিলো। অলপ আচৰিতো হলোঁ। কিয়নো এই দুদিনমানৰ সংসৰ্গৰ পৰাই এটা কথা শিকিছিলো যে চীনাসকলে হুলস্থূল নকৰে। বাহিৰৰ কৰিডৰটোত ষ্টাফৰ চীনা মহিলা সকলেহে কিবা কিবি কাম কৰি আছিল। বাহিৰলৈ চাই দেখিলো। মোৰ সংগী এজনে হন্ত দন্ত হৈ আহি ষ্টাফৰ মহিলা এগৰাকীক কিবা বুজাবৰ চেষ্টা কৰিছে। আৰু বেচেৰীয়ে বুজি নোপোৱাত আমাৰ সংগীজনে খঙতে ভাৰতীয় ভাষাতে বিৰক্তি প্ৰকাশ কৰিছে। কিন্তু মুহূৰ্তৰ পাচতে অশৰীৰীৰ দৰে মিষ্টাৰ হুৰ আবিৰ্ভাব হৈছিল আৰু তেৱেঁই সমস্যাটোৰ মীমাংসা কৰি দিছিল। তেওঁ বুজাই দিয়াৰ লগে লগে লৰালৰিকৈ পকেটৰ পৰা চাবিকোচাৰে লেভেটৰীটোৰ দুৱাৰখন খুলি দিছিল মহিলা গৰাকীয়ে। আমি হোৱা হলে পাতল হাহি এটা হলেও মাৰিলোহেতেন মহিলা গৰাকীৰ মুখমণ্ডলত কিন্তু কোনো এটা ভাবাবেগৰেই প্ৰকাশ দেখা নগল। অতিথিৰ অসম্মান হব পাৰে বুলিয়েই নিশ্চয় তেও তেনেদৰে আছিল। মোৰ বিহাৰী বন্ধু গৰাকীয়ে কথাটো বুজিব পাৰি মুখৰ ভিতৰতে কিবা এষাৰ ভোৰ ভোৰালে।

মই লাহে লাহে চাহৰ কাপটোত শোহা মাৰি বাহিৰৰ শেতা জোনাকৰ মাজত কিজানি কিবা চকুত পৰে বুলি চাই গৈছিলো। বহুত কিবা কিবি পৰিছিলো চকুত। বিজুলী চমকনিৰ দৰে চলন্ত ট্ৰেইনৰ বেগত নাইকিয়া হৈ গৈছিল। মই একোকে ধৰিব পৰা নাছিলো। চাওঁতে চাওঁতে এটা সময়ত ট্ৰেইনৰ প্ৰচণ্ড শব্দটোৱে এটা গভীৰ নিস্তব্ধতা নমাই আনিছিল। কেতিয়া যে টোপনিত লালকাল দিছিলোঁ গমেই নাপালো।

পুৱা চাৰে ছয় বজাত চকু দুটা মেলি খিৰিকীৰ পৰ্দাখন গুচাই দিয়াৰ লগে লগে চকুত পৰিছিল এটা নতুনকৈ গঢ়ি তোলা ঔদ্যোগিক এলেকা।

তাৰ পৰা বিচ্ছিন্ন বেল্ল আলিৰ দাঁতিত এখন ক্ষুদ্ৰ চহৰতলী। ঘৰৰ সম্মুখত তৰাৰ চিহ্ন। প্ৰথমতে স্বস্তিকা বুলি ভাবিছিলো। কিন্তু নহয়। মাজতে বিন্দু এটা দিয়া তৰাবহে চিন।

ওচৰত স্থানীয় কোনো নাছিল কাৰণে সুধি লব পৰা নাছিলো। গ্ৰামাঞ্চলত মানুহ ব্যস্ত হৈ পৰিছিল তেতিয়া। ইউনিফৰ্ম পিন্ধা ডেকা গাভৰু কেইগৰাকীমানে জোৰেৰে চাইকেল মাৰি গৈছে; দুজন মানুহে নিজৰ নিজৰ ঘোৰাগাড়ী লৈ আলিবাটেৰে ঘোৰা চেকুৰাইছে। আৰু এজনক দেখিলো ট্ৰেক্টৰ এখন লৈ ঔদ্যোগিক এলেকাটোৰ পিনে গোনাই দিছে। বহুত মানুহ দেখিছিলো সেই পুৱাতে। ব্যস্ত মানুহ। কিন্তু এখনো বিষন্ন মুখ নেদেখিলো। বৰ যে উল্লসিত সেইটোও নহয়। কিবা এটা শান্ত পৰিতৃপ্ত মুখভাব।

আমাৰ বিহাৰী বন্ধু ও যে মোৰ দৰেই কথাবোৰ লক্ষ্য কৰিছিল মই মনেই ৰখা নাছিলো।

দেখোনা ইতনা চুবে চব লগ গিয়া অপনা অপনা কামমে। চালা লোগকো মাৰ মাৰকে ষ্ট্যায়চা কৰ দিয়া।

মোৰ হলে কথাটো মানি লবলৈ মন নামায়। কোনোবাই মাৰি মাৰি ইমাবোৰ মানুহক ইমান দায়িত্বশীল কৰি তুলিব নোৱাৰে। কালচাৰেল বিভলিউশ্যনৰ সময়ত বাৰু আলট্ৰা লেফটিষ্ট এলিমেণ্ট এটাই অত্যাচাৰ কৰিছিল। কিন্তু ১৯৫২ চনততো কালচাৰেল বিভলিউশ্যান নাছিল। সেই ১৯৫২ চনত চীন ভ্ৰমণ কৰি যোৱা সাংস্কৃতিক প্ৰতিনিধি দলটোৰ অন্যতম সদস্য প্ৰফেচাৰ শিৱন লাল চাক্সনাই কি কৈছিল? চীনৰ চমক লগা প্ৰগতি চীনা জনসাধাৰণৰ অতুলনীয় সততা কৰ্ত্তব্য পৰায়ণতা দেখি তেওঁতো উদাত্ত কণ্ঠে ঘোষণা কৰিছিল যে প্ৰকৃত গান্ধীবাদ যদি মানব সমাজত কৰবাত ৰূপায়িত হৈছে সেয়া হ'ল চীন দেশত।

মই হলে যি কোনো এগৰাকী চীনাৰ মুখলৈ চালেই তেওঁৰ অন্তৰত এক গভীৰ আত্মবিশ্বাস থকা যেন অনুভব কৰিছিলোঁ। ইয়াৰ অন্তৰালত এক ঐতিহাসিক কাৰণ মই আবিষ্কাৰ কৰিছিলোঁ।

বন্ধুৰ কথাত মই প্ৰতিবাদ নকৰিলোঁ। আৰু সুযোগো নেপালোঁ; কিয়নো ইতিমধ্যে আমাৰ ট্ৰেইনখনে আমাৰ লক্ষ্যস্থল জিনান পালেহিয়েই।

জিনান ষ্টেচনত নামি আমি গোনে গোনে নানজিয়াও হোটেললৈ বুলি আগবাঢ়িছিলোঁ। মই মিষ্টাৰ হুৰ সাধো বুলি ভাবিছিলোঁ কুঙ্ফু ঠাইখন কোনফালে বুলি। এই ষানটুং প্ৰদেশৰে কৰবাত কুঙ্ফু ম'ত কনফুচিয়াচ

জন্মিছিল। যাক চীনৰ জনসাধাৰণে কোনো যুগতে কেতিয়াও অশ্ৰদ্ধা কৰা নাছিল একমাত্ৰ কালচাৰেল বিভলিউশ্যনৰ সময়ত বাদে। এই কালচাৰেল বিভলিউশ্যনতে কণফুচিয়াচ জন্মা সেই প্ৰাচীন ঘৰটোৰ বিভিন্ন স্মৃতিচিহ্ন নষ্ট কৰি পেলোৱা হৈছিল। সেই দুঃস্বপ্নৰ ঘোৰ এতিয়া কাটিছে। কণফুচিয়াচৰ বংশধৰ কংদেমাও আজিও জীয়াই আছে। আৰু চীনা চৰকাৰৰ তেওঁ এক মুখ্য কৰ্ম কৰ্ত্তা। আঢ়ৈ হেজাৰ বছৰ আগৰ পৰা এনেধৰণৰ অধস্তন পুৰুষৰ (বা বংশধৰৰ) পৰিচয় অটুট ৰখাৰ দৃষ্টান্ত পৃথিৱীত একমাত্ৰ এইটোৱে।

এইবোৰ কাৰণতে বৰ চাবলৈ মন গৈছিল কুফুখন কণফুচিয়াচৰ কালচাৰেল বিভলিউশ্যনত বিধ্বস্ত হোৱা মন্দিৰটো। কিন্তু মিস্টাৰ হুক ব্যতিব্যস্ত কৰিবলৈ মন নগল। মই সোধাহেঁতেন তেওঁ হয়তো স্থানীয় কৰ্মচাৰীসকলৰ লগত আলোচনা কৰিবলৈ বহি গ লহেঁতেন। কথাটো চিন্তা কৰি মোৰ ভাল লগা নাছিল। তদুপৰি মোৰ সংগী হ ল সাতজন। সেইসকলৰ বা আকৌ কি মত? গতিকে নিৰৱ নহৈ মোৰ উপায় নাছিল।

জিনান চহৰত ৰিক্সা আৰু ঠেলাগাড়ী বহুত। ঠেলাবোৰ বেচিকৈ মাইকী মানুহে চলায়। আগৰ সৰু সৰু ঘৰবোৰৰ ঠাইত ক্ৰমাগত ভাবে প্ৰকাণ্ড প্ৰকাণ্ড আট্টালিকাবোৰে ঠাই লৈছে। চীনত আকৌ যিমানে ডাঙৰ ঘৰ নহওক লাগিলে চালখন টাইলৰ আৰু চি চি নকৰে। এবাৰ মই হুক সুধিছিলো। তেওঁ কলে যে চালত ইমানবোৰ চিমেণ্ট খৰচ কৰাৰ প্ৰয়োজন নাই বুলি নিৰ্মান বিশেষজ্ঞসকলে ভাবে।

চীনত দেখিলো খোৱাত বাদে কতো মানুহবোৰ লেভিছ অৰ্থাৎ অতিচাৰ নহয়। চীনালোকে খোৱাৰ কথা ওলালেই গেলব্ৰেইথৰ কথা এবাৰলৈ মনত পৰে। তেওঁ কৈছিল এসময়ত ভাবিছিলোঁ চীনে খাবলৈ নেপাই মৰিব; এতিয়া দেখিছোঁ চীনে খাবলৈ পাই মৰিব। সঁচাকৈ চীনালোকক যি মাত্ৰাত খোৱা দেখিছোঁ তেনেকৈ খাবলৈ ললে আমাৰ ইয়াত দিগদাৰেই আছে। তেওঁলোকে কিন্তু খাই উঠাৰ পাচত টেবুলত বহি নাথাকে নতুবা জিৰণিও নলয়। খাই মুখখন মচিয়েই আকৌ কামৰ কাৰণে প্ৰস্তুত হয়। বিড়ি চিগাৰেটতো প্ৰায়েই নেখায়। আজি কালিৰ ডেকা ল ৰাবোৰৰ দুই এটাই আৰম্ভ কৰিছে খাবলৈ। আমাৰ লগত কুৰিসকলৰ ভিতৰত মিস্টাৰ হুৱে নাখায় আনহাতে মিস্টাৰ লিচেও খায়। এবাৰ কিবা এটা আলোচনাত বহোঁতে দেখিছিলোঁ সহস্ৰাধিকীমান চীনা বৈজ্ঞানিকৰ ভিতৰত মাত্ৰ এজনেহে চিগাৰেট খাইছিল।

মই বাটত এমেৰে কৰ-আগে-কলোঁ ভাবেৰে মিস্টাৰ লিচেওক সুধিলোঁ—

ঃ তোমালোকে চীনত কিন্তু বেচ খোৱা নেই। তেওঁ চনবাই উত্তৰ দিলে—

ঃ আপোনালোকে আচল খোৱাৰ জেগা পোৱাই নাই। তাত চাবিঠেঙীয়া বস্তুৰ ভিতৰত টেবুল চকীহে বাদ যায়।

ঃ ক'ৰ কথা কৈছা তুমি? ভৱাং দং?

ঃ আপুনি তেনেহলে আগতেই জানি লৈছে। সাৱধান কিন্তু বনবীয়া মেকুৰী মেলালে ঘৰচীয়া মেকুৰীকে বাৰি দিয়ে তাত। ভাল বিষাক্ত সাপ মেপালে কোচকোচনিয়ে—সাৰ খোৱা সাপকে বাজি দিব। আপোনাৰ পিচে ভয় নাই আপুনিতো চব খাই দিয়ে মই এখেতসকলৰ কথা ভাবিহে কৈছো। মোৰ বিহাৰী বন্ধুজনে মিস্টাৰ চিচওে কি কৈছে বুজিবৰ চেষ্টা কৰিছিল। তেওঁৰ পিনে দেখুৱাই চিচওে কথাষাৰ কোৱা দেখি তেওঁ সুধিলে—

ঃ ক্যা কহা? হোৱাট হেভ ইউ ছেদ।

মই কথাটো কলো। তেওঁ অন্যমনস্ক হোৱাৰ দৰে কৰি কলে—

ঃ সাপ মইও খাই চাম।

আৰু হঠাৎ প্ৰসংগটো বাদ দি তেওঁ বোধকৰো ইমানপৰে সুধিবলৈ চেপ চাই থকা কথাটোকে সুধিলে—

ৱেল চিচিং হু ইজ ইওৰ মোষ্ট পাপ্যুলাৰকুল গদ?

ঃ আই দনট নো, ইউ আস্ক মিস্টাৰ উ (Hu)। ইন চাইনা অ'নলি দ্য অল্ড বিয়াৰ গদ। দ্য ইয়ং বিয়াৰ টিংক ওৱাৰ্ম প'লট্ৰি পিগ ক্যাটল ফিছ। মিস্টাৰ উ ইট ইজ ইওৰ কোৱেশ্চন।

মিস্টাৰ হুৱে সঁহাৰি দিয়াৰ আগতেই আমি এখন ফলৰ বাগিছাৰ কাষ পালো।হি য'ত বুঢ়া গছবোৰ ট্ৰেক্টৰ দি উভালি পেলোৱা হৈছিল। মই পটকৰে কলোঁ—

ঃ ইউ ডু নট ৰেস্পেক্ট দ্য অ'ল্ড ইট চীমচ।

ডেকাল বাক দেখিছিলে। অন্ত ত এলাট। তৎক্ষণাৎ বুজি পালে মই যে গছবোৰৰ কথা কৈছো—

ঃ উই ডু নট হেজিটেট টু দেস্ট্ৰয় হুইচ আউটলীভচ ইউটিলিটি এণ্ড ইটচ চাৰ্জিং হিউমেনিটী।

পুৰণি ঘৰৰ ঠাইত নতুন অট্টালিকা পুৰণি মানুহৰ কামত নজগা অথবা পূৰ্ণমাত্ৰাৰ মানুহৰ কাম দিব নোৱৰা গছৰ ঠাইত নতুন গছ আৰু পুৰণি চিন্তাৰ নিচাত বিভোৰ বুঢ়া মানুহৰ ঠাইত নতুন প্ৰগতিশীল চিন্তাৰে উন্মুক্ত নতুন মানুহ—জানকি প্ৰাচীন মাৰ্ক্সবাদী ধাৰণাৰ—ঠাইত বাস্তৱ পৰিস্থিতিৰ সতে

খাপ খোৱা নতুন মাৰ্ক্সবাদী ধাৰণা—চীনত সচাকৈ নতুনৰ জোৱাৰ উঠিছে।

ঃ সৌৱা কি হৈছে তাত?

ফুটপাথত মানুহৰ জুম এটা দেখিছিলো। মাজত কিবা এটাক কেন্দ্ৰ কৰি মানুহবোৰ জুম বান্ধিছে।

ঃ চাম নিউ পাবলিকেশ্যন। কিবা নতন কিতাপ বা বাতৰি কাকত ওলাইছে। আজি কালি আন মানুহতকৈ ক্ষমতাৰসকল বেচি অনুৰাগী পঢ়া শুনা কৰাত। কিবা নতুন টেকনিকৰ কথা থাকিলেই কিতাপ বা বাতৰি কাকত যিয়ে নহওক কিনিবই।

হোটেলখন পায়েই আগতেই ঠিক কৰি থোৱা কোঠাত সোমাই বেগ আৰু চুটকেচ টো থৈয়েই ওলাই আহিলো। চহৰৰ চাউথ চাবাব অথাৎ দক্ষিণ উপকণ্ঠ অঞ্চল চোৱাৰ উদ্দেশ্যে।

আমি কলৈ যাম?

প্ৰথমে মাউন্টেন অফ দ্য থাউজেণ্ড বুদ্ধজ।

বা সহস্ৰ বুদ্ধৰ পাহাৰ। গাইডৰ মুখত নামটো শুনিয়েই পুলকিত হৈ পৰিছিলো। গোটেই পাহাৰটো আগুৰি আছিল অজস্ৰ সৰল গছে। কিন্তু চব নতুনকৈ হাৰা বা ৰোৱা পজুলীয়া গছ। গৈ গৈ বহুত ওপৰত কিন্তু একবাৰে টিঙত নহয় মন্দিৰৰ দুৱাৰ মুখৰ চোতালত আমাৰ মিনিবাছ বৈ গৈছিল।

মন্দিৰত আমাৰ দৰে গোপুৰম নাই। কিন্তু তোৰণ দ্বাৰ আছে। পাহাৰৰ কেতবোৰ সংলগ্ন গুহাত মুৰ্ত্তিবিলাক আছে। প্ৰায়বোৰ মুৰ্ত্তিয়ে মৃন্ময়। দুটামান মুৰ্ত্তি প্ৰকাণ্ড। ওচৰত থিয় হলে ভয় লাগি যায়।

বুদ্ধক চীনাসকলে অমিতাভ বোলে। নানান ঠাইৰ পৰা চীনা যাত্ৰী আহি পূজা কৰা দেখিলো। মইও প্ৰথম সোমায়েই প্ৰণিপাত জনালো। ঠিক বুদ্ধলৈ বুলি নহয়; আমাৰ মাতৃ ভাৰতবৰ্ষৰ সুমহান ঐতিহ্যক মোৰ আন্তৰিক শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যেই আছিল সেই প্ৰণিপাত।

মোক যেতিয়া কৈছিল যে এই মুৰ্ত্তিবোৰ প্ৰতিষ্ঠা কৰা হৈছিল টাং বংশৰ ৰাজত্ব কালত মই আবেগত উদ্বেলিত হৈ সুধিছিলো—

ঃ হুৱান চৱাও যে ভাৰতবৰ্ষলৈ গৈছিল ইয়াৰ পৰাই গৈছিল নেকি?

ঃ নো নো দেট ইজ ফাৰ ফাৰ এৱে ফ্ৰম হিয়াৰ।

বহুদূৰ ইয়াৰ পৰা। একেবাৰে খে'নষি প্ৰদেশত সেয়া। ইয়াৰ পৰা উত্তৰ পশ্চিমে কমেও এহেজাৰ কিলোমিটাৰ হব সেই ঠাই।

ঃ বাট ইট ওৱাজ হী হু ব্ৰট দ্য আইডিয়া অফ চান্চ ইমেজ ফ্ৰম ইণ্ডিয়া।

দূৰত্বৰ কথা শুনি মই হতাশ হৈ পৰা দেখি বোধকৰো শান্তনা দিয়াৰ দৰে কথাখিনি ৰলে মিষ্টাৰ হুৱে। মুৰ্ত্তিবোৰ চাই চাই এটা কথা অনভৱ কৰিছিলো। যে যদিও চীনে আইডিয়া ভাৰতবৰ্ষৰ পৰাই লৈছিল চীনাসকলৰ ৰচনাত কিন্তু ভাৰতীয় শিল্পীৰ দৰে বৈচিত্ৰ্য নাই। প্ৰকাশৰ মাধ্যমবো আনকি বিচিত্ৰতা নাই। ফ্লেঙ্ক মই কতো দেখা নাই চীনত। এইবোৰতো দৰাচলতে ৰিলিফ। বেছৰিলিফ।

টাং যুগত উ টাও চ (wu Tao tzu 700—760 A D) আছিল বৌদ্ধ বিষয় বস্তুৰ শ্ৰেষ্ঠ চিত্ৰকৰ। টাং যুগৰ মাইকেল এঞ্জেলো বুলি আজিৰ যুগৰ চৈনিক শিল্প সমালোচকে তেওঁক অভিহিত কৰে। তেওঁৰ প্ৰভাৱত কেৱল যে চিত্ৰ কলাতে নানা পৰীক্ষা নিৰীক্ষা চলিছিল এনে নহয় ভাস্কৰ্য আৰু স্থাপত্য কলাতো নতুন দিগন্তৰ সূচনা হৈছিল। ভাৰতীয় কলা কৃতিৰ অনুকৰণ কৰিলেও চীনা শিল্পীসকলে তেওঁৰ নেতৃত্বত স্থানীয় চৈনিক ৰীতিৰ উদ্ভাৱন কৰি শিল্পকৃতিত স্বকীয় মৰ্যাদা দান কৰিছিল।

অৱশ্যে স্থাপত্যকলাত ভাৰতৰ অনুকৰণ চীনে একেবাৰে পৰিহাৰ কৰিবলৈ বাধ্য হৈছিল দুটা কাৰণত। ভাৰতীয় প্ৰাচীন নিৰ্মাণ মাধ্যম আছিল ইটা আৰু শিল। আনহাতে চীনৰ আছিল কাঠ আৰু মাটি। ভাৰতীয় নিৰ্মাণ শিল্পীগৰাকী আছিল এজন শিলাকুটী অথচ চীনৰ শিল্পগৰাকী আছিল এগৰাকী বাঢ়ৈ বা কুমাৰ। তদুপৰি বিশেষ ঐতিহাসিক কাৰণত দুয়োটা স্থাপত্য কলাৰ মাজত আচনিৰ ক্ষেত্ৰতো প্ৰভেদ আছিল।

মন্দিৰ চাই চোতাললৈ ওলাই আহোঁতেই সো পিনে দূৰত চকুত পৰিল এখন বিশাল নৈৰ মনোৰম দৃশ্য। মিষ্টাৰ চিও কলে যে সেইখন হুৱাংহো নই। য়াংজুৰ লগত এঠাইত মিলিছেগৈ। মোৰ মনত পৰিছিল ভাৰত বৰ্ম। সীমান্তৰ পাংচু পাচৰ পৰা দূৰত বিলিকি বিলিকি ব্ৰহ্মপুত্ৰ নৈখন দেখাৰ কথা। হুৱাং হো নইখন চকুত পৰাৰ লগে লগে খন্তেকৰ কাৰণে নষ্টালজিয়া অনুভৱ কৰিছিলো। খন্তেকল কাৰণে কিয়নো স্থানীয় কম চাৰীজনে ওচৰলৈ আহি কৈছিল— ঃ চৌ বাহ চৌ বাহ— অৰ্থাৎ যাওঁ বলক যাওঁ বলক।

ঃ হোৱেৰ টু নাও?

ঃ নাও উই শ্বেল গো টু এ হু দ্যাট মীনচ লে'ক।

মানে হ্ৰদ বুলি মই জানিছিলো। হো মানে নদী হু মানে হ্ৰদ আৰু হাই মানে সাগৰ। কি হ্ৰদ বাৰু? আমাৰ উত্তৰ পূব ভাৰতৰ ডেকা বন্ধুজনৰ প্ৰশ্নৰ উত্তৰত মিষ্টাৰ হুৱে কলে যে গলে নিজেই দেখিম। চহৰখনৰ

ভিতৰতে আছিল হ্ৰদটো। এখন ডাঙৰ বিল যেন লাগিল। পানীবোৰ বেচ পৰিষ্কাৰ। সেইদিনা জিনানত বতাহ আছিল। হ্ৰদৰ স্ফটিকৰ দৰে পানী নাচি আছিল বতাহৰ কোবত। মাজত এটা দ্বীপৰ দৰে আছিল আৰু কেইখনমান ইঞ্জিন বোটে দৰ্শকক তালৈ অনা নিয়া কৰি আছিল। হ্ৰদৰ পাৰত দৃশ্য উপভোগ কৰি বৈ আছিল অনেক চীনা দ । ক। নিশ্চয় দৰণি ৰটীয়া গাঁৱৰ পৰা আহিছিল।

মই পিচে চাবলগীয়া তাত এ কাকে নাপালোঁ। আমাৰ উৰিষ্যাৰ চিল্কা হ্ৰদৰ কথাটো নকৰেই গোৱালপাৰা জিলাৰ তামৰাঙা জিলাতে তাতকৈ বহুত বেছি চাবলগীয়া আছে। জাকে জাকে বনৰীয়া হাঁহ পাৰৰ গছত বিচিত্ৰ চৰাই আৰু অলপ দূৰত আছে বিষ্ণুপুৰ সত্ৰৰ প্ৰাচীন মন্দিৰ—য ত আছে অসমীয়া বাটৈৰ অক্ষয় কীৰ্ত্তিৰ চানেকি। তালৈ যাওতে বিলৰ পাৰৰ জোপো হাৰ মাজৰ পৰা আপোনাক চক খুৱাই দিব পাৰে তিৰ্ত্তৰৰ অচানক চিত্ৰবে।

এই টামিং ( Daming ) হ্ৰদৰ পাৰত মানহ পানীত মানহ চাৰিও পিনে মানুহৰ সমাগম। হ্ৰদৰ আটাইতকৈ আকৰ্ষণীয় যিটো মহিমা অথাৎ নিজ নতা—তাৰেই তাত নিতান্ত অভাৱ। মই স চাকে নিৰুৎসাহিত হৈ পৰিছিলোঁ।

চ না চিল্ক কপ ৰেশ্যনৰ খানটং শাখাৰ কাযালয়ত বহি চীনা চাহ খাই খাই যেতিয়া তাৰ ডেপটী জেনেৰেল মেনেজাৰ মিল্টাৰ ৰাওৰ মুখত স্থানীয় বিউৰো অফ দাইভাচিফ্ৰাইদ ইকনমিৰ কাযকলাপৰ বিষয়ে শুনিছিলো তেতিয়াহে মোৰ উৎসাহহীন মনটোত অকণ উৎসাহৰ সঞ্চাৰ হৈছিল। খানটং প্ৰদেশৰ পঞ্চাশটা মিলে বছৰি সোতৰশ টনকৈ পাটৰ উৎপাদন কৰে বুলি কোৱাৰ লগে লগে অবাক বিস্ময়েৰে মিল্টাৰ ৰাওৰ মুখলৈ ভেবা লাগি চাই আছিলো। আমাৰ সমগ্ৰ দেশত হ ল বছৰি পাচ হেজাৰ দুশ একাশী টন। আৰু তাত এখন প্ৰদেশতে হয় সোতৰশ।

কাৰিকৰী প্ৰশিক্ষক মিল্টাৰ কাওৱে কলে যে তেওঁলোকে কৃষকক শিকায়। কাওইতৰ দৰে প্ৰশিক্ষকসকলক শিকায় আকৌ প্ৰদেশৰ বিজ্ঞানী সকলে। কাৰিকৰী জ্ঞান কিদৰে একেবাৰে হাতে কামে লগা উৎপাদনৰ নিম্নতম স্তৰত থকা কৰ্মীজনেও আয়ত্ত কৰিবলৈ সুবিধা পায়—শুনিলে সাধুকথা শুনা যেন লাগে।

কাৰিকৰী বিজ্ঞানীসকলে প্ৰবীণতা আহৰণ কৰাৰ লগে লগে হাতে হাতে কামে কৰ্মক্ষেত্ৰত কামবোৰ সম্পাদন কৰাৰ অভ্যাসটো হেকৰাই

নেপেলায় সেই উদ্দেশ্যে তাত ইন চাভিচ-অৰিয়েন্টেশ্যন-ইন দ্য-ফিল্ডৰ সুন্দৰ ব্যৱস্থা আছে। যিদৰে কাৰিকৰী আৰু আন শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কালতো ছাত্ৰসকলক বাস্তৱ ক্ষেত্ৰত নিবিড় অভিজ্ঞতা অৰ্জনৰ সুযোগ দিয়া হয়।

মুক্তি লাভৰ প্ৰথম কালছোৱাত শিক্ষানুষ্ঠানত কাৰিকৰী বিজ্ঞানৰ পাঠ্যক্ৰম চমু কৰি লোৱা হৈছিল। পাঁচবছৰীয়া পাঠ্যক্ৰম আঠ বছৰতে শেষ কৰি বিজ্ঞান স্নাতকসকলক উলিয়াই দিয়া হৈছিল। দেশ গঠনৰ কামত খটুৱাৰ অৰ্থে কাৰিকৰী বিজ্ঞানীৰ অভাৱ পূৰাবলৈ আৰু তাকে ক্ষিপ্ৰতাৰে সম্পন্ন কৰাৰ অৰ্থে এনে কৰা হৈছিল। সম্প্ৰতি চীনত মানৱ-সম্পদ (human resource)ৰ এনে প্ৰসাৰণ ঘটিছে যে মুক্তদ্বাৰ নীতিয়ে সৃষ্টি কৰা নতুন অৰ্থনৈতিক ক্ৰিয়া-কলাপতো চীনে নিজৰ ভৱিষ্যৰ যোগনি হেৰুওৱাৰ ভয় নাই। সাধাৰণ কৰ্মী এগৰাকীও এই সম্বন্ধে নিশ্চিত।

শানটুং প্ৰদেশ এৰি আহিবৰ সময়ত জিনান ঝানত (Jinan Zhan—জিনান ষ্টেচন) বিদায় দিবলৈ অহা চৰকাৰী কৰ্মচাৰী আৰু বিজ্ঞানীসকলৰ মুখলৈ চাইছিলোঁ। ভাবিছিলো আমাৰ পৰা অব্যাহতি পোৱাৰ কাৰণে আনন্দত নিশ্চয় মুখভাৱৰ গাম্ভীৰ্য কিছু পাতলি পৰিব ব্যৱহাৰত সামান্য হলেও কিছু চঞ্চলতাৰ আভাস পোৱা যাব। মই কিন্তু তেওঁলোকৰ পিনে চাই অবাক হৈ গলো। তেওঁলোকক সচাকৈ কিছু বিষণ্ণ দেখা গৈছিল। আমাৰ আপ্যায়নৰ আয়োজন তেওঁলোকে বাঞ্ছা কৰা মতে কৰিব নোৱাৰা গুণে আমাৰ ওচৰত ক্ষমা বিচাৰিছিল। ঠিক সেই মুহূৰ্তত মোৰ চীনা কৰ্মচাৰী কেইজনক ভাৰতৰে আন এখন প্ৰদেশৰ যেন লাগিছিল।

আমি শানটুং এৰি জিয়াংচু প্ৰদেশত সোমাবলৈ লৈছিলোঁ। ৰাতি ন বাজি পঞ্চাশ মিনিট যোৱাত আমাৰ ট্ৰেইনখনে জিনান ঝান এৰিছিল। আমি জেনজিয়াং (Zhenjiang) অভিমুখে যাত্ৰা আৰম্ভ কৰিছিলোঁ।

ৰাতিপুৱা জিয়াংচু প্ৰদেশত দেখিছিলোঁ আমাৰ দৰেই দ পথাৰ। ধানবোৰে গেঁৰ ধৰিছে, পথাৰ ঘন সেউজীয়া হৈ পৰিছে। ম’হৰ পিঠিত উঠি ব্যস্ত কৃষক পথাৰলৈ চাপলি মেলিছে। বেইজিং বা শানটুঙৰ মোঁৱাৰ ব্যৱহাৰ এইপিনে সততে দেখা নাযায়। শানটুঙত দেখিছিলোঁ পাহাৰী ঠাইবোৰত মোঁৱাবোৰে বোজা বোৱা। এইপিনে মোঁৱাৰ ঠাই পুৰাইছিল ম’হে। ইয়াত আমাৰ দেশৰ দৰেই দুখনমান গাওঁ দেখিছিলো। ঘৰবোৰ মাটি বেৰ আৰু শিল ইটাৰ। চৰকাৰী গৃহ নিৰ্মাণ আঁচনিত এইবোৰ এলেকাও নিশ্চয় অন্তৰ্ভুক্ত হব। কিন্তু এই পিনে এতিয়াও কাৰ্যকৰী হোৱা নাই। মোৰ পিচে ঘৰবোৰ দেখি মনটো সেও মুকলি

জালিছিল। আমাৰ গাঁওৰ ঘৰবোৰৰ দৰে সিমান স্বতন্ত্ৰ নহ'লেও অন্ততঃ আজিও এই গাঁওকেইখনৰ ঘৰবোৰত প্ৰতিটোৰে স্বতন্ত্ৰতাৰীয়া এটা পৰিৱেশ আছে।

মই জানিছিলোঁ আমি যে য়াংজু নদীৰ কাষ পাইছোঁহি। এই অঞ্চলবোৰ সেই নদীৰে অৱবাহিকা। তাৰ মানে আমি দক্ষিণ চীন পাইছিলোঁহি। কথাখিনি ভাবি থাকোঁতেই প্ৰচণ্ড শব্দ কৰি আমাৰ ট্ৰেইনখন য়াংজু নদীৰ দলঙত উঠিছিলহি। আমাৰ ব্ৰহ্মপুত্ৰতকৈ সৰু যেন লাগিল নৈ খন। তথাপি সোৱনশিৰি বা বেকীতকৈ বহুত ডাঙৰ। গোদাবৰীতকৈও ডাঙৰ হ'ব। গংগাৰ সমানে হ'ব। অৱশ্যে পুৱালৈ দূৰত দেখিছিলোঁ ব্ৰহ্মপুত্ৰৰ সমানে বহল। কিন্তু ব্যস্ততাৰ পিনৰ পৰা য়াংজুৰ সমতুল কলিকতাৰ হুগলীও নহয়। চাৰ এটেনবৰোৰ ছবিত জলহস্তীৰ পালবোৰৰ দৰে দেখা যায় য়াংজুৰ বুকুত ওপঙি থকা জাহাজ আৰু নাওবোৰ।

দক্ষিণলৈ পাৰ হৈয়ে নানজিং মহানগৰী। পুৰণি ৰাজধানী চীনদেশৰ। পেই (বেই) মানে উত্তৰ, নান মানে দক্ষিণ। জিং (কিং) মানে ৰাজধানী। বেইজিং উত্তৰী ৰাজধানী আৰু নানজিং দক্ষিণী ৰাজধানী। চীনত ব্যক্তিৰ নামত ঠাইৰ নাম ৰখা নহয়। চীনৰ ঠাইৰ নামবোৰে বিশেষ ভৌগোলিক অৱস্থানৰ অথবা ঠাইৰ স্বকীয় বৈশিষ্ট্যৰ ইংগিত দিয়ে। হুনান মানে হ্ৰদৰ দক্ষিণে হোপেই মানে নদীৰ পুবে চাংহাই মানে সাগৰৰ পিনে। হাইনান মানে সাগৰৰ দক্ষিণে, নানহাই মানে দক্ষিণৰ সাগৰ। নামটোৰেই কৈ দিয়ে ঠাইখনৰ ভৌগলিক অৱস্থান কেনেধৰণৰ।

নানজিং অৱশ্যে কেৱল দক্ষিণী ৰাজধানীয়ে নহয় বিশাল য়াংজু নদীৰো দক্ষিণ পাৰে। য়াংজু নদী দীঘলে তিনি হেজাৰ চাৰিশ ত্ৰিশ মাইল পৃথিৱীৰ চতুৰ্থ দীৰ্ঘতম নদী। জেচুৱান (Szechwon) ৰেচিন নামান্তৰত ৰেড ৰেচিন যিটো চীনৰ আটাইতকৈ ডাঙৰ আৰু সাৰুৱা rice bowl—সেইটো য়াংজু নদীয়ে সৃষ্টি কৰা। তাৰ মানুহে য়াংজু নদীৰ নাম দিছে সোৱনশিৰি অৰ্থাৎ Gold Sand River সোণালী বালিৰ নই।

কিন্তু ৰেচিন অৰ্থাৎ অৱবাহিকাটোৰ নাম 'ৰেড' ( Red ) দিয়াত তাৎপৰ্য আছে গভীৰ। যাৰ সতে নিবিড় সম্বন্ধ আছে চীনৰ প্ৰাচীন ঐতিহ্য পৰম্পৰাৰ আৰু জনসাধাৰণৰ পৰম্পৰাগত বিশ্বাসৰ। চীনত ৰেড' অৰ্থাৎ ৰঙা ৰঙে আনন্দক সূচায়। আৰু সূচায় উচ্চতম সম্ভ্ৰমক। চীনা নাটকত সম্ৰাট অথবা পবিত্ৰ নেতৃত্বৰ আৰু নায়িকাৰ ডাঙৰ জোৱা জনক ৰঞ্জিত কৰা হয় ৰঙা ৰঙেৰে। হংকঙৰ চীনা দোকানবোৰত দেখিব পাৰি লোকে ভোজবোৰাৰ ফাং টি ( পৰমেশ্বৰ )ৰ মূৰ্তি আগনাত ৰাখি নিতৌ ধূপ ধুনা জলাই পূজা কৰা।

সেই মৃত্তিৰ বঙো চিকটিকিয়া ৰঙা। এই ৰঙা ৰঙে আৰু সুচায় সাহস প্ৰজনন ক্ষমতা স্বাস্থ্য এনেবোৰ কথাও।

চীনত মৃত্যুৰ ৰঙ হ'ল বগা। কিন্তু বুঢ়া মানুহৰ মৃত্যু যিজনে সন্তি-সন্ততি অনেক ৰাখি থৈ গৈছে তেওঁৰ মৃত্যুৰ চিন হ'ল ৰঙা। মৃত্যুক মহীয়ান কৰি দেখুৱাবৰ বাবেই হয়তো নাটমঞ্চত মৃত্যুৰ পৰিচয় হ'ল ৰঙা পতাকা আৰু মৃত চৰিত্ৰৰ মুখ ঢকা ৰঙা কাপোৰখন।

জেচুৱান অববাহিকাৰ অপৰিসীম উৰ্বৰতাৰ কাৰণেই হয়তো পুৰণি কালৰ চীনা জনসাধাৰণে তাৰ নাম থৈছিল ৰঙা অববাহিকা বুলি।

মানজিওত গাড়ীখন মাত্ৰ দুই মিনিটমান ৰৈছিল। আৰু মানজিংৰান এৰি চাহ বাগিছা নুনিগছৰ বাগিছাৰ কাষে কাষে গাড়ীখন চেনজিয়াঙৰ পিনলৈ গৈ আছিল। অদূৰত গাঁৱৰ প্ৰকাণ্ড খেৰৰ পুঁজিবোৰ দেখি মই হঠাৎ পাহৰি গৈছিলোঁ যে মই আনৰ দেশত আছিলোঁ।

ঃ মিজাচৌ জা মিংজা?

মই চীনা ভাষাতে চেনজিয়াং ষ্টেচনত নামি আমাক আগবঢ়াই নিবলৈ অহা দলটোৰ ডেকা এজনক সুধিছিলোঁ তেওঁৰ নাম কি বুলি। মোৰ উচ্চাৰণৰ ভুলত তেওঁ বুজি নেপাই ভেবা লাগি চাই আছিল। মিস্টাৰ চিতে আগবাঢ়ি আহি পৰিস্থিতিটো বুজি মোক সুধিলে—

ঃ তুমি আকৌ কোৱাচোন কি কৈছিলা?

মই ক'লোঁ। তেওঁ হাহি হাহি চীনা শুদ্ধ উচ্চাৰণেৰে ডেকাজনক বুজাই দিয়াত ডেকাজনে হাহি হাহি কলে—

ঃ আই এম ঝু (Zhu)। আই এম টুৱেন্টি থ্ৰী ইওৰ ইন্টাৰপ্ৰিটাৰ।

নাম বয়স কাম চব কৈ দিলে ডেকাজনে। বয়সেই কয় যে তেওঁ অবি-বাহিত কিয়নো তেওঁৰ পচিচ বছৰ অৰ্থাৎ বিবাহৰ বয়স হোৱা নাই।

হাটেল জিংখান। গেটৰ ওপৰত ইংৰাজীতে লেখা আছিল নামটো। সন্মুখৰ প্ৰাংগণত বিটো মূল অলংকৰণ আছিল তাৰ মাধ্যম আছিল ক'লা ৰঙৰ লাভা শিল (Lava rock) চিমেন্টেৰে জোৰা দিয়া থিয় কৰি থোৱা। হোটেলৰ সন্মুখতো তেনে এটা অলংকৰণ দেখা মোৰ মনত পৰে। অলং-কৰণটো দেখিলেই প্ৰাগৈতিহাসিক কিবা এটা দেখা যেন অনুভৱ হয়।

আমাৰ গাড়ীখন ঠিক সেই প্ৰাগৈতিহাসিক যেন লগা অলংকৰণটোৰ

কাষতে বৈ গ'ল। আমি নামি পৰিলোঁ। হোটেলখনৰ নামটো ভালদৰে পঢ়ি চালোঁ। নামটো আছিল জিন শ্বান ক্ষান দিয়ান। দিয়ান মানে হ'ল দোকান! ক্ষান মানেনো কি?

স্থানীয় কম চাৰীসকলে আমাক চেক ইন কৰোৱাত ব্যস্ত হৈ পৰিছিল। কাজেই ক্ষান মানে কি সুধি কাকো ব্যতিব্যস্ত কৰিবৰ মন নগল। ইয়াত ক্ৰিয়াকাণ্ডবোৰ স্থানটুঙতকৈ আৰু অলপ মুকলি। হোটেলৰ এণ্ট্ৰি ফৰ্ম ত পাছপোর্টৰ নম্বৰটো লিখিব নালাগে। স্থানটুঙত হলে লাগিছিল। দক্ষিণৰ সাগৰপৰীয়া চহৰবোৰ উত্তৰৰ চহৰবোৰতকৈ অকণ বেছি মুক্ত।

হোটেলৰ কোঠাবোৰত বেচ ঘৰুৱা এটা পৰিবেশ দিবলৈ যত্ন কৰা যেন লাগিল। ক লা নানমু কাঠৰ ফাৰ্ণিচাৰ অষ্ট্ৰেলিয়াৰ বিখ্যাত অংকা পাৰ্কিংপা প্লাংকেট (হোটেলটো অষ্ট্ৰেলিয়াৰ সতে যৌথ উদ্যোগত কৰা হৈছে) আৰু খুলিয়েই বিস্তীৰ্ণ হ্ৰদটো দেখা এখন প্ৰকাণ্ড খিৰিকী। খিৰিকীৰে হোটেলৰ কোনো অংশকে দেখা নাযায়। যেন সেই ঠাইখনত কেৱল নিজৰ কোঠাটোৰে আছে আৰু বাহিৰত কেৱল আকাশ হ্ৰদ আৰু যাহনি। কোঠাটোত সোমাই সচাকৈ মনটো ভাল লাগি গৈছিল। অলপ জিৰাই ললোহেতেন সুযোগ পোৱা হলে। কিন্তু ক'ত যদু তেনে বিলাসৰ কাৰণে অৱকাশ! মিণ্টাৰ হুৰ মাত শুনিলোঁৱেই—

ঃ চৌ বাহ চৌ বাহ লেটচ গো লেটচ গো।

মনৰ হেপাহ মনতে দমাই থৈ কান্ধত মোনাখন লৈ ওলাই আহিলোঁ। আমি হেনো জিংশ্বান বিহাৰ চাবলৈ যাম। নিশ্চয় এই জিংশ্বান বিহাৰৰ নামেৰেই আমি থকা হোটেলখনৰো নামাকৰণ হৈছে। মনে মনে ঠাৱৰ কৰিলোঁ। বিহাৰ (আচলতে বৌদ্ধ মন্দিৰ)টো আছিল চুং ( sung ) বংশৰ ৰাজত্ব কালত কৰা। সপ্তদশ শতিকাত। য়েহ ফেই নামৰ এগৰাকী স্বদেশপ্ৰেমী সাহসী সেনানায়কৰ স্মৃতি ৰক্ষাৰ উদ্দেশ্যে তৈয়াৰ কৰা হৈছিল এই বিহাৰটো। সন্মুখত মন্দিৰ প্ৰাংগণত সিংহ আৰু গ্ৰিফিনৰ শিলামূৰ্ত্তি। ভিতৰৰ কাঠৰ এটা পেনেলত দেখিলোঁ চৰাই ফুলৰ চিত্ৰ আৰু ঘোঁৰাৰে টনা ৰথৰ চিত্ৰ খোদিত। তলত এখন দোজাৰ দৰে থাপনাত দেখিলোঁ হনুমানৰ দৰে এটাই হাতত অস্ত্ৰ আৰু ছাতি লৈ শ্ৰেষ্ঠ দেৱতাজনৰ কাষত থিয় হৈ আছে। বিহাৰত আৰু এটা আকৰ্ষণীয় বস্তু দেখিলোঁ। সেইটো হ'ল দবা বা নাগাৰা। চীনা ভাষাত যৱাম বুলি কয়। এই যৱামটো বিহাৰত সংৰক্ষিত কৰাৰ অন্তৰালত এটা ঐতিহাসিক কাহিনী আছে। চীনদেশত সেইসময়ত (দ্বাদশ শতিকা) চুং বংশৰ ৰজাই ৰাজত্ব কৰিছিল। অৱশ্যে ৰজা তেওঁলোক বৰ দুৰ্বলচিতীয়া আছিল আৰু ৰজাত

শাসন সোপাচিলা হৈ পৰিছিল। ৰজাৰ দুৰ্বলতাৰ সুযোগ লৈ চিন জাতিৰ লোক সকলে সমগ্ৰ উত্তৰাঞ্চল ইতিমধ্যে অধিকাৰ কৰিছিল। আৰু ফলত চুং সকলে দক্ষিণ চীনত থিতাপি লৈছিল।

চিনসকলৰ আগ্ৰাসী মনোভাৱে চুংসকলক দক্ষিণ চীনতো শান্তিৰে থাকিব নোৱাৰা কৰিছিল। আৰু এদিন সঁচাসচিকৈয়ে চিনৰ বিশাল সেনাবাহিনী য়াংজু নদী পাৰ হবলৈ সাজু হ'ল। য়াংজু নদী পাৰ হৈ দক্ষিণ পাৰেই আছিল চুং অঞ্চল। চুং সেনানীয়ে ভয়তে পিছুৱাই যোৱাৰ সিদ্ধান্ত কৰিছিল। কিন্তু চুং বাহিনীত এগৰাকী সেনাধ্যক্ষ আছিল যাৰ সাহস আৰু দেশভক্তি আছিল অতুলনীয়। তেওঁৰেই নাম আছিল য়েহ ফেই। তেওঁ ঠিক কৰিলে য়াংজু পাৰ হব পৰাৰ আগতেই চিন সৈন্যক ভেটিব লাগিব। তেওঁৰ সাহস দেখি চ ৰাজেও হয়ভৰ দিলে। আৰু ফলত চুং সেনাই অমিত বিক্ৰমেৰে যুদ্ধ কৰি চিন সৈন্যক পৰাস্ত কৰিলে। হয়তো চুং শক্তিয়ে সমগ্ৰ চীনৰ পৰাই চিনসকলক বহিষ্কাৰ কৰিব পাৰিলেহেতেন যদিহে এটা ষড় বিভীষণে ষড়যন্ত্ৰ কৰি সেই দেশভক্ত সেনাধ্যক্ষজনৰ সমস্ত আঁচনি বানচাল কৰি নিদিলেহেঁতেন। সেই বিভীষণে কেৱল আঁচনি বানচাল কৰিয়েই ক্ষান্ত হোৱা নাছিল শেষত এটা জঘন্য ষড়যন্ত্ৰৰ আশ্ৰয় লৈ সেই বীৰ সেনাধ্যক্ষগৰাকীক বিহ খুৱাই মৰাইছিল।

আজিও সেই কাহিনীৰ গৌৰৱণত সেনাধ্যক্ষগৰাকীৰ সমাধি মন্দিৰৰ দুৱাৰমুখত লোৰে সজা সেই পিশাচ বিভীষণ গৰাকীৰ প্ৰতিমূৰ্তি আছে— হাত যোৰ কৰি নিজৰ কুকৰ্মৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰাৰ ভংগীত। আৰু জন-বিশ্বাসমতে সেই বীৰ সেনাধ্যক্ষৰ সহধৰ্মিনীয়ে এই ঘটনাটোকে ৰজাই তেওঁৰ স্বামীয়ে নেতৃত্ব লোৱা স্বদেশ ৰক্ষাৰ যুদ্ধত অংশগ্ৰহণ কৰিবলৈ প্ৰজাসাধাৰণক আহবান জনাইছিল আৰু ৰণুৱাসকলক উদগনি দিছিল।

ওচৰত শেষ সম্ৰাটৰ মাকৰ নামত উৎসৰ্গীকৃত এটা পেগোদা আছে। নাম য়িহি পেগোদা। সেইটো চাই নামি আহোতেই মোৰ চকুত পৰিছিল জিনখান পাহাৰৰ অদূৰত ধীৰে ধীৰে বই যোৱা য়িনচিয়াং নামৰ নৈ খন। যিখন আচলতে য়াংজুৰেই।

চিনাৰ গছৰ ওখ শাৰী দুটাৰ মাজেদি নামি আহোতে মোৰ মনলৈ আহিছিল অসমৰ ডিমাপুৰৰ কথা। মাধ্যম যদিও বেলেগ ডিমাপুৰৰ প্ৰাচীন কলাকৃতিৰ সতে জিংখান বিহাৰটোত দেখা কেতবোৰ কলাকৃতিৰ মিল দেখিছিলোঁ। সেইবোৰ ব্ৰঞ্জ'দণৰ ম'ন কলাকৃতিৰ লগতো মিলে। নৰমূৰ্তিহীন ফুল চৰাই লতা এইবোৰ ভাৰতবৰ্ষৰ শিল্পিকবোৰত প্ৰায়ে দেখা নাযায়।

আৰেলি গৈছিলোঁ চেৰিকালচাৰ ৰিচাচ ইনষ্টিটিউট অফ ষ্টেনজিয়াঙলৈ। তাতেই প্ৰথম দেখিলোঁ নুনিগছৰ চিছু কালচাৰ কৰা। এশ বিশ বিধ নুনিগছৰ জাত ( strain ) লৈ সেই কালচাৰ কৰি থকা হৈছে। আমাৰ দেশত অৱশ্যে এনে কালচাৰ এই পৰ্যন্ত হোৱা নাই বেচম পলুৰ খাদ্য গছৰ ক্ষেত্ৰত।

ইনষ্টিটিউটৰ এটা কথাই ৰৰকৈ মনযোগ আকৰ্ষণ কৰে। সেইটো হ'ল বাহ্যিক আড়ম্বৰহীনতা। অপৰিহাৰ্য বোৰত বাদে এটা বস্তুও ওপৰঞ্চি নাই। বৈজ্ঞানিকসকলৰ কাম কৰা টেবুল-চকী এনেবোৰ সামগ্ৰী একেবাৰে আড়ম্বৰহীন আৰু সাধাৰণ।

স্থানীয় সম্পদৰ ( indigenous resource ) ওপৰত খৰচৰ মাত্ৰা যিমান পাৰে কম কৰাৰ ওপৰত imput যিমান পাৰে কমাই উৎপাদন বঢ়োৱাৰ ওপৰত আৰু উৎপাদিত সামগ্ৰীৰ মান শ্ৰেষ্ঠ কৰাৰ ওপৰত চীনৰ বৈজ্ঞানিকে গুৰুত্ব দিয়ে। গৱেষণা আৰু প্ৰয়োগ এই দুটাৰ মাজত সম্পৰ্ক স্বাভাৱিকতে থাকিব লাগিব। সেইবুলি দুয়োটা বিষয়ৰ এলেকা সম্পূৰ্ণ পৃথক। গৱেষণাগাৰৰ সিদ্ধান্ত ক'ত প্ৰয়োগ কৰা হব অথবা কৰা হব নে নহয় এনেবোৰ সিদ্ধান্ত হ'ল কাৰ্যবাহী সিদ্ধান্ত। গৱেষণাৰ তথ্যসমূহ প্ৰয়োগ কৰাৰ ফলত অৰ্থনীতি অথবা সমাজত কি ফল লাভ হব অথবা কি ধৰণৰ প্ৰভাব পৰিব সেইবোৰ চিন্তা কৰাটো বৈজ্ঞানিক-গৱেষকৰ গণ্ডীৰ বাহিৰত। ব্যক্তিগত বৈজ্ঞানিকৰ ego ক গুৰুত্ব দিয়াৰ তাত কোনো অৱকাশেই নাই। সমস্তৰে শেষ সিদ্ধান্তৰ মাপ কাঠি হ'ল দেশৰ জনসাধাৰণৰ কল্যাণ। বহুজন হিতায়।

High yielding variety অৰ্থ মালবেৰী মানে কি বুজায়? এই লৈ আমাৰ বৈজ্ঞানিক আৰু এই ইনষ্টিটিউটৰ বৈজ্ঞানিকসকলৰ মাজত আলোচনা হৈছিল। আমাৰ বৈজ্ঞানিকে কলে হাই ইল্ডিং ভেৰাইটী মানে যিটো জাতৰ নুনি গছে আটাইতকৈ বেচি পাত দিয়ে। তেওঁলোকে কলে যে চীনত সেইটো নহয়। চীনত হাই ইল্ডিং ভেৰাইটী মানে যিটো জাতৰ নুনি গছৰ পাত খাই পলুৰ ৰোগ নহয় পলু নমৰে আৰু পলুৱে আটাইতকৈ বেচি পৰিমাণৰ শ্ৰেষ্ঠ সূতাৰ বাহ বান্ধিব পাৰে। গছৰ পাত বেচি হলেই হাই ইল্ডিং নহবও পাৰে অৰ্থাৎ ওপৰৰ কথা কেইটা নহয়। তাৰ পাচত আকৌ চলিছিল Bivoltine ( বছৰত দুবাৰ পুহিব পৰা হয় ) আৰু multivoltine অৰ মাজত কিদৰে হাইব্ৰিদ কৰা হয় পোহাৰ সময়ত উত্তাপ আৰু আৰ্দ্ৰতা কি পৰিমাণত ৰাখিব লাগিব পোহাৰ সময় বসন্ত কালত আৰু শৰত

কাজত কিমান—এনেবোৰ নিৰস কথাৰ সুদীৰ্ঘ আলোচনা। মিণ্টাৰ চ্চেং মিণ্টাৰ ঝী আৰু মাদাম উ জী আৰু আমাৰ সংগী বৈজ্ঞানিক সকলৰ মাজত। চীনাসকলৰ কথাবতৰাত ভাটাইতকৈ লক্ষণীয় হ'ল তেওঁলোকৰ সহজ স্পষ্টতা। আলোচিত বিষয়টোৰ ওপৰত প্ৰগাঢ় জ্ঞান অবিহনে যিটো সম্ভৱ নহয়। আৰু এটা লক্ষণীয় কথা হ'ল তেওঁলোকৰ দেশৰ establishment অৰ প্ৰতি গভীৰ শ্ৰদ্ধা।

তাৰ পৰা কেতিয়া ওলাই আহিব পাৰিম সেই চিন্তাতে চৰ পাহৰি পৈছিলোঁ। এনেতে তেওঁৰ ইমানদিনে শুনি অহা লট্টাইজত মিণ্টাৰ ঝিচেও কোৱা শুনিলোঁ—

: হিয়াৰ উই গো।

ইংৰাজীৰ ভালদৰে নুবুজিলোঁ যদিও মাতটো বুজি পাই চালোঁ যে আটায়ে আলোচনা শেষ কৰি উঠিলেই। মইহে অকলে বহি আছিলোঁ। মই খপ্ কৰে উঠি মোনাখন কান্ধত সুমাই লৈ সুধিলোঁ—

: হোৱেৰ উই গো ?

: ব্যাক টু পেভিলিয়ন।

মানে বোধকৰো আকৌ হোটেল। বসাতলকৈ গলেও নিৰুপায়। নিৰ্দেশিত পথত বাদে আমাৰ গতি নাই। অহা বাটেদিয়ে ঘূৰি আহিছিলোঁ। দুৰৰ পাৰ্বত দেখিছিলোঁ দুই তলা ঘৰ চেনজিয়াওৰ কাষতে দেখিছিলোঁ দুটা তিনিতলীয়া ঘৰো। আনুষ্ঠানিক নহয় ব্যক্তিগত মানুহৰ।

হোটেলৰ লবীত বাওনা গছ দুজোপা (bonsai) আৰু কাফিৰ লিলিৰ (kafirlilv) টাব কেইটাত পাভ চাকি ফুলি থকা ফুলবোৰ দেখি মোৰ একেলগে বহুত কথাই মনলৈ আহিছিল। শত পুষ্প বিকাশৰ যি স্বপ্ন এদিন চীনৰ জনতাই দেখিছিল সেই স্বপ্ন সঁচাকে বাস্তৱত পৰিণত হৈছে। অলপ আগতে চীনৰ যেচম শিল্প তথা দাইভাচিফাইদ ইকনমিৰ যি প্ৰকল্প প্ৰচেষ্টাৰ ধাৰণা আমাক ইনষ্টিটিউটৰ বিশেষজ্ঞসকলে দিলে সেইয়া আমাৰ দৰে এখন সমস্যাবহুল জনাকীৰ্ণ বিশাল দেশৰ সমস্যা সমাধানৰ কাৰণে চূড়ান্ত আৰু একমাত্ৰ উপায় যেন অনুভৱ হ'ল।

বনচাই দুজোপা দেখি যুগপৎ মোৰ মনলৈ আহিছিল আমাৰ ভাৰতবৰ্ষৰ বিপুল সম্ভাৱনা আৰু দুৰণিবটীয়া অজস্ৰ গাঁও আৰু চহৰতলীত বিকাশৰ সুযোগৰ পৰা বঞ্চিত হৈ পৰি থকা অগণন প্ৰতিভাবান যুৱক-যুৱতীৰ কথা। আমাৰ দেশতো এনে এটা system গঢ়ি লব পৰাহেঁতেন য'ত সেই প্ৰতিভাবানসকলে নিৰংকুশ বিকাশৰ সুযোগ পাব পাৰিলেহেঁতেন আমাৰ দেশো অচিৰে তেনে এক সৌভাগ্যৰ অধিকাৰী হ'লহেঁতেন।

হোটেলৰ কোঠাত সোমাই যিমানে চেষ্টা কৰিছিলোঁ এইবোৰ আকাশ পাতাল চিন্তাৰ পৰা নিজকে মুক্ত কৰিবলৈ সিমানে জড়িত হৈ পৰিছিলোঁ আৰু বেছি নিবিড়ভাৱে। ডেকা কালৰ বহুত দৃশ্য মনলৈ আহিছিল। অসমৰ ভিতৰুৱা অঞ্চলত বহুত চীনা কাৰিকৰ আছিল এসময়ত। চাহবাগিচাৰ পুৰণি কলঘৰবোৰ এই চীনা মিস্ত্ৰীসকলেই সাজিছিল। পুৰণি কাছাৰী ঘৰবিলাকবো বেচি ভাগেই চীনা মিস্ত্ৰীয়ে সজাইছিল। অসমৰ কয়লা খনিতো এসময়ত চীনা শ্ৰমিকসকলে কাম কৰিছিল। শ্বিলঙৰ পুৰণি ভাল জোতাৰ দোকান আৰু হোটেল এই চীনাসকলেই খুলিছিল। অতি প্ৰাচীন কালত অসম কামৰূপ ৰাজ্যত চীনা ধৰ্ম চৰ্চা কাৰীসকলৰ সুবিধাৰ অৰ্থে চৈনিক মন্দিৰ প্ৰতিষ্ঠা কৰা হৈছিল। সেই কথাও ইতিহাসত পোৱা যায়।

ইমান প্ৰাচীন কালৰে পৰা নিবিড় যোগাযোগ থকা সত্বেও আজি ভাৰতীয় আৰু চীনাসকলৰ মাজত এই প্ৰভেদ কিয়? কিয় এই অলংঘ্য প্ৰাচীৰ?

বহুদিনৰ আগতে মোৰ বন্ধু এগৰাকীয়ে মোক কৈছিল এটা কাহিনী। ভাৰতত নিগাজীকৈ বাস কৰা এগৰাকী চীনা লোকৰ বিষয়ে চমকপ্ৰদ এটা কাহিনী।

অসমৰ যুগ যুগ ধৰি থকা অনগ্ৰসৰতাৰ ওৰ পেলাবলৈ কিবা এটা নতুন কৰাৰ কাৰণে সততে উন্মুখ তিনিজন অসমীয়া ডেকাই এখন শ্বিলঙীয়া দোকানত ফ্ৰাকিয়াদ খাই থাকোতে হঠাৎ এটা ব্যৱসায়ৰ নতুন সম্ভাৱনাৰ কথা আবিষ্কাৰ কৰিছিল। ডিব্ৰুগড়ত তেতিয়া ভাল হোটেল নাছিল। তাত যদি এখন ভালধৰণৰ হোটেল কৰিব পৰা যায় মাহত হেলাৰঙে দহ হেজাৰ নেট প্ৰফিট। তেওঁলোকে ঠাৱৰ কৰিছিল। মাত্ৰ সমস্যা দুটা আছিল। এটা হ'ল ঘৰ আনটো হ'ল ভাল এটা কুক অৰ্থাৎ ৰান্ধনি। এজনে ৰহস্যপূৰ্ণ হাঁহি মাৰি ক'লে—

ঃ কুক? মই বেষ্ট কুক এটা আনি দিম। সেইটো একো সমস্যা নহয়। তেনেহলে এতিয়া ঘৰ লাগিল। এজনে অলপ চিন্তা কৰি কোৱাৰ দৰে ক'লে—

ঃ ঘৰ অৱশ্যে নোহোৱা নহয়। আমাৰ বাইদেউহঁতৰে একেবাৰে মেইন বজাৰত দুটা ভাড়াঘৰ আছে। কিন্তু আমি ক'লে বা আকৌ দিয়ে নে নিদিয়ে।

ঃ নিদিব কেলেই? আমিতো মাগনাই বিচৰা নাই। লাগিলে দুই মাহৰ এডভান্স দি দিম।

তেওঁলোকে ঘৰ পাব বুলি নিশ্চিন্ত হৈ শ্বিলঙৰ পুলিচ বজাৰত থকা চীনা জোতাৰ দোকানীজনৰ তালৈ গ'ল আৰু তেওঁক ৰান্ধনি হিচাপে নিয়োগ

কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে। চীনা দোকানীজনে কোনো কৌতুহল প্ৰকাশ নকৰি মাত্ৰ সুধিলে যে কেতিয়া যাব লাগিব। তেওঁলোকে কলে যে, সেই-দিনাই যাব পাৰিলে ভাল হয়। দ্বিৰুক্তি নকৰি চীনা দোকানীজনে দোকানৰ পিচফালে থকা ভিতৰ কোঠালৈ সোমাই গ'ল আৰু দহমিনিটমানৰ পিচতে এটা টিনৰ চুটকেচ হাতত লৈ ওলাই আহি দোকানত ব্যস্ত হৈ থকা পত্নীক কিবা এষাৰ কলে আৰু ডেকা কেইজনৰ পিনে আগবাঢ়ি আহি কলে বলক। ডিব্ৰুগড় যেতিয়া পালেগৈ তেতিয়া দেখিলে যে সেই ডেকাজনৰ বায়েকে আগৰ ভাৰাতীয়াক খালী কৰাই ঘৰটো তেওঁলোকক দিবলৈ কোনোমতেই মান্তি নহল। আন ঘৰ বিচাৰি নেপাই হতাশ হৈ চীনা দোকানীজনক ডিব্ৰুগড় বজাৰৰ হোটেল এখনত টকা পোন্ধৰটা দি থাকিবলৈ দিলে আৰু তিনিদিনৰ পাচত ঘৰি আহি কিবা এটা সিদ্ধান্ত লব বুলি কৈ তিনিওজনেই ঘূৰি আহিল। মনত এটা মিকাৰৰী আশা লৈ। সেই তিনিদিনৰ ভিতৰত নিশ্চয় কিবা এটা উপায় ওলাব।

কিন্তু তিনিদিন তিনিসপ্তাহ হ'ল তিনি সপ্তাহ তিনি পষেক হ'ল, তাৰ পাচত তিনি পষেকো গৈ তিনি মাহত পৰিল। তেতিয়াহে তেওঁলোকৰ চীনা দোকানীজনৰ কথা মনত পৰিল। তিনিওৰে ভয়ত বুকু কঁপি উঠিল। দোকানীজন নিশ্চয় এতিয়াও বাচি থকা নাই। যদিহে আছে নিশ্চয় বাহিৰত নাই। হোটেলৰ দেনা শোধ কৰিব নোৱাৰি ডিব্ৰুগড় জেলত লেদেনা উকচি বাচি আছে। ভীষণ অপৰাধবোধ হ'ল তিনিওৰে। ততাতৈয়াকৈ ডিব্ৰুগড় পালেহি আৰু ভয়ে ভয়ে সেই দোকানীজনক এৰি থৈ যোৱা হোটেলখনলৈ গ'ল।

হোটেলখনৰ কাষ পোৱাৰ লগে লগে তিনিওকে অবাক কৰি দি হাঁহি হাহি চীনা দোকানীজনে আগবাঢ়ি আহি আথে বেথে তেওঁলোকক তেওঁ থকা কোঠালৈ লৈ গ'ল। আৰু অমলেট চাহ আদিৰ অভাৰ দিলে।

ডেকাহত বিস্ময়ত হতবাক। দোকানীজনে নিশ্চয় অপৰাধমূলক পথৰ আশ্ৰয় লৈছে। নহলে তেওঁলোকে তিনিমাহৰ আগতে দি থৈ যোৱা পোন্ধৰ টকাৰে হোটেলত থাই এনেধৰণৰ সংস্থান সম্ভৱ হৈ পৰা কথাটো অকল্পনীয়। চেলেপু ডেকাজনে বুকুৰ ভয় চেপি থৈ সুধিলেই কথাষাৰ। চীনা দোকানীজনে হাহি হাহি টিনৰ চুটকেচটো দেখুৱাই কলে যে তাতে তেওঁ এটা চাইড বিজিনেচ লৈ আহিছিল। নতুন বিজিনেচৰ কথা। ঠিকনাতো নাই কেতিয়া কি হবগৈ পাৰে। গতিকে অকন সাজু হৈ আহিছিল। ডেকাজনে চীনা

দোকানীজনৰ অনুমতি লৈ তাত অপেক্ষা নকৰি চুটি কেচটো খুলি চালে। দেখিলে কিছুমান অসম্পূৰ্ণ পুতলা। লগতে আছে তাৰ আৰু প্লাচ কেইপাতমান।

বুজা নুবুজাৰ মাজত জন্ম লোৱা অজস্ৰ সন্দেহ মনত লৈ তেওঁলোক হোটেলৰ পৰা ওলাই আহিল আৰু সেই ডেকাজনৰ বায়েকক লগ পোৱাৰ লগে লগে সমস্ত সন্দেহ দূৰ হৈ গৈছিল তেওঁলোকৰ। বায়েকেই ক লে সেই চীনা দোকানীজনে কিদৰে তাৰৰ বিভিন্ন চৰাই বান্দৰ আদি সাজি ৰাস্তাত ফেৰি কৰি ফুৰে। ভিব্ৰুগড়ত নতুন বস্তু। বেচ বিক্ৰী হৈছে হেনো। বাতৰিটো শুনি ডেকাকেইজন বিস্ময়ত হতবাক। অকন শ্ৰদ্ধাও হ ল চীনা দোকানীজনৰ প্ৰতি।

হোটেললৈ গৈ যেতিয়া তেওঁলোকে চীনাজনক প্ৰস্তাবিত হোটেলখন নহব বুলি কলে তেওঁলোক নিচিত আছিল যে চীনাজনক তেওঁলোকে খৰচ দি খিলঙলৈ ওভোটাই থৈ আহিব লাগিব। তেও কিন্তু হোটেল নোখোলে বুলি শুনি কলে যে ভালেই হ ল; তেওঁ ডমডুমাৰ পিনে নতুন ব্যৱসায় এটা খোলাৰ কথা ভাবিছে আৰু তালৈকেই যাব। কথা শুনি তিনিওৰে ক্ষণ মুখ ৰঙা পৰিছিল। আৰু লাজতে কোনেও কাৰোপিনে নোচোৱাকৈ উলটি আহিছিল। ছমাহমানৰ পাচত এজন ডেকাই তেওঁক লগ পালে শদিয়াৰ বিজাভ ফৰেষ্টত। এজন ঠিকাদাৰৰ তাত গছ কটা ( tree feller ) হৈ সোমাইছে। তাৰ পাচত এদিন চীনা দোকানীজনক পোৱা গ ল ডুমডুমাত এখন ফাৰ্ণিচাৰৰ দোকান খোলা। ডেকা কেইজনে তেওঁক সেই দোকানতে লগ পাইছিল এটুকুৰা কাঠত ৰেণ্ডা মাৰি থকা। দোকানত ধুনীয়াকৈ সজোৱা টেবুল চকী কিছুমান সজাই থোৱা আছিল। জোতা তৈয়াৰ কৰা হোটেলৰ কুক হোৱা তাৰৰ পুতলা বনোৱা গছ কটীয়া হোৱা আৰু বাঢ়ৈ কাম কৰা—ডেকাকেইজনে খিলঙৰ দোকানত লগ পোৱা চীনা দোকানীজনে এই আটাইবোৰ কাম জানিছিল।

এনে বিচিত্ৰ কৰ্ম—অভিজ্ঞতাৰ অধিকাৰী ভাৰতৰ আৰু ক ত আছিল নাজানো। কিন্তু উত্তৰ পূবাঞ্চল বিশেষকৈ অসমত আছিল। কিন্তু সেয়া আজি বুৰঞ্জীৰ কাহিনী মাত্ৰ যেন লাগে। হয়তো আজিও আছে কিন্তু বিকাশৰ সুযোগৰ অভাবত মৰহি যোৱাৰ উপক্ৰম হৈছে।

মই কথাবোৰ ভাবিছিলো আৰু লৰীত বহি থাকোঁতে অহা চীনা মানুহৰ ভুমবোৰলৈ লক্ষ্য কৰি আছিলোঁ। কোনোবা এজন নতত্ত্ববিদে কৈছিল যে মংগোলয়ড গোষ্ঠীৰ মানুহৰ cerebrum অৰ্থাৎ গুৰুমস্তিষ্কৰ ছিদ্ৰ ( fissure )

বোৰৰ সংবৰ্দ্ধন ( convolution ) বোৰ হেনো বৰ বেচি অ কোৱা পকোৱা। এইটোৱে হেনো সেইবোৰ মানুহৰ গভীৰ মননশীলতাৰ কথা সূচায়। উপযুক্ত-ভাৱে কৰ্ষণ হলেই হেনো মংগোলয়দ গোষ্ঠীৰ লোকে সমগ্ৰ মানৱ জাতিৰ নেতৃত্ব বহন কৰিবলৈ সমৰ্থ হব।

জাপানী কোৰীয় চীনা-এইবোৰ মংগোলয়দ গোষ্ঠীৰ লোকৰ কথা ভাবিলে নতত্ত্ববিদজনৰ কথাটো বিশ্বাস কৰিবৰ মন যায়। আৰু সেই অসময় চীনা দোকানীজনৰ কথা ভাবিলে চীনা সকল যে এদিন বিশ্বৰ অগ্ৰগণ্য বুলি পৰিচিত হব তাত সন্দেহ নাথাকে। আৰু মোটৰত যাওঁতে মোৰে প্ৰশ্নৰ উত্তৰত মিণ্টাৰ চ্চিওৱে চীনা ভাষা সম্বন্ধে যি কথা কলে তাক শুনিলে যি কোনো সচেতন মানুহেই চীনা জনসাধাৰণৰ জিনিয়াচক মানৱ সমাজৰ বিস্ময় বুলি মানিবলৈ বাধ্য হব। চীনদেশৰ তেপন্নটা ট্ৰাইবৰ সিমানটা ভাষাৰ উপৰিও অঞ্চলে অঞ্চলে আছে বেলেগ বেলেগ ভাষা। ভাষাবোৰৰ মূল হয়তো একেই কিন্তু অনেকস্থলত পৰস্পৰ অবোধ্য। পণ্ডিতে বহুত গৱেষণাৰ মূৰত চীনা ভাষাবিদসকলে এনে এটা লিখিত ভাষা আৰু লিখাৰ কৌশল আৱিষ্কাৰ কৰিলে যিটোৱে Death the leveller অৰ দৰে চব প্ৰভেদ দূৰ কৰি পৰস্পৰক সহজবোধ্য কৰি তুলিলে। চীনাসকলৰ উচ্চ শিক্ষিতজনে পাঁচহেজাৰমান আখৰ জানে। দুই তিনিহেজাৰ জনা জনে বাতৰি কাকত পঢ়িব পাৰে।

এই চীনা বৰ্ণৰ (character) আৱিষ্কাৰ মানৱ সভ্যতাৰ এক অতিশয় বিস্ময়াবহ ঘটনা। চীনা আখৰৰ জটিলতা উপলব্ধি কৰাৰ ইচ্ছাৰেই মই মিণ্টাৰ চ্চিওক মোৰ নামটো চীনা আখৰেৰে লিখিবলৈ কৈছিলোঁ। আৰু তেওঁ বৰ যত্নেৰে মোৰ নোটবুকত লিখি দিছিল। মই যি বুজিছিলোঁ তেওঁলোকৰ লিখা পদ্ধতিটো আমাৰ দৰে আয়াসহীন নহয়।

মিণ্টাৰ চ্চিওৱেই আহিছিল লবীৰ পৰা মোক মাতি নিবলৈ।

ঃ চৌ বাহ চৌ বাহ।

ঃ কলৈ ?

ঃ ইটচ চিক্স। ডীনাৰ টাইম। এভ্ৰি বডি ইজ ওৱেটিং।

মই এইবাৰ উঠি ললোঁ। হঠাৎ চকু পৰিল লাবণ্যময়ী এগৰাকী মহিলাৰ ওপৰত। চ্চিওৱে পটকৰে কলে—

ঃ প্লীজ মীট মাদাম লিউ। লিউ ফং-চ্চিং। শ্বী ইজ এ ফ্ৰেঞ্চ ইণ্টাৰ-প্ৰিটাৰ। মিচ ইজ চৌধুৰী।

মোৰ 'চৌধুৰী' উপাধিটো চ্চিওৱে কোনো দিনেই শুদ্ধ কৰি কোৱা নাছিল।

মই হেনো বুলি কলোঁ। মহিলা গৰাকীয়ে নীৰৱ হাঁহি এটাৰে সঁহাৰি দিছিল।

হোটেলৰ ডাইনিং হলত আটায়ে খোৱাত ব্যস্ত। আমিও চুকত এখন টেবুল লৈ বহি পৈছিলোঁ। মাদাম আৰু মিস্টাৰ চিং দুয়ো চাংহাই চহৰৰ। চীনৰ আটাইতকৈ ডাঙৰ চহৰ। চেনজিয়াং চহৰৰ পৰা পূবে মাত্র দুশ পঞ্চাশ কিলোমিটাৰ। দুয়োৰে মোৰ আতাথে জিয়াংচু প্ৰদেশৰ জুতিৰ (delicacy) বিষয়ে আলোচনা কৰিলে। মাদামেও মোৰ দৰেই ভগা ভগা ইংৰাজী কব পাৰে। গতিকে মোৰ বুজাত অসুবিধা হোৱা নাছিল।

মিস্টাৰ চিংও কলে যে জিয়াংচুৰ মানুহবোৰে বৰ মিঠা খায়। কিন্তু মানুহবোৰ বেচ ধুনীয়া আৰু খীন। উত্তৰৰ খানটুং প্ৰদেশবোৰৰ দৰে শকত আৱত নহয়। মাদামে কলে যে জিয়াংচু প্ৰদেশৰ ৰন্ধনপ্ৰণালীত (cuisine) চাৰিটা কথাৰ ওপৰত গুৰুত্ব দিয়া হয়। সেই কথাকেইটা হ'ল—ৰং (colour) সোৱাদ (taste) আকৃতি (shape) আৰু গোন্ধ (smell)। বেইজিঙত খাওঁতে শুনিছিলোঁ জেচুৱান (Szechuan) ডিছ (dish) ৰ কথা— ক্যাম্ফৰ স্মোকড ডাক হট জিনজাৰ চিকেন প্ৰাই বেকড ঈল চয়া এগু গাৰলিক স্টু ফ্ৰাইদ ভিজিটেবল দাম্পলিং চফট চয়লদ ক্ৰেবচ এগ স্থুপ আৰু বিবিধ নাম-মনত ৰাখিব নোৱাৰা পদ।

ইয়াংতো জিয়াংচু প্ৰদেশৰ আটাইতকৈ বিখ্যাত গাহৰি মঙহৰ ৰোস্টেদ পৰ্ক কিউৰ্বচ বোলা পদটো খাই বৰ ভাল লাগিল। একেবাৰে শেষত আহিছিল মিঠা কৰা চাউলৰ ভাত আৰু ধুনীয়া ডিজাইন কৰা কণীৰ পিঠা ওপঙি থকা স্থুপৰ পদটো।

খাই থাকোতে মাদামে অনুপম চীনা সাধু এটা কৈছিল পাটপলুৰ মুখখন ষোঁৱাৰ দৰে আৰু গাটো মাইকী মানুহৰ দৰে কিয় হ'ল তাকে লৈ। হেজাৰ হেজাৰ বছৰৰ পৰা মুখে মুখে চলি অহা এটা অনৱদ্য চীনা কাহিনী।

এক বাপেক আৰু জীয়েক আছিল। পুৰণি দিনত অথৰ অনাটন গুচাবলৈ সাধাৰণ পৰিয়ালৰ মতা মানুহে সৈন্যবাহিনীত যোগ দিছিল। মাও চে টুং আৰু অসমৰ বিষ্ণু প্ৰসাদ ৰাভাৰ পিতাকহঁতেও সেইদৰে দিছিল। সেই সাধুকথাৰ বাপেকজনো গৈছিল সৈন্যবাহিনীত যোগ দিবলৈ। জীয়েকক ঘৰত অকলে এৰি থৈ। অকলশৰে থাকি জীয়েক এদিন অতীষ্ঠ হৈ উঠিছিল আৰু ঘৰৰ ঘোঁৰা-টোক কলে বাপেকক যুদ্ধৰ পৰা লৈ আহিবলৈ। ঘোঁৰাই সুধিলে সেই কামৰ বাবে সি কি পুৰস্কাৰ পাব। জীয়েকে কলে যে বাপেকক যদি ভালে কুশলে ঘূৰাই আনিব পাৰে তেনেহলে তেওঁ তাক (ঘোঁৰাটোক) বিয়া কৰাব।

বাপেকৰ ঘোঁৰাটোৱে সঁচাকৈ এদিন বুৰাই লৈ আহিল। ঘৰ সোমোৱাৰ পাচতে যেতিয়া সেই জীয়েকে মানি লোৱা অদ্ভুত চৰ্ত্তটোৰ কথা জানিব পাৰিলে বাপেকৰ প্ৰচণ্ড খং উঠিল ঘোঁৰাটোৰ ওপৰত। খঙতে বাপেকে ঘোঁৰাটোক মাৰি খাই পেলালে আৰু ছালখন ঘৰৰ মালবেৰি (নুনি) গছজোপাত আঁৰি থলে। জীয়েকে অৱশ্যে মনতে দুখ পালে। কিন্তু বাপেকলৈ ভয়তে প্ৰতিবাদ নকৰিলে। কিছুদিনৰ পাচত এদিন ধুমুহা আহক। টকলিমাকান মৰুভূমিৰ পৰা অহা প্ৰচণ্ড ধুমুহা। হোৱাংহোৰ উৎপত্তিস্থলৰ পৰা হালধীয়া ধূলি উৰাই অনা ধুমুহা। জীয়েকজনীয়ে মালবেৰিৰ তলতোখৰত কিবা কৰি আছিল। ধুমুহাৰ কোবত ছালখনে তাইৰ গাতে পৰি মেৰাই ধৰিলে আৰু প্ৰচণ্ড সোঁতে জীয়েকজনীক উৰাই লৈ গ'ল।

শেষত এদিন জীয়েকজনী উৰি আহি বাপেকৰ আগতে পৰিলহি। মুখখন ঘোঁৰাৰ দৰে অথচ দেহটোত আছিল গাভৰুৰ কমনীয়তা। মালবেৰি জোপাৰ কথা স্মৰণ কৰি বাপেকে তাইৰ নাম থলে মালবেৰি বুলি। (চীনা ভাষাত নিশ্চয় কিবা বেলেগ নাম আছে, মাদামে কিন্তু কৈছিল মালবেৰি বুলি)। তাৰ পৰাই মালবেৰি পলু অৰ্থাৎ পাটপলুৰ উৎপত্তি হ'ল।

মই সচাঁকৈ মনেই কৰা নাছিলো পাটপলুৰ মুখখন যে ঘোঁৰাৰ দৰে আৰু দেহটো যে গাভৰু দেহৰ দৰে।

সাধুটো শেষ হোৱাৰ লগে লগেই আমি ডিনাৰ শেষ কৰি উঠিছিলো।। মাদামে মোহনীয় হাঁহি এটা মাৰি মোক শুভৰাত্ৰি জনোৱাৰ আগে আগে সুধিছিল—

ঃ হোৱাট হেভ ইউ ফাউণ্ড বেষ্ট ইন চাইনা ? মই একো নভবাকৈয়ে উত্তৰ দিছিলোঁ—

ঃ ইট্চ পিপল।

মাদাম হঠাৎ গহীন হৈ পৰিছিল মোৰ উত্তৰষাৰ শুনাৰ পাচত। মই এই মুহূৰ্ত্তলৈকে তাৰ কাৰণ বিচাৰি নাপালোঁ। আৰু কেতিয়াবা তাৰ সঠিক কাৰণ বিচাৰি পাম বুলি মই আশাও পোষণ কৰা নাই। মই মাত্ৰ এটা কথাই অনুভৱ কৰিছিলো যে মাদামে মোৰ কথাষাৰ সহজভাৱে লব পৰা নাই।

এদিন মিণ্টাৰ ছকো মই তেনেদৰে কৈছিলোঁ। তেওঁ হঠাৎ প্ৰসংগান্তৰলৈ গ'ল। প্ৰশংসাকী কৃতাৰ্থ অতিথিয়ে গৃহস্থৰ প্ৰতি নিৰৰ্থক প্ৰশংসাত পঞ্চমুখ হোৱাৰ দৰে হয়তো শুনা গৈছিল মোৰ কথাষাৰ। বিবেকবান গৃহস্থই

তেনে প্ৰশংসাৰ প্ৰতি যি ধৰণৰ নিৰ্লিপ্ততা প্ৰকাশ কৰে হুৰ ব্যৱহাৰতো মই তেনেধৰণৰ নিৰ্লিপ্ততাকে অনুভৱ কৰিছিলোঁ। এই ধৰণৰ ব্যৱহাৰ পিচে মোৰ বোধেৰে চীনা লোকৰ প্ৰগাঢ় আত্মবিশ্বাসৰে আন এটা প্ৰকাশ মাত্ৰ। আনৰ প্ৰশংসা নিন্দা এনেবোৰ কথাৰ প্ৰতি চীনা জনসাধাৰণে খুব কমেই গুৰুত্ব দিয়ে। তেওঁলোকৰ স্বকীয় সাংস্কৃতিক ঐতিহ্য ইমান বলশালী যে তাক একোৱে টলাব নোৱাৰে। স্বকীয় ঐতিহ্যৰ প্ৰতি তেনেধৰণৰ উপলব্ধিৰ পৰাই কালক্ৰমত উদ্ভৱ হৈছে চীনা চাৰিত্ৰিক বৈশিষ্ট্য, অৰ্থাৎ ethos যিটোৰ প্ৰকট প্ৰকাশ হ'ল সেই প্ৰগাঢ় আত্মবিশ্বাস।

এই যুগত চীন দেশত লু শ্বুন চান ইয়াত সেন মাও চে তুঙৰ দৰে ব্যক্তিয়ে জন্মলাভ কৰিলে। পুৰণি যুগত কনফুচিয়াচ লাও ৎচে যুৱান চুৱাঙৰ দৰে মনিষীয়েও ইয়াতে জন্ম লভিছিল। কুবলাই খাঁৰ দৰে বিশ্বজোৰা খ্যাতি অৰ্জন কৰা সম্ৰাটেও চীনৰ মাটিতে জন্ম লাভ কৰিছিল। হান টাং মিং বংশৰ দৰে ইমান সুসংস্কৃত বিদগ্ধ বংশৰ ৰজাই ইয়াত ৰাজত্ব কৰিছিল পৰৱৰ্তী মানৱ সমাজে বিস্ময়ত হতবাক হৈ লক্ষ্য কৰিছে সেইসকলৰ অক্ষয় কীৰ্ত্তিসমূহ।

কিন্তু ভুলতো চীনৰ সনাতন ঐতিহ্যক উলংঘা কৰি এওঁলোকৰ কোনেও অথবা গুণমুগ্ধ কোনো এজনেই এওঁলোকৰ ব্যক্তিগত স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে এওঁলোকৰ ব্যক্তিগত নামত এখন ঠাই অথবা এটা নদীৰ ঘাট অথবা কোনোবা এটা কীৰ্ত্তি চিহ্নক চিহ্নিত কৰিবৰ সাহস কৰা নাই। যে দিৱসত চীনা জনসাধাৰণে আনন্দ কৰে। যে দিৱসত যোগদান কৰিবলৈ যোৱা যাত্ৰীৰ ভীৰ চম্ভালিবলৈ প্ৰায়ে ট্ৰেইনৰ সময় বদলি কৰিবলগীয়া হয়। চীনত এনে ঘটনা অত্যন্ত বিৰল। তথাপি কতো কোনো এজনকে আনন্দত উন্বাউল হোৱা দেখা নাযায়। মহা আনন্দকো তেওঁলোকে উপভোগ কৰে সৰৰ উল্লাসেৰে নহয় নীৰৱ শান্তি আৰু তৃপ্তিৰে। মোক দিনে দিনে এনে-ধৰণৰ নতুন অভিজ্ঞতাই একেবাৰে নতুনকৈ অনুভৱ কৰা চেতনাই ৰোমাঞ্চিত কৰি তুলিছিল।

হোটেলত ৰব পুৱাতে সাৰ পাইছিলোঁ। সাৰ পায়েই খুলি দিছিলোঁ প্ৰকাণ্ড খিৰিকীখনৰ পদাখন। মোৰ চকুত পৰিছিল হ্ৰদটোৰ পাৰত ঘনিষ্ঠ হৈ থিয় দি থকা এহাল ল'ৰাছোৱালী। ল'ৰাজনে ৰঙৰ এটা পেলাই থৈছিল পানীত। দুয়োৱে কিবা কথা পাতি আছিল। মুখবোৰ ভাৱলেশহীন আছিল যাবেই কি ধৰণৰ কথা পাতিব পাৰে ধাৰণা কৰিব পৰা নাছিলোঁ। বয়স

অৱশ্যে অনুমান কৰিছিলোঁ। ল বা বিশ একৈশ বছৰ বয়সীয়া আৰু ছোৱালীৰ বয়স ১৭ বা ১৮ বছৰ হ'ব। আন দেশত হোৱা হ'লে সঠিক ধাৰণাই কৰিব পাৰিলোহেঁতেন। চীনত প্ৰতিটো কথাই চৈনিক। একেবাৰে ধৰা টান।

ওচৰৰ দুৰবিনৰে চাকি ৰখা একপদীটোৰে এজন বুঢ়া মানুহে প্ৰাতঃ ভ্ৰমণ কৰিছিল। হয় বজাতে ৰ'দে জলমল হৈ পৰিছিল। আমাৰ ভাত এতিয়া বাতি চাৰে তিনি বাজিছে। ধল ফাট দিবলৈৰে নৌ হয় এখোন। মনে মনে এটা ৰেখা টানি চালোঁ। এচিয়াৰ মানচিত্ৰখনত। আমাৰ দেশৰ মাত্ৰ কেইকিলোমিটাৰমান উত্তৰেদি যাব আৰু কাশ্মীৰ চোও চোও কৰিব মদিহে ষ্টিন জিয়াঙৰ পৰা পোনে পোনে পশ্চিমে আমাৰ দেশলৈ বুজি এটা সৰল ৰেখা টনা হয়। দূৰতো সিমান নহয় কিন্তু কি যে এক অলংঘ্য হিমালয় মাজত।

হোটেলৰ কোঠাত আলহীৰ কাৰণে ৰাখি থোৱা চেইটিংপিজো বীয়াৰৰ বটলটোৰ ধুনীয়া আকৃতি দেখি খাই চাবলৈ মন গৈছিল। ইমানপৰে মনেই কৰা নাছিলো সেই পিনে। আৰু আছে বিভিন্ন মদৰ সৰু সৰু বিচিত্ৰ বটলবোৰ। কিন্তু আটাইতকৈ ধুনীয়া আছিল সেই বীয়াৰৰ বটলটো। ইমান পুৱাতে খালী পেটত তেনে পৰম পদ বস্তু পৰিলে অৱস্থা কি হ'বগৈ পাৰে সেই আশংকাত মনৰ হেপাহ সামৰি থৈ সস্তীয়া চীনা ফুছৌ চিগাৰেট এটাকে জ্বলালোঁ।

পা পা ধুই আহি যাবলৈ সাজু হ'লোঁ। পুৱাতে বোৰ্ডদিনাৰ বিচাচ ইনষ্টিটিউটলৈকে গৈ তাৰ পৰা বাহিৰে বাহিৰে চাৰে এঘাৰ বজাত ট্ৰেইন ধৰিব লাগিব। উঠি অভিমুখে। আজি বাহিৰত ইমান মানুহ। মোৰ তেতিয়াহে মনত পৰিল আজি যে মে' দিৱস। বাহিৰত ৰ'দে জলমল মুকলি মুকলি ভাব। এইবাৰ চীনৰ মে' দিৱস সঁচাকৈ প্ৰতিশ্ৰুতিপূৰ্ণ হ'ব যেন দেখিছোঁ।

আমাৰ কাৰণে দিয়া জাপানী টয়োটা কাৰখনত বহি চীনৰ সেই প্ৰৱচন ফাকি মনত পেলাই চকু দুটা মুদি দিলো। কোনো দিন সেই বাটেদি যোৱা নাই যেতিয়া আগৰ কেৰ্কুৰীত ক'ত কি থাকিব পাৰে ভাবিলে বা লাভ কি?

When industriousness is combined with wisdom,
you are round gleaming pearls;
When industriousness is linked with ignorance
you are bitter harsh tears.
( From 'Sweat by Fu Tianlin )

দুপৰীয়াৰ ৰ'দত ৰেল আলিৰ দুয়োকাষে শস্যৰ পথাৰবোৰ বহুদূৰ পৰ্যন্ত কজলা দেখা গৈছিল। পানীত ধান ৰোৱা দেখিছিলো। মাজে মাজে দেখিছিলোঁ আমাৰ ইয়াৰ দৰেই মহৰ পিঠিত উঠি যোৱা দুই এজন কৃষক। ধানবোৰ দেখি আগ্রহেৰে মিস্টাৰ হুক সুধিছিলো কিনো ধান সেইবোৰ বুলি। তেওঁ কৈছিল যে সেইয়া ধান নহয়, সেয়া হ'ল এবিধ পাচলি। নাম ওৱাইল্ড ৰাইচ স্টেম। মাজৰ গেৰটোকে শাকৰ দৰে খোৱা হয়। তেওঁ আকৌ কলে যে য়াংজুৰ দক্ষিণে ধানখেতিকে বেচিকৈ কৰে কৃষকসকলে। কিন্তু তাৰ ৰতৰ আৰম্ভ হব জুলাই মাহৰ পৰাহে। এতিয়া নহয়।

গতিকে আৰু বেচি কৌতুহল চৰিতাৰ্থ কৰিবৰ মন নগল। মোৰ ইমান দিনৰ অভিজ্ঞতাৰে কিবা এটা সচা বুলি ধৰি লম অথচ চীনত সেইটো একেবাৰে নতুন কিবা এটা হৈ মোৰ ইমানদিনৰ অভিজ্ঞতাক নাকচ কৰি দিয়ে। সেইবাবে মনে মনে চকু দুটা বহলকৈ মেলি গৈ থকাই নিৰাপদ বুলি ভাবিছিলো।

দুয়োপিনে পথাৰত দেখিছিলো গাম বুট পিন্ধি বোকাত কাম কৰি থকা মতা মাইকী বহুজনক। একেবাৰে কাষৰ পৰা দেখিছিলো ৰ'দত ঘামি জামি ৰঙা হৈ পৰা দুজনী গাভৰুক। লগে লগে মোৰ মনত পৰিছিল নতুন চীনৰ কবি ফু চিং মিলিনৰ ঘাম ( Sweat ) নামৰ কবিতটোৰ শেষ পংক্তিটোলৈ। চীনৰ কৃষকে শ্রমক জ্ঞানৰ সতে সংযোজিত কৰিব পাৰিছে। সেইবাবেই চীনৰ পথাৰত আৰু উৎপাদন ক্ষেত্রত সহস্র পুষ্প বিকশিত হৈ পৰিছে।

আবেলি দুই বজাত উঠি স্টেচনত নামিছিলোঁ। মোৰ নামটো শুনি আমাক আগবঢ়াবলৈ অহা স্থানীয় বিষয়াৰ এজনে সন্দেহ প্রকাশ কৰি কিবা এষাৰ কলে যত চকলেট শব্দটো শুনা যেন পাইছিলোঁ। মিস্টাৰ চিডে বুজাই কলে যে মোৰ নামেৰে অৰ্থাৎ চথলি' নামেৰে উহিত নতুনকৈ এবিধ চকলেট উলিয়াইছে। বৰ জনপ্ৰিয় হৈছে। খবৰটো শুনি নিশ্চয় কিবা এষাৰ আমোদজনক মন্তব্য দিব পৰা গ'লহেতেন। কিন্তু পাৰস্পৰিক সংযোগৰ মাধ্যম একোকে বিচাৰি নাপালোঁ। এটা পাতল হাহিত বাদে মোৰ কোনো উপায় নাছিল।

স্থানীয় ইণ্টাৰপ্রিটাৰ জনে মটৰত উঠালৈকে বাটেই নাচালে। টাইপ ৰাইটাৰৰ দৰে একেসুৰত উহি চহৰৰ বিষয়ে কবলৈ আৰম্ভ কৰি দিলে।

উহি চহৰৰ লোকসংখ্যা হ'ল আঠশ দহ হেজাৰ। ইয়াৰ তিনিখন কাউন্টিত লোক সংখ্যা হ'ল ৩৮ নিযুত। আমি যিটো আজি বাটেৰে গৈ

আছিলো সেইটো হ'ল টুং চান বোড অৰ্থাৎ চান ইয়াং সেন বোৰ্ড। উহি শব্দটো যুগ্মশব্দ। তাৰ অৰ্থ হ'ল চিন নাই। প্ৰায় আঢ়ৈ হেজাৰ বছৰৰ আগতে চহৰৰ দক্ষিণৰ সেই পৰ্বতটোত চিন পোৱা গৈছিল। যুগ যুগ ধৰি আহৰণৰ ফলত যেতিয়া চিন নাইকিয়া হ'ল তেতিয়া জেগাখনে নাম পালে উহি বুলি।

কথাবোৰ ইকাণেদি শুনিছো আৰু আনখন কাণেদি ওলাই গৈছিল। মোৰ সমস্ত চিন্তা কেন্দ্ৰীভূত হৈছিল হঠাৎ চকুত পৰা এটা পুৰণি ঘৰক লৈ। ঘৰৰ মুধচখন আছিল নাৱৰ দৰে দেখা। ঠিক অসমৰ ৰংঘৰটোৰ দৰে। অৱশ্যে ৰংঘৰৰ দৰে সোমাজৰ মেকচটো নাই।

মই ইতিহাসত পাইছিলোঁ এই য়াংজু নদীৰ দক্ষিণ অৱবাহিকাতে হেনো আজিৰ পৰা প্ৰায় তিনি হেজাৰ বছৰৰো আগতে টাই সংস্কৃতিয়ে গঢ় লৈছিল। কালক্ৰমত এই টাইসকল বিশ্বৰ আৰু দুখন ৰাজ্যত বিস্তৃত হৈ পৰিছিল। বহু শ বছৰৰ আগতে আমাৰ ভাৰতবৰ্ষলৈকো এই টাইসকলৰে এটা জনস্ৰোত আহি স্থায়ীভাৱে বসতি কৰিছিলহি। তেওঁলোকৰে সতি সন্ততি হ'ল আমাৰ আজিৰ আহোম টাইসকল। চীনত যি যোৱা টাই জনগোষ্ঠীৰ বহুলাংশ চীনৰ আন বিভিন্ন গোষ্ঠীৰ দৰেই বিশাল হান সংস্কৃতিত জাহ গ'ল। তাত অৱশ্যে টাই ( Dai ) নামৰ এটা ট্ৰাইব আজিও আছে। এওঁলোকৰ সতে সেই টাইসকলৰ কোনো সম্পৰ্ক নাই যেন বোধ হয়।

সেই ঘৰটো দেখাৰ পাচৰে পৰা উল্লাসিত মনেৰে মই দুয়োপিনে চাই গৈছিলো জানোচা আৰু কিবা নিবিড় চিনাকি চকুত পৰেই কৰবাত। পানী খেতি দেখিছোঁ মহৰ পিঠিত উঠি যোৱা কৃষক দেখিলোঁ আৰু শেষত দেখিলোঁ এই ঘৰটো। আৰু বা ক'ত কোনটো বাটৰ কেৰ্ক বিত কিয়েবা যি আছে মোৰ সতে নিবিড় পৰিচয় দোহাৰিবলৈ।

হঠাৎ মোৰ অপেক্ষমান মহৰ্তবোৰ চৰ্ব বিচৰ্ব কৰি ইন্টাৰপ্ৰিটাৰ ডেকাজনে কৈ উঠিছিল—

ঃ দিছ ইজ গ্ৰেণ্ড ক্যানেল।

গ্ৰেট ৱাল গ্ৰেণ্ড ক্যানেল আৰু ম্ৰিয়ানৰ ক্লে শোল্‌জাৰ চ—চীনৰ বিস্ময়। গ্ৰেণ্ড ক্যানেলৰ নাম শুনিয়ে মোৰ চিন্তা খান বান হৈ গ'ল। মই তললৰ ক্যানেলটোলৈ চালোঁ। নাতিপ্ৰশস্ত এখন নইৰ দৰে। কিন্তু স্ৰোতহীন নিশ্চল তাৰ জলৰাশি। বুকুত ডাঙৰ ডাঙৰ মাল কঢ়িওৱা ইঞ্জিন বোট। একে দৃষ্টিতে প্ৰায় পঞ্চাশখন মান চকুত পৰে।

ঃ এৱা কিমান দীঘল বাৰু ?

ঃ থ্ৰী থাউজেণ্ড লি দ্যাট মীনচ ওৱান থাউজেণ্ড এইটী মাইলচ ।

চুই সম্ৰাট ওৱাঙে ৬১০ খৃষ্টাব্দত এই ক্যানেল খনাইছিল। ইয়াৰ অন্তৰালৰ সমস্ত কাহিনী অননুকৰণীয় বৰ্ণনাৰে লিপিবদ্ধ কৰিছিল টাং যুগৰ এগৰাকী ঐতিহাসিকে। সেই কাহিনীৰ মূল চৰিত্ৰ সম্ৰাট ওৱাং আছিল এজন অপদাৰ্থ ব্যক্তি। খেয়ালী আৰু বিলাসী। আগতে তেওঁ আছিল ৰাজকুমাৰ আৰু কুৱাংলিং (এতিয়াৰ চাংহাই ?) প্ৰদেশৰ গৱৰ্ণৰ। আশা কৰিছিল সম্ৰাট হলেও বিলাস-উপভোগৰ দিনবোৰ আগৰ দৰেই থাকিব। কিন্তু ৰাজপাটত উঠাৰ কিছুদিনৰ পাচতেই সাম্ৰাজ্যৰ দক্ষিণ পূবে ঠিক কুৱাং লিঙৰ ওপৰত দেখিলে আকাশ কুৰ্বলীয়ে চাকি ধৰিছে। সেইদিনৰ বিশ্বাস মতে সেইয়া আছিল অতিশয় অশুভ লক্ষণ। তেনে কুৰলীয়ে সিংহাসনৰ বাবে প্ৰতিদ্বন্দীয়ে ষড়যন্ত্ৰ কৰাৰ কথা সূচায়। আৰু সেই অবিশিষ্টক সংহাৰ কৰিবলৈ হলে সম্ৰাট নিজে তালৈ যাব লাগিব।

এই অশুভ বাৰ্ত্তা লৈ যেতিয়া বাৰ্ত্তাবাহী দূত আহিছিল তেতিয়া সম্ৰাটে ৰাজপ্ৰাসাদত নিমগ্ন হৈ আছিল সুন্দৰী ধনিৰ ভুবন ভুলোৱা কণ্ঠৰ অমিয় সুধা পান কৰি। সম্ৰাটে সম্ভৱ দেৱালত আঁৰি থোৱা কুৱাং লিং প্ৰদেশৰ এটা ধুনীয়া দৃশ্যৰ ছবি চাই চাই সুন্দৰীৰ সুৰলা সংগীত উপভোগ কৰিছিল। বাৰ্ত্তা শুনি তেওঁ সিদ্ধান্ত ললে কুৱাং লিঙলৈ যোৱাৰ।

সিদ্ধান্ততো লোৱা হ'ল কিন্তু যোৱা যায় কিদৰে ? গলে যাব লাগিব হোৱাংহো নদীৰে একেবাৰে সাগৰলৈ। সাগৰেদি গৈ আকৌ সোমাব লাগিব য়াংজুৰ মোহনাত। বান আৰু ধুমুহাৰ বতৰ। হোৱাংহো নই আৰু সাগৰে প্ৰলয়ংকৰী ৰূপ ধৰি আছে। সম্ৰাট চিন্তিত হ'ল। এগৰাকী পাৰিষদে সম্ৰাটক চিন্তিত দেখি ভয়ে ভয়ে মাত লগালে। চিন খি হুৱাংটিয়েও এনে এটা সমস্যাৰ সম্মুখীন হৈছিল। সেই সময়ত নানকিঙৰ আকাশত কুঁৱলী দেখা গৈছিল। সম্ৰাট হুৱাংটিয়ে এখন পৰত ফালি হোৱাংহো নইৰ সোত সেইপিনে ঘূৰাই দিছিল। আৰু সেই সোঁতেদিয়ে নানকিং পাইছিলহি।

সম্ৰাট হুৱাংটিয়ে শ্ৰেষ্ঠ খাল খন্দাইছিল এই সম্ৰাটেও শ্ৰেণ্ড ক্যানেল খনাওক। পাৰিষদে পৰামৰ্শ আগবঢ়ালে।

পৰামৰ্শ গৃহীত হ'ল। হোৱাংহো নইক য়াংজু নইৰ সতে সংযোগ কৰাৰ লাগিব এটা প্ৰশস্ত খাল খানি। ছয়ত্ৰিশ লক্ষ বনুৱা নিয়োজিত কৰা হ'ল। আৰু প্ৰতি পাচটা পৰিয়ালৰ মাজৰ পৰা একোজনকৈ বুঢ়া এটা সৰু ল'ৰা আৰু এজনী

তিৰোতা নিয়োজিত কৰা হ'ল বনুৱাৰ কাৰণে খোৱাবোৱাৰ যোগান ধৰিবলৈ। পঞ্চাশ হেজাৰ সৈন্য নিয়োজিত হ'ল খনন কাৰ্য তদাৰক কৰাৰ অৰ্থে।

কিছুবছৰৰ পাচত খালটো সচাকৈয়ে সম্পূৰ্ণ হ'ল। হোৱাংহো আৰু য়াংছু নইক খালটোৱে লগ লগালে। সম্ৰাটে য়াংজু উপত্যকাৰ প্ৰজাসাধাৰণক আদেশ দিলে দ্ৰাগন আকৃতিৰ পঞ্চাশখন প্ৰকাণ্ড নৌকা সাজিবৰ বাবে। নৌকা সজা হলত সোণ আৰু মণি মৰকতেৰে সু সজ্জিত কৰিলে। আৰু এদিন সম্ৰাটে সমভিব্যাহাৰে আৰম্ভ কৰিলে সেই দীৰ্ঘ অপেক্ষিত যাত্ৰা।

ক্যানেলৰ দুয়োপাৰে উইলো গছ কৰলৈ দিয়া হৈছিল এটা আকৰ্ষণীয় নিদেশেৰে। সেই ৰাজনিদেশত আছিল এটা লোভনীয় পুৰস্কাৰৰ ঘোষণা। সেইমতে খিয়ে এজোপা উইলো কৰ তেওঁ ৰাজভৰালৰ পৰা পাব চল্লিশ ফুট পাট কাপোৰ। উইলো গছেৰে দুয়ো পাৰ অচিৰে অৰণ্যত পৰিণত হ'ল। নৌকাৰ দাড় টানিবলৈ নিয়োগ কৰা হ'ল বহু সহস্ৰ দাড়ী আৰু সেইসকলৰ সতে ৰঙীন ৰচী টানি যাবলৈ দিয়া হ'ল শ শ জনী ধুনীয়া গাভৰু ছোৱালীক। দৃশ্যটো আৰু বেচি উপভোগ্য কৰি তুলিবলৈ তেওঁলোকৰ লগত নাচি বাগি খেলিবলৈ এৰি দিয়া হৈছিল হেজাৰ হেজাৰ ভেৰাৰ পোৱালি। দাঁড়ী আৰু গাভৰুৰ পৰিচ্ছদ আছিল চিকমিকিয়া পাট কাপোৰৰ।

টাংযুগৰ কবিয়ে এইবোৰ দেখি শুনি লিখিছিল—

When the soft winds of spring are blowing
The whole country is busy cutting silk
Half are for saddle flaps of the emperor's cavalry
And half for the sails of the imperial barges

চীনৰ কোটি কোটি দুখীয়া কৃষকে উৎপাদন কৰা পাট কাপোৰৰ সমানে আধা খৰছ হয় ৰজাৰ অশ্বাৰোহীৰ জিনত আৰু আধা হয় ৰজাৰ নৌকাৰ পালত। কবিয়ে হয়তো বাস্তৱ সত্যকে প্ৰকাশ কৰিছিল। সেই যুগত যে সম্ৰাটৰ শোষণ নাছিল এনে নহয় কিন্তু ক্যানেলটো খনাই সম্ৰাট গুৱাঙে যে চীনৰ কোটি কোটি জনসাধাৰণৰ এটা মহৎ উপকাৰ সাধিছিল সেইটোও এটা বাস্তৱ সত্য।

ক্যানেলটো পাৰ হৈ অহাৰ পাচতহে ভাব হ'ল যে এইডোখৰ নিশ্চয় চুই ৰাজত্ব অৱসানৰ বহু শতিকা পাচত মিং ৰাজত্বৰ দিনত খনোৱা। মোটকাজৰ দৰেই শ্ৰেণ্ড ক্যানেলেও মিং সম্ৰাটসকলৰ দিনতহে আজিৰ ৰূপ লাভ কৰিছিল।

এখন প্ৰকাণ্ড ভবল টুইন্ট বাচ আহি আমাৰ গাড়ীখনৰ পিচপিনে ৰৈছিলহি। তিনিশমান য়ুৰোপীয় যাত্ৰী নামি পৰিছিল বাচখন ৰখাৰ লগে লগে। মই তেওঁলোকৰ মুখবোৰলৈ চাইছিলোঁ। কাৰো কাৰো মুখত দেখিছিলোঁ চড়ান্ত নিৰ্লিপ্ততা। কিছুমানৰ অৱজ্ঞাত পৰ্যৱসিত হৈছিল সেই মুখভাব। ডেকা-গাভৰু কেতবোৰৰ মুখত দেখিছিলো নিভেজাল কৌতুহল।

নিৰ্লিপ্ত মানুহবোৰৰ মুখলৈ চাই মই এটা কথাই ঠাৱৰ কৰিবলৈ চেষ্টা কৰিছিলো। সেইটো হ'ল তাৰ সম্ভাব্য হেতু। য়ুৰোপ-আমেৰিকাৰ বহুতৰে হয়তো ধাৰণা উছিত আছে হেজাৰ বছৰৰ আগতে চিন পাই এই ইমান অনগ্ৰসৰ চীনৰ জনসাধাৰণে কি কৰিছিল। হয়তো ভীষণ অৱজ্ঞাৰে ভাবিছিল এনে এটা ক্যানেলৰ অৰ্থ কি? ইটাৰে পাৰ বন্ধা মাজে মাজে ৰঙীন কিবাকিবিৰে টুৰিষ্টৰ আকৰ্ষণৰ বাবে যদি কিছুমান বন্দৰ থাকিলহেতেন তথাপি এটা কথা আছিল। এয়া আঁকৌ কি? পৰণি ৰং চং নোহোৱা এমখামান ডাঙৰ ডাঙৰ ইঞ্জিন বোট পাৰ দুটা হ'ল প্ৰাচীন নিৰ্জন নদীৰ দৰে। ইয়াত চাবলগীয়া কিয়ে বা আছে। পশ্চাৎভূমি সম্বন্ধে জ্ঞান নাথাকিলে বহুতৰে এনে ভাব হবই।

চীনদেশে পিচে খৃঃ পূঃ ছশ খৃষ্টাব্দৰ পৰাই লোৰ ব্যৱহাৰ লো ঢালাই কৰাৰ কৌশল আয়ত্ব কৰিছিল। পশ্চিম এচিয়া মাইনৰৰ হিটাইটসকলে তাৰো ছশ বছৰৰ আগতে লো আৱিষ্কাৰ কৰিছিল। কিন্তু চীনদেশে যদিও তাৰ ছশবছৰ পাচত লোৰ কথা জানিছিল চীনৰ লৌহ কাৰিকৰ সকলে তেতিয়াৰ পৰাই লো ঢালাই কৰাত পাৰদৰ্শিতা লাভ কৰিছিল বুলি ঐতিহাসিক তথ্য পোৱা গৈছে। এয়ে এইটোকে প্ৰমাণ কৰে যে হিটাইটসকলৰ সতে একেসময়তে নহলেও সেইসকলৰ দুশবছৰমানৰ পিচতে চীনদেশে লোৰ কথা জানিছিল।

খৃষ্টীয় চৈধ্য শতিকা পৰ্যন্ত য়ুৰোপৰ মানুহে লো ঢালাই কৰা দূৰৰ কথা লো কি বস্তু তাকে নাজানিছিল। আমাৰ ভাৰতবৰ্ষতো খাছীয়া-জয়ন্তীয়া পাহাৰৰ মানুহে খৃষ্টজন্মৰ আগৰে পৰাই লোৰ ব্যৱহাৰ জানিছিল।

ঠিক তেনেদৰে সমুদ্ৰ ভ্ৰমণৰ অভিজ্ঞতাৰ কথা। য়ুৰোপীয় সকলৰ মানত কলম্বাচেই আদিম সমুদ্ৰ অভিযানকাৰী। ফাৰ্ডিনান্দ মেলেগান সাগৰেৰে পৃথিৱী ঘূৰা প্ৰাচীন অভিযাত্ৰী। সেইবোৰ ঘটনা ঘটিছিল পোন্ধৰ শতিকাৰ শেষৰ পিনে। য়ুৰোপীয় সকলৰ বহুতেই নাজানে চীনাংশুকৰ বেহা লৈ চীনা আৰু ভাৰতীয় বেপাৰীয়ে কোন কাহানিতে সাগৰ পথেদি এচিয়া আৰু আফ্ৰিকাৰ বিভিন্ন দেশ ভ্ৰমিছিল। গৌতম বুদ্ধৰ বাণী লৈ ভাৰতীয় সাধকসকলে

খৃষ্টজন্মৰ পূৰেই সাগৰ পথেৰে শ্ৰীলংকা জাভা কম্পুচিয়া আদি দেশ পাইছিলগৈ। খৃষ্টজন্মৰ পাচতো কলম্বাচৰ সাগৰ ভ্ৰমণৰ বহু দশকৰ আগতে চৈনিক নাবিক ঝেং হিয়ে পশিচ হেজাৰতকৈও অধিক চীনা যাত্ৰীৰ দলপতি হিচাপে সাগৰ পথেদি যাত্ৰা আৰম্ভ কৰি একেবাৰে আফ্ৰিকা মহাদেশৰ পূব উপকূল পাইছিলগৈ। চীনা পৰিব্ৰাজক ঝুৱান চুৱাঙে ৬৪৩ খৃষ্টাব্দত ভাৰতবৰ্ষৰ পৰা সমুদ্ৰ পথেদিয়ে গৈ একেবাৰ হোৱাংহোৰ মোহনা পাইছিলগৈ।

ভাৰতৰ উত্তৰ পূবাঞ্চলৰ চীনাংশুকৰ বেপাৰী ( আন ব্যৱসায়ীও হব পাৰে) যে বহু যুগৰ আগতে আফ্ৰিকা মহাদেশৰ বিভিন্ন ঠাই ভ্ৰমি একেবাৰে জায়েৰ পৰ্যন্ত পাইছিলগৈ সেই সম্বন্ধেও নিশ্চিত তথ্য পোৱা হৈছে।

আমাৰ এছীয় দেশৰ দুৰ্ভাগ্য যে আধুনিক ইতিহাসৰ ৰচনাত যেতিয়া বিপ্লৱ আৰম্ভ হৈছিল সেই সময়ত এছীয় দেশসমূহৰ প্ৰভাৱ ক্ৰমে স্তিমিত হৈ আহিছিল। আৰু স্বাভাবিকতে ইতিহাসৰ ৰচনাৰ ক্ষেত্ৰত আগভাগ পাইছিল নতনকৈ প্ৰভাৱশালী হৈ পৰা য়ুৰোপীয় দেশসমূহৰ কাহিনীয়ে।

চীনদেশত হানযুগতে ( খৃ° পূঃ ২০০ৰ পৰা খৃঃ ২০০ লৈ ) লোণ আৰু লোৰ উৎপাদন আৰু ব্যৱহাৰ ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল। তথাপি লোৰ উন্নত ব্যৱহাৰে পশ্চিমত যিদৰে পুঁজিবাদী উদ্যোগীকৰণৰ জন্ম দিছিল চীনত তেনে ঘটনা হোৱা নাছিল। চীনত লোৰ ব্যৱহাৰে প্ৰগতিৰ চৰম সীমা লাভ কৰিছিল বুৰোক্ৰেটিক সামন্তবাদী ব্যৱস্থাৰ ভিতৰত অথচ লোৰ ব্যৱহাৰ তেনে এটা অৱস্থালৈ অহা সত্ত্বেও চৈনিক সমাজৰ উক্ত ব্যৱস্থাৰ কো না ধৰণৰ পৰিবৰ্ত্তন ঘটা নাছিল।

চীনত অৱশ্যে মানৱ ইতিহাসৰ প্ৰতিষ্ঠিত একাধিক তথ্যই অসাৰ বুলি প্ৰমাণিত হৈছিল। উদাহৰণ স্বৰূপে ১৯২০ চনৰ 8 জুনৰ দিনা প্ৰাচ্যৰ জনসাধাৰণৰ প্ৰতি এটা বাণীত লেনিনে সোচ্চাৰ হৈ ঘোষণা কৰিছিল যে সাম্প্ৰতিক কালত কেৱল পশ্চিমীয়া দেশসমূহতহে সাম্যবাদ সফল হব পাৰে, ঔপনিবেশিক অথবা অৰ্দ্ধ ঔপনিবেশিক দেশসমূহত বুৰ্জোৱা গণতান্ত্ৰিক আন্দোলনেহে নেতৃত্ব দিব লাগিব। লেনিনে বোধকৰো ভাৰতবৰ্ষৰ পৰিস্থিতি আৰু সমাজ অধ্যয়ন কৰি সেই কথাষাৰ কৈছিল। কিন্তু তেওঁ জনা নাছিল আৰু কাহানিও ভবাও নাছিল যে দেশৰ কৃষকক সংগঠিত কৰি চীনদেশে এদিন সাম্যবাদী আন্দোলন সফল কৰি তুলিব।

বিশ্বৰ সাম্যবাদী চিন্তা চৰ্চ্চাৰ ক্ষেত্ৰত লেনিনৰ উক্তিক ইমানদিনে সাৰ সত্য বুলি মানি অহা হৈছিল। কিন্তু এদিন চীনে সেই সত্যক অসাৰ বুলি

প্ৰমাণিত কৰিছিল।

কম্যুনিষ্ট মেনিফেষ্ট'ত মাৰ্ক্সে যেনিবা কায়েমী স্বাৰ্থৰ ধ্বজাবাহক মধ্যবিত্ত শ্ৰেণীক প্ৰশংসা কৰিছিল তাৰ সাফল্যৰ বাবে; মাওৱে কিন্তু প্ৰাচীন কালত এনে গৌৰবোজ্জ্বল সভ্যতাৰ জন্ম দিয়া বাবে প্ৰশংসা কৰিছিল সামন্তবাদী সাম্ৰাজ্যসমহক। অৱশ্যে মাওৰ পৰা আটাইতকৈ বেছি প্ৰশংসা লাভ কৰিছিল দেশৰ কৃষকসকলে। বিশ্বৰ আন সাম্যবাদী মহলত মাৰ্ক্স লেনিনৰ বাণীক যিদৰে বেদবাক্য হিচাপে অন্ধৰ দৰে মনা হৈছিল চীনে সেইদৰে মনা নাছিল। আজিও মিষ্টাৰ টেঙে (Deng) মনা নাই। (তেখেতৰ Socialism with Chinese Characteristics নিবন্ধ দ্ৰষ্টব্য)।

আচলতে চীনক বুজিবলৈ হলে তাৰ বিশাল ঐতিহাসিক পটভূমি সম্বন্ধে সজাগ হব লাগিব। চীনেই বোধকৰো এখন দেশ য'ত ফিউদেল সমাজে জপিয়াই সাম্যবাদ লাভ কৰিছে। জপিয়াই বুলি কোৱা হৈছে এই কাৰণতে যে ফিউদেল আৰু সাম্যবাদৰ মাজত স্বাভাবিকতে সমাজৰ যি স্তৰলৈ পৰিণতি লাভ কৰাৰ পাচতহে সাম্যবাদলৈ উত্তৰণ ঘটিব লাগিছিল সেই স্তৰ চীনৰ জনসাধাৰণে জাপ মাৰি পাৰ হৈ আহিছিল। গতিকে চীনৰ অনুভৱত যুগপৎ কনফুচিয়াচ চান ইয়াৎ সেন আৰু মাও শ্ৰদ্ধাভাজন। ১৯৬৬ ৬৭ৰ সেই আলট্ৰা লেফটিষ্ট আন্দোলনেও সেই শ্ৰদ্ধাৰ স্খলন আনিব পৰা নাই। বিভ্ৰান্তি অৱশ্যে ঘটিছিল। কিন্তু সেয়া আছিল একেবাৰে সাময়িক।

গতিকে এক কথাত কবলৈ হলে চীন চীনেই। টাইপেৰ শ্বপিং চেণ্টাৰত থিয় হৈ আপোনাৰ হয়তো হঠাৎ আমেৰিকা আমেৰিকা যেন লাগি যাব পাৰে কিন্তু চীনৰ আপুনি গুৱাংঝাও (আগৰ ক্যাণ্টন) ৰ দৰে মুক্ত চহৰতলীৰ যিকোনো ঠাইতে থিয় হৈ অনভৱ কৰক চীনত বাদে আপোনাৰ একো যেন নালাগে। কেৱল চীন যেনহে লাগিব।

সেই একেবোৰ ম্ৰোপীয় মুখকে মাজে মাজে জনতাৰ মাজত দেখিছিলো টাই হু হ্ৰদত ঘূৰি ফুৰোতেও। আমাৰ দৰেই তেওঁলোকো গৈছিল টাই হু হ্ৰদলৈ মনোৰম দৃশ্যাৱলী উপভোগ কৰাৰ উদ্দেশ্যে।

হ্ৰদটোৰ পাৰতে ধুনীয়া উদ্যান এখন পদূলিত লৈ এটা হোটেল আছে। তাৰ নামো টাইহু। আমি তাতেই উঠিছিলোঁ। হোটেলটোতে কিছুপৰ ৰৰৰ মন গৈছিল মোৰ। কিয়নো হ্ৰদটো হ্ৰদেই তদুপৰি তাতেই প্ৰথমে মই চৰাইৰ কলৰৱ শুনিছিলো। সন্মুখৰ উদ্যান খনৰ পৰা পাঁচ-ছয়জনীমান কণ কণ চৰাইৰ কাকলি আৰু এমুৰি কপৌৰ বাউল মাত ভাহি আহিছিল। জাতি কপৌহালৰ

মাত শুনি হঠাৎ গৃহকাতৰতা অনুভৱ কৰিছিলোঁ। এই সময়ত অসমৰ ঘ তে ত তে যাবে যোৰে কপৌ চৰাই ; নামঘৰৰ মুধচত বাটৰ কাষৰ জোপোহা গছত আৰু যে ক ত ক'ত লুকাই নাথাকে। মানুহে কাষেদি গ লেই চক খুৱাই শব্দ কৰি উৰি যায়। আৰু দুপৰীয়া ঘৰৰ পিচফালৰ কঠাল জোপাৰ ডালত পৰি মতাটোৱে যে বাউল হৈ নাচি নাচি প্ৰেয়সীক মাতে!

ধনীয়া লঞ্চখনত আৰাম কৰি বহি লৈছোঁ। এজন বন্ধুৱে খুলি লৈছিল জাপানী চাপ ৰো বীয়াৰৰ বটল মই লৈছিলোঁ আপেলৰ ৰসৰ এটা টিন। চকুৰ আগত ভাহি উঠিছিল –বিশাল টাইহ হ্ৰদৰ নীলা নহয় অসমৰ দুৰৰিয়নি আলিবাট সৰকি যোৱা বাহ তামোলৰ গেজেপনিৰ সেউজত লকাই থকা লানি নিচিগা অজস্ৰ গাওঁ। দৰণিত পাৰৰ সেউজে পাৰ বান্ধি ৰখা নিজৰ সেউজবুলীয়া আচলেৰে খাল-দোঙ-বিল চাকি থোৱা বহল মুকলি পথাৰ।

ঃ চোৱা না কিনো এনেকৈ ভাৱি আছা? সৌৱা টৰটয়জ হেড।

মোৰ সংগীজনৰ সকিয়নিত মনটো ঘূৰি আহিছিল। সঁচাকৈ টাইহ হ্ৰদটো বৰ ধনীয়া। আঠৈ হেজাৰ বগ কিলোমিটাৰৰ পৰিধি হেনো। কিন্তু অন্ততঃ এটা চৰাইও যদি উৰি ফুৰিলেহেতেন ওপৰৰ আকাশখনত কিমান যে ভাল লাগিলহেঁতেন! গতিশীলতাৰ আভাস চীনৰ অংকণ শৈলীৰ বৈশিষ্ট্য। কিন্তু বহিদ শ্যত তাৰ সামান্যতম আভাসো নেদেখিলে আচৰিত নহৈ নোৱাৰি। এই হ্ৰদটোতে চৰ আছে। মনোমুগ্ধকৰ কৰি তোলাৰ কাৰণে দৃশ্য আছে মানুহৰ প্ৰচেষ্টা আছে। কিন্তু প্ৰাণ বা গতিৰ অনুভৱ উদ্ৰেক কৰিব পৰা একোৱে নাই মই টৰটয়জ হেড বোলা হ্ৰদৰ মাজত থকা পাহাৰটোলৈ চাই সেই কথাকে ভাবি আছিলো। হঠাৎ দেখিছিলো কোনোবা পিনৰ পৰা এখন প্ৰকাণ্ড মেশিন বোটে উছিৰ পিনলৈ বহুত মানুহ লৈ আহিছিল। মাছমৰীয়াৰ পালতৰা নাও কেইখনমান ইমানপৰে ছবিৰ দৰে নিথৰ হৈ বৈ আছিল হ্ৰদৰ মাজত। মেশিন বোটখনৰ চৌৱে নাওকেইখন নচুৱাই এটা প্ৰাণময়তা আনি দিছিল।

পালকেইখন মই বাহেৰে সজা বুলি ভাবিছিলো পিচে কেনভাছৰহে আছিল। মটীয়া তেলৰ ৰংসনা। মই শুনিছিলো আজি কিছুবছৰৰ আগলৈ চীনৰ বেচি ভাগ মাছমৰীয়া পৰিয়ালৰ এনে নাওবোৰেই ঘৰৰ দৰে আছিল। এতিয়া অৱশ্যে তেওঁলোকে চৰকাৰে সাজি দিয়া ঘৰত বাসকৰাৰ সুবিধা পাইছে। মাছমৰীয়াৰ নাওবোৰ আমাৰ জাহাজখনৰ ডাঙৰ ডাঙৰ ঢৌবোৰৰ কোবত আৰু বচি আন্দোলিত হৈ পৰিছিল। বিশেষ এখন নাও এসময়ত মোৰ দৃষ্টিত স্পষ্ট হৈ পৰিছিল আৰু হঠাৎ মোৰ ভাব হৈছিল যে তাত কেৱল মাছমৰীয়া

কেইজনেই নাথাকে চৈধনৰ তলত সমস্ত পৰিয়ালটোৱেই স্থায়ীভাৱে বাস কৰে।

চিচিং ওচৰতে আছিল। মই সুধিয়েই দিলোঁ নাওখনত পৰিয়ালটোৱে স্থায়ীভাৱে বাস কৰে নেকি? চিচিঙে কিন্তু উত্তৰটো দ্ব্যথবোধক কৰি দিছিল। তেওঁ কৈছিল—

ঃ জানো? কিছুমানে আকৌ স্থায়ীভাৱে একেঠাইতে থাকিবলৈ ভালেই নাপায়।

মই স্পষ্ট এটা উত্তৰৰ বাবে জোৰ নিদিলো। ভয় হ'ল হঠাৎ হয়তো নুসুধিবলগীয়া কথা সুধি পেলাব পাৰো। আনহাতে সেই কথাটোকে পাগুলি থকাৰ অৱকাশো নাছিল কিয়নো ইতিমধ্যে যাত্ৰীৰ মাজত টৰটয়জ হেড লৈ নামি যোৱাৰ বাবে হুলস্থূল লাগি পাৰিছিল।

হ্ৰদৰ মাজত এই পাহাৰখন সচাকে মনোৰম কৰি ৰখা হৈছে। কৃত্ৰিম ফুলৰ বাগিছা আৰু আন আন বিবিধ অলংকৰণেৰে। হ্ৰদটোৰ টাইহু নাম কিয় হ'ল কোনেও কব নোৱাৰিলে। মোৰ বোধেৰে হলে য়াংজুৰ দক্ষিণে থকা এই হ্ৰদৰ সতে টাই জনগোষ্ঠীৰ সম্বন্ধ নিশ্চয় আছিল। আৰু সেইবাবেই ইয়াৰ নাম টাইহু। কিন্তু নহবও পাৰে হয়তো। চীন দেশত টাইশ্বান পৰ্বতো আছে। তাৰ সতে যিদৰে টাই জাতিৰ কোনো সম্পৰ্ক নাই সেইদৰে এই টাইহু হ্ৰদৰ সতেও টাই জাতিৰ হয়তো কোনো সম্পৰ্কই নাই। আনহাতে চীনৰ বাহিৰত থকা জাতি এটাৰ ঐতিহ্যৰ সতে চীনৰ এনে মনোৰম কিবা এটা সম্পদৰ সম্বন্ধ থকা কথাটো সচা হলেও চীনা জনসাধাৰণে মানি লবলৈ টান পাব।

ঘূৰি অহাৰ সময়ত এটা বেচ মূল্যবান অভিজ্ঞতা হৈছিল মোৰ। জাহাজত আমাৰ বীয়াৰ প্ৰেমী বন্ধুজনৰ (তেওঁ অৱশ্যে ষ্ট্ৰিক্ট ভিজিটেৰিয়ান) হাতত চাপৰো বীয়াৰৰ গ্লাচটো দেখি মিণ্টাৰ হুৱে সুধিছিল—পাচতহে বুজিছিলো কৌতুহল চৰিতাৰ্থ কৰাৰ অৰ্থে নহয় মতলব কৰিয়ে সুধিছিল—সেইটো কি বীয়াৰ বুলি।

আমাৰ বন্ধুৱে গিলাচটো দাঙি উল্লাসৰ ভংগীৰে কৈছিল—

ঃ এ ভেৰী গুদ জাপানিজ বীয়াৰ। চাপৰো।

তেওঁ বীয়াৰৰ গিলাচটোলৈ এবাৰো নোচোৱাকৈয়ে ক'লে—

ঃ তুমি কিয় পৃথিবীৰ শ্ৰেষ্ঠতম বীয়াৰটো খাই নোচোৱা?

ঃ কি বাৰু?

ঃ কি হব আকৌ? পাণ্ডা বীয়াৰ। বিজিং ব্ৰুৱাৰীতহে তৈয়াৰ হয়।

তেনে বীয়াৰ তুমি পৃথিবীৰ কতো নাপাবা। পাণ্ডা ট্ৰেডমাৰ্কৰ চিগাৰেটো আছে। পৃথিবীৰ বেল্ট চিগাৰেট।

একেবাৰে আমেৰিকাৰ Operation Push অৰসেই বাণীষাৰলৈ মনত পৰি গৈছিল হৰ কথাষাৰ শুনি— Have pride in what you are! Excel at what you do! you are somebody! অৱশ্যে আমেৰিকাৰ এনে উক্তিত প্ৰদৰ্শনৰ মনোভাৱৰ আভাস থকা যেন লাগে; কিন্তু হৰ কথাষাৰত আছিল চীনৰ জনসাধাৰণৰ গভীৰ আত্মবিশ্বাসৰ প্ৰকাশ। গধুৰ ক্লচ্ ৰ বোজা বৰলগীয়া নহলে নিজকে ভীষণ ৰেডিকেল হিচাপে দেখুওৱাত কোনো বাধাই নাথাকে। কিন্তু চীনদেশৰ জনসাধাৰণে যি ধৰণে অজস্ৰ কালধুমুহাৰ চাকনৈয়াত পৰিছিল এই গভীৰ আত্মবিশ্বাস নথকাহেতেন কেতিয়াবাই চব নিঃশেষ হৈ গ লহেতেন। এই আত্মবিশ্বাসে চীনা জনমানসত যি এক অহংকাৰৰ জন্ম দিছে সেয়ে চীনদেশীয় কাৰিকৰৰ সৃষ্টি নিটোল আৰু আকৰ্ষণীয় কৰিছে। উত্তৰ পূৰ্বাঞ্চলৰ পৰা যোৱা মোৰ সংগীজনে কিছুদিনৰ আগতে মোক চীনা কৰ্মীৰ দক্ষতা আৰু পাৰফেকশ্যন সম্বন্ধে বুজাবলৈ গৈ বৰ আমোদজনক কথা এষাৰ কৈছিল।

আমাৰ দুৰ্গাপূজাৰ প্ৰতিমাজনাৰ কথা উল্লেখ কৰি তেওঁ কৈছিল যে সেই প্ৰতিমাজনাই হেনো ভাৰতীয় ইমপাৰফেকশ্যনৰ জলন্ত সাক্ষী। প্ৰতিমাজনাৰ সন্মুখৰ পিনে দৰ্শকৰ মন আকৰ্ষণ কৰিবলৈ ধুনীয়াকৈ সজা হয় আৰু পিচপিনে খেৰৰ জুমুধিয়ে বাহৰ কামীয়ে একেবাৰে বিশৃঙ্খল। যেন বাহিৰত চুৰিয়াৰ ফেৰ ভিতৰত চকুৱাৰ বেৰ। এনে এটা মনোভাৱৰ বাবেই আমাৰ কাৰিকৰে সজা পিৰিচ পিয়লাৰ তলডোখৰ ওখৰামোখৰা হৈ থাকিলেও বজাৰত দিবলৈ আমি কুণ্ঠাবোধ নকৰো। আমাৰ দেশত হোৱা ব্যৱহাৰ সামগ্ৰী বিদেশত প্ৰথমতে ভালেই চলে পাচলৈ লাহে লাহে ইমপাৰফেকশ্যনবোৰ ওলাই পৰে আৰু চাহিদা কমি যায়। সেইবোৰ ধৰা পৰিলে যে আমাৰ দেশৰ প্ৰতিভাৰ প্ৰতি স্থানদেশৰ জনসাধাৰণৰ শ্ৰদ্ধা কমি যায় আৰু সেইটো যে আমাৰ দেশৰ প্ৰতি অৱজ্ঞাসূচক তেনে কথা বহুতে ভাবিকে নাপায়।

কথাবোৰ কৈ বন্ধুজন উত্তেজিত হৈ পৰিছিল। মোকেই তেওঁ আমাৰ দেশৰ সেই অচেতন ব্যৱসায়ীসকলৰ প্ৰতিনিধি হিচাপে ধৰিলৈ কৈছিল তেওঁ চালি কৰি—

ঃ চাইনীজ পেন চাইনীজ টচ চাইনীজ ব্ল চাইনীজ টুথপেষ্ট কোৰিয়ান নেইল কাটাৰ—এইচবৰ কাৰণে কি নিলজ্জ ক্ৰেজ ভাৰতীয় শিক্ষিত সমাজত! ইয়াৰ কাৰণ কি জানেনে?

মইও বন্ধুক ক্ষম কৰিবলৈ বেয়া পাই সুধিছিলো—

কি বাৰু!

ঃ উই হেভ নো প্ৰাইদ। উই হেভ জিনিয়াচ উই হেভ এফিচিয়েঞ্চি উই হেভ এভ্ৰিথিং বাট প্ৰাইদ।

ঃ প্ৰাইদ আ কী ফলবো কাৰণ হয়।

মই হাহি হাহি তৰ্কৰ খাতিৰতে কৈছিলো। মোৰ বন্ধুৱে কিন্তু আপাত মূল্যতে কথাষাৰ লৈছিল আৰু কৈছিল—

প্ৰাইদ হ'ল পিয়াহৰ পানীৰ দৰে। অকণ মিছৃপ্লেছ হলেই শেষ। খোৱা পানী খাদ্য নলীৰে নগৈ যদি উইও পাইপত যায় তেন্তে চব শেষ। প্ৰাইদো যত হব লাগে তত নহৈ বেলেগত হলে—পতন অনিবাৰ্য।

দুদত ভ্ৰমি ভ্ৰমি হোটেল পাইছিলোহি আবেলি পাচ বজাত। ছয় বজাত আকৌ ডীনাৰ। মিণ্টাৰ হুৱে জাহাজত কোৱা কথাখিনিৰ তাৎপৰ্য চিন্তা কৰিছিলোঁ। বন্ধুৰ সেইদিনাৰ কথাখিনিৰ সতে ৰিজাই চাই মইও অকণ উত্তেজিত হৈ পৰিছিলো মনতে। আহি নিজৰ কোঠাত অকণ জিৰণি লওঁ বুলি ভাবিছিলো কিন্তু মনটো উত্তেজনাই ক্লান্ত কৰি দিছিল।

মনটো ক পাতল কৰি তোলাৰ মনেৰে টিভিটো খুলি দিছিলো। খ্ৰিয়াওৰ মনোমোহা লোকনৃত্য চলি আছিল। একেবাৰে আমাৰ গড়ৱালী নৃত্যৰ দৰে। পোছাক নৃত্যভংগী সুৰ প্ৰায় একে ধৰণৰ। অলপ পাচতে মনটো সচাকৈ পাতলি পৰিছিল। আপোন চিনাকি পৰিবেশত থকাৰ দৰে অনুভৱ হৈছিল। এসময়ত নৃত্য শেষ হৈছিল আৰু কিহবাৰ ফীলাৰ এটা আহিছিল। ফীলাৰ মই একেবাৰে পচন্দ নকৰো। সেইটোও মোৰ ভাল নালাগিল। কোনোৰকমে সহ্য কৰি দুটা মিনিট পাৰ কৰি দিছিলো; এনেতে টিভিৰ টিউবত ভাহি উঠিছিল প্ৰাচীন কুইজি ৰাজ্যৰ ভগ্নাৱশেষ। চিং বংশৰ ৰাজত্ব কালৰ। বুদ্ধৰ মূৰ্ত্তিবোৰ দেখি আকৌ এটা চিনাকি পৰিবেশত সোমাই পৰাৰ দৰে অনুভৱ হৈছিল। মনৰ অৰ্গলবোৰ খোল খাই পৰিছিল।

খাবলৈ একেবাৰে মন যোৱা নাছিল। চকুৰ পতাবোৰ গধুৰ হৈ জাপখাই আহিছিল। মেলি ৰখাৰ বাবে যুজ দিব লগীয়াত পৰিছিলো। কিন্তু এটা মুহূৰ্ত্তত অজ্ঞাতসাৰে আত্ম সমৰ্পণ কৰিছিলো।

* * * * *

Cocoons in water popping
up and down soft silk
threads curling around
a spotlessly white hand,

—FANG PING

আধুনিক কবি অথবা ঔপন্যাসিকৰ কল্পনাৰ কথা নহয় ছোৱালীজনীৰ হাতখন বাস্তৱিকতে spotless আছিল। অৱশ্যে ত্ৰিশবছৰৰ আগতে যিদৰে সূতাবোৰে হাতখন মেৰাই ধৰিছিল আজিকালি উন্নত পাটসূতা কটা যন্ত্ৰৰ কল্যাণত সেইদৰে নধৰে। ছোৱালীজনীৰ হাত দুখনৰ নিটোল সৌন্দৰ্যৰ কতো অকনো চকা নলগোৱাকৈ ওলাই আছিল লানি নিচিগাকৈ পাট-সূতাবোৰ। ছুঝাও চিল্ক ৰিলি মিলত মই প্ৰথম মেছিনটোতে বহা ছোৱালীজনীৰ সূতা কটা চাই আছিলোঁ। এটা প্ৰকাণ্ড হলত শাৰী শাৰীকৈ পতা হেজাৰতকৈও বেচি মেছিনৰ কেবাটাও যন্ত্ৰ আছিল। এই মিলটো প্ৰতিষ্ঠা কৰা হৈছিল ১৯২৪ চনত। ঘৰটো ইংৰাজ কাউন্সিল হাউচৰ দৰে দেখি সম্মুখৰ পৰা চালে। ১৯৪৯ চনৰ মুক্তিলাভৰ পাচতহে মিলটো ব্যক্তিগত খণ্ডৰ পৰা ৰাজহুৱা খণ্ডলৈ আহিছিল। এতিয়া তাত শ্ৰমিকৰ সংখ্যা হ'ল ওঠৰশ। তাৰে শতকৰা পচাশীভাগেই মহিলা। মুক্তিলাভৰ পাচত সাতগুণ উৎপাদন বাঢ়িছে। শ্ৰমিকৰ কাৰণে ক্লিনিক ডৰমিটৰি ডাইনিং হ'ল আদিৰ ব্যৱস্থা আছে। মিলৰ তিনিশ ষাঠিটা হস্ত চালিত আৰু দুশ ষাঠিটা অৰ্দ্ধ স্বয়ং চালিত যন্ত্ৰৰ মুঠ উৎপাদন নহ'ল বছৰি দুশ আশী টনকৈ।

এনেদৰে এশ এবুৰি তথ্য মন্ত্ৰ মতাৰ দৰে কৈ গৈছিল পৰিচালিকা গৰাকীয়ে। আমাৰ লগত আছিল ডেকা আই এ এচ এগৰাকী। তেওঁ মতলৰ কৰি মানুহজনীক শলঠেকত পেলোৱাৰ উদ্দেশ্যেই সুধিছিল খপকৰে—

ঃ হাও মেনি ৱাৰ্কিং ডে'জ লাণ্ট ইয়াৰ?

মানুহজনীয়ে নিশ্চয় কিবা পৰিচিত শব্দ শুনিছিল; প্ৰশ্নটো আন্দাজ কৰি লৈ সমান ক্ষিপ্ৰতাৰেই উত্তৰ দিছিল—থ্ৰী হাণ্ড্ৰেড ফাইভ বুলি। লগতে হিচাপটোও কৈ দিছিল কিদৰে চানদে মেদে এইবোৰ বাদ দি তিনিশ পাঁচদিন ৱাৰ্কিং দে'জ হৈছিল।

তাৰ পাচৰ পৰা পৰিচালিকাই নিজৰ মতে যি কৈ গৈছিল তাকে আমি নিঃসন্দেহে মানি লৈছিলোঁ। মই পিচে তথ্যতকৈও বেচি অভিভূত হৈ পৰিছিলোঁ সেই নিটোল লাহী হাতখনৰ আয়াসহীন যান্ত্ৰিক প্ৰায় পটুতাত।

সেই পটুতা যেন এটা জীৱনৰ সামান্য কেইটামান বছৰৰ সাধনাৰ পৰিণতি মাত্ৰ নাছিল সেয়া আছিল যেন বহু প্ৰজাতিৰ যুগ যুগ জোৰা অসামান্য সাধনাৰ ফল। সদ্যজাত শিশুৱে যিদৰে অৱলীলাক্ৰমে মাতস্তন খাবলৈ শিকে এই সূটাকটা কৌশলটোও চীনা জনসাধাৰণৰ কাৰণে তেনে এক সহজাত অভ্যাসত পৰিণত হৈছে।

চীনা ৰেচম শিল্পৰ সূচনা কেতিয়া হৈছিল—সভ্যতাৰ কোন এক ধূম্ৰ লীময় যুগত আজি আৰু জনাৰ উপায় নাই। চীনা কিম্বদন্তীমতে আজিৰ পৰা প্ৰায় চাৰে চাৰি হেজাৰ বছৰৰ আগতে পীত সম্ৰাটৰ ( Yellow Emperor) পাটমাদৈয়ে হেনো জংঘলৰ পৰা বনৰীয়া পাটপলৰ সচ আনি পুহিছিল। আৰু তেৱেঁই হেনো পাট কাপোৰ বোৱাৰ কৌশলো আৱিষ্কাৰ কৰিছিল। এই কিম্বদন্তী অৱশ্যে ঐতিহাসিক তথ্যেৰে সমৰ্থিত হোৱা নাই। কিন্তু শ্যাং (খৃঃ পূ ১৭৬৬) আৰু চৌ (খৃঃ পূঃ ১১২২) সম্ৰাটসকলৰ দিনত যে পাটকাপোৰ বোৱাৰ প্ৰচলন চীনত বিয়পি পৰিছিল তাৰ সমৰ্থনত একাধিক দৃঢ় প্ৰমাণ পোৱা গৈছে। হানবংশৰ সম্ৰাটসকলৰ দিনততো চীনৰ পাট-কাপোৰ লোভনীয় পণ্য স্বৰূপে আন্তৰ্জাতিক বজাৰত সোমাই পৰিছিল। খৃঃ পূঃ ১৬ চনত হান সম্ৰাটে উত্তৰৰ সীমা মুৰলীয়া অঞ্চলৰ দুৰ্দ্ধৰ্ষ চুবুৰীয়া জনগোষ্ঠীৰ দলপতিসকলৰ মন যোগাবলৈ বুলি এক নিযুত থান পাটকাপোৰ উপঢৌকন স্বৰূপ দিছিল। সেই তথ্যই এইটোকে সচায় যে সেই দিনতে চীনদেশে প্ৰচুৰ পৰিমাণৰ পাটকাপোৰ উৎপাদন কৰিছিল।

কুবলাইখানৰ ৰাজত্ব কালত ত্ৰয়োদশ শতিকাত ইটালীৰ মাৰ্ক পল ৰ চীন আগমনে চীনদেশৰ পৰা পাট সূতা কটা যন্ত্ৰ ( filature machinery ) আৰু পাটকাপোৰ বোৱা যন্ত্ৰৰ নিমাণ কৌশল ইটালীয়সকলে আয়ত্ত কৰাৰ সুযোগ আনি দিছিল। কাপোৰ বোৱা শালৰ আৱিষ্কাৰ চীনাসকলে বিশ্বৰ আনবোৰ দেশতকৈ বহু শতিকাৰ আগতেই কৰিছিল। অৱশ্যে পলু পোহা প্ৰথা ভাৰতবৰ্ষত প্ৰাচীনতৰ নহলেও চীনৰ সমানে পুৰণি। আনহাতে মুগা পলু পোহা প্ৰথা ভাৰতবৰ্ষৰ বাহিৰে পৃথিবীৰ আন কতো নাই। সেইদৰে এৰীপলু পোহা প্ৰথা আকৌ ভাৰতবৰ্ষৰ (অসম ৰাজ্যৰ) পৰাহে চীনদেশলৈ গৈছে। এইবোৰ তথ্যই ভাৰতবৰ্ষত কাপোৰ বোৱা শালৰ ব্যৱহাৰ যে চীনতকৈ প্ৰাচীনতৰ নহলেও চীনৰ সমানে প্ৰাচীন তাকে প্ৰমাণ কৰে।

অৱশ্যে জি এফ হাডচনৰ দৰে পণ্ডিতসকলে কব খোজে যে চীনদেশৰ পৰাই ৰেচম পলু পোহাৰ প্ৰথা দক্ষিণ পূব এচিয়াৰ আনবোৰ দেশলৈ গৈছিল। পাচত ষষ্ঠ শতিকাৰ মাজভাগত ৰেচম পলুৰ সঁচ চুৰি কৰি চিৰিয়ালৈ নিয়া হয়। তাৰ পৰাই ক্ৰমে ৰোম সাম্ৰাজ্য আৰু ভূমধ্য সাগৰ তীৰৱৰ্তী অঞ্চলসমূহত বিয়পি পৰে। ৰোমানসকলে সেইবাবেই হেনো চীনাসকলক 'ছেৰেচ' অৰ্থাৎ 'ৰেচমৰ আৱিষ্কৰ্তা' নাম দিছিল। হাডচনে নিশ্চয় ৰেচম পলু মানে নুনি পাট পলুৰ কথা কৈছিল। সেইটো হলে হবও পাৰে। ৰেচম ( Silk ) বেপাৰৰ ঘাই পথটো আছিল মধ্য এচিয়াৰ মাজেদি উত্তৰ চীনৰ পৰা স্থল পথেদি চিং কিয়াং পাৰ হৈ পামীৰেদি উত্তৰ ইৰাণ আৰু চিৰিয়ালৈ—শেষত একেবাৰে ভূমধ্য সাগৰ পৰ্যন্ত। তাৰে পৰা হিন্দুকুশৰ সেইপিনে অক্সাচ উপত্যকাৰ উজনিয়েদি এটা পথ কাটি আহি দক্ষিণলৈ নামি ভাৰতবৰ্ষত সোমাই পৰিছিল। পিচে পশ্চিমীয়া পণ্ডিতৰ বহুতেই নাজানিছিল যে আন তেনে কেতবোৰ পথ উত্তৰ চীনৰ পৰা তিব্বতেদি সোমাই পোনে পোনে ভাৰতবৰ্ষৰ উত্তৰ-পূব খণ্ডলৈ নামি আহিছিল আৰু সেইপিনেদি ভাৰতবৰ্ষৰ সতে চীনৰ ৰেচম বেপাৰৰ ক্ষেত্ৰত পোনপটীয়া আয়াত নিৰ্যাত চলিছিল।

মধ্য এচিয়াৰ সেই ৰেচম পথেদি ( Silk Route ) উটৰ পীঠত কাৰাভানত অদ্ভুত অদ্ভুত মিহিৰ পাটকাপোৰ আহিছিল চীনৰ পৰা ৰপ্তানি হৈ ভূমধ্যসাগৰৰ পূব পাৰৰ দেশবোৰলৈকে। খৃষ্টীয় প্ৰথম শতিকাৰ পৰাই। পাটকাপোৰৰ প্ৰচলন সেই সময়তে ৰোম নগৰীত ইমান বেছি হৈছিল যে সেয়ে ৰোম নগৰীৰ ঘৰে ঘৰে গৃহকন্দলৰ কাৰণ হৈ পৰিছিল। চীনৰ চালে চকুৰোৱা পট্টবস্ত্ৰৰ চমকনিৰ প্ৰতি ঘৰৰ গৃহিণীসকল ইমানে আকৃষ্ট হৈ পৰিছিল যে ৰোমৰ সচৰাচৰ গুৰুগম্ভীৰ গৃহস্বামীসকল ক্ষোভত অতিষ্ঠ হৈ পৰিছিল। সেইকালৰ ইটালীৰ খ্যাতনামা ঐতিহাসিক চেনেকা ( Seneca )ৰ লিখনিতো গৃহস্বামীসকলৰ ক্ষোভ তীব্ৰভাষাত প্ৰতিধ্বনিত হৈছিল—

I see silken clothes if you can call them clothes at all that in no degree afford protection either to the body or to the modesty of the wearer and clad in which no woman could honestly swear she is not naked

আমি আমাৰ দেশতো শুনিছোঁ উন্নত ভাৰতীয় সভ্যতাই যেতিয়া উচ্চতম শিখৰ চুইছিলহি তাৰ সতে তাল মিলাবলৈ গৈ আমাৰ পূৰ্ব-পুৰুষসকলৰ পৰিধান ব্যৱহাৰত ওপৰত কোৱাৰ দৰেই চৌখীন উলংগপ্ৰায় অৱস্থা

এটা পাইছিল গৈ। কথিত আছে তাকে ধিক্কাৰ দিয়াৰ উদ্দেশ্যে প্ৰকাশ্য ৰাজসভাত মহাকবি কালিদাসে এক অতিশয় নিলাজ পন্থা অৱলম্বন কৰিছিল। তেওঁ হেনো সচা সচিকৈয়ে উলংগ হৈ কেৱল তাঁৰৰ সৰু গাখি আৰু হাতৰ গাঁথিত কাপোৰৰ পাৰি যেন দেখা কৰি কিছুমান আৰু ৰাক দি ৰাজসভাত বহিছিল গৈ।

ছুৱাংৰ ওচৰতে টংউ চিংক উইভিং মিলৰ খোকমত কাপোৰ চাই চাই সেই কথাবোৰাক মনত পাগুলি আছিলোঁ। ভাবিছিলো অলপ কাপোৰ লৈ যাও। চিন হিচাপে। চাইনা চিংকৰ নাম শুনিছোঁ। গতিকে চীনৰ পৰা লৈ গলে তাৰ অকৃত্ৰিমতা সম্বন্ধে সন্দেহৰ থল নাথাকে। আমাৰ দেশত আকৌ বিদেশী বস্ত্ৰৰ দুই নম্বৰী কাৰবাৰ চলে। চাইনা চিংকো তাৰ ব্যতিক্ৰম নহয়।

খোকমত কাপোৰবোৰ চাই দেখিছিলো কোনোখনেইতো চেনেকাই কোৱাৰ দৰে মাইকীমানুহৰ গা-দেখা বিধৰ নহয়। প্ৰাচীন চীনৰ (আজিও) একক প্ৰশংসনীয়* কথা আছিল নাৰীৰ শ্লীলতা ৰক্ষাৰ বাবে সমাজৰ সকলো স্তৰতে বিৰাজমান উদ্বেগ। ফলত যি বংশৰ শাসনেই নাৰীৰ শ্লীলতা ৰক্ষাত ব্যৰ্থ হৈছিল অথবা শিথিলতা প্ৰদৰ্শন কৰিছিল সেই শাসনৰ বিৰুদ্ধেই প্ৰজাসাধাৰণে বিদ্ৰোহ কৰিছিল আৰু তাক ওফৰাই নেপেলোৱা পৰ্যন্ত বিদ্ৰোহৰ অন্ত পৰা নাছিল। গতিকে চেনেকাৰ কথাষাৰৰ গুৰি বিচাৰি ঐতিহাসিকসকলে বহু যুগ ধৰি গৱেষণা কৰিছিল আৰু শেষত জানিব পাৰিছিল যে এই পাটৰ মূল উৎপাদন স্থল যদিও চীনদেশ আছিল সেই পাটসূতা চিৰিয়া আহি পোৱাৰ পাচতে চিৰিয়াত আকৌ তাক নতুনকৈ কাপোৰ হিচাপে বোৱা হৈছিল আৰু তাৰ পাছতহে সেয়া ৰোমৰ বজাৰত সোমাইছিল। আৰু সেইবাবেই সেই পাটকাপোৰৰ বুনন গা-দেখা জিলজিলীয়া হৈ পৰিছিল।

সেইবোৰ যি কি নহওক পাটকাপোৰৰ আকৰ্ষণ কিন্তু ইমান তিক্ত আলোচনা বিলোচনাৰ পাছতো পশ্চিমৰ দেশবোৰত ক্ৰমৰ হ্ৰাস বেছিহে হৈ গৈছিল। আনকি সম্ৰাট জাষ্টিনিয়ানৰ দৰে ব্যক্তিয়েও পাটপলুৰ সচ গোপনে নিয়াই বাইজেণ্টিয়ামত পোহা আৰম্ভ কৰাই দিছিল।

এইবোৰকে দেখি শুনি ঐতিহাসিক গিবনে খেদ কৰি কৈছিল—

: মই এই মোহনীয় বিলাসৰ (অৰ্থাৎ পাটকাপোৰৰ ব্যৱহাৰ) বিৰোধী নহওঁ। কিন্তু আমাৰ এই মখাই যদি চীনদেশৰ পৰা পাট নানি তাত ইতিমধ্যে আৱিষ্কৃত হোৱা কিতাপ ছপা কৰা কৌশলটোকে লৈ আহিলহেতেন মিনাণ্ডাৰৰ কমেডীৰ দৰে উত্তম গ্ৰন্থসমূহৰ ষষ্ঠ শতিকাতে এটা ছাপা সংস্কৰণ দিব পৰা গ'লহেতেন।

কাপোৰ দুডোখৰ কিনি লৈছিলোঁ। নিভেজাল চাইনা চিল্ক। ইটালীৰ ঐতিহাসিক চেনেকা আৰু খ্যাতনামা ইতিহাসবিদ গিবনৰ ক্ষোভ কৰিব লগীয়া তাত একো নাছিল। কাপোৰ দুডোখৰ জিলজিলীয়া পাতলো নাছিল আৰু সাধৰণ বিলাসৰ সামগ্ৰীৰ দৰে জাকজমকীয়াও নাছিল।

সেই কাপোৰ কিনাৰ সময়তে মোৰ আন এটা অমূল্য অভিজ্ঞতা হৈছিল। যিটো ঘটনাৰ ইংগিত মই আগতেই দি আহিছোঁ। কেইদিনমানৰ আগতে যেতিয়া বেইজিঙত আছিলো তাৰ উপকণ্ঠ অঞ্চলৰ এখন বজাৰৰ কাষত গাড়ীখন ৰখাই মোৰ সংগী ভাৰত চৰকাৰৰ বিষয়া এগৰাকীয়ে মিণ্টাৰ হুক লগত লৈ দিল্লীলৈ মাজে মাজে গৈ থকা এগৰাকী চীনা চৰকাৰৰ বিষয়াক লগ ধৰাৰ আশাৰে এটা কাৰ্য্যালয়ত সোমাইছিল। কাৰ্য্যালয় মানে এটা প্ৰকাণ্ড বিল্ডিং। বহুতে কয় যোজে এই নতন স্থাপত্য ৰীতি চীনাসকলে ৰুচদেশৰ পৰা ধাৰ কৰিছে। আচলতে কিন্তু এই ৰীতি প্ৰাচীন চৈনিক ৰীতিৰে এটা সংশোধিত ৰূপ মাত্ৰ। ভালদৰে চালেই বুজিব পৰা যায়। মিং সকলৰ ৰাজত্বকালত তলাতল ঘৰ নিৰ্মানৰ যি ৰীতিয়ে চূড়ান্ত বিকাশ লাভ কৰিছিল এই ৰীতি সেই ৰীতিৰে সংশোধিত অনুকৰণ মাত্ৰ।

তলাবোৰ উঠোতে বন্ধু আৰু মিণ্টাৰ হুৰ সময় লাগিছিল। গতিকে মই শুকা আই এ এচ বন্ধু গৰাকীৰ সতে আলিবাটৰ আনটো দাঁতিত এটা চফ্‌ট ড্ৰিংক খাবলৈ ললো। এনেতে এজন ভঙা ভঙা ইংৰাজী জনা চীনালোক আহি মোৰ তাত চাৰ্টি ফাইদ ইয়েনৰ নোট দেখি বেমিৰিবে সলায় বিচাৰিলে। মোক ইতস্ততঃ কৰা দেখি বুধিয়ক আই এ এচ বন্ধুজনে মোৰ হাতৰ পৰা এশ ইয়েনৰ নোট লৈ মানুহজনক দি মানুহজনৰ পৰা বেমিৰি লৈ মোক দি দিলে। মাই প্ৰতিবাদ কৰিবলৈও সময় পোৱা নাছিলোঁ। মানুহজন ভীৰৰ মাজত হেৰাই গল। মোৰ বুধিয়ক বন্ধুৱে মাথোন মোৰ হৈ এইমাত্ৰ যেন বিৰাট ইয় মেন চাভিচ এটা সম্পাদন কৰিলে তেনে এটা ভংগীৰে কলে—দ ৰুট ৰুবি। ইউ কুড নট ফলো হিম। মই কলো যে মই মানুহজনৰ কথা নুবজাকৈ থকা নাছিলো। কিন্তু বেমিৰি আনো মোৰ কাৰণে সুবিধা হব? মই সুধিছিলো। বন্ধুজান আশ্বাস দি বেপৰোৱা ভংগী এটা দি কৈছিল—

ঃ এয়ে তোমাৰ বিদেশত প্ৰথম বাৰতো। এনে হয়েই।

তেওঁৰ নিৰৰ্থক সহানভূতিত আৰু বিশেষকৈ মোৰ এশটা ইয়েন এনেদৰে অথলে যোৱা দেখি মোৰ গা জলি যাব লাগিছিল। কিন্তু তেওঁৰ অজ্ঞতাত ইমান

আচৰিত হৈছিলোঁ যে মই স্তব্ধ হৈ গৈছিলো।

সেইদিনা টং উ মিলৰ শ্লোকমত মই সেই ভীষণ সত্যটোৰ মুখামুখি হৈছিলো। সন্দেহৰ মাজতে ভাবিছিলো যে এই শ্লোকমতো ফ্রেণ্ডশ্বিপ ষ্টোৰ নহয় কিজানি বেমিবি নয়েই। মই বেমিবি উলিয়াই লোবাৰ লগে লগেই মিষ্টাৰ চিচেও খপ কৰে মোৰ হাতখনত ধৰি সুধিলে—

ঃ হোৱেৰ দিদ ইউ গেট দিছ?

মই কলোঁ। চিচেও পুনৰ ৰহস্যময়ভাবে সুধিছিল—

হি মাষ্ট বী স্পিকিং ব্রোকেন ইংলিছ?

ঃ ইয়েচ বাট হাউ দিদ ইউ নো?

এৰা সেই চীনামানুহজনে ভঙা ভঙা ইংৰাজী কৈছিল কিন্তু মিষ্টাৰ চিচেও জানিলে কিদৰে? মিষ্টাৰ হু ওচৰতে আছিল। তেওঁ শুনি হাহিছিল আৰু কৈছিল যে সেইবোৰ হংকঙৰ ঠগ। চীনৰ মুকলি বজাৰত বা ব্যস্ত আলিবাটত কাৰোবাৰ মুখত ভঙা ভঙা ইংৰাজী শুনিলেই হেনো সাবধান হব লাগে। সিহঁতে কৰে ন এক্সচেঞ্জৰ দালালি কৰে। সিহঁতৰ চিকাৰ হ'ল বিদেশী পৰ্যটক। মই চাটি ফাইদ ইয়েন দি কাপোৰ দুডোখৰ লৈ গাড়ীত বহিছিলোহি। অৱশ হৈ পৰা যেন লাগিছিল হঠাৎ।

অলপ পাচত উত্তৰ-পূৰ্বী বন্ধু জনে আহি কিবা আলোচনা আছে বুলি কৈ মোক মাতি নিছিলহি। গৈছিলো। এইবাৰ মিলৰ কাৰ্যালয়ত। তাতো দেখিছিলো পৰিচালিকাহে। মিচেচ ঊ নে কি নাম আছিল জানো! তেখেতেও এপিনৰ পৰা মন্ত্ৰ মতা দি কৈ গৈছিল—

স্থাপিত—১৯৭৯ চন।

কী ফেক্টৰীলৈ সম্প্ৰসাৰিত—১৯৫৮ চন।

শ্ৰমিক—৫৫০০ জন।

যান্ত্ৰিক তাতশাল—৮০০ খন।

বছৰি উৎপাদন—১২ নিযুত মিটাৰ পাট কাপোৰ ৭০ বিধৰ।

জেকাৰ্ডসহ—৮০ ⁄

আমাৰ ডেকা ভাই এ এচ বন্ধু জনে হঠাৎ সুধি দিছিল—

ঃ আপোনালোকে কি ইন্টাৰনেশ্যনেল গ্ৰেদিং কৰো কৰে?

মহিলাই টপৰাই উত্তৰ দিছিল ঃ আমি আমাৰ নেশ্যনেল গ্ৰেদিংহে কৰো কৰে।

ঃ আপোনালোকৰ নেশ্যনেল গ্ৰেদিং ইন্টাৰ নেশ্যনেল মাৰ্কেটত কোনে পৰোৱা কৰিব?

ডেকা বন্ধুৰ কথাৰ ওপৰতে ভদ্ৰমহিলাই নীৰৱ হাঁহি এটা মাৰি কৈছিল—

দ্যাট ইজ অলৰাইট উইথ আচ। কিন্তু ইন্দৰেওতো আমাৰ গ্ৰেদিওতে আমাৰ পৰা চিল্ক ফেব্ৰিক দি য়। এইবাৰো এই মিলৰ পৰাই গ্ৰেদিও সম্পৰ্কে কা না প্ৰশ্ন নকৰাকৈ পৃথিবীৰ ১১৬ খন ৰাষ্ট্ৰই কাপোৰ লৈ গৈছে।

উত্তৰ শুনি আমাৰ ডেকা বন্ধু হতোদ্যম হৈ পৰিছিল। ডেকা জ ৰা নিৰুৎসাহিত হৈ পৰিব পাৰে বুলি ভয়তে মই উৎসাহ দিয়াৰ মনেৰে কৈছিলোঁ য সকলো উন্নত দে াই ইণ্টাৰনেশ্যনেল ট্ৰেদিং মানি চলে যেতিয়া চীনৰ এনে ব্যতিক্ৰম নিতান্ত গুৰুত্বহীন কথা। মই অৱশ্যে মনতে উপলব্ধি কৰিবৰ চেষ্টা কৰিছিলো আমাৰ উত্তৰপূৰ্বী বন্ধুৱে কোৱা চীনাসকলৰ অহংকাৰৰ বিষয়ে। সচাকৈ অন্ত ত এই জাতিটো। পিপলচ ৰিপাব্লিক অফ চাইনাৰ জনসাধাৰণৰ ৰত বাৰ মল্যবোধ সচাকৈ অন্ত ত ধৰণৰ।

কথাত কথা ওলায়। আমেৰিকাত যেতিয়া প্ৰেচিডেণ্ট আছিল ৰোধকৰো নক্সন। চীন ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সদস্য আছিল। কিন্তু সেই চীন আছিল টাইৱানৰ ৰিপাব্লিক অফ চাইনাহে, মূল ভূখণ্ডৰ পিপলচ ৰিপাব্লিক অফ চাইনা নহয়। আমেৰিকাৰ ধুৰন্ধৰ কূটনীতিবিদ কিছিংগাৰৰ সৌজন্যত বৈদেশিক নীতিৰ আমুল পৰিবৰ্তন সাধন কৰা হৈছিল আৰু তাৰে এটা বলিষ্ঠ পদক্ষেপ হিচাপে আমেৰিকাৰ চাইনা নীতিৰো আমূল পৰিবৰ্তন ঘটিল। ফলত টাইৱানৰ ৰিপাব্লিক অফ চাইনাক গুচাই পিপলচ ৰিপাব্লিক অফ চাইনাকহে নিৰাপত্তা পৰিষদৰ সদস্য হিচাপে স্বীকৃতি দিয়া হ ল। চীনৰ এই বিৰাট আন্তৰ্জাতিক সাফল্যৰ মূলতে আছিল আমেৰিকা যুক্তৰাষ্ট্ৰ। অথচ ৰাষ্ট্ৰসংঘতে হওক অথবা নিজৰ ৰাষ্ট্ৰীয় প্ৰচাৰ মাধ্যমতে হওক চীনে কোনোদিন ভুলতো এষাৰ প্ৰশংসাবাণীও উচ্চাৰণ নকৰিলে আমেৰিকা যুক্তৰাষ্ট্ৰক উদ্দেশ্য কৰি। কৃতজ্ঞতা প্ৰকাশ দূৰৰ কথা নিজস্বভাৱে অকণ আনন্দ প্ৰকাশ কৰাহেতেনো অলপ স্বাভাবিক দেখা গ লহেতেন। কিন্তু তাকো নকৰিলে। চীনে এনে এটা ভাব দেখুৱালে যেন ইমানদিনৰ মূৰত চীনৰ ন্যায্য অধিকাৰ এটা বিশ্বই আদায় দিছে মাত্ৰ। চীনা জনসাধাৰণৰ বাবে ঘটনাটো ইমান গুৰুত্বহীন আৰু স্বাভাবিক আছিল যে তাক লৈ উল্লাসিত হোৱাৰ নতুবা প্ৰশংসাত শতমুখ হোৱাৰ কানো অৱকাশেই নাছিল।

বিষয়বস্তুৰ বহিৰংগত দিশৰে তেওঁলোকে গুৰুত্ব নিদিয়ে সেইদৰে লোকৰ দাক্ষিণ্যকো তেওঁলোকে স্বীকাৰ নকৰে। কাৰোবাৰ ওচৰত ঋণী হৈ জীৱন নিৰ্বাহ কৰাৰ কথা তেওঁলোকে ভাবিবই নোৱাৰে।

ঃ আমেৰিকা হেজপড আচ ক্ষৰ দেয়াৰ ওন ইনটাৰেন্ট। নট ক্ষৰ নাথিং। দে গট আৱাৰ ক্ৰেণ্ডশ্বিপ এণ্ড পেইদ আচ ব্যাক। দ্যাট ইজ গ্ৰো টিম্পান।

মিন্টাৰ হুৱেনো কি উত্তৰ দিয়ে তাকে চাবলৈকে মই কথাটো উলিয়াই ছিলো। মিন্টাৰ হুৰ উত্তৰটো নোমটেওৰ বেপাৰী এজনে কোৱাৰ দৰে শুনা পৈছিল।

চীনা জনসাধাৰণৰ এনে ঘোৰ ব্যৱসায়ী মনোভাব নতুনকৈ আয়ত্ত কৰা কালচাৰৰ অন্যতম প্ৰকাশ মাত্ৰ। য়ুৰোপীয় খৃষ্টান শক্তিয়ে অধিকাৰ কৰা অথবা তাৰ সুদীৰ্ঘ সংস্পৰ্শলৈ অহা প্ৰায়বোৰ দেশকে স্থানীয় সাংস্কৃতিক ধাৰণাক সেই শক্তিয়ে গভীৰভাৱে প্ৰভাৱিত কৰিছে; সেই দেশবোৰৰ বেছিভাগেই নিৰ্বিচাৰে য়ুৰোপীয় সংস্কৃতিৰ ভাল বেয়া সমস্তকে গ্ৰহণো কৰিছে। কেৱল চীনৰ ক্ষেত্ৰত সেইটো ঘটা নাই। তাৰ নিজস্ব সাংস্কৃতিক ভেটি অবিকৃত আছে আৰু তাত নতুন সুস্থ কথা কেতবোৰ'হে সংযোজিত হৈছে।

এই টং উ মিলটোতে দেখিছিলো— চাৰে তিনি হেজাৰ মানুহে কাম কৰে অথচ গোটেই প্ৰকল্পটোৰ দখলত দুই একৰ মাটিও নাই। আমাৰ দেশত হোৱাহেতেন ইয়াৰ নিমান কাযই হ লহেতেন হয়তো এশ একৰ মান মাটিৰ ওপৰত বিষয়াৰ কাৰণে শ্ৰেণীভেদে বেলেগ বেলেগ টাইপৰ বহলক্ষটকীয়া আবাসভৱন; আনৰ বাবে ফ্লাট আৰু কোৱাৰ্টাৰ; প্ৰশস্ত কাৰ্য্যালয় বিভাগ ভেদে ভিন ভিন ভাৱে। অৱসৰ বিনোদনৰ বাবে শ্ৰেণীভেদে বিভিন্ন কেন্দ্ৰ। ভাষাভেদে বিভিন্ন স্কুল বজাৰ খেলপথাৰ ধৰ্ম মন্দিৰ কেন্টিন সমবায় দোকান, শ্ৰমিকৰ কাৰণে বিশেষকৈ স্বাস্থ্যদাৰসকলৰ কাৰণে দূৰত ন্যাৰেক। প্ৰকল্পৰ আচল উৎপাদনৰ কামটো আৰম্ভ হোৱাৰ আগতে এইবোৰ হৰই লাগিব। তাৰ পাচত আকৌ ষ্টাফ কাৰ ষ্টাফ বাচ ট্ৰাক ভ্যান আৰু ব্যক্তিগত বিষয়াৰ (ক্ৰমভেদে নহয়) শ্ৰেণীভেদে কাৰ।

তাৰ পাচত হঠাৎ এদিন দেখা যাব শ্ৰমিক সংগঠনে আন্দোলন কৰিছে ন্যায্য প্ৰাপ্যৰ দাবীত। প্ৰকল্পৰ উৎপাদনৰ কাম আৰম্ভ হোৱাই নাই ইপিনে বিষয়া আৰু শ্ৰমিক আটায়ে ন্যায্য প্ৰাপ্যৰ দাবী জনালেই। বিষয়াসকলে নিজেই কৰি লোৱাৰ সুবিধা পায় গুণে আন্দোলনত সাধাৰণতে নামিবলগীয়া নহয়। শেষত এদিন উৎপাদনৰ কাম আৰম্ভ হয় আৰু পাঁচ বছৰমান হোৱাৰ লগে লগে বিত্তৰ লোকচানৰ সন্মুখীন হয়। আমাৰ দেশত বেছিভাগ ৰাজহুৱা প্ৰকল্পৰে অৱস্থা এনে ধৰণৰ।

টং ঙ মিলটো চাই যেতিয়া হোটেললৈ ঘূৰিছিলোঁ চীনা জনসাধাৰণৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ কথা ভাবোতে বাৰে বাৰে মোৰ এইবোৰ কথাই মনলৈ আহিছিল। আমাৰ ত্ৰুটী কোনখিনিত মনে মনে ৰুহিয়াই চাইছিলোঁ। সমস্যা আমাৰ বহুতো। তাৰ ভিতৰত আটাইতকৈ ডাঙৰ হ'ল হিউমেন ৰিচোচ অৰ্থাৎ মানৱ সম্পদ উন্নয়ন আৰু প্ৰসাৰণৰ সমস্যা। আৰু আটাইতকৈ জটিল হ'ল আমাৰ নতুন মূল্যবোধৰ সমস্যা। যি মূল্যবোধে আমাক কেৱল অধিকাৰ প্ৰৱণ আৰু তাৰ ফলত সকলো প্ৰশ্নৰে বহিৰংগত গুৰুত্ব দিয়াৰ যিটো প্ৰৱণতা—তাৰ দাস কৰি তুলিছে।

আগদিনাখন আমি দুখন টাউনশ্বিপলৈ গৈছিলোঁ। ফংজেন আৰু মেইচন টাউনশ্বিপ। ফংজেনৰ টাউনশ্বিপ হললৈ গৈ টাউনশ্বিপৰ হেড মিস্টাৰ ওৱাঙৰ সৈতে কথা পাতিছিলো। লোকেৰু চাহ আৰু তৰমুজৰ সেকা গুটি খাই খাই। (লাও বা তৰমুজৰ সেকা গুটি অসমতো খোৱা হয়)। টাউনশ্বিপ হলৰ সভা কক্ষটোত—আমাক স্বাগতম জনোৱাৰ উদ্দেশ্যে নিশ্চয় নহয়— নতুনকৈ ৰঙ দিয়া হৈছিল। মজিয়াখনত টিকটিকীয়া ৰঙা আৰু বেৰত দিয়া হৈছিল— সেউজীয়া নহয় – নীলা ৰঙ।

স্থানীয় ব্যুৰো অফ দাইভাচিফাইদ ইক'নমিৰ কৰ্মচাৰীয়েও অংশ গ্ৰহণ কৰিছিল আমাৰ আলোচনাত। তাত মই অনুভৱ কৰিছিলো চীনৰ অৰ্থনীতিত নতুনকৈ সূচনা কৰা এক সৰ্বব্যাপী ৰচনাত্মক চেতনাৰ স্পষ্ট আভাস।

মেইচন টাউনশ্বিপৰ ডেকা মুখ্য কৰ্মচাৰীগৰাকীক দেখিয়েই ভাল লাগি গৈছিল। তেওঁ আছিল মিস্টাৰ ঈ। টাউনশ্বিপ থিয়েটাৰ হলত বিভিন্ন বিষয়ৰ আলোচনা কৰিছিলো মিস্টাৰ ঈৰ লগত। সেই অকণমান চহৰখনতে হেনো বিভিন্ন সামগ্ৰী উৎপাদনৰ কুৰিটা উদ্যোগ প্ৰতিষ্ঠান আছে। বছৰি উৎপাদিত সামগ্ৰীৰ মূল্য হ'ল পঞ্চাশ নিযুত ইয়েন।

মেইচুনৰ ইতিহাস হেনো তিনিহেজাৰ বছৰৰ পুৰণি। কিন্তু পৰিৱৰ্ত্তিত অৱস্থাৰ সতে তাল মিলাই ইয়াৰ অৰ্থনৈতিক কৰ্মসূচীত কেতবোৰ নতুন সালসলনি ঘটোৱা হৈছে। মিস্টাৰ ঈয়ে আমাক জানিবলৈ দিছিল।

মই আলোচনা শুনিছিলোঁ আৰু মাজে মাজে আমি বহা ঘৰটোৰ ওচৰতে আন এটা ঘৰৰ চালৰ ওপৰত থকা খোলা চোতালত ব্যায়াম কৰি থকা ল'ৰা-ছোৱালী এজাকলৈ চাই আছিলো। এবাৰ মিস্টাৰ হয়ে মই সেইপিনে চোৱা দেখি কলে—

ঃ আই এম টোল্ড দেয়াৰ ইজ এ কলেজ।

মিণ্টাৰ ঈয়ে আলোচনা বন্ধ কৰি সপ্ৰশ্ন দৃষ্টিৰে হুৰ পিনে চালে। মিণ্টাৰ হুৱে চীনা ভাষাতে কিবা এষাৰ কলে। কথাষাৰ শুনি ঈয়ে আশ্বস্ত হোৱাৰ দৰে চকুৰে মুখে এটা চেপা হাহিৰ আভাস আনি কলে —

আমাৰ টাউনশ্বিপ শিক্ষাৰো এটা বিশিষ্ট কেন্দ্ৰ। ইয়াত ২২ খন কিণ্ডাৰগাৰ্টেন ১৮ খন প্ৰাইমাৰী আৰু ৫ খন মিডল স্কুল আছে।

আমাৰ কৌতুহল প্ৰকাশৰ উত্তৰত কলে যে চীনা শিশুৱে পাচ বছৰ বয়সত কিন্দাৰ গাৰ্টেনত আঠ বছৰ বয়সত প্ৰাইমাৰী স্কুলত সোমাই ছবছৰ পঢ়ি চৈধ্য বছৰ বয়সত মিডল স্কুলত সোমাই তিনি বছৰ জুনিয়ৰ আৰু তিনি বছৰ চিনিয়ৰ পাঠ্যক্ৰম শেষ কৰি বিশ্ববিদ্যালয়লৈ যায়। মিডল স্কুলত আমাৰ দৰেই পৰীক্ষা হয়। কাউন্টি ব্যুৰো অফ এডুকেশ্যন সেই পৰীক্ষাবোৰ পৰিচালনা কৰে। মেইচুনৰবোৰ উছি কাউন্টিৰ ব্যুৰোৱে কৰে।

মেইচুনত কী প্ৰাইমাৰী আৰু কী মিডল স্কুলো আছে য'লৈ দেশৰ বিভিন্ন ঠাইৰ পৰা মেধাবী ছাত্ৰসকলে পঢ়িবলৈ আছে। স্কুলবোৰ আবাসী স্কুল। কী স্কুলৰ ছাত্ৰসকলে নিজৰ পাঠ্যৰ উপৰিও কাৰখানা আৰু উদ্যোগ প্ৰতিষ্ঠানত হাতে কামে লাগি কাম শিকিবলগীয়াত পৰে। চিনেমা থিয়েটাৰ এইবোৰ উপভোগ কৰাতো বাধা নাই ; মাত্ৰ বাধা আছে কিতাপৰ পোক হৈ নিজকে বাস্তৱ ক্ষেত্ৰত অপদাৰ্থ হিচাপে গঢ়ি তোলাত।

এই স্কুল বিলাকত শিক্ষক ছাত্ৰৰ অনুপাত হল ১ঃ৩০। চীনৰ নামটো গতিশীলতাৰ অৰ্থব্যঞ্জক নহলেও অন্তত তাৰ সতে নামটোৰ সংগতি থকা হলে চীন সাৰ্থকনামা হ'লহেতেন। এসময়ত চীনৰ বুদ্ধিজীৱিসকলে মাও চে তুঙৰ স্বাক্ষৰত আৱিষ্কাৰ কৰিছিল টাংযুগৰ উদ্দাম গতিশীলতা। চীনৰ চিত্ৰত অংকনত ভাস্কৰ্যত চৰতে আছে গতিৰ আভাস। প্ৰাণী বা জন্তু নিশ্চল হৈ থকা নিৰ্জীৱ মূৰ্ত্তিৰ দৰে অলৰ অচৰ হৈ থকা চীনা শিল্পীৰ সৃষ্টিত দেখা নাযায়। আনকি ড্ৰাগন আৰু ফিনিক্সৰ ৰিলিফতো আছে গতিশীলতা। এই গতিশীলতা হ'ল চীনৰ বাস্তৱমুখিতাৰ বাধাহীন প্ৰকাশ।

গতিকে চীনত কেৱল ছাত্ৰই নহয় আহৰি পৰত কৃষকেও গৈ ফেক্টৰীত কাম কৰেগৈ। মিণ্টাৰ ঈয়ে আমি বহা ধুনীয়া ফ্লদি চেয়াৰ কেইখন'লৈ দেখুৱাই কলে—

ঃ এইবোৰ আমাৰ স্থানীয় ফেক্টৰীত ছাত্ৰ আৰু কৃষকে কৰা। তেওঁলোকে ধুনীয়া হাতঘড়ীও বনাবলৈ লৈছে সম্প্ৰতি।

ইয়াতো পৰিবৰ্ত্তিত অৰ্থনৈতিক কাৰ্যসূচী অনুসৰি ক্ৰমাগতভাৱে কৃষক

সকলক কাৰখানাৰ কামত অধিকতৰ কাল নিয়োজিত কৰাৰ আচনি লোৱা হৈছে। ক্ষিছাৰী ব্রিগেদত বাদে আন ব্রিগেদৰ ৩৭৫ টা প্রডাকশ্যন টীম আছে। এই কেইটা টীমকে এই আচনিত সামৰি লোৱা হৈছে বুলি দাইভাচিফাইদ ইক নমি ব্যুৰোৰ বিষয়াজনে আমাক জানিবলৈ দিছিল। মেইচুন টাউনশ্বিপখন ৩১০০০ জনসংখ্যাৰ এখন সৰু নগৰ। টাউন হ লৰ পৰা এক ফালংমান গলেই দেখা যায় প্রশস্ত পথাৰ আৰু গামবুট পিন্ধি কাম কৰি থকা গাভৰুৰ দল। পঞ্চা। নিযুত ইয়েন অথাৎ চব্বিশ কোটি টকা মূল্যৰ সামগ্ৰী উৎপাদন কৰিব পৰা কাৰখানা যে তাতেই থাকিব পাৰে ভাবিবলৈকে টা৷ লাগে।

টাউনশ্বিপ এৰি মেইচুন চেন (চেন মানে গাওঁ) লৈ যাওঁতে বাটত কৰবাত ওখ চিমনিৰে অ৷বৰত ধোৱা ওলাই থকা বিৰাট কাৰখানা দেখো নেকি চাই গৈছিলো।। কিন্তু অলপ বাট আহিয়েই যেতিয়া বাটৰ দুয়োকাষে ঘেহু খেতিৰ বিস্তীর্ণ শ্যামলিমা দেখিছিলো তেতিয়া চব পাহৰি গৈছিলো। মা৷জ মাজে আছিল নুনি একোডৰাহত। তলত লহপহ কৰে মাহৰ খেতি। মুঠতে কতো এহাত মাটিও এনেয়ে পৰি থকা নাই।

আলিবাটৰ দুয়োকাষৰ গছবোৰ বেচি ওখ নাছিল। পোন আলিবাটটোৰ শীতলতাক সেয়ে বেচ নিবিড় কৰি তুলিছিল। মাজে মাজে দুই এখন ঠেলাত গধুৰ পাইপ চিমে৷টৰ থৈলা লৈ গাঁৱৰ বাটেদি একান্তমনে গৈ থকা একাধিক পৰুষ মহিলা দেখিছিলো। মুখত অৱশ্যে তেওঁলোকৰ ক্লান্তিৰ আভাস নাছিল।

আমিও এসময়ত এটা গাঁৱৰ বাটেদি মেইচুন চেনলৈ সোমাই গৈছিলো। গাওঁখন সৰু নাছিল। প্রায় দুশঘৰমান মানুহৰ গাওঁ। আমি যোৱাৰ সময়ত গাঁৱৰ মানুহবিলাক কামলৈ গৈছিল। এঘৰত সোমাই দেখিছিলো ৩৫ কি ৪০ বছৰ বয়সীয়া গৃহিণীৰ সতে ঘৰৰ গাভৰু ছোৱালী এজনী ঘৰতে আছিল। ঘৰটো আছিল দুমহলীয়া; পকা তলত পাকঘৰ গলুপোহা গাহৰি শহাপহ ৰাজহাহ অথাৎ ঘৰচীয়া পশু পক্ষীৰখা খোটালি। বাৰান্দাৰ এচুকত কয়লাৰ পিঠা। ওপৰত শোৱনিকোঠা আলহীসোধা ঘৰ আৰু খোলা চোতাল। পাকঘৰৰ ভিতৰত সোমাই দেখিছিলো থিয় হৈ ৰান্ধিব পৰাকৈ ওখ চৌকা। জুই নুমাই থোৱা আধাপোৰা খৰি দুডাল ডাঙৰ ভাতৰ চচপেনটোৰ কাষতে পৰি আছিল। অত্যাধুনিক গেজেট আদি থকা দূৰৰ কথা এটা মিটচেফ বা হোৰ্৷ট নটো ৷াছিল ভিতৰত। ভাতৰ চচপেনটো আমাৰ অসমীয়া মানুহ বি৷জ৷মানে পাব পৰাৰ জোখাৰে ৰান্ধিব পৰাকৈ ডাঙৰ। তাত এজনমানৰ জোখাৰে ভাত চাকি থোৱা আছিল।

ওপৰৰ খোলা চোতালখনত থিয় হৈ চাৰিওপিনে চাই দেখিছিলো সন্মুখৰ একমহলীয়া টালিৰ শাৰী শাৰী ঘৰ বাৰ পুৰণি কয়লাখনিৰ লেবাৰ বেৰেকৰ দৰে দেখা গৈছিল। চালত মাজে মাজে টালি গুচাই বালিচন্দা দিয়া। বোধকৰো পোহৰৰ কাৰণে। ঘৰত দেখিছোঁ চব ব্যৱস্থাই আছে। আমি বহা ঘৰখনত টেলিভিচন চেট এটাও দেখিছিলো। কিন্তু এটা কথাৰ অভাব আমি অন্ততঃ মই অনভৱ কৰিছিলো। অসমৰ গাঁওৰ ঘৰবোৰৰ যিদৰে একোটাহত ব্যক্তিগত সত্তা থাকে মেইচন চেনৰ ঘৰবোৰৰ সেইটোৰে আছিল নিতান্ত অভাব। আমাৰ গাৱঁত যিমান নি বিনেই নহওক এখন চোতাল দুজোপামান নিজাকৈ গছ এটা চৌহদ এটা পদূলি থাকে। ইয়াত সেইবোৰ একোকে নেদেখিলো।

অৱেশ্যে আমি সোমোৱা ঘৰখনত একমাত্ৰ দুমহলীয়া কাৰণেও হব পাৰে স্বামান্যভাৱে এটা সুকীয়া সত্তা অনভৱ কৰা যেন লাগিছিল।

ঘৰৰ গিৰিহতনীয়ে আমাক আলহী সোধা কোঠাটোত আথে বেথে বহিবলৈ দিছিল। টি ভি চেটটো তাতেই আছিল। জীয়েক দুজনীৰ কোঠা আছিল সুকীয়া আলহী সোধা কোঠাটোৰ কাষতে। তাহাতৰ কোঠাত আছিল এটা ওৱাদ্ৰোব আৰু এটা আপুৰুগীয়া সামগ্ৰী ৰখা আলমাৰী। দুয়োটাই কাঠৰ। কাঠৰ শোৱা পালেংখনে সতে বেচ আটোমটো কৰিকৈ ৰাখিছিল কোঠাটো। ছোৱালীজনী মাকৰ গাতে গা লগাই বহিছিল। বয়স পোন্ধৰ কি ষোল। উত্তৰ চীনৰ হোৱাহেতেন আৰু এবছৰ বেচি হ লহেতেন। কিয়নো তাত শিশু ভূমিষ্ঠ হোৱাৰ দিনাই এবছৰ বুলি ধৰা হয়।

মাকে কৈছিল বাপেক আৰু ল ৰাটো হেনো কামলৈ গৈছিল। ডাঙৰ ছোৱালীজনীয়ে দৰত কিবা এটা প্ৰশিক্ষণ লৈ আছে। এতিয়া পথাৰত কাম নাই দেখি। আমাৰ অসমৰ ঘৰৰ দৰে তামোল-পাণ চাহ জলপান যচাৰ দৰে খোৱাখুৱালীয়া স্বভাব চীনা ঘৰত নাই। ঘৰৰ কথা বেলেগেই গাৱঁৰ আলিবাটত এখন সাধাৰণ খোৱা বস্তুৰ ( চাহ চিগাৰেট আদিৰ ) দোকান নাই চীনত।

তললৈ নামি মই পিচফালে চালোগৈ। ব্যক্তিগত একঠামান মাটিত এখন শাকনি বাৰী। শাকবোৰ অযত্নত মৰি গৈছিল। শাকনিৰ সীমাতে লাগি আছিল যেহুৰ বিস্তীৰ্ণ পথাৰ। ওচৰতে প্ৰকাণ্ড দ্ৰাম এটাত ৰাখি থোৱা আছিল এক দ্ৰাম গু। মই হুক সোধাত কৈছিল যে হয় বায়ু গেচ নতুবা সাৰ কাৰখানালৈ যাব। তেওঁ স্থানীয় বিষয়াক সুধি কলে যে এইখিনি পিচৰটোলৈকেহে যাব।

গাঁৱত কতো আনকি আলিবাটৰ দাতিতো যে লেতেৰা একো নাই তাৰ আচল কাৰণটো এতিয়াহে বুজি পালো। মেইচুন চেনৰ আলিৰ দাত্তিত আকৌ দুবৰি বা কেঁৰাবন নাছিল, আছিল লি লি জোৰা পাচলিৰ খেতি।

গাঁৱৰ পূবপিনে দেখিছিলো এখন বিস্তীর্ণ হালধীয়া পথাৰ। সৰিয়হৰ। তেনে সৰিয়হৰ খেতি তাহানি মই কামৰূপ জিলাৰ উত্তৰ খণ্ডৰ নেপালী খুটিবিলাকত আৰু মাজুলীত দেখিছিলো। চাৰি চাবে চাৰি ফুট ওখ একো জোপাহত গছ। হালধীয়া ফুলে গছ নেদেখা কৰি দিছিল। মই মিণ্টাৰ হৰ জৰিয়তে মিণ্টাৰ ঈক সুধিছিলো—

আপোনালোকেচোন চিচেম অয়ল হে ব্যৱহাৰ কৰে? এই মাণ্টার্ড আকৌ কিহৰ কাৰণে?

দিছু উইল গো টু ইণ্ডিয়া।

চকু টিপিয়াই ধেমালি কৰি হৰে কৈছিল—মিণ্টাৰ ছৰে অৱশ্যে কথাষাৰৰ আহবোৰ মাৰি দিয়াৰ উদ্দেশ্যে আকৌ কৈছিল—

নট ইণ্ডিয়া অন লি ইট ইজ মেণ্ট ফৰ এক্সপোর্ট।

মই অৱশ্যে নাজানো যদিহে ভাৰতে চীনৰ পৰা সৰিয়হৰ তেল আমদানি কৰে। সত্তৰৰ দশকৰ শেষপিনৰ পৰা ভাৰত তৈল সামগ্রীত বাদে আন খাদ্য সামগ্রীৰ ক্ষেত্রতহে স্বনিভৰশীল হব পাৰিছে যেতিয়া মই কথাষাৰ সহজে মানি লৈছিলো।

গাঁওখনৰ পৰা ওলাই আহোতে দেখিছিলো এগৰাকী বুঢ়ীয়ে এবছৰমান বয়সৰ নাতিয়েকক লৈ ধেমালি কৰি আছিল ঘৰৰ সম্মুখৰ খটখটিত বহি। এনেয়ে মোৰ অকণ বেয়া লাগিছিল আগবাঢ়িবলৈ। কিয়নো অলপ পাচতে বুঢ়ীৰ ঘৰৰ সমুখদি আমি পাৰ হৈ যাবলগীয়া হব; আৰু তেতিয়া হয়তো বুঢ়ীৰ ধেমালি হঠাৎ বন্ধ হৈ যাব। বিৰক্তিত অথবা লাজতে ধেমালি বন্ধ কৰি দিব।

কিন্তু কতা? আমি ইমানবোৰ মানুহ আগেদি পাৰ হৈ আহিলোঁ— বুঢ়ীৰ ধেমালিত তাৰ কোনো প্রভাৱেই নপৰিল। যেন আমি কেইজনীমান ঘৰৰে পোহনীয়া হাঁহহে। বুঢ়ীৰ মুখভাবৰ অকণো সলনি নহল চকুৰ অকণ কেৰাহিকৈও নাচালে।

ঘাই আলিবাটত উঠি দেখিলো মেইচুন টাউনশ্বিপৰ পিনৰ পৰা দলে দলে মানুহ আহিছে চাইকেলত। শ শ চাইকেলৰ মাজতে দুই এখন মপেদো দেখা গৈছিল। য়ামাহা মোটৰ চাইকেল এখনো দেখিছিলো। কাৰখানা ছুটী হৈছিল। মেইচুন চেনৰ পিনেও সোমাইছিল এদল ঘৰলৈ ওভোতা শ্রমিক।

এইবোৰ দেখি শুনি মই এটা কথা উপলব্ধি কৰিছিলো যে এটা বিশেষ স্তৰলৈকে চীনদেশৰ হিউমেন ৰিচোচ এনেধৰণে সম্প্ৰসাৰিত হৈছে যে ভিতৰুৱা গ্ৰামাঞ্চলত কিবা উদ্যোগ পতিষ্ঠা কৰিলে আমাৰ ইয়াৰ দৰে কাৰিকৰী দিশত অভিজ্ঞ শ্ৰমিকৰ অভাব নহয়। সেই হেতুকে আমাৰ ইয়াৰদৰে দূৰৰ পৰা অনা শ্ৰমিকৰ বাবে ধৰা ঘৰ স্কুল খেলপথাৰ সাজি ধন খৰচ কৰাৰ প্ৰয়োজন নাথাকে। কিয়নো কাৰিকৰী শ্ৰমিক ওচৰৰ গাঁৱত আছে।

চীনৰ উৎপাদন কাৰখানাবোৰৰ আৰু এটা ব্যৱস্থাই বিশেষ প্ৰণিধানৰ দাবী ৰাখে। সেইটো হল ৰেচপ নচিবিলিটি চীস্টেম অথবা ৱাৰ্ক পয় ট চীস্টেম। উৎপাদন কেন্দ্ৰত ব্যক্তিগত শ্ৰমিক এজনে যিমান উৎপাদন কৰিব সিমানে দৰমহা পাব। তাত জনসাধাৰণৰ অধিকাৰ সম্বন্ধে চৰকাৰ সদা জাগ্ৰত। আকৌ দায়িত্ব সম্বন্ধে প্ৰতিজন নাগৰিক বিশেষভাৱে সচেতন। আন উন্নয়নশীল (developing) ৰাষ্ট্ৰবোৰত তাৰ ঠিক বিপৰীতটো ঘটি আছে।

মেইচনচেনৰ চিল্ক কমুন কালেকশ্যন ষ্টেচনটো চাবলৈ গৈ দেখিলো ওচৰৰ ক্যানালটোৰে ( গ্ৰেণ্ড ক্যানালৰ অংশবিশেষ ) অহা বোটৰ সতে সংযোগ ৰাখিব পৰাকৈ সজা ট্ৰলি লাইনেদি কমুনৰ প্ৰকাণ্ড টাববোৰ বোটৰ পৰা কমুন লৈ উঠি আহে একেবাৰে ষ্টাইফলিং চেম্বাৰলৈ অৰ্থাৎ য ত ভিতৰৰ পলুবোৰ উত্তাপ দি মাৰি পেলোৱা হয়। সেইবোৰ দৰাচলতে ৰীলিং কমুন। অৰ্থাৎ এইবোৰ কমুন সচ নহয়; এইবোৰৰ পৰা সত্তা কটা হয়।

ষ্টেচনটো ঘূৰি পকি চাওতে দেখিলো কমুন নথকা সময়ত তাতে চাইকেল এছেম্বল কৰা হয়। মুঠতে ঘৰটো এনেয়ে পৰি থাকিবলৈ দিয়া নহয় বছৰৰ কোনো এটা সময়তে। মানুহৰ শ্ৰম ঘৰৰ ব্যৱহাৰ সকলোৰে পূণ প্ৰয়োগ ( optimum utilisation )ৰ ব্যৱস্থা কৰা হৈছে। গছ আলিবাট পোহনীয়া পশু পক্ষী সকলোৰে ক্ষেত্ৰত এনে এটা দৃষ্টিকোণেৰেই চিন্তা কৰা হৈছে। ব্যক্তিয়ে যিদৰে নিজৰ দায়িত্ব পুৰাভাৱে পালন কৰিছে সেইদৰে এই সামগ্ৰীবিলাকেও মানুহৰ প্ৰয়োজনৰ যজ্ঞ থলীত নিজৰ সমস্ত উজাৰ কৰি আহুতি দিয়াৰ অৰ্থে এটা নিৰংকুশ প্ৰকৰণৰ প্ৰবৰ্ত্তন কৰা হৈছে।

চীনত আমি আশা কৰিছিলো গাঁৱৰ বাটে পথে মান্দাৰিণ হাহ দেখিবলৈ পাম। কিন্তু প্ৰকৃততে দেখা গৈছিল চীনৰ মান্দাৰিণ হাহবোৰ—বেয়া মুদ্ৰাক ভাল মুদ্ৰাই বজাৰৰ পৰা আঁতৰোৱাৰ দৰে ৰাজহাহে আঁতৰাই দিছিল। অৰ্থাৎ ৰাজহাহৰ ব্যৱহাৰ চীনৰ পাতিহাহ বা মান্দাৰিণ হাহতকৈ ক্ৰমে বেচি

হৈ গৈছিল। কিয়নো ৰাজহাহে যিমান মা স দিয়ে সেই অনুপাতে কম আহাৰ খায় আনবিধ হাহৰ ক্ষেত্ৰত তাৰ ঠিক ওলোটাটো হয়। গতিকে ৰেল বা মোটৰেৰে গলে চীনৰ গ্ৰামাঞ্চলত হঠাৎ দেখা যয় বহল সেউজ ঘাহনিপথাৰত অজস্ৰ বগা ৰাজহাহ চৰি ফুৰা। এটা অনপম দশ্য। চালে চকু ৰৈ যায়।

আলিবাটৰ দুয়োকাষে দেখিব দীঘল ।।কনিবাৰী। ছাঁ গছবোৰৰ তলে তলে হয় কিবা মাহজাতীয় গছ নতুবা পাত ।াক। আমাৰ ইয়াৰ দৰে মানহৰ কোনো কামতে নলগা চতিয়ানা বা ওদাল গছৰ দ ৰ গছ চীনৰ বাটে পথে নেদেখি।

কথাবোৰ মই লক্ষ্য কৰিছিলো আৰু মিণ্টাৰ হুৰ প্ৰতি মোৰ পৰণি প্ৰত্যা -বানটোৰ দঢ়তা ক্ৰমে শিথিলতৰ হে পৰিছিল। সেইবাবে ছুঝাওৰ পিনে গৈ থাকোতে চীনৰ কোনো কথাকে মনত পেলাবৰ চেণ্টা কৰা নাছিলো। নিজকে মনৰ একান্ত নিভত এটা কৰুনত আবদ্ধ কৰি ৰাখিবৰ চেণ্টা কৰিছিলো।

আমাৰ সম্মুখৰ হোটেলখনৰ পাৰ্কত এজোপা বাহৰ তলত অকলশৰীয়া কপৌ এজনীয়ে মাটিত ঘুৰি ঘুৰি আহাৰ বিচাৰি আছিল। প্ৰথমে মই কেৱল কপৌজনীৰ কথাকে ভাবিবৰ যত্ন কৰিছিলো। এনেতে মকেশৰ হিট পৰেডৰ সুৰবোৰ ভাহি আহিছিল কে ছুটৰ পৰা। আকা ।তো দেখিছিলো আমাৰ দেশৰ দৰেই তেলটপী আৰু ঘনচিৰিকা চৰাইৰ জাক। একেবাৰে পাহৰি গৈছিলো চীনৰ কথাবোৰ। ক্যানাল আৰু সেউজীয়া বিস্তীণ পথাৰৰ মাজেদি তেওঁদৰে গ থাকোতে মোৰ ভাব হৈছিল মই যেন গুৱাহাটীৰ পৰা নলবাৰী পাঠশালাৰ পিনেহে গৈ আছিলো।

ছুঝাও চাংহাই এক্সপ্ৰেছ ৱেৰ কাম চলি আছিল। মাজে মাজে আমাৰ গাড়ীখনে বোকা ওখোৰা মোখোৰা পাশ্ব পথেৰে যাবলগীয়াত পৰিছিল। মোৰ মনৰ আবদ্ধ পৰিবেশত কিঞ্চিৎমানো ঢউ উঠা নাছিল। সময়খিনি বেচ ভালে ভালেই পাৰ হৈ গৈছিল। মু কশৰ গীত চৰাহ ও খাৰা মোখৰা আলিবাট—বেচ স্বাভাবিক লাগিছিল পৰিবেশটো। কিন্তু ছুঝাও পোৱাৰ আগতে পথাৰৰ আনটো দিশত হঠাৎ চকুত পৰিছিল কিছুমান ঘৰ। গাঁৱৰ মানুহৰ ঘৰ। প্ৰায়বোৰ ঘৰৰে মুধচত আছিল আমাৰ অসমৰ ৰংঘৰৰ দৰে একোখনহত নাও। চৈনিক স্থাপত্য কলাৰ বিশেষ নিদশন। মনটো একেচাটে ঘূৰি আহিছিল চীনৰ নতুন চিনাকি পৰিবেশলৈ। মনৰ কৰু । ভাঙি চুৰমাৰ হৈ গৈছিল চকুৰ পচাৰতে।

তাতে মিণ্টাৰ হুৱে দেখুৱালে এখন গাঁৱৰ কাষত থকা এটা ওখ পেগোদালৈ— সেইটো কি বাৰু?

মই উপৰাই কলো ঃ পেগোদা।

ঃ পেগোদা অল ৰাইট। বাট ইট ইজ এ ওৱাটাৰ বিজাৰভয়ৰ।

অথাৎ তাৰ পৰাই গাঁৱলৈ খোৱাপানীৰ যোগান ধৰা হয়। মনতে কিবা বেলেগ ধৰণৰ এটা সকাহ পালোঁ। কথাষাৰ শুনি। এচিয়াৰ এছীয় ৰীতি। চীনৰ পানী সৰবৰাহৰ ৰিজাৰভয়ৰ পেগোদাৰ আকৃতিৰ নহৈ আন কিহবাৰ দৰে হোৱাহেতেন হয়তো চৈনিক যেন নালাগিলহেতেন। সম্প্ৰতি নতুনকৈ সজা ঘৰবোৰতো সেই প্ৰাচীন চৈনিক স্থাপত্য-কলা আৰু মিং যুগৰ বিশাল কায়তা ( massiveness )। স্বকীয় ঐতিহ্য আৰু নতুন প্ৰত্যয়ক সমন্বিত কৰি সময়ৰ উপযোগী কৰি লোৱাত চীনৰ সমতুল আন কোনে'বা ৰাষ্ট্ৰ বিশ্বত আছে যদিও মই নাজানো।

দুপৰীয়া ছুঝাও চিন্‌ক প্ৰিন্টিং মিলছ চাই আহি ছু হাও ল হোটেলত খাবলৈ বহিছিলোহি। ছুঝাবেই কেৱল নহয় উছি কাউন্টিৰ ভিতৰতে নাম থকা হোটেল সেইখন। ছু হাও লৰ স্পেচিয়েলটি আছিল ৰোষ্ট টৰটয়জ আৰু বেকড মান্দাৰিণ ফিছ। চীনত আকৌ ধুনীয়া হাহজনীৰ নাম আটাইতকৈ মিঠা সুমথিৰাটোৰ নাম আৰু সোৱাদ লগা ৰৌ মাছজনীৰ নাম মান্দাৰিণ।

টেবুলৰ সোমাজৰ এখন ডাঙৰ প্লেটত সজাই থোৱা আছিল এটা গোট কাছ। জীয়াই আছে ; বহুদৰ বাট আহি অলপ সময়ৰ কাৰণে প্লেটখনৰ ওপৰাতে থমিছেহি। পাচত আহিছিল বিখ্যাত বেকড মান্দাৰিণ ফিছ। প্ৰকাণ্ড আমাৰ ৰৌজনীৰ দৰে এজনী গোট মাছ সেকা। চৈনিক ষ্টাইলৰ বিশেষত্ব হল মাছিভনেচ অথাৎ বিশালতা। এয়াও যেন সেই ৰীতিৰে আন এটা প্ৰকাশ। প্ৰাচীন গ্ৰেট ৱাল গ্ৰাণ্ড ক্যানাল মিং পেলেচৰ ভাস্কৰ্যৰ পৰা আৰম্ভ কৰি উত্তৰ পশ্চিম চীনৰ ঝিনজিয়াঙৰ ৰোষ্টেদ হোল লেম্ব আৰু ছু হাও লুৰ এই ৰোষ্টেদ হোল টৰটয়জলৈকে সকলোতে চৈনিক ৰীতিৰ এই মাছিভনেচ বিৰাজমান।

মই হাতত ফকডাল লৈ বিমঢ় হৈ বৈ আছিলো কাছজনীৰ ডাঠ খোলটো কোনপিনৰ পৰা ভেদ কৰে। তাকে চিন্তা কৰি। এনেতে দেখিলো মোৰ কাষতে বহা চীনা বিশেষজ্ঞজনে হাতত ষ্টিক দুডাল'ল খোলৰ তলেদি সুমাই দি এবখলা মাংস একবাই আনি মুখত সুমাই ললে। মোৰ ফকডালত পিচে মোৰ অজ্ঞতাৰ কাৰণেই সৰু এডোখৰহে লাগি আহিছিল। মুখৰ মাংসৰ মোকোৰাটো প্ৰায় আধা কৰি বিশেষজ্ঞজনে তৃপ্তিৰে ক লে –

ঃ স্পেচালটি অফ দিছ হোটেল। বেৰী গুদ।

মই পিচে বৰ ভাল পোৱা নাছিলো। অমৃত যেন লাগিছিল মান্দাৰিণ মাছৰ ব্যঞ্জন পদ। কিবাকিবি শ্ৰী ক্ৰুডো আছিল। বেচ বিলাস ভোজনেই হৈছিল। মনটোও বেচ মুকলি লাগিছিল। মিণ্টাৰ ঢ্চিওে হাতত খোৱাৰ থালখন লৈ আমাৰ টেবুলৰ কাষলৈ আহি কৈছিল—

মিছ চানৰ ঘৰ পিচে ইয়াৰ পৰা বেচি দূৰ নহয়।

কোন মিছ চান ?

চান জিন ফেং।

অউ! বিশ্বৰ শ্ৰেষ্ঠা ভলীবল খেলুৱৈ। তেওঁৰ ঘৰ ইয়াতে নেকি ?

জন্মিছিল ইয়াতে। কিন্তু সম্প্ৰতি বেইজিঙত থাকে।

আকৌ আৰম্ভ হৈছিল পুৰণি হেং অভাৰ ঢ্চিওৰ কথাবাৰ শুনাৰ লগে লগে। বিদেশলৈ এই প্ৰথমবাৰৰ বাবে আহিছো কাৰণেই হয়তো লোকৰ সকলো কথাকে বিশেষকৈ লোকৰ কিবা এটা ভাল দেখিলেই নিজৰ দেশখনৰ সতে ৰিজাই চাবলৈ মন গৈছিল। শ্ব হেইফাঙকলৈ চীনদেশত যে কাকতে পত্ৰে সভাই সমিতিয়ে কি হুলস্থূল! লছ এঞ্জেলেছৰ অলিম্পিকত পিস্তল শুটিঙত সোণৰ পদক লাভ কৰিছিল শ্বয়ে। মিছ চানকো চীনা জনসাধাৰণে তেনেদৰেই অকুণ্ঠ আদৰ স্নেহ কৰে। কৃতী দেশবাসী এজনক স্নেহ বা প্ৰশংসা কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যক্তিগত অথবা পক্ষপাত দুষ্ট চিন্তাক প্ৰশ্ৰয় দিয়া নহয়। সেই বাবেই বোধকৰো ক্ৰীড়া ক্ষেত্ৰতো চীনৰ প্ৰগতি নিৰংকুশ হৈ পৰিছে।

বাহিৰত কিনকিনীয়া বৰষুণ দি আছিল। প্লাষ্টিকৰ বৰষাতি লৈ ল ৰা ছোৱালীবিলাকে স্কুলৰ পৰা ঘৰলৈ উভতি আহিছিল। গ্ৰিল্ডেড পিওৰ চিল্কৰ শোৰুমৰ ভিতৰত আমাৰ বন্ধু সকলে কাপোৰ চাই ব্যস্ত হৈ আছিল। এঘণ্টা মান আগৰ পৰা ক্ৰমাগত ভাৱে তীব্ৰতৰ হৈ অহা মূৰৰ কামোৰণিটো মোৰ কাৰণে অসহ্য হৈ পৰিছিল। আমাৰ গাড়ী চালক গৰাকীয়ে মহা আৰামেৰে ৰিচেপশ্যনৰ চোফা এখনত বহি লৈ চিগাৰেট হুপি আছিল। মই তেখেতৰ ওচৰতে আন এখন চোফাত বহি লৈছিলো। তেখেতৰ মুখলৈ চায়ে বুজিছিলোঁ তেখেতে মোৰ যে কিবা অসুবিধা হৈছে জানিছিল। কিন্তু মাধ্যমৰ অভাৱত মোক একো কব পৰা নাছিল।

মই মূৰৰ অসহ্য বিষকো আওকাণ কৰি নঙলামুখৰ অলংকৰণটোলৈ চাইছিলো। ছবিত দেখা পাচৰ ঠেঙ দুখনত থিয় হোৱা ভাইনোচেৰাচটোৰ দৰে দেখা গৈছিল শিলৰ অলংকৰণটো। ল কণ্ট আৰু হাই এক্কিচিয়েক্কিৰ যি ধাৰণা

চীনে মুক্তিলাভৰ পাচৰ পৰাই দে াৰে াতুন অৰ্থনৈতিক প্ৰযম্নত প্ৰয়োগ কৰিছে এই অলংকৰণ তাৰেই প্ৰতিভূ যেন লাগে।

ঘূৰি অহাৰ সময়ত চহৰত ফুটপাথত দেখিছিলো বুঢ়া এজনে হাতত ক াৰ পিঠা লৈ ফটপাথেৰে গৈ থকা। বাটৰ কাষৰ দোকানবোৰত দেখিছিলো ফুলৰ টেবেৰে সজোৱা দেস্ক। গ্ৰাহকে খোৱাৰ বাবে। কৰ্ণৰ পিঠা বুঢ়াই তেতে এখন অপে া এয়াৰ দোকানৰ পৰাই িছিল। তেওঁৰ ঘৰ নিশ্চয় ওচৰতে কৰবাত। বয়স পয়সন্তৰতকৈ হয়তো বেচি হ হব। অবশ্যে চীনত বয়স ধৰা বৰ টান। চীনা মহিলাৰ ক্ষেত্ৰত দেখিছো পয়ত্ৰিচ বছৰ বয়সৰ পাচত বয়সটো যেন তাতে থমকি ৰৈ যায় ত্ৰিচ বছৰমানৰ কাৰণে। পুৰুষৰ ক্ষেত্ৰতো চল্লিচ বছৰমান পালেহ বয়সটো প্ৰায় প চিচ বছৰমানৰ কাৰণে স্তব্ধ হৈ ৰৈ যায়।

চীনৰ চিকিৎসা বিজ্ঞান জনস্বাস্থ্য ব্যৱস্থা পৃথিবীৰ বিস্ময় হৈ পৰিছে। চীনৰ একুপাংকচাৰ ক্চিগং (gigong) ব্যায়াম কৌশল ভাৰতীয় যোগৰ দৰেই বিশ্বৰ চিকিৎসা বিজ্ঞানলৈ দুটা অমূল্য সংযোজন। কৃষিৰ ক্ষেত্ৰত চীনে যিদৰে গাঁৱৰ কৃষকৰ টীমবোৰত কাৰিকৰী বিশেষজ্ঞৰ সৃষ্টি কৰিছে সেইদৰে গাঁৱৰ হে থ টীমবোৰত সৃ চ কৰিছে বেয়াৰ ফুট ডাক্তৰৰ যাৰ ফলত চীনৰ জনস্বাস্থ্য ব্যৱস্থা বিশ্বৰ উন্নয়নশীল ৰাষ্ট্ৰবিলাকৰ বাবে আকৰ্ষণীয় হৈ পৰিছে।

একুপা কচাৰৰ ফলদায়কতা সম্বন্ধে ডনত দে। এক ধিকে এসময়ত সন্দেহ প্ৰকাশ কৰিছিল। কিন্তু কালচাৰেল ৰিভলিউশ্যনৰ সময়ত বিশ্বই তাৰ প্ৰমাণ পাইছিল সন্দেহাতীতভাৱে। ৰিভলিডশ্যনৰ সময়ত চীনৰ চিকিৎসা বিজ্ঞানীসকলক নিদে । দিয়া হৈছিল অসম্ভৱক সম্ভব কৰি তুলিবৰ বাবে। এ কবাৰে সোজা বথাত দুৰাৰোগ্য ৰেমাৰত ভুগা ৰোগীক আৰোগ্য কৰিবলৈ। সেই অনসৰি বেইজিং চাইনীজ মেডিচিন হাস্পাতালৰ বিশেষজ্ঞৰ দল এটাই দীঘকাল পক্ষাঘাতগ্ৰস্ত হৈ পিঠিত বেড শ্বাৰ লৈ পৰি থকা ৰোগী ১৫১ জনক বাছি লৈ একুপাংকচাৰ আৰম্ভ কৰিছিল। শেষত দেখা গ ল ১২৪ জনে লাখুটি লৈ চলা ফিৰা কৰিব পৰা হ ল। ১৫জনে আকৌ লাখুটিৰ সহায় নোহোৱা কৈয়ে চলা ফিৰা কৰিব পৰা হ ল। তাৰে এঘাৰজনে পুনৰ আগৰ কামত যোগদান দিলে। লগে লগে সমগ্ৰ বিশ্বত একুপা ক চাৰ জনপ্ৰিয় হৈ পৰিল।

মই পিচে মূৰৰ বিষৰ কাৰণে ললো একেবাৰে আধুনিক চিকিৎসা। মিণ্টাৰ হুৱে কৰবাৰ পৰা আনি দিয়া এচপিৰিণ দুটা খাই বিছনাত উঠি

সলো আৰু দিনটোৰ পৰিসমাপ্তি ঘোষণা কৰিছিলো। কালি'ল পুৱাতে ছিজান তাৰ পাচত পোনে পোনে নানজি। চীনৰ দিনবোৰ চমু চাপি আহিছে। পুৱাতে উঠি মোৰ সক ছোৱালীজনীলৈ চিঠি এখন পঠাব লাগিব। কিনো লিখিম! টাই হু হ্ৰদৰ কথা নে গ্ৰাণ্ড ক্যানালৰ কথা নে তাৰ ওপৰেদি সই ছিং মিং ( Qing ming ) নামৰ প্ৰাচীন দলংখনৰ কথা! বহুত কিবা কিবি লিখাৰ কথা ভাবি এসময়ত চব পাহৰি গৈছিলোঁ।

পুৱা চাৰে পাচবজাতে সাৰ পাইছিলো। বিছনাত বহি লৈ কাণ পাতি শুনিছিলো আৰু স্তব্ধ হৈ গৈছিলো। বিশ্বাসেই হোৱা নাছিল যই যে টাই হু হোটেল ত তেতিয়াও আছিলো। বাহিৰত হোটেলৰ পাৰ্কত বিচিত্ৰ চৰাইৰ কাকলি। খিৰিকীৰ কাষত থিয় হোৱাৰ লগে লগেই দখিছিলোঁ পাৰ্কত কিবা খৰিয়াল কৰি মেগপাই চৰাই এজনী আমাৰ হোটেলৰ ওপৰেদি কৰবালৈ উৰি গৈছিল। কেবাজনীও ৰূপোৰ চৰাইয়ে জোপোহাৰ আৰত কুৰুলিয়াই আছিল।

আজি উছি এৰি যাবলগীয়া দিনটোৰ এনে শুভাৰম্ভই মোক অকণ অশান্ত কৰি তুলিছিল। ইমান দিনে চীনৰ গাওঁ ভুই ঘৰিলেকে গৈছিলো পথাৰ পাহাৰ যিহকে অতিক্ৰম কৰিছিলো কতো চৰাই এজনী ভালদৰে দেখা নাছিলোঁ। আৰু সেইবাবে মোৰ ক্ষোভৰ অন্ত নাছিল। আৰু এয়া এই মুহৰ্ত্তত মোৰ সমস্ত ধাৰণা চুৰমাৰ কৰি দি হোটেলৰ পাৰ্কত জাকে জাকে বিচিত্ৰ চৰায়ে সমাৰোহ পাতিছে। মনৰ বিমূঢ় ভাবটো জোকাৰি পেলাবৰ চেষ্টা কৰি খিৰিকীখন শব্দ কৰি খুলি দিছিলো।

বাহিৰত ৰ দ নাছিল। কিন্তু পোহৰ বেচ স্পষ্ট হৈ পৰিছিল। অদূৰত টাই হু হ্ৰদৰ কজলা ৰঙ ক্ৰমে পাতল হৈ আহিছিল। পুৱাটো ক্ৰমে ৰ দমুখী হৈ পৰাৰ লগে লগে।

পয়সত্তৰ চেন্টৰ চাইনীজ ডাক টিকট এটা আগতেই যোগাৰ কৰি ৰাখিছিলোঁ। হোটেলৰ ডাকঘৰৰ পৰা। পুৱাৰ প্ৰথম কাম হিচাপে চিঠিখন লিখাকে ঠিক কৰিছিলোঁ। কিন্তু নেখিবলৈ লওতে চিন্তাবোৰ আকৌ খেলি মেলি হৈ গৈছিল। মোৰ সক ছোৱালীজনী বি এ মহলাৰ ছাত্ৰী। নিজে

নি চিত নোহোৱাকৈ কিবা এটা লেখিবলৈ গলেই বিপদ আছে। গতিকে টাই হু আৰু গ্রাণ্ড ক্যানালৰ কথাকে লিখিছিলো।

হোটেলৰ লেটাৰ বক্সত চিঠিখন পেলাই দি পুনৰ সেই কথাটোকে ভাবিছিলো। চীন সম্বন্ধে মোৰ কোনটো উপলব্ধি তথ্য সমৰ্থিত আছিল বাৰু যাৰ বিষয়ে মই ছোৱালীজনীলৈ নি চিতভাৱে লিখিব পাৰিলোহেতেন।

চীনৰ পক্ষীকুলৰ কথা বেলেগেই, চীনৰ নাৰীমুক্তি সম্বন্ধে মোৰ উপলব্ধিও হঠাৎ এদিন বানচাল হৈ গৈছিল China Daily ৰ সম্পাদকলৈ চিঠি ৰ স্তম্ভত এখন উদ্বেগ প্রকাশ কৰা চিঠি পঢ়ি। চিঠিখনত এই কথাখিনি আছিল—

the root cause of discrimination (against women) lies in the belief that woman s work comes second to their role as child bearers (The China Daily of march 8 1985) । এই কথাখিনি পঢ়াৰ পাচত চীনৰ নাৰীমুক্তি সম্বন্ধে মোৰ উপলব্ধিৰ ভেটি স্বাভাবিকতে থৰক বৰক হৈ পৰিছিল।

চীনৰ ইতিহাস পঢ়ি মোৰ এটা নিশ্চিত ধাৰণা হৈছিল যে চীনা জন সাধাৰণে সকলোতকৈ বেচি মূল্য দিয়ে চীনা নাৰীৰ সতীত্ব আৰু মৰ্যাদাৰ ওপৰত। মাওৱে কৈছিল নাৰীক অৰ্দ্ধাকাশ বুলি। ইতিহাসত পোৱা যায় লিয়াও শাসকসকলে চিন নাৰীৰ ওপৰত অত্যাচাৰ কৰাৰ ফলত প্রজা বিদ্রোহ হৈছিল আৰু ফলত লিয়াও ৰাজত্বৰ অৱসান ঘটিছিল। চিন শাসকসকলেও তাৰ ঠিক এশ বছৰৰ পাচত মংগোল নাৰীৰ ওপৰত অত্যাচাৰ কৰাৰ ফলত প্রজাবিদ্রোহ হৈছিল আৰু মংগোলসকলে চিন শাসন ওফৰাই চীনদেশত নিজৰ ৰাজত্ব কায়েম কৰিছিল। চীনত জাপানী আক্ৰমণকাৰীবিলাকে আটাইতকৈ ডাঙৰ ভুল কৰিছিল চীনা নাৰীৰ অমৰ্য্যদা কৰি। চিয়াঙৰ কুওমিন্টাং আৰু মাওৰ কম্যুনিষ্ট বাহিনী শেষত যে জাপানী আক্ৰমণকাৰীৰ বিৰুদ্ধে অভিযানত নিজৰ বিভেদ পৰিহৰি একেলগ হৈছিল তাৰ মূলত আছিল চীনা নাৰীৰ অপমানৰ প্রতিশোধ লোৱাৰ এক দুৰ্বাৰ মনোবাঞ্ছা।

সেই হেন চীনদেশত আজিও যদি বেশ্যালয় থাকে মোৰ উপলব্ধিৰ বাৰু দশা কি হব?

মনে মনে ভাবিলো যি লিখিলো ভালেই হৈছে।

হোটেলৰ পৰা ওলাই অহোতে আমাৰ ২২২ নং কোঠাটোৰ সৰু বাৰখনত ৰাখি থোৱা বিভিন্ন মদৰ বটলবোৰলৈ দেখুৱাই মোৰ বন্ধু এগৰাকীয়ে কৈছিল—

খাই লওক। দামী এক পেগ। জীৱনৰ এটা অভিজ্ঞতাও হব। আৰু বাটত ভাৰতীয় গীত গাব দিলে নিলজ্জভাৱে গাব পৰাও হব। চেঞ্চত থাকিলেতো মুখৰে গানেই নোলাব। থৰক।

দা ক্লিয়েন মেন চিগাৰেট? কত পালে বাৰু?

ঃ মালতো যতে ততে পোৱা যায়। যোগাৰ কৰিব জানিলেই হ'ল।

চিগাৰেটটো লৈ হোটেলৰ নিজা লেবেল মৰা দিয়াচলাইটোৰে জ্বলাই ললো। এই এটা বস্তু মিষ্টোৰ (connoisseur) ক ন'চাৰ হোৱাটো মোৰ ভাগ্যত নহব। চব চিগাৰেট মই একেই পাওঁ। স্টেট এক্সপ্ৰেচ ভানহিল পাওা— মোৰ মানত চব একে।

গাড়ীত উঠি আৰাম কৰি বহি লৈছোঁ। পিচপিনে চুক এটাত। চাইনা দেইলীত খবৰ এটা পাই পুনৰ মনটো ভাৰাক্ৰান্ত হৈ পৰিছিল। বেইজিঙত কেবালাখো ব্যক্তিগত ঘৰ ঘূৰাই দিয়া হৈছে; আনহাতে খ্ৰিয়েনত সংস্থাপিত কৰা দুশজন ব্যক্তিয়ে বিক্ষোভ প্ৰদৰ্শন কৰিছে বেইজিঙত পুনৰ সংস্থাপন কৰাৰ দাবী জনাই। কলেজৰ অধ্যাপক এজনে ক্ষোভেৰে কৈছে যে বেইজিঙত শিক্ষা বিভাগৰ চাকৰিয়ালসকলক ঘৰ বিতৰণ কৰাৰ ক্ষেত্ৰত সকলোকে সমভাৱে বিচাৰ কৰা হোৱা নাই। তেখেত আৰু তেখেতৰ সতীৰ্থ দুজনক ঘৰ দিছে বেইজিঙৰ এনে এটা অঞ্চলত য'ত প্ৰবাহিত পানী (running water)ৰ সুবিধা নাই। আৰু কলত পানী আৰু খৰি তেওঁলোকে দূৰৰ পৰা যোগাৰ কৰি নিজে বৈ চাৰিতলাৰ ওপৰত থকা তেওঁলোকৰ ফ্লেটলৈ নিবলগীয়াত পৰে। অথচ তেওঁলোকৰ আন জ্যেষ্ঠ সতীৰ্থসকলে সকলোধৰণৰ সুবিধা থকা ঠাইত ঘৰ পাইছে।

এইবোৰ টিপ অফ দ্য আইচবাৰ্গ নহয়তো। আলিবাটত পুলিচ নেদেখা মানেই চব ঠিকে ঠাকে চলা নহয়। ব্যক্তিগত মানুহবিলাক সৎ আৰু কৰ্ত্তব্য পৰায়ণ হলেই যে বিদ্ৰোহ নহব এনে নহয়। বৰঞ্চ তেনে চৰিত্ৰৰ মানুহে বিদ্ৰোহ কৰিলে তাৰ পৰিসমাপ্তি যে এদিন ঘটিবই তাত সন্দেহ নাথাকে।

খন্তেক চিন্তিত হৈ পৰিছিলো। হঠাৎ দেখিলোঁ সন্মুখত এটা ডাঙৰ চক। তাৰ কাষত ফুটপাথ পাৰ হৈ এখন প্ৰকাণ্ড হোৰ্ডিং। কাম্বিজৰ বিজ্ঞাপন। এহাল চৌখীন ডেকা গাভৰুৱে পশ্চিমীয়া আধুনিক পৰিচ্ছদেৰে সজ্জিত হৈ ঘনিষ্ঠ ভাৱে খিয় দি দুয়ো দুয়োৰে ষ্টাইলৰ তাৰিফ কৰিছে। তাৰ তলেদিয়ে কাষলৈ গৈছে এহাল পিৰিয়েক ধৈৰ্ণীয়েক। ধৈৰ্ণীয়েকৰ কান্ধত পিকিয়া-বিৰিয়া। পিৰিয়েকে ঠেলি লৈ যোৱা চাইকেলত আছিল

ডেৰকুৰিমান ৰাজহাহ। দুয়োৰে হাতত ঘড়ী। দুয়ো পীৰৱে গৈ আছিল ব্যস্ত খোজত।

ইপিনে আলিৰ কাষৰ দাকানবোৰত বাহৰ খৰিচা কণী আৰু চেৰৈ। গিৰিয়েক ঘৈণীয়েক হালৰ কোনোপিনে লক্ষ্য নাছিল; পাথো এক লক্ষ্য গৈ আছিল সম্মুখৰ পিনে।

মাজে মাজে দোকানবোৰত আৰু অফিছবোৰত দেখিছিলো মে দিৱসৰ বিচিত্ৰ ৰঙৰ পতাকা এতিয়াও উৰি আছে যদিও মাজত দুটা দিন ইতিমধ্যে পাৰ হৈ গল। হঠাৎ আমাৰ আগেদি পাৰ হৈ গল এখন ফুলৰ মালাৰে ভৰা বাচগাড়ী। মৃতকৰ সমাধিত দিবলৈ বুলি লৈ যোৱা কাগজৰ ফুলৰ মালা। আমি উচি কাউন্টিৰ পশ্চিম উত্তৰলৈ গৈ আছিলো আৰু বাচখন পাৰ হৈ গৈছিল পূবৰ পিনে। বোধকৰো সমাধিস্থলৰ উদ্দেশ্যে।

চীনত আটাইতকৈ ডাঙৰ সমস্যা হল মাটি। চীনৰ মূলভূমিৰ মানুহখিনিৰ প্ৰয়োজনত লগা মশানৰ বাবেই মাটিৰ অকুলন; তাতে হংকঙৰ প্ৰবাসীসকলেও চেষ্টিমে টাল কাৰণত মৃতকৰ সৎকাৰ চীনৰ মূলভূমিত কৰিব বিচাৰে আৰু তেওঁবিলাকৰ াৰ সৎকাৰৰ যি ধৰণৰ ব্যৱস্থা (অৰ্থাৎ কবৰ দিয়া) তাত মাটি লাগে বেছি। ইপিনে চীনৰ মাটি ছিয়ানব্বৈ লক্ষ্য বৰ্গ কিলোমিটাৰ অৰ্থাৎ বিশ্বৰ মাটি কালিৰ পোন্ধৰ ভাগৰ এভাগ। আনহাতে চীনৰ জনসংখ্যা হল বিশ্বৰ মুঠ জনসংখ্যাৰ চাৰিভাগৰ এভাগ। চীনৰ মাটিভাগৰ শতকৰা তেত্ৰিশভাগেই পৰ্বতে আগুৰি থকা ছাব্বিশভাগ মৰু আৰু মালভূমি। গতিকে চীনৰ প্ৰশাসনে শবদেহ পোৰাটো পচন্দ কৰে কবৰ দিয়াতকৈ।

ছিজান কাউন্টিৰ পাই ঠং ৰি গাৱলৈ যোৱাৰ বাটত দৰৱ পৰা এডৰা ওখ মাটিত কিছুমান কবৰ দেখি সেইবোৰনো কি সুধিছিলো। তেতিয়াই মিণ্টাৰ হু আৰু তাৰ স্থানীয় কৰ্মচাৰী এজনে আমাক এই কথাবোৰ জানিবলৈ দিছিল। সম্প্ৰতি দুই এখন গাৱে হেনো শৱদেহ পোৰাটো আৰম্ভ কৰিছেই।

পাই ঠং ৰি গাওঁখন এতিয়া য ত তাতে হেনো প্ৰাচীন কালত এটা হ্ৰদ আছিল। মই অৱশ্যে হ্ৰদ থকাৰ কোনো চিন পোৱা নাছিলো। মাত্ৰ কাষেদি এখন জুৰি বৈ আছিল। মানুহৰ অত্যাচাৰত আমাৰ গুৱাহাটীৰ ভৰলুখনৰ দৰেই বিবৰ্ণ-নিষ্প্ৰাণ দেখা গৈছিল জুৰিখন। মোৰ গ্ৰাম্য স্বভাব এটা আছে। জুৰি বা নৈ দেখিলেই জানিবলৈ মন যায় ক ৰ পৰা ওলাই ক ত পৰিছে জুৰি বা নৈখন। কিন্তু ঔদ্যোগিক চহৰতলীৰ বহু ধৰ্ষিতা নাৰীৰ দৰে লগা পাই ঠং ৰি

ভুৰিখনৰ নিষ্প্ৰাণ-নিশ্চল ৰূপ দেখি মোৰ সেইবোৰ একোকে জানিবৰ মন যোৱা নাছিল।

একেবাৰে নিৰুৎসাহিত হৈ ঘূৰি আহি বহিছিলোহি ছিজান কাউন্টিৰ মুখ্য কাৰ্য্যালয়ৰ চাৰি মহলাৰ ওপৰৰ ৰিচেপশ্যন হলত। তলত আন এটা ঘৰৰ প্ৰকাণ্ড মুকলি ছাদ এখনত দেখিছোঁ ব্যায়াম কৰি থকা কলেজীয়া ডেকাগাভৰু এজাক। ছোৱালীবোৰ আগত আছিল; গুলপীয়া ৰঙৰ ইউনিফৰ্ম পিন্ধা। ল'ৰাবোৰৰ ইউনিফৰ্মৰ ৰ আছিল আকাশী নীলা। আমাৰ মুখ্য সংগী গৰাকীয়ে কাউন্টিৰ মুখ্য কৰ্মচাৰী মিষ্টাৰ মাওৰ আগত কেতবোৰ গাজাখুৰি গল্প কৈ আছিল। ভাৰতীয় সকলে হেনো অতীতত কাহানিও চাহখোৱা নাছিল। এতিয়া হেনো বিশ্বৰ আটাইতকৈ বেছি চাহ খোৱা হয় ভাৰতবৰ্ষতে। ভাৰতত হেনো ওঠৰ শতিকাত প্ৰথমে মহীশূৰ ৰাজ্যাই ৰেচমৰ খেতি কৰিবলৈ লৈছিল ৰাজ পৃষ্ঠ-পোষকতাত। তাৰ পৰাহে ভাৰতৰ আন ঠাইলৈ ৰেচমৰ খেতি বিয়পিছিল।

মই গাঁজাখুৰি গল্প বুলি এই কাৰণেই কৈছোঁ যে আমাৰ ভাৰতীয় মুখ্য সংগীজনে নিজৰ দেশৰ বিষয়ে ভালদৰে কথাবোৰ জানি নোলোৱাকৈয়ে বিদেশৰ এগৰাকী জনপ্ৰতিনিধিৰ আগত বকলা মেলিছিল।

ভাৰতবৰ্ষত চাহৰ খেতি উনৈশ শতিকাত আৰম্ভ হৈছিল সঁচা কিন্তু তঁও কোৱাৰ দৰে ভাৰতীয় মানুহে চাহ খাবলৈ নতনকৈ শিকা নাছিল। ভাৰতৰ উত্তৰ পূবাঞ্চলত চাহ গছ হাবিয়ে বননিয়ে আছিল আৰু বহুযুগ আগৰ পৰাই তাৰ পৰতীয়া লোকসকলে চাহ খাইছিল।

ৰেচমৰ খেতি ( এৰী ) ভাৰতৰ উত্তৰ পূবাঞ্চলত ভাৰতীয় সভ্যতাৰ সূচনা হোৱাৰ দিনৰ পৰাই কৰি আহিছে তাৰ স্থানীয় জনসাধাৰণে। মুগা (ৰেচম)ৰ খেতিও অসমত অন্ততঃ কম পক্ষেও পাচশ বছৰ আগৰ পৰাই মানুহে কৰি আহিছে। পাট (ৰেচম)ৰ খেতি আৰু তছৰ (ৰেচম)ৰ খেতিৰ সূচনা তাৰো আগতে হৈছিল ভাৰতবৰ্ষত।

মই বৰ বোৰভ হৈ গৈছিলো। তলৰ ল'ৰা ছোৱালীজাকৰ খেল চাই আছিলোঁ বাহিৰলৈ ওলাই আহি। মিষ্টাৰ মাওক কোৱা শুনিছিলোঁ যে ৰেচম উৎপাদনৰ ক্ষেত্ৰত কাৰিকৰী জ্ঞান থকা শ্ৰমিকৰ অভাৱ হৈছে নতুন অৰ্থনৈতিক নীতিৰ কাৰণে। বহু শ্ৰমিকক নতুনকৈ প্ৰতিষ্ঠা কৰা ভৰু উদ্যোগত নিয়োগ কৰা হৈছে এই নীতিৰ সতে সংগতি ৰক্ষা কৰি।

ছিজানৰ লোকসংখ্যাও বৰ কম। মাত্ৰ আঠাইশ হেজাৰ। কিন্তু উদ্যোগৰ পৰাই এই টাউনশ্বিপে উৎপাদন কৰে বছৰি ৬৬ নিযুত ইয়েন মূল্যৰ সামগ্ৰী

আৰু খেতিৰ পৰা কৰে ৬ নিযুত ইয়েন মূল্যৰ খাদ্য আৰু আন শস্য। জনমূৰি বছৰি আয় হ'ল ৭০০ ইয়েন। টাউনশ্বিপৰ ১৩ হেজাৰ জন কৰ্মীৰ ১২ হেজাৰ জনেই ঔদ্যোগিক প্ৰতিষ্ঠানত কাম কৰে।

চীনত দেখিছোঁ এইটোৱে ভাল যে চৰকাৰে ভবামতেই কাম সম্পন্ন কৰাত বাধা নাথাকে। ছিজানৰ তথ্যই কয় যে চীনৰ নতুন অৰ্থনৈতিক আচনিত উদ্যোগত বেচি গুৰুত্ব আৰোপ কৰা হৈছে।

ছিজান এৰি আহিবৰ সময়ত আমাৰ মুখ্য সংগীয়ে মিণ্টাৰ মাওক এটা ভাৰতীয় বস্তু উপহাৰ দিবলৈ লৈছিল। এনেতে মিণ্টাৰ মাওৱে উপহাৰটো গ্ৰহণ নকৰাকৈয়ে ৰীতিমতে দৌৰি গৈ ওচৰতে থকা আমি অলপ আগতে চাই অহা চিলাই কাৰখানা এটাত সোমাল। আমাৰ সংগীসকল বিমূঢ় হৈ কি কৰিব কি নকৰিব ভাবি পাৰ নোপোৱাত মই আশ্বাস দি কৈছিলো তেখেতৰ কাৰণে খাট চাবলৈ। বিহাৰৰ পৰা যোৱা সংগীজনে নিৰাশ হৈ কলে—

ঃ ওঁ তো চলা গিয়া।

ঃ মই জানো তেখেত আহিবই।

মই ইংৰাজীত কৈছিলো কথাষাৰ। মিণ্টাৰ হুৱে নিৰুদ্বিগ্ন স্বৰত কলে—

ঃ খন্তেক ৰওঁ। তেখেত আহি আছে।

অলপ পাচতে তেখেতে হাতত কিবা এটা টোপোলা লৈ দৌৰি আহিছিল। দৌৰি আহিছিল আমাৰ দেখি হয় বুলি। তেখেতে আহি আথেবেথে টোপোলাটো আমাৰ মুখ্য সংগীৰ হাতত দিলে, তাৰ পাচতহে তেখেতে আমাৰ পিনৰ পৰা উপহাৰটো গ্ৰহণ কৰিলে।

তাৰপৰা গলোঁ খুইছান ক্লে ফ্লিগাৰিনচ মেকিং ফেক্টৰীলৈ। আমি মিণ্টাৰ মাওৰ ওচৰত বিদায় লোৱাৰ সময়ত আবেলি ১ বাজি বাৰম্ন মিনিট গৈছিল। ইপিনে আমি যাবলগীয়া ট্ৰেইন খন এক বাজি আঠাৰম্ন মিনিট যোৱাত ছিজান ষ্টেচন আহি পোৱাৰ কথা।

ফ্লিগাৰিনচ মেকিং ফেক্টৰীলৈ যোৱাৰ কথা শুনি মই প্ৰমাদ গণিছিলো। এনেতে মিণ্টাৰ হিচেঙে আমাৰ বিহাৰী সংগীজনক কোৱা শুনিছিলো যে গাড়ী তিনি বাজি উনপঞ্চাচ মিনিট যোৱাতহে পাবহি। বেইজিঙত মে দিৱস উৎসব চাবলৈ যোৱা হেজাৰ হেজাৰ যাত্ৰী যুৰি অহাৰ ফলত বিৰাট যাত্ৰীৰ ভীৰ হোৱা দেখি ট্ৰেইন আহি পোৱাত দেৰি হৈছে।

গতিকে সময়খিনিৰ সদব্যৱহাৰ কৰাৰ অৰ্থেই পালোঁগৈ খুইছান ক্লে ফ্লিগাৰিনচ মেকিং ফ্লেক্টৰী। একেবাৰে আড়ম্বৰহীন দুমহলীয়া ঘৰ। তলত

শ্বো ৰুম আৰু ওপৰত ওৱাকিং ৰূম। ওপৰৰ মহলালৈ গলো। শ্মশান যেন নিস্তব্ধ। ডেকা গাভৰু গাভৰুৰ সংখ্যাই সৰহ এশজনমানে কাম কৰি আছে। কিন্তু কোনো সাৰ-শব্দ নাই।

দাড়িয়ে গোফে সৰ্বশক্তিমান দেৱতাৰ মৃন্ময় মূৰ্তি কাহানিও পিছলি নপৰা বুঢ়া পু টাও বেং বৃদ্ধ হাতত লাঠি আৰু কান্ধত জীউ লাও লৈ দীৰ্ঘায়ুৰ দেৱতা। মূৰৰ পিচপিনে খোপা আৰু মুখত শিশুৰ হাঁহি। দীৰ্ঘায়ু দেৱতাৰ শুভ্ৰ শ্মশ্ৰু কিন্তু নাছিল। তাৰ পাচত সংগীতজ্ঞ আৰু নৰ্তকী crane আৰু clam অৰ্থাৎ বগলী আৰু মিছামাছৰ যুদ্ধ পাণ্ডা লু বাজ্যৰ কোর্ট দাৰু ইমম বটেল লটাচ অটাম বিভাৰ আদি ক্লাচিকেল অপেৰাৰ অভিনয়ৰ কেতবোৰ চিকুৱেঞ্চ—চব মৃন্ময় ৰূপত ধৰি ৰখা আছিল শ্বো কেচবোৰত। সেইবোৰ চাই আমাৰ উত্তৰ পূবৰ সংগীজনৰ হঠাৎ মন গ'ল নিজৰ এটা মৃন্ময় মূৰ্তি কৰাবলৈ। খনিকৰৰ ওচৰ চাপিল। কলে পঞ্চাশ ইয়েন লাগিব সময় লাগিব আধাঘণ্টা। তেওঁ পাহৰিলেই আমি যে তিনি বাজি উনপঞ্চাশ মিনিটত গাড়ী ধৰিব লাগিব। তেওঁ শিল্পীৰ সম্মুখত বহি গ'ল।

চীনদেশত থকা সেই এমাহৰ ভিতৰত সেই ত্ৰিচটা মিনিটেই আটাইতকৈ দীঘল মিনিট আছিল। ইমান অতীষ্ঠ হৈ পৰা আন এটা মুহূৰ্তৰ কথা মই মনত পেলাব পৰা নাই। আমি আটাইবোৰেই তেওঁৰ আচৰণত বিৰক্ত হৈ পৰিছিলো। তেওঁ কিন্তু নিৰ্বিকাৰ আৰু নিৰ্বিকাৰ আছিল মিণ্টাৰ হু আৰু তেখেতৰ চৈনিক সহযোগীসকল। কিয়নো চীনতে ইয়েনখিনি বৈ যাব। অকণ দেৰি হলেই বা ক্ষতি কি!

ঠিক আধাঘণ্টাৰ পাচত—উস যেন নিযুত বছৰ!— মৃন্ময় মূৰ্তি হৈ গ'ল। আমি আটায়ে ওপৰ মহলালৈ গলো। চাই হতবাক হৈ গলোঁ। একেবাৰে উত্তৰ পূবৰ সংগীজনাৰ যেন ফটোগ্ৰাফহে। মই শিল্পীজনাক সাবট মাৰি ধৰিলো। ভাষাৰ প্ৰাচীৰ সত্ত্বেও তেখেতে বোধকৰো মোৰ অন্তৰৰ ভাষা বুজি পালে। মোৰ হাত এখন দুহাতেৰে ধৰি জোকাৰি দি সৌহাৰ্দ্য প্ৰকাশ কৰিছিল।

ৰেলগাড়ীখন ঠিক তিনি বাজি উনপঞ্চাশ মিনিটত প্লেটফৰ্মত সোমাই-ছিলহি। প্ৰকাণ্ড ডিজেল ইঞ্জিনটো সোমোৱাৰ লগে লগে যাত্ৰীবোৰে নিজৰ টাৰ্লি টোপোলাবোৰ ঠিক কৰি লৈছিল। আমাকো সাজু হবলৈ কোৱা হৈছিল। আমাৰ উত্তৰ পূবী সংগীয়ে তেওঁৰ চুটকেচ এটা মোক দি নিজৰ মূৰ্তিটো লবলৈ এখন হাত আজৰি কৰি লৈছিল। কিন্তু ডবাত উঠোতে হঠাৎ দুৱাৰৰ কৰবাত খুন্দা লাগি মূৰ্তিটোৰ নাকটো বেকা হৈ গৈছিল।

সংগীৰ দুখ দেখি বিহাৰী বন্ধু জনে কলেহি যে সেইটো বক্সিং খেলৰ পাচত কৰোৱা মূৰ্ত্তি বুলি কলেই চব লেঠা শেষ হয়।

বিহাৰী বন্ধুৰ পৰামৰ্শ শুনি মূৰ্ত্তিটো ৰখাৰ যদি অকণ ইচ্ছাও আছিল সেইখিনিও নাইকিয়া হৈ গৈছিল তেওঁৰ। তেওঁ মূৰ্ত্তিটো হাতত তুলি ললে আৰু চলন্ত ট্ৰেনৰ খিৰিকীৰে দলিয়াই দিলে।

নানজিং পোৱাৰ আগে আগে এটা ষ্টেচন পাইছিলো। তাৰ ওচৰত এটা ৰেলৰে ক্ৰচিঙত দেখিলো এটা গ্ৰেভেল দিয়া দীঘল আলিবাট। ওচৰৰ গাওঁখন ফালি দূৰণিত নেদেখা হৈ গৈছে। গাওঁখনৰ সন্মুখত দেখিলোঁ কেতবোৰ খাল সৰু সৰু বিশৃঙ্খল। ঠিক অসমৰ গাঁৱৰ দৰে। পথৰুৱা বাট'বাৰে গাঁৱৰ পদূলিবোৰৰ পৰা আহি আলিবাটত উঠিছেহি।

উহিত দেখিছিলো আলিৰ দাতিত হুদৰ পাৰত য তেই পানী আছে তাতেই ক্ষিছাৰী কৰিছে। এইপিনে তেনে এৰো নেদেখিলো। মা জ মাজে কৰিছে কিন্তু প্ৰায়বোৰে মুক্ত খাল। য ৰ মা জদি ম হৰ পিঠিত উঠি ম হ ৰখীয়া অবাধে পাৰ হৈ গৈছে।

নানজিং পাওতে গধূলি সাত বাজি গৈছিল। বেইজিঙত প্ৰথম নমাৰ দিনা বুৰ আচহৰা ভয় ভয় ভাব হৈছিল। কিন্তু এই কেইদিন চীনত ঘুৰাৰ পিচত নানজিঙত নমাৰ লগে লগে মনত পুলক অনুভব কৰিছিলো।

প্ৰাচীন আঠোটা ৰাজবংশই এই নানজিঙতে ৰাজধানী পাতিছিল আৰু এই নানজিঙতে জন্মলাভ কৰিছিল আৰু চীনৰ মুক্তি বি লৱৰ সচনা কৰিছিল বিশ্বৰ মহান বিপ্লবী ডা চান ইয়াৎ সেনে।

লেতেৰা পানী বগা ৰাজহাহবোৰ যেনি তেনি দেখি ভাবিছিলো নানজিং পুৰণিৰ দৰেই আছে। কিন্তু এটা ষ্টেচনত গাডী ৰখোতে হঠাৎ চকুত পৰিছিল আধুনিক পোছাক পৰিহিত তিনিজন চীনা যুৱকক পলিচে গ্ৰেপ্তাৰ কৰি লৈ যোৱা। মিস্টাৰ ষ্চিঙে হঠাৎ কলে—মে বী থিক অৰ মাৰ ডাৰাৰ। চোৰ বা হত্যাকাৰী যেন মোৰ হলে নালাগিল। তাৰ আগদিনা কোনোবা এখন পেপাৰত পঢ়িছিলোঁ টাইৱানৰ পৰা লিংক থকা স্পাই ৰিং এটা বাস্ত কৰাৰ কথা। মোৰ হলে ঘটনাটো সেই সম্বন্ধীয় যেন হে লাগিছিল। তাকে দেখি নানজিঙৰ পুৰণি ৰূপটো আকৌ দেখাৰ সুযোগ পোৱা নাযাব বুলি মোৰ সন্দেহ হৈছিল।

কিন্তু নানজিঙৰ আলিবাটত যেতিয়া দেখিলোঁ আমাৰ দৰেই মানহ কঢ়িওৱা চাইকেল ৰিক্সাবোৰ ঘুৰি ফুৰিছে—আমাৰবোৰৰ দৰেই বৰষণৰ

চাকনিবে ; আলিবাটৰ দুয়োকাষে সৰল গছৰ শাৰী মনটো মুকলি লাগি গৈছিল। সেইদিনা পূৰ্ণিমা আছিল। সৰল গছৰ কেনপিয়ে তলৰ ইলেকট্ৰিক লাইট আৰু ওপৰৰ জোনাকৰ মাজত ব্যৱধান ৰচিছিল। গৈ থাকোতে এসময়ত মনৰ সকলো বাধা আতৰি যোৱা যেন বোধ হৈছিল।

কিন্তু শেষত যেতিয়া গৈ ছয়ত্ৰিশ মহলীয়া জিনলিং হোটেলৰ সম্মুখত গাড়ীখন ৰৈছিলগৈ মনৰ সমস্ত অৰ্গল মুহূৰ্ত্তে বন্ধ হৈ গৈছিল। প্ৰকাণ্ড য়নিঙৰ তলত সোমোৱাৰ লগে লগে আয়নাৰ দুৱাৰত এইমাত্ৰ নতুনকৈ ভাজ খুলি পিন্ধা যেন লগা ইউনিফৰ্মত ৰৈ থকা মৰমলগা ডেকা ল'ৰা দুটাই দুফালে দুখন দুৱাৰ খুলি ধৰিছিল। লবীত কলা-ৰঙা বহল ষ্ট্ৰাইপ থকা টাইট ফ্ৰক পিন্ধা মহিলাসকলে নিজ নিজ কাউন্টাৰত ব্যস্ত হৈ আছিল। লবীৰ লাউঞ্জত আমাৰ সৰু চহৰ এখনৰ গধূলি বজাৰ বহা যেন লাগিছিল।

মই চেক ইন কৰিছিলো ২৬০৮ নং খোটালিত। লিফটৰ পৰা ওলোৱাৰ পাচতে আমাৰ এগৰাকী সংগীৰ মূৰ আচন্দ্ৰাই কৰিছিল। ভাৰ্টিগো অৰ্থাৎ উচ্চতাৰ কাৰণে মূৰ ঘূৰিছিল। চীনত বতৰৰ এটা বিশেষত্ব হল ইয়াত আমাৰ দৰে মনচুন নাই। আমাৰ ভাত মনচুন আৰম্ভ হয় দিল্লীত ২৯ জুনত কলিকতাত ৯ জুনত আৰু গুৱাহাটীত ২৯ জুনত। কৰবাত পাইছিলোঁ মনচুন থকা দেশৰ মানুহৰ হেনা ভাৰ্টিগো প্ৰায়ে থাকে। আমাৰ সংগী গৰাকীয়ে তাৰ সমৰ্থনত জ্বলন্ত সাক্ষ্য দান কৰিছিল।

কোঠাটোত সোমায়েই পূৱাপনে খিৰিকীখন খুলি দিছিলোঁ। তলত দেখিছিলো অজস্ৰ নিয়ন লাইট চকুৰে নমনালৈকে। ওপৰৰ আকাশত ঘূৰণীয়া জোনটোৱে ঢালি দিছিল জোনাকৰ অবাধ ধাৰা। অকণ চেচা চেচা লাগিছিল। হয়তো বাহিৰত এজাক মৃদু বতাহ বলি আছিল। মোৰ মনত পৰিছিল এটা জু (Tzu) কবিতালৈ—

There was moonlight
The trees were blossoming
And a faint wind softened the air of night,
For it was spring

মে মাহৰ প্ৰথম সপ্তাহত মে দিৱসৰ বা বসন্তৰ সতে বসন্তৰ কোনো তথ্যগত সম্বন্ধ নাই। কোনো কাৰ্য-কাৰণ সম্বন্ধও নাই। এই সম্বন্ধ একেবাৰে কাকতালীয়। কিন্তু ইমান নিবিড় ইমান অবিচ্ছেদ্য যেন লাগি যায় দুয়োটাকে। দৰত তলত এঠাইত দেখিছিলোঁ মে দিৱসৰ

অৱশেষ। কেতবোৰ ৰং বিৰঙৰ পতাকা। শীতল বাসন্তী বতাহজাকৰ মৃদু স্পৰ্শত ঢৌ খেলি আছিল।

হোটেলৰ নামাঙ্কিত চাহৰ পেকেট এটা খালী কৰি ঢালি যতনাই থোৱা পিয়লা এটাত ফ্লাস্কৰ পৰা গৰম পানী দিয়াৰ লগে লগে জেছমিনৰ গোন্ধ ভাহি আহিছিল। চাহৰ কাপটো হাতত লৈ বিগত দিনটোৰ কথা ভাবিছিলোঁ। ছিজানৰ সেই নামহীন হ্ৰদৰ মডেলাৰ জনৰ কথা মিণ্টাৰ মাওৰ অকপট শিষ্টাচাৰৰ কথা পাই ঠং ৰি গাঁৱৰ সেই নিষ্প্ৰাণ জুৰিখনৰ কথা আৰু আমাৰ সেই সংগীজনে নিজৰ মূৰ্ত্তি গঢ়িবলৈ দিয়া সেই দীৰ্ঘতম মিনিট ত্ৰিশটাৰ কথা। এটা মুহূৰ্ত্তত আনবোৰ চব মচ গৈ মিণ্টাৰ মাওৰ সবল অনবৰত হাহি থকা যেন দেখা মুখখনহে মনত ৰৈ গৈছিল। তেওঁ মাজে মাজে টেই-টেই ( right right ) খৈ খৈ ( ok ok ) আদি কৈ হুলস্থুল কৰি আমাৰ বক্তব্যবোৰত সহাৰি দিছিল। মাজে মাজে মই পাহৰি গৈছিলো তেওঁৰ আৰু আমাৰ ভাষাৰ মাজত যে এক দুস্তৰ ব্যৱধান আছিল।

তেওঁৰ এষাৰ কথা বৰকৈ মনত ধৰিছিল। মেই চুনৰ মিণ্টাৰ ঈ (একেবাৰে ডেকা ল ৰা) য়েও কথাষাৰ কৈছিল। কিন্তু মিণ্টাৰ মাওৰ দৰে ইমান ৰস লগাই কব পৰা নাছিল। পাই ঠং ৰিৰ প্ৰাচীন হ্ৰদটোৰ ক্ষেত্ৰতো হেনো নতুন চহৰবোৰৰ দৰে একে ষ্ট্ৰেটেজিকে লোৱা হৈছিল মিণ্টাৰ মাওৰ মতে। সেইটো হ ল ষ্ট্ৰেটেজি অফ ডিচপাৰচেল। হ্ৰদটোৰ পানীবোৰ বিয়পাই ইমান ঠাইলৈ নিয়া হ ল যে এসময়ত হ্ৰদটোৰ গভীৰতা কমি কমি নাইকিয়া হ ল। চীনত সম্প্ৰতি ডাঙৰ মহানগৰীৰ ক্ষেত্ৰতো তেনে ব্যৱস্থাই লোৱা হৈছে। মানুহৰ ভীৰ ডিচপাৰচ কৰি দিয়া হৈছে। সম্প্ৰতি চহৰবোৰত ভীৰ হয় এটা কথাৰ কাৰণে। সেইটো হ ল কন জিউমাৰ গুদ চৰ প্ৰতি সাধাৰণ মানুহৰ আগ্ৰহ। এই ভীৰ কমোৱাৰ উদ্দেশ্যে গ্ৰহণ কৰা হৈছে ষ্টেটেজি অফ ডিচপাৰচেল। সেই অনুসৰি কনজিউমাৰ সামগ্ৰীৰ বিতৰণ ব্যৱস্থা বিকেন্দ্ৰীকৰণ কৰা হৈছে; তাৰ ফলত মানুহে নিজৰ গাঁৱৰ বা চহৰৰ ওচৰতে সামগ্ৰী আৰু আন সেৱাবোৰ পোৱা হৈছে। তাৰ বাবে ডাঙৰ চহৰলৈ নগলেও চলি যায়। মিণ্টাৰ মাওৱে কথাৰ মোখনি মৰা সময়ত ৰগৰ কৰি কৈছিল—শ্লো উই চেলদম কাম এক্ৰচ জেণ্টেলমেন লাইক মিণ্টাৰ হু। কথাষাৰ কৈয়ে তেওঁ ডাঙৰকৈ হাঁহি দিছিল। মিণ্টাৰ হু আছিল বেইজিং মহানগৰীৰ। খোদ কেন্দ্ৰীয় চৰকাৰৰ চাকৰিয়াল। একমাত্ৰ পুতেকে পঢ়ে খিজুৱানৰ কোনোবা এখন

কী-ইনষ্টিটিউশ্যনত। বাপেকলৈ প্ৰায়ে আপত্তি কৰি চিঠি লিখে হেনো যে তাৰ ক্লাইমেটটো বৰ গৰম বেইজিঙৰ দৰে স্বাস্থ্যকৰ নহয়। গতিকে তেওঁক বেইজিঙলৈকে ট্ৰান্সফাৰ কৰাই লৈ আহিব লাগে সোনকালে। খিজুৱানৰ ক্লাইমেটে তেওঁক একেবাৰে স্বট কৰা নাই

চীনত এইবোৰ পুনৰাবৃত্তিক জন সাধাৰণৰ বেচি ভাগেই ভাল চকুৰে নেচায় যেন লাগে। মিণ্টাৰ হুৱে প্ৰায় দুঘন্টামানৰ আগতে জানো কি প্ৰসংগত কৈছিল কথাষাৰ। মিণ্টাৰ মাওৰ কিন্তু দুঘন্টাৰ পাচতো ইতিমধ্যে ইমান বিভিন্ন আলোচনাৰ পাচ তা মিণ্টাৰ হুৰ কথাষাৰ বোধকৰো পাহৰিব পৰা নাছিল আৰু তাৰ প্ৰত্যুত্তৰৰ এনে মহাৰ্ঘ সুযোগ এটা তেওঁ এৰি দিবলৈ প্ৰস্তুত নাছিল।

মিণ্টাৰ হুৱে হাহিছিল। হাহিৰ ভংগী ৰহস্যময় নাছিল যদিও— কবলৈ গ লে চীনাসকলৰ হাহি প্ৰায়ে ৰহস্যময় যেন নালা\u200cগে—মই হাঁহিটোৰ অথ বুজা নাছিলো।

এতিয়া পনৰ মনত পেলাইছাঁ মিণ্টাৰ মাওৰ কথাখিনি। তলৰ দীঘল জাহনি এখনৰ তলেদি যোৱা নানজিং চহৰৰ ব্যস্ততাহীন আলিবাটটো দেখি বাৰে বাৰে তেওঁৰ কথাখিনি মনত পৰিছিল। দুয়োকাষ চিনাৰ নে পপলাৰ গছৰ শাৰী ওপৰৰ পৰা জাহনি যেন দেখা গৈছিল। জোনাকৰ ঢল নামিছিল ওপৰৰ পৰা কিন্তু তলৰ নিয়ন লাইটে আলিবাটত পৰশিব দিয়া নাছিল জোনাকৰ কাড়। মই ওপৰত আছিলো দেখিহে জোনাকৰ পৰাজয় অনুভৱ কৰিছিলো। বৰ আগ্ৰহ হৈছিল নামি গৈ ব্যস্ততাহীন আলিবাটটোৰ দাঁতিত থিয় হৈ ওচৰৰ পৰা উপভোগ কৰিবলৈ আদিমতম আৰু আধুনিকতমৰ মাজৰ এই নীৰৱ প্ৰতিদ্বন্দ্বিতা

ৰাতি বৰষণ দিছিল। পুৱা উঠি দেখিছিলো বিষন্ন আকাশ। হোটেলৰ স্প্ৰিং কৰ্ণাৰৰ সন্মুখত নাম নজনা ফুলৰ গছ এজোপাৰ পৰা অজস্ৰ ৰঙা ৰঙা ফুল মাটিত পৰি লেতেৰা হৈ আছিল। মোৰ মনলৈ আহিছিল ফু কবিতাৰ সেই বহু প্ৰচাৰিত ফাকি কেইটা—

The spring begins to die
And all around on the ground rain sodden
The fallen red flowers lie
Dejected in his jade cage The cockatoo
on the south fastens his eye

Asking the flowers but the flowers will give no reply
We must return together You and I
Had I only your painted wings with which to fly!

পুৰা সাতবজাৰ আগতে নানজিঙৰ আলিবাটত ব্যস্ত মানুহৰ দল। খোজকাঢ়ি গৈছে আৰু গৈছে চাইকেলত চাইকেলত যোৱা মানুহেই বেচি। চিটি বাছো চলিছে। বেছি ভাগতে মহিলা দ্ৰাইভাৰ।

আমাৰ উত্তৰ পুবৰ সংগীজনো মোৰ লগতে নামি আহিছিল। ডেকা মানুহ অদম্য কৌতুহল আছে। তেওঁ কাকো উদ্দেশ্য নকৰাকৈ স্বগতোক্তি কৰাৰ দৰে ক লে—

ঃ কি চাইকেল বাৰু? ইমান চফট এণ্ড চুইফট?

ঃ আপুনি কেনেকে জানিলে? উঠি চালে নেকি কৰবাত?

ঃ মেই চুন চেনৰ কৰুন কালেকশ্যান ষ্টেচনত? চাইকেল এছেম্বল কৰা হলটোত দুখনমান উঠি চাইছিলো।

ঃ চীনৰ বেষ্ট চাইকেল হ ল ফিনিক্স ফৰ এভাৰ আৰু ফ্লাইং পিজন। আগৰ দশকৰ কাৰখানা চাংহাইত পাচৰখন বনায় টিয়ানজিনত।

ঃ ইয়াৰ ওৱাৰ্ষ্টখনো কিজানি ইণ্ডিয়াৰ বেষ্টখনতকৈ বেটাৰ হব।

মই একো নকলো। ভাৰতবৰ্ষৰ দৰণিবটীয়া অঞ্চলৰ ডেকা ল ৰা কিছুমানৰ ধাৰণা ভাৰতীয় কৰ্মদক্ষতা সম্বন্ধে বৰ সন্তোষজনক নহয়। তাৰ উপযুক্ত কাৰণো নোহোৱা নহয়। ভাৰতীয় প্ৰতিভা আৰু কৰ্মদক্ষতা বিশ্বৰ কতোকৈ কম নহয়, কিন্তু বিকাশৰ সুযোগৰ অসম বিতৰণে সমগ্ৰ ব্যৱস্থাক অকিঞ্চিৎকৰ কৰি তুলিছে। তদপৰি খি সকলে ৰাষ্ট্ৰীয় আচনি প্ৰস্তুত কৰে ভাৰতবৰ্ষৰ বিশালতা আৰু বিচিত্ৰতা সম্বন্ধে সেইসকলৰ সামগ্ৰিক ধাৰণা নোহোৱা হেতুকেই সমবিতৰণ ব্যাহত হৈছে।

মোৰ সংগীজনে সম্মুখৰ প্ৰশস্ত আলিবাটটোৰেদি অহাযোৱা কৰা চাইকেল বোৰলৈকে একান্ত মনোযোগেৰে চাই আছিল। মই তেওঁৰ মনোভংগ কৰিবলৈ মন নকৰিলো। মইও নীৰৱ ওচৰতে বৈ থাকিলো। এনেতে দেখিলো হোটেলৰ কৰ্মকৰ্ত্তাসকল ব্যস্ত হৈ পৰিছে। ভাবিলো নিশ্চয় কোনোবা ভি আই পি আহিব। আন ৰাষ্ট্ৰৰ কোনোবা উচ্চ বিষয়াও হব পাৰে। মই নিৰাপদ দূৰত্বত আছোঁ নে নাই চাই ললো আৰু সংগীৰ কান্ধত লাহেকৈ হাত এখন পেলাই দিলোঁ। তেওঁ ঘূৰি চোৱাত কলোঁ—

ঃ কোনোবা ভি আই পি আহিছে বোধকৰো।

ঃ গুলীমাৰক ভি আই পি।

তেওঁ বোধকৰো হঠাৎ পাহৰি গৈছিল যে তেওঁ এখন বিদেশী ৰাষ্ট্ৰত আছে। মনত পৰাৰ লগে লগে জিভাখন উলিয়াই তেওঁ হাঁহি দিলে।

মই অৱশ্যে সেই মুহূৰ্ত্তত এটা অনুপম দৃশ্য উপভোগ কৰিছিলোঁ। সন্মুখত মাও কোট আৰু টুপী পিন্ধি ভিলেজ লীডাৰ। পিচে পিচে প্ৰায় এশ গৰাকীমান ভিতৰুৱা গাঁৱৰ পুৰুষ মহিলা আৰু শিশু। হোটেলৰ বিষয়া কৰ্মচাৰী সকলোৱে সসম্ভ্ৰমে তেওঁলোকক হোটেলৰ ভিতৰলৈ লৈ গৈছে আৰু বিভিন্ন মহলা আৰু কৰ্মক্ষেত্ৰবোৰ দেখুৱাই পোন্ধৰ মিনিটমানৰ ভিতৰতে পুনৰ হোটেলৰ সন্মুখলৈ আগবঢ়াই থৈ গৈছহি।

সৌ দুটা দেখিছেনে নাই ?

সংগীয়ে ৰাষ্টাৰ পিনলৈ দেখুৱাইছিল। মই মনেই কৰা নাছিলো। এজন আদহীয়া আৰু এটা ডেকা লৰা বিস্ময়ত হতবাক হৈ জিনজি হোটেলৰ সন্মুখত আলিবাটৰ দাতিত বৈ গৈছে। অলপ পাচত ডেকাজনে বাটটোৰে ওপৰৰ পৰা তললৈ হোটেলৰ মহলাবোৰ এটা এটাকৈ লেখি আছিছে।

দেয়াৰ মাচ্চ ভণ্টেদ ইকুৱেল অপৰচ্চুনিটী। জিনলিং হোটেল কিছুমানৰ কাৰণে আমনি লগা হৈ পৰিছে আৰু কিছুমানৰ কাৰণে আজিও হৈ আছে পৰম বিস্ময়। মিণ্টাৰ হুৱাৰ মুখত আকৌ বৰ ইকুৱেল অপৰচ্চুনিটীৰ কথা কয়। তেখেতৰ লৰাই আকৌ গৰম ক্লাইমেটত থাকিবলৈ টান পায়।

সেই আদহীয়া আৰু ডেকাৰ সামান্য কথটোৰে যে সংগীৰ মনত ইমানবোৰ চিন্তাৰ ঢৌ তুলিব মই ভবাই নাছিলোঁ। বিদেশ বিভুঁইত এনেধৰণৰ স্পষ্ট প্ৰকাশে অসুবিধাত পেলোৱাৰ আশংকা থাকে। গতিকে সংগীজনক মই প্ৰসংগান্তৰলৈ নিবৰ যত্ন কৰি কলো—

আজি আমাৰ কি প্ৰোগাম বাৰু ?

জানো ? মাত্ৰ গধূলিযে প্লেনেৰে নানজিং এৰিম সেইটো জানো।

আমাৰ পিচে ভাবিবলগীয়া নহল। আটায়ে গুলাই আছিল। মিণ্টাৰ চিৎে কলেহি তেওঁৰ চিৰাচৰিত ষ্টাইলত—

হিয়াৰ উই গো।

হোৱেৰ ?

এনি হোৱেৰ।

য়াঙ্জু নদীৰ দলংখন কিন্তু এনিহোৱেৰ নাছিল। বৰষুণ দি আছিল কিনকিনকৈ। দলৰ পৰা য়াংজু নৈখন দেখিয়েই মই কলোঁ—

ঃ ইফ দিছ ইজ এনিহোৱেৰ ইন নানজিং আই এম ৰেডি টু গো এনিহোৱেৰ।

দলংখনৰ নানজিঙৰ পিনে থকা মুৰটোৰ তলৰ বেচমেণ্টত সোমায়ে দেখিলো মাও চে টুঙৰ প্ৰকাণ্ড প্ৰস্তৰ মূৰ্ত্তি। ইমানবোৰ ঠাই ঘুৰিলোঁ কিমান কাউন্টি আৰু টাউনশ্বিপ অঞ্চিলত বহিলো কতো মাও চে তুঙৰ প্ৰস্তৰ মূৰ্ত্তি দূৰৰ কথা ছবি এখনকে দেখা নাছিলো আলোচনাত দেখিছোঁ কাচিৎহে মাওৰ কথা উল্লেখ কৰে। কিন্তু কালচাৰেল ৰিভলিউশ্যন ( ১৯৬৬ ৬৯ )ৰ সময়ত প্ৰচুৰ মাওৰ ছবি মাৰে ৰেড বুক মাওৰ বাণীৰ প্ৰচাৰ চলিছিল। প্ৰচাৰৰ ধম ইমান চলিছিল যে শ্বিজুৱান প্ৰদেশৰ ১২ নিযুত জনসাধাৰণৰ কাৰণে তাত ছপা কৰা হৈছিল ১০০ নিযুত কপি মাওৰ ৰেড বুক।

সেই মাওৰ প্ৰতি সাম্প্ৰতিক চীনত উৎসাহ একেবাৰে কমি গৈছে। মিণ্টাৰ ছৱে ঠিক অৱজ্ঞাৰে নহলেও একেবাৰে নিলিপ্তভাৱে আমাক কলে—

দিছ ইজ মাও চে টু।

অলপ পাচতে আকৌ কলে—

ঃ লেটচ গো দেয়াৰ। ইউ উইল ফাইণ্ড দ্য প্লান।

দেখুৱামতে মাওক চাবলৈ এৰি ভিতৰৰ খোটালিলৈ সোমাই গলো। ছোৱালী এজনীয়ে আমাক দলঙৰ মডেলটো দেখুৱাই বুজাবলৈ লাগি গল। মই হঠাৎ বোৰড হৈ গৈছিলো। তথাপি তথ্যবোৰ লিখি ললো তেওঁ কোৱা মতে -

| | |
|---|---|
| দৈৰ্ঘ্য— | ৬৭৭২ মিটাৰ |
| মূলদলঙৰ দৈৰ্ঘ্য— | ৪৫৮৯ মিটাৰ |
| স্পান— | দহটা |
| ভূ পৃষ্ঠৰ পৰা উচ্চতা— | ৩৫ মিটাৰ |

আগেয়ে ট্ৰেইনবোৰ জাহাজেৰে পাৰ কৰিছিল। এতিয়া দলংখন পাৰ হওতে ট্ৰেইনেৰে মাত্ৰ তিনি মিনিট লাগে। নিতউ দলঙেদি ১৮০খন ট্ৰেইন আৰু দহ হেজাৰখন মটৰ যায়। পাচ হেজাৰ শ্ৰমিকে ১৯৬০ৰ পৰা ১৯৬৮ লৈ পুৰা আঠ বছৰ কাম কৰি এই দলংখন সাজিছিল। দলঙখন সাজোতে মুঠ খৰচ হৈছিল ২৮০ নিযুত ইয়ন।

গাড়ী যোৱা প্ৰচণ্ড শব্দৰ মাজতে কথাবোৰ টুকি লৈছিলো, কিন্তু মোৰ মন আছিল বৰবাত। আচলতে মই ভাবিছিলোঁ য়াংজু নইখনৰ কথা। প্ৰায় চাৰে তিনিহেজাৰ মাইল দীঘল বিশ্বৰ চতুৰ্থ দীৰ্ঘতম এই নইখনে

চাৰেতিনিহেজাৰ বছৰবো আগৰে পৰা চীনৰ জনসাধাৰণৰ মাজত এক ব্যৱধানৰ ৰচনা কৰি আহিছে। য়াংজুৰ উত্তৰে উত্তৰী চীন আৰু দক্ষিণে হ ল দক্ষিণী চীন। উত্তৰী চীনৰ মানহবোৰ হ ল শকত আৱত ওখ পাখ। দক্ষিণী চীনৰ মানুহবোৰ হ ল ক্ষীণ চুটি চাপৰ। আহাৰ বিহাৰতো এই দুই চীনা জনসাধাৰণৰ মাজত বিস্তৰ প্ৰভেদ। উত্তৰ পিনৰ মানুহে যেতিয়া হোল মাটন ৰোষ্ট (সেকা গোটা ছাগলীটোৰ মুখত মন্নদাৰে সজা সেউজীয়া ৰঙৰ গছৰ ডালো দি থয়) তপিতবে খায় দক্ষিণৰ কেন্টনিজ সকলে মাটা হাতেৰেও নোচোৱে। উত্তৰ চীনৰ মানুহ আকৌ দক্ষিণৰ গুৱাংদং প্ৰদেশৰ মানুহক বিদ্ৰুপ কৰে টেবুল চকীত বা দ চাৰিঠেঙীয়া একোকে খাবলৈ বাদ নিদিয়ে বুলি।

য়াংজুক চীনাসকলে নাম দিছে চাং কিয়াং অৰ্থাৎ দীঘল নদী বুলি। যিদৰে ভাৰতবৰ্ষৰ বড়োসকলে ব্ৰহ্মপুত্ৰৰ নাম দিছিল দৈ লাও মানে নদী দীঘল বুলি। য়াংজু বিশাল নৈ কিন্তু য়াংজুৰ দৰে শান্ত নদী পৃথিবীতে বিৰল। এই যশ অৰ্জনত য়াংজুক সহায় কৰিছে পান কুৱে। উছিত দেখা টাই হ টুংটিং আৰু পয়াং হ্ৰদক য়াংজু নদীৰ আবাহিকাত্ত পাতি পান কুৱে য়াংজুৰ উপচি পৰা পানীবোৰ লৈ যায় দেখি য়াংজু নদী কেতিয়াও হোৱাংহোৰ দৰে বানত বলিয়া নহয়। তিব্বতৰ পৰা হেজাৰ মাইল সংকীৰ্ণ কন্দৰেৰে ইমান তীব্ৰ গতিত বৈ আহে যে ষিজুৱানৰ ৰেড বেছিনৰ প্ৰশস্ত প্ৰান্তৰ পোৱাৰ লগে লগে ক্লান্তিত য়াংজু যেন স্তব্ধ হৈ যায়। তাৰ পাচত ধীৰ প্ৰশান্ত গতিত (মাইলে প্ৰতি আধা ইঞ্চি গতিত সাগৰলৈ গতি কৰে আৰু চাংহাইৰ দাতিয়েদি সাগৰত বাকি দিয়েছি।

এই য়াংজুৰ দক্ষিণ অৱবাহিকাতে ষ ত আঠেহেজাৰ বছৰবো আগতে মানুহে পানীত ধান খেতি আৰম্ভ কৰিছিল টাই সংস্কৃতিৰ জন্ম হৈছিল। আমাৰ ভাৰতীয় টাইসকলৰ আদিপকষসকল তাৰ পৰাই আহিছিল। যিসকল সম্প্ৰতি আহোম নামেৰে পৰিচিত আৰু যিসকলে ভাৰতবৰ্ষৰ ইতিহাসত সুদীৰ্ঘ-তম কালৰ (ছশ বছৰীয়া) ৰাজত্বৰ পাতনি মেলিছিল। বহুতে ধাৰণা কৰে এই আহোমসকলেই পানী খেতি আৰু বিহু উৎসৱ ভাৰতবৰ্ষৰ উত্তৰপূৱ প্ৰান্তলৈ লৈ আহিছিল। আন কেতবোৰৰ ধাৰণা অসমত পানী খেতিৰ প্ৰথা আহোমসকল অহাৰ বহু আগতেই তিব্বতৰ পিনৰ পৰা বড়োসকলে লৈ আহিছিল। কিন্তু সি যি কি নহওক এটা কথা নিঃসন্দেহে ধাৰণা কৰিব পৰা হৈছে যে ভাৰতবৰ্ষৰ উত্তৰ পূৱাঞ্চললৈ পানী খেতিৰ ধাৰণা য়াংজুৰ দক্ষিণ অৱবাহিকাৰ পৰাই অহা।

য়াংজুত তেতিয়া বহুত জাহাজ আছিল। আভ্যন্তৰীণ জলপৰিবহনৰ ইমান প্ৰশস্ত পথ পৃথিবীতে বিৰল।

বিশাল য়াংজুৰ পাৰত থিয় হৈ উপভোগ কৰিছিলো এই ঐতিহাসিক নইখনৰ শান্ত সমাহিত ৰূপ। মনত পৰিছিল চীন পুৰাণৰ আদি মানব পান কুৰ কথা—

When Pan ku wept his streaming tears made the Yellow and Yangtzu rivers he breathed and the wind blew he spoke and the thunder roared

সেই মুহূৰ্ত্তত সচাকৈ পান কুৱে কথা কৈছিল—দূৰৰ আকাশত মেঘে গাজিছিল। য়াংজুৰ পানীবোৰ কেহেৰাজবুলীয়া হৈছিল। য়াংজুৰ প্ৰথম দলংখন হৈছিল ১৯৫৭ চনতে উহা। নামৰ এখন উদ্যোগ মহানগৰীৰ কাষত। নানজিঙৰ দক্ষিণ পশ্চিমলৈ। এই নতুন দলঙখনে য়াংজু নদীৰ লগতে আধুনিক চীনৰ মেহনতী জনতাকো মহীয়ান কৰি তুলিছে।

দলঙ আৰু নদী চাই উৰ্ভতিব খোজোতেই চকুত পৰিছিল চীনৰ মহান জনতাৰ প্ৰতীক দুটাত। দলঙৰ দুয়ো কাষে আধুনিক চীনৰ ভাস্কৰে সাজি থোৱা। মাত্ৰ চাৰিটা মূৰ্ত্তিয়ে চীনৰ বৃন্দাধিক সংগ্ৰামী জনতাৰ প্ৰতিনিধিত্ব কৰিছে—তাৰে এটা হ'ল কৃষকৰ এটা হ'ল শ্ৰমিকৰ এটা হ'ল সৈনিকৰ আৰু চতুৰ্থটো হ'ল নাৰীৰ। ধৰ্ম সম্প্ৰদায় অথবা আঞ্চলিক বৈশিষ্ট্যাই নতুন চীনৰ ৰাষ্ট্ৰীয় সত্তাত যে কোনো প্ৰভাৱ পেলাব পৰা নাই ই য়ে তাৰ জ্বলন্ত প্ৰমাণ।

এই মুহূৰ্ত্তত কেৱল মেহনতী জনতাই নহয় চীনৰ সমগ্ৰ জনগণৰ প্ৰতি শ্ৰদ্ধাত মোৰ অন্তৰ ভৰি উঠিছিল। নৈখনো মোৰ পুৰণি পৰিচিত যেন লাগিছিল। য়ুনানত য়াংজুৰ স্থানীয় নাম হ'ল সোৱণশিৰি ( Gold Sand River )। হয়তো অতি পুৰণি কালত চীনৰ বিলাসী সম্ৰাট সকলে য়াংজুৰ বালিৰ পৰাই সোণ তোলাইছিল। ঠিক ভাৰতবৰ্ষৰ উত্তৰ পূব প্ৰান্তৰ নৈ সোৱণশিৰিৰ পৰা যিদৰে আহোম স্বৰ্গদেউসকলে তোলাইছিল।

এই নানজিঙৰে হেজাৰ মাইল পশ্চিমলৈ এই য়াংজুৰ পাৰতে থকা টুইজা জাতিৰ লোকসকলে সংগীতত ব্যৱহাৰ কৰা শ্ব না বাহী হুবহু ভাৰতবৰ্ষৰ উত্তৰ পূব প্ৰান্তত বাস কৰা ডিমাছাসকলে ব্যৱহাৰ কৰা মুৰিতৰ দৰে দেখি। নিশ্চয় কোনোবা অতীতত কোনোবা পিনেদি যোগাযোগ ঘটিছিল। ৬৩৮ খৃষ্টাব্দত ভাৰতবৰ্ষৰ পূব প্ৰান্তৰ ৰজা ভাস্কৰ বৰ্মণে চীনা পৰিব্ৰাজক হুৱান চুৱাঙক

চীনৰ বহু প্ৰচাৰিত গীত এটা তেওঁৰ ৰাজ্যতো জনপ্ৰিয় হৈ উঠা বুলি বাতৰিটো যে দিছিল এয়া নিশ্চয় তেনে যোগাযোগৰে পৰিণতি আছিল।

আবেলি জোংশ্বান গেটেদি পাৰ হৈছিলো। নানজিং যেতিয়া মিং বংশৰ ৰাজধানী আছিল সেই সময়ত নানজি চহৰৰ চাৰিওপি ন ঘেৰা চাৰে তেত্ৰিশ কিলোমিটাৰ দীঘল এটা প্ৰাচীৰ তোলা হৈছিল। য ত চৌৰিশটা তোৰণ সজা হৈছিল। জোংশ্বান তাৰে অন্যতম। প্ৰায় সাতত্ৰিশ ফুট ওখ প্ৰকাণ্ড তোৰণ এই জোংশ্বান।

তাহানি মংগোল অৰ্থাৎ ইয়েন বংশৰ কুশাসনৰ বিৰুদ্ধে যেতিয়া পোণ প্ৰথমে প্ৰজা বিদ্ৰোহ স গঠিত কৰাৰ প্ৰচেষ্টা চলিছিল তেতিয়া মিং বংশৰ জননায়ক ক্ষুদ্ৰ উজ্বল ৰজা ই এই য়াংজু উপত্যকা ত সংগঠনৰ কেন্দ্ৰ স্থাপন কৰিছিল আৰু যেতিয়া চীনৰ সিংহাসন কৰায়ত্ত হৈছিল তেতিয়া মিং সম্ৰাট এই নানজিওতে প্ৰথম ৰাজধানী প্ৰতিষ্ঠা কৰিছিল। সেইজনা সম্ৰাট আছিল প্ৰবল প্ৰতাপশালী চাই চ্চ। মিং বংশৰ প্ৰথম সম্ৰাট চাই চ্চ ৱেই এই প্ৰাচীৰ আৰু তোৰণসমূহ সজাইছিল। দুই লক্ষ্য শ্ৰমিকৰ সুদীৰ্ঘ চাৰিটা বছৰৰ হাড়ভগা শ্ৰমৰ বিনিময়ত এই কীৰ্ত্তিসমূহৰ স ষ্টি হৈছিল।

তাৰ পাচত কিছুদৰ গৈ পাইছিলো কেইখনমান বাহুনি কেবাখনো স ৰক্ষিত জাৰণি আৰু এখন প্ৰশস্ত উদ্যান। প্ৰথম বাহনিখন পাওতেই চ্চিওে মনত পেলাবলৈ চেষ্টা কৰিছিল চ বংশৰ কবি এজনে বাহৰ বিষয়ে লিখি থৈ যোৱা কথা এষাৰি। কিন্তু মনত পেলাব পৰা নাছিল। মই অৱশ্যে এঠাইত তাৰ পৰা উদ্ধৃতি পঢ়িছিলো। মই মনত পেলাই দিছিলোঁ—

খাবলৈ মাংস নাপালে মানহ হয় ক্ষীণ।
বাহৰ গুণ নাথাকিলে মানুহ হয় হীন॥

বাহ ক্লাইছেন্হিমাম ফুল আৰু সবল গছৰ সতে মানহৰ সাধুতাক ৰিজোৱা হৈছিল প্ৰাচীন চৈনিক সাহিত্যত। মই কৰবাত পঢ়ি পাইছিলো। চ্চিওে অবাক হোৱাৰ দৰে কবি মোক সুধিছিল—

তুমি চীনা সাহিত্য পঢ়িছা নেকি?

ঃ ইংৰাজী ভাষাত যি দুই এখন আমাৰ হাতত পৰে।

মিষ্টাৰ চ্চিওে আৰু একোকে নকলে বোধকৰো। চুং কবিজনৰ আৰু কিছু কবিতাৰ কথা মনত পেলাবলৈ তেওঁ যত্ন কৰিছিল।

ইতিমধ্যে আমি উদ্যানখন পাইছিলো গৈ। ডবল টইন্ট বাচ দুখন চিংগল বাচ কেবাখনো এটা পুখুৰীৰ পাৰত ৰৈ আছিল। আৰু বহুত

মানহে বিশেষকৈ ল ৰা-ছোৱালীয়ে মুকলিভাৱে টিলাটোত বগাই উঠিছিল তাৰ পৰা নামিছিল আৰু চাৰিওপিনৰ জংঘল সৰকি যোৱা পকী বাটবোৰত ঘূৰি ফুৰিছিল।

ঃ এয়া কি ?

ঃ চান ইয়াৎ সেনৰ মুছলিয়াম। দ্য গ্ৰেট ৰিভলিউশ্যনাৰী। মিণ্টাৰ হুৰ মন্তব্যষাৰত মোৰ হাঁহি উঠি গৈছিল। ডাঃ চান ইয়াৎ-সেনৰ ভাগ্য ভাল আছিল। নহলে আৰু যদি তিনিটা বছৰৰ পাচত অথাৎ ১৯২৮ চনত তেওঁৰ মৃত্যু হ লহেতেন নতুন চীনত তেওঁৰ স্থান তেওঁৰ শ্যালিকাপতি চিয়াং কাই ঘেকৰ দৰেই হ লহেতেন। নতুন চীনৰ মানুহে আজিও চিয়াং কাই ঘেকৰ নাম শুনিলেই ঘৃণাত নাক কুঞ্চিত কৰে। ১৯২৭ চনত কুওমিণ্টাং আৰু কমিউনিণ্ট দলৰ মাজত চাৰিবছৰীয়া সম্বন্ধৰ যি বিচ্ছেদ ঘটিছিল তেতিয়ালৈকে চান ইয়াৎ সেন জীৱিত থকাহেতেন তেৱে। হয়তো চীনৰ জনসাধাৰণৰ অৱজ্ঞাৰ পাত্ৰ হ ল হতেন আৰু আজি এনেদৰে মিণ্টাৰ হু আৰু তেখেতৰ সতীথসকলে আমাক ইয়ালৈ আনিবলগীয়া নহলহেতেন।

আমাৰ একমাত্ৰ মহিলা সংগীপৰাকীয়ে টিলাৰ ওপৰৰ সমাধিমন্দিৰৰ-পৰা নামি আহি ক্লান্তিত ফোঁপাই ফোঁপাই মোক সুধিছিল—

ঃ হোৱাই চাচ্চ হিৰো ৱৰশ্বিপ ? ইন এ ছচিয়েলিণ্ট কাণ্ট্ৰি ইট ইজ নিণ্ট এক্সপেক্টেড।

মই তেওঁৰ প্ৰশ্নষাৰৰ কোনো অথ বিচাৰি পোৱা নাছিলো। মাক্স লেনিন মাও হো ৰ দৰে প্ৰাতঃস্মৰণীয় পুৰুষসকলে চান ইয়াৎ সেনৰ দৰেই মৰনোত্তৰ কাল তা বিশ্বৰ বিশেষকৈ সমাজতান্ত্ৰিক জনগণৰ শ্ৰদ্ধাৰ পাত্ৰ হৈ আছিছে। ১৯১১ চনত চীনৰ আঢ়ৈহেজাৰ বছৰীয়া ৰাজতন্ত্ৰৰ পৰিসমাপ্তি ঘটাই প্ৰজাতন্ত্ৰৰ প্ৰতিষ্ঠা যিজনা সংগ্ৰামী পুৰুষে সম্ভৱ কৰি তুলিছিল সেইজনা ক্ষণজন্মা পুৰুষেই আছিল চান ইয়াৎ-সেন। নতুন চীনৰ জনসাধাৰণে তেওঁৰ প্ৰতি শ্ৰদ্ধা নজনোৱাকৈ থাকিব পাৰেনে বাৰু ? এয়াতো বীৰ পূজা নহয়! এয়া হ ল এটা সংগ্ৰামী আদশক চিৰায়ত কৰি ৰখাৰ ব্যৱস্থা বিশেষ। বহুতে কৰ খোজে চান ইয়াৎ সেনৰ দৰে আদশবাদী বিপ্লৱী এগৰাকী নেতৃত্বত থকা গুণেই কুওমিণ্টাং আৰু কমি উনিণ্ট সকলে একেলগ হৈ ১৯২৩ চনত চীনৰ সেই চৰম সংকটৰ দিনত নিজা নিজা দলীয় স্বাথৰ উদ্ধ ত দেশৰ মুক্তি সংগ্ৰামৰ অবিসম্বাদী নেতত্ব দিবলৈ সমথ হৈছিল। আৰু ১৯২৫ চনত চান ইয়াৎ-সেনৰ মৃত্যু হৈছিল

গুণেই তাৰ দুবছৰৰ পাচতে ১৯২৭ চনত সেই সম্পৰ্ক বিচ্ছিন্ন হৈ গৈছিল। এই ধাৰণা নিশ্চয় শুদ্ধ। নহলে কালচাবেল বিভলিউশ্যনৰ সময়ত এই সমাধি মন্দিৰ নিশ্চিহ্ন হৈ গ লহেতেন।

১৯২৬ চনত এই সমাধি মন্দিৰ সজা হৈছিল। স্থাপত্যত চীনৰ স্বকীয় প্ৰভাব স্পষ্ট। অৱশ্যে সেই গোমা আবেলি তিনিশ বিৰানব্বৈটা শিলৰ খটখটি বগাই সমাধি মন্দিৰত সোমাবলৈ মোৰ ধৈৰ্য নাছিল স্থাপত্যত যি ৰীতিয়ে নাথাকক লাগিলে। চান ইয়াৎ-সেনৰ নশ্বৰ দেহাৱশেষ কেতিয়াবাই তাৰ পৰা স্থানান্তৰিত কৰি টাইৱানত পুনৰ সমাধিস্থ কৰা হৈছে। মোৰ উৎসাহ স্তিমিত হৈ পৰাৰ সিও এটা কাৰণ আছিল। তাৰ পাচত গৈছিলোঁ লিংগু মন্দিৰলৈ। ১৩৮১ চনত প্ৰতিষ্ঠা কৰা বৌদ্ধ মন্দিৰ। সম্পূৰ্ণভাৱে ইটাৰ। লোৰ দুৱাৰ। পিলাৰ হলে নাই। দুৱাৰত জালি দিয়া। সন্মুখত সিংহৰ মূৰ্ত্তি। মন্দিৰৰ খটখটিৰ দুকাষে। মাৰ্বলৰ নহয় বোধকৰো, আলাবাষ্টাৰৰ (তৈল স্ফটিক) যেন লাগিছিল।

আটাইতকৈ ভাল লাগিল মন্দিৰৰ উদ্যানত জিংগো (Ginko) গছবোৰ দেখি। এই জাতিৰ গছ পৃথিবীত ইমান বিৰল যে ভাৰতবৰ্ষত এতিয়ালৈকে এনে গছ মাত্ৰ এজোপাৰহে সন্ধান পোৱা হৈছে। দাৰ্জিলিঙত আছে এই জিংগো গছজোপা। চীনত অৱশ্যে এনে গছ আছে খাতি হেজাৰ জোপা। ওখ ডাঙৰ গছ। পাতবোৰ চন্দা মাছটোৰ দৰে। ফল ধৰে। এপ্ৰিকটৰ দৰে দেখি। আৰু চেৰেষ্টা ওক গছো বহুত দেখিলোঁ। আমাৰ মণিপুৰ অথবা অসমৰ বোৰৰ দৰে সৰু সৰু নহয় প্ৰকাণ্ড গছ। সৰল চাইপ্ৰেছ (নাহৰৰ দৰে দেখি) গছো আছিল। এই ওকৰ পাতকে চীনৰ তছৰ পলুৱে খায়। যি তছৰ পলৰ সত্তা আৰু কাপোৰ উৎপাদনৰ বাবে চীনে বিশ্বৰ শ্ৰেষ্ঠতম স্থান দখল কৰি আছিছে।

গছবোৰ দেখি তলত খন্তেক বহি নিৰিবিলি আৰণ্যক শোভা হেপাহ পলৱাই চোৱাৰ মন গৈছিল। কিন্তু এনেতে মিণ্টাৰ হু আহি একেবাৰে অকাব্যিক কথা এষাৰ কৈ চব বানচাল কৰি দিছিল হি।

ঃ নাও লেট্‌চ গো। উই আৰ লেট। উই উইল হেভ টু ক্যাট্‌চ দা ইভনিং প্লেন টু ওৱানঝাও।

গধূলিৰ প্লেনত ওৱানঝাও? তাৰ মানে আমি আজিয়েই নানজিং এৰিব লাগিব? লোকৰ দেশ লোকৰ কথা লোকৰ বাঁহীৰ সুৰত আমি নাচিছোঁ— উপায়তো নাই। নানজিঙৰ পাৰ পলু হিলচতো চোৱাই নহল। উনৈশ

শতিকাৰ মাজভাগৰ পৰা একেৰাহে প্ৰায় ষাঠিটা বছৰ চীনৰ ইতিহাসৰ আটাইতকৈ দুযোগপূৰ্ণ সময়। সেই সময়ছোৱাতে এই য়া জু উপত্যকাতে টেইপি বিদ্ৰোহ হৈছিল। বিভিন্ন অন্তৰ্বিপ্লৱ আৰু বহিৰাগত শক্তিৰ আক্ৰমণত চীনা জনসাধাৰণৰ ঐক্য জাতীয় প্ৰত্যয় বিপ্ৰস্ত হৈ পৰিছিল। চীনৰ ভবিষ্যত একেবাৰে অন্ধকাৰাচ্ছন্ন হৈ পৰিছিল। সেই অন্ধকাৰৰ মাজত যিসকল সংগ্ৰামী নাৰী পুৰুষে সাহসেৰে জনসাধাৰণক মুক্তিৰ পথৰ সন্ধান দিবলৈ আগবাঢ়ি আহিছিল সেইসকলৰ বহুতৰে আশ্ৰয় স্থল কৰ্মক্ষেত্ৰ আছিল এই পাৰ পল হিলচ। ভাবিছিলো খন্তেকৰ কাৰণে হলেও এপাক চাই আহিম। কিন্তু নহল।

হঠাৎ মনটো ভাৰাক্ৰান্ত হৈ পৰিছিল। যন্ত্ৰচালিতৰ দৰে আহি গাড়ীৰ ভিতৰৰ এটা চুকত নিজকে এৰি দিছিলো।

The years disappear like the jade birds who fly into the Yellow hills

প্ৰাচীন চীনা কবিৰ এই কথাষাৰ পঢ়িছিলো মাও চে টুঙৰ জীৱনীত। আমাৰ পিচে বছৰৰ প্ৰশ্ন নাছিল। আছিল তিনিটা চমু সপ্তাহৰ প্ৰশ্ন। আমাৰ দিনবোৰো উৰি গৈছিল জেদ চৰাইৰ দৰে। আমাৰ হালধীয়া পাহাৰো নাছিল। পশ্চিম চীনত টকলিমাকান মৰুভূমিৰ কৰবাত নানজিঙৰ পৰা ভেৰ হেজাৰ মান মাইল আঁতৰত হব নিশ্চয় হালধীয়া মাটিৰ ( loess ) এই পাহাৰ। আমি নানজিঙত আকৌ কিদৰে হালধীয়া পাহাৰ পাম!

আমাৰ দিনবোৰ কলৈ যে উৰি গৈছিল! হয়তো টাইহু হোটেলৰ পাৰ্কত দেখা জেদ চৰাইকেজনীৰ সতেই ক্ষুদটো পাৰহৈ একেবাৰে য়াংজুৰ মোহনাত হেৰাই গৈছিল। প্ৰাচীন চৈনিক কবিৰ সতে সুৰ মিলাই মোৰো মন গৈছিল তেনেদৰে কিম্বা এষাৰি কৈ পেলাবৰ। হংকং জিনান নে ছুঝাওৰ বজাৰতো দেখিছিলো বহুত জেদ চৰাই। নীলাৰঙৰ কণ কণ টুনীৰ দৰে। পিঞ্জৰাত বন্ধ। বজাৰৰ পণ্য হৈ আহিছিল। আচলতে আমাৰ দিনবোৰো আছিল কণ কণ জেদ চৰাই যেন। ভাল লগা অথচ গুৰুত্বহীন। পিঁজৰাত আমাৰ দিনবোৰো আবদ্ধ হৈছিল। মনৰ পিঞ্জৰাত। মগজুৰ ধূসৰ চেলবোৰত নিজৰ সমস্ত চিনাকি হেৰুৱাই সোমাই পৰিছিল। কিমান দেখিলোঁ কিমান শুনিলোঁ আৰু যে কিমানবাৰ বিস্ময়ত হতবাক হৈ পৰিছিলোঁ। মোৰ মগজুৰ ধূসৰ

চেলবোৰত ঠিহিৰা মাৰি চব অস্পষ্ট হৈ পৰিছিল পাৰ হৈ অহা দিনবোৰৰ অজস্ৰ সৰু বৰ ছবিবোৰ। আমি চীনত ইতিমধ্যে দুটা সপ্তাহ পাৰ কৰি দিছিলো। জেদ চৰাইৰ দৰে সেই যোলটা দিন কেনি উৰি গৈছিল গমেই পোৱা নাছিলো। গধূলি চাৰে ছয় বজাত নানজি এয়াৰপোৰ্টলৈ গৈ দেখিছিলো প্লেন অহা নাই। সাগৰপৰীয়া অঞ্চলত কেনো প্ৰবল ধুমুহা আৰু বৰষুণ হৈছিল। গতিকে প্লেন আহিব পৰা নাছিল। আমি পুনৰ হোটেললৈ ঘূৰি আহিছিলো। মই অৱশ্যে মনতে ভালেই পাইছিলো।

মিণ্টাৰ হুৱে আমাক নিৰুৎসাহিত হোৱা যেন ভাবি এফাকি চীনা প্ৰবচন গাইছিল—ৰিহিহতে অতিথিক ৰাখিব খোজা নাই কিন্তু বতৰে ৰাখি থলে।

মোৰ পিচে ভালেই লাগিছিল। হোটেলৰ আগৰ খোটালীটোকে পাইছিলো। বিছনাখনত ইতিমধ্যে নতুনকৈ চাদৰ কাপি দিছিল। ডীনাৰৰ চিন্তা বাদ দিলো। খৰিচাৰ আঞ্জা বৰ মিছা (prawn) সৰু মিছা (shrimp)ৰ তৰকাৰী পিঠা হাত আৰু মুৰ্গীৰ ৰোষ্ট খাই খাই আমনি লাগিছিল।

আমাৰ মুখ্য সঙ্গীজনে আকৌ ডীনাৰ খাবলৈ নগলে মনে মনে বেয়া পাইছিল। তেওঁ অন্তৰে ডীনাৰ খাবলৈ নোযোৱাটোক তেওঁৰ নেতৃত্বৰ প্ৰতি প্ৰত্যাহ্বান হিচাপে গণ্য কৰিছিল। মোৰ কিন্তু সেইদিনা ডীনাৰৰ কাৰণে ৰেস্তৰাঁলৈ নামি যাবলৈ একেবাৰে মন যোৱা নাছিল। তিবে ভাবিছিলোঁ কেনেবাকে খবৰটো দি পঠোৱাৰ কথা। চৰৰ খোটালীৰ পৰা কোনোবা ওলাই অহাৰ শব্দ শুনিবও পাৰে। বলি মই উৎকৰ্ণ হৈ বৈ আছিলো। অলপ পাচতে দুৱাৰত টোকৰ পৰিল। মোৰ সহাৰিলৈ বাট নোচোৱাকৈয়ে আমাৰ বিহাৰী বন্ধু সন্তপন সোমাই আহিল।

চীনহি লোক ভী ফেইল নৰতা। আভান্তা একদম প্লোকা টেইম গড়বড় হো গিয়া। ভগবান জানে ঔৰ ক্যা হোগা।

তেওঁৰ যে চীনাসকলৰ দক্ষতাৰ ওপৰত ইমান আস্থা আছিল তেতিয়াহে গম পালো। মই সেই সম্বন্ধে একো নকৈ মাথোন কৈছিলো খাবলৈ নোযোৱাৰ কথা। মোৰ কথা শুনি তেওঁৰ সচৰাচৰ বিহাৰী সৌহাদ্য জাগি উঠিছিল। উদ্বিগ্ন হৈ সুধিলে—

নাখাবলৈ আকৌ হল কিটো? একো অসুখ বিসুখ হোৱা নাইতো?

মোৰ এনেয়ে নামি যাবলৈ মন যোৱা নাই বুলি কোৱাতহে তেওঁ ক্ষান্ত হৈ ওলাই গল। যোৱাৰ সময়ত মোক প্ৰশ্ন কৰাৰ মনেৰেই নিশ্চয় খেদ কৰি কৈছিল যে চীনলৈ আহি চীনৰ অপেৰা নেদেখাকৈয়ে ঘূৰি যাবলগীয়া

হোৱাৰ দৰে দুখ লগা কথা এনেকা নাই। হংকঙৰ নাইট ক্লাব নাচাল চীনাৰ আদি কুংফু একুপা কচাৰ আৰু অপেৰাৰ স্বাদ নললে অহা নহা এ কই কথা। কুংফু একুপাংকচাৰৰ সোৱাদ অলপ অচৰপ ভাৰতবৰ্ষতো লব পৰা যায় কিন্তু চাইনীজ অপেৰা ?

ঃ মই বাৰু ডীনাৰলৈ যাওঁ তে মিঃস্টাৰ হুক সুধিম। অপেৰা চোৱাৰ কিবা ব্যৱস্থা কৰিব পৰা যায় নেকি ?

কথাষাৰ কে তেওঁ ভোলাই গৈছিল। মই চীনা অপেৰাৰ কথাই ভাবিছিলো। অপেৰা সম্ৰাট মেহ লান ফাং ১৯৬০ চনত ঢুকোৱাৰ পাচৰ পৰা চীনা অপেৰাৰ গুৰুত্ব বহু পৰিমাণে কমি আহিছে। নাগজিঙৰ কুঞ্চু অপেৰা অবশ্যে পিকিং অপেৰাতকৈ পৰণি। লান ফাঙে কলা জগতত যি অপৰাৰ জৰিয়াত পতিষ্ঠা লাভ কৰিছিল সেই পিকি অপেৰা প্ৰাচীন চৈনিক অপেৰাৰ আধাৰত সৃষ্ট যদিও তাৰ উদ্ভাৱন ঘটিছিল দৰাচলতে দুশ বছৰ মানৰ আগত মাত্ৰ। সেইবোৰ যি কি নহওক অপেৰা চোৱাৰ আগ্ৰহ মোৰ অকণো নাছিল।

মিঃস্টাৰ হুৱে ঠিক মই আশা কৰাৰ দৰেই উত্তৰটো দিছিল। তেও কৈছিল এতিয়া তাৰ বাবে সময় নহব বুলি। বিহাৰী বন্ধুৰ আনটো খবৰে মোৰ বিৰক্ত কৰিছিল। ৰাতি হেনো কিবা আলোচনা আছে। তালৈ চবেই যাব লাগিব। অফিচিয়েল ছেমিনাৰ চিম্প ছিয়াম ডিছকাছন বাৰ্কশ্বপ এনেবোৰ বিষয়ৰ প্ৰতি মোৰ একৰকমৰ অনীহা আছে আগৰ পৰাই। অধ্যাপক এগৰাকীয়ে বৰ মনত লগা কথা এষাৰ কৈছিল এই সম্বন্ধে—One problem with such seminar or symposium is that the participants tend to agree on the answer but rarely discover the question

সেইদিনা আমাৰ ক্ষেত্ৰত কিন্তু সেয়ে হৈছিল। সমস্যা যে কি কাৰো স্পষ্ট ধাৰণা নাছিল। অৱশ্যে আমাৰ ভাৰতীয়সকলৰ এটা বিষয়ত বিশেষ দক্ষতা আছে। সেইটো হল বিষয়টোৰ প্ৰতি স্পষ্ট ধাৰণা নথকাকৈয়ে এবকলা কব বা লিখিব পৰাটো। সেইদিনাও আমি আটায়ে লগ লাগি ই ৰাজীতে এটা সুদীঘ প্ৰতিবেদন প্ৰস্তুত কৰিছিলো। কিন্তু পাচত মই অনুভৱ কৰিছিলো যে আমাৰ কাৰো মনত মূল সমস্যাটো সম্বন্ধে স্পষ্ট ধাৰণা এটা নাছিল। আমি যিটো প্ৰতিবেদন প্ৰস্তুত কৰিছিলো তাৰ সাৰমৰ্মটো লিপিবদ্ধ কৰিবলৈ দুই মিনিট সময়ৰো আৱশ্যক নাছিল অথচ সেইদিনা নিশা আমি তাৰ কাৰণ ব্যয় কৰিছিলো পুৰা চাৰিটা ঘণ্টা; অথাৎ দুশ চল্লিচটা মিনিট। আৰু প্ৰতিবেদনটোৰ মূল কথা আছিল আমি প্ৰত্যেকে নিজৰ নিজৰ উপলব্ধি চীনদেশৰ

পৰা ৬লাই যোৱাৰ দিনাখনে দাখিল কৰিব লাগিব। যাহওক কোনোৰকমে আলোচনা শেষ কৰি ৰাতি চাৰে বাৰবজাত বিছনাত পৰিছিলোঁহি।

পাচদিনা ৰাতিপৰাও বতৰটো গোমা হৈয়ে আছিল। ট্ৰেইনতে আহিলো হেতেন। কিন্তু কমেও দুই স তাহৰ আগতে সংৰক্ষণ নকৰিলে ট্ৰেইনেই হওক বা বাচ মোটৰেই হওক কতো জেগা পোৱা নেযায়। হোটেলৰ বয় দুজনে আৰু ছোৱালীজনীয়ে এবাৰ এবাৰকৈ আহি সন্তপনে চাই গৈছিলহি। বোধকৰো মই আছোৱেই নে গলোবেই সেই বিষয়ে তেওঁ লাক নিশ্চিত হব পৰা নাছিল। তেওঁ-লাকৰ দৰে আমিও নিশ্চিত হব পৰা নাছিলো আমাৰ থকা বা যোৱা সম্বন্ধে। মই অবশ্যে আমাৰ উত্তৰ পূৰ্বী বন্ধু পৰাকীক বেচ উদ্বিগ্ন হৈ পৰা দেখিছিলো। এনেতে চাৰে আঠ বজাত মিষ্টাৰ হুৱে হন্ত দন্ত হৈ আহি কলেহি যে আমি সেই মুহূৰ্ত্ত এয়াৰপোটলৈ যাবলৈ সাজু হব লাগিব। আমি অৱশ্যে সাজু হৈয়ে আছিলো।

ঠিক চাৰে দহ বজাত বানজি এয়াৰপোৰ্ট এৰি আহিছিলোঁ। বতৰটো ফৰকাল আছিল। তলৰ লেখ জোখ নোহোৱা পৰ্বত কন্দৰবোৰ স্পষ্ট দেখিছিলো। তলত ফুকিয়েনৰ দুৰ্গম পৰ্বত ঘেৰা অঞ্চলবোৰ দেখি মোৰ এনেহে ভাব হৈছিল যেন তাৰ কোনোটোহত এনে আছিল য ত হয়তো ভূমণ্ডল সৃষ্টি হোৱাৰ দিনৰে পৰা আজিলৈকে কোনোদিন মানুহৰ খোজ পৰা নাই। মই কথাটো চিন্তা কৰি পলকিত অনুভব কৰিছিলো যে আমি বিশ্বৰ আধুনিকতম চেভেন থ্ৰী চেভেন বোয়িং বিমানত এনে এটা পথেৰে গৈ আছিলোঁ যাৰ দুয়োকাষৰ জনসাধাৰণ আধুনিক ধ্যান ধাৰণাৰ পৰা আজিও আলোকবৰ্ষৰ দূৰত।

চাৰে বাৰ বজাত আমাৰ বিমানখন গুৱাংঝাও বিমান বন্দৰত অবতৰণ কৰিছিলহি। গুৱাংদ প্ৰদেশৰ ৰাজধানী এই গুৱাংঝাও চহৰ। অতীতত ইয়াৰ নাম আছিল ক্যান্টন। বেচ ডাঙৰ বিমান বন্দৰটো। গুৱাংদঙৰ প্ৰতীক হ ল টাকিন এবিধ বনৰীয়া ছাগলী। গুৱাংঝাও চহৰৰ আৰু এটা পৰিচয় আছে। সেইটো হ ল দেশৰ চৈধ্যখন মুক্ত সাগৰপৰীয়া চহৰৰ এইখন অন্যতম। ১৯৮৪ চনত মাত্ৰ এই চৈধ্যখন চহৰ বিদেশীৰ বেহা বেপাৰৰ কাৰণে মুক্ত কৰি দিয়া হৈছে। উত্তৰ পূবৰ দালিয়ান চহৰৰ পৰা আৰম্ভ কৰি ক্সিন হুৱাংদাও টিয়ানজিন য়ানটাই ক্সিংদাও লিয়ন্যিয়ংয়াং নানটং চাংহাই নিংবো ৱেনঝাও ফুঝাও গুৱাংঝাও ঝেনঝিয়াং আৰু বেইহাই এই চৈধ্যখন চহৰ সম্প্ৰতি মুক্ত। ইয়াৰ উপৰিও আছে হাইনান দ্বীপ।

হাইনান অৱশ্যে মুক্তিৰ উন্মাদনাত বলিয়া হৈ গৈছে। তাৰ আত্ৰাপো ব্যৱসায়ব (আমদানি ৰপ্তানি) কেন্দ্ৰ কৰি দুনীতিৰ চড়ান্ত ঘটিছে বুলি চীনত পবল জনৰৱ উঠিছে। চীনৰ দুনীতিৰ লক্ষণ অৱশ্যে আমাৰ দুনীতিৰ দৰে নহয়। আমাৰ দুনীতিত থাকে জঘন্য স্বাৰ্থান্ধতা। চীনৰ দুনীতি হল আদৰ্শ স্খলন। তথাপি সিও একধৰণৰ দুনীতি সমাজৰ কাৰণে অহিতকৰ।

গুৱাংঝাওত অৱশ্যে এই পযন্ত আমি তেনে কোনো দুনীতি ঘটা বুলি শুনা নাই। আৰু নোৰ ধাৰ না নঘটিবও। কিয়নো গুৱা ঝাও এক বিশেষ গৌৰৱময় ঐতিহ্যৰ অধিকাৰী।

বিমানবন্দৰৰ পৰা ওলায়েই চহৰৰ আলিবাটবোৰ দেখি মনটো অন্তত মুকলি লাগিছিল। ভাৰতবৰ্ষৰ আমাৰ উত্তৰ পূব প্ৰান্তৰ দৰে লাগিছিল পৰিৱেশটো। মই গাৰ পাতল চুৱেটাৰটো খুলি লৈছিলোঁ। ঘামত তিতি গৈছিল মোৰ সমস্ত দেহ। কৰ্কট ক্ৰান্তিৰ ৰেখাডাল গুৱাংঝাওৰ অকণ উত্তৰেদি গৈছে ঠিক আমাৰ অসমৰো যিদৰে গৈছে।

অলপ আগতে এজাৰ বৰষণ হৈ গৈছিল। আলিবাটবোৰ তেতিয়াও তিতি আছিল। অৱশ্যে ওপৰৰ আকাশখন ইমান স্পষ্ট হৈ পৰিছিল যেন আকাশখনে বহুদিনধৰি মেঘ বৰষণৰ কথা পাহৰিয়ে গৈছে।

সদলবলে মিচ টুং আহিছিল আমাক স্বাগতম জনাবলৈ। কিছুমান যে আছে নাক মুখ চকু একেবাৰে গঢ়ন গুৱনি নহয় অথচ মুখলৈ চালে চায়ে থাকিবৰ মন যায়— মিচ টুং আছিল তেনেধৰণৰ এজনাকী মহিলা। আমাৰ অৱশ্যে সেই মুহূৰ্তত কাৰো মুখলৈ চাই থকাৰ সময় নাছিল। মিণ্টাৰ হু আৰু মিচ টঙে আমাক অকণো সময় দিয়া নাছিল।

পৰিচয় পৰ্ব শেষ হলত আমাক ষ্টাফ কাৰত লৈ অহা হল এখন পৃথিৱীৰ বিখ্যাত হোটেললৈ। যিখনৰ নাম আছিল টং ফে DONG FANG)

টুং ফেং নামটোৰ অথ হেনো প্ৰাচ্যৰ হোটেল। কিন্তু সম্ৰাট উৰ দিনত তেওঁৰ ৰাজসভাৰ আটাইতকৈ জনপ্ৰিয় বিদম্বকজনাৰ নামো আছিল টুং ফেং ছু। আনহাতে কনফুচীয় সংগীতমালাৰ পৰা এটা গীতৰ ফাকি উদ্ধৃত কৰি আধুনিক যুগত মাওৰ কীৰ্ত্তিগাঁথা অৰ্থাৎ প্ৰশস্তি গীত এটা ৰচনা কৰা হৈছিল। তাৰ প্ৰথম শাৰীটোতে আছিল—টং ফেং হাং টৈইয়াং শেং—বুলি। এইবোৰৰ পৰা অনুমান হয় টুং ফেং নিশ্চয় চীনৰ ঐতিহ্যৰ সতে নিবিড় সংযোগ থকা এটা প্ৰকাশ।

মোক অৱশ্যে কোনেও তাৰ ব্যুৎপত্তিগত অৰ্থটো ভালদৰে কৈ দিব পৰা নাছিল। কৰবালৈ বিপদো নোহোৱা নহয়। আমাৰ লগৰ চীনা বিষয়া দুগৰাকীৰ এগৰাকী অৰ্থাৎ মিণ্টাৰ হু হ'ল বেইজিঙৰ আৰু আনগৰাকী অৰ্থাৎ মিণ্টাৰ চি হ'ল চাংহাইৰ। তেওঁলোকে কয় পণ্ডিত হুৱা অৰ্থাৎ সাধু চীনা ভাষা। যিটো ওৱাংঝাওৰ সাধাৰণ লোকে বুজি নাপায়। ইয়াত আকৌ চলে ক্যাণ্টনীজ। উদাহৰণ উচ্চাৰণ।? উদাহৰণস্বৰূপে চীনা অক্ষৰ পাচটো ৱ ক্যাণ্টনীজতো পাচেই বজাব। কিন্তু ক্যাণ্টনীজসকলে যেতিয়া সেই অক্ষৰটোৰ উচ্চাৰণ কৰে উ বুলি বেইজিঙৰ মানুহ আকৌ উচ্চাৰণ কৰে ও বুলিহে। চীনা ভাষা হ'ল মূলতঃ চিত্ৰবলিক। পৃথিবীৰ আৰু এটা ভাষা তেনে হয় যদিও মই নাজানো। চীনাভাষাত একেটা শব্দতে বেলেগ বেলেগ চিলেবল যোগ দি বেলেগ বেলেগ ভাব প্ৰকাশ কৰা হয়।

চীনাভাষাৰ সম্প্ৰসাৰণৰ অন্যতম অন্তৰায় হ'ল তাৰ বৰ্ণমালা। লোগোগ্ৰাফিক বা চিত্ৰ আখৰবোৰ আৰু বিশেষকৈ ভাষাটোৰ লিখিত ৰূপ। আমাৰ মিণ্টাৰ হুৱে ক্যাণ্টনীজ ভাষী মিচ চঙলৈ চিঠি এখন লিখি পঠালে মিচ চঙে চিঠিখন পঢ়াত আৰু তাৰ অৰ্থ বুজি পোৱাত একো অসুবিধা নাপায়; দয়ো কথা পতাত অৱশ্যে অসুবিধা থাকিবও পাৰে হোটেলটোৰ ক্ষেত্ৰত একমাত্ৰ অসুবিধা হ'ল তাৰ নামটো চীনা আখৰত নহয় লেখা আছিল ইংৰাজীত Dong fing বুলি।

মোৰ ১০২৬ নং কোঠাৰ পৰা হোটেলখনৰ চুইমিং পুল পাৰ্ক আৰু বিভিন্ন ৰেষ্টাৰাবোৰ দেখা গৈছিল। পাৰ্কৰ পুলটোত অহা-যোৱা মানুহ'ল প্ৰত্যাহবান জনাই সোমাজতে ডলাই থৰা শিলচটাত খুকুখন যে ছবিৰ দৰে নকথৰে চাই থকা ঘৰিয়ালটো পৰ্যন্ত দেখা গৈছিল মোৰ কোঠাৰ উত্তৰৰ প্ৰশস্ত খিৰিকীখনাদি। মই হোটেলত দিয়া নতুন ব্ৰাচ আৰু টুথপেষ্ট লৈ দাত ঘঁহি সেই নিথৰ ঘৰিয়ালটোলৈ কই চাইছিলো আৰু ভাবিছিলো আমাৰ সংগী দলদিয়েকৰ কথা।

ভাবিছিলো আৰু অকলে অকলে হাহিছিলো। কাপোৰৰ কাৰণে চাংহাই যিদৰে বিখ্যাত সেইদৰে গুৱা ঝাও বিখ্যাত হ'ল খাদ্যৰ কাৰণে। ইয়াত সকলো ধৰণৰ চীনা জুতি পাৱা যায়। গুৱা ঝাওৰ হাটেল দুখনমান আছে বিষাক্ত সাপৰ আহাৰৰ কাৰণে জগতে বিখ্যাত। তাৰে অন্যতম হ'ল এই টুং ফে। মই কথাষাৰ কৰবালৈহে পালো আমাৰ সংগী জনদিয়েকৰ বমি ভাব আৰম্ভ হলেই। আমাৰ দেশত আহাৰ ব্যৱস্থাৰ সৈতে সমাজব্যৱস্থাৰ ঘনিষ্ঠ

সম্বন্ধ আছে। কোনে কি খায় ভালেখিনি তাৰ ওপৰত ব্যক্তি বা গোষ্ঠীবিশেষৰ সামাজিক স্থান নিৰ্ণিত হয়। পতিকে ভ্ৰমণৰ সমস্ত কালছোৱাত তেওঁলোকৰ সাবধানতাৰ অন্ত নাছিল যাতে ভুলতো কৰবাত নিষিদ্ধ খাদ্য তেওঁলোকৰ পেটলৈ নাযায়।

এবাৰ য়ানটাইৰ জিনানত বৰ মজাৰ ঘটনা এটা ঘটিছিল। হোটেলৰ লাঞ্চ টেবুলত চী কুকুম্বাৰৰ তৰকাৰী পৰিবেশন কৰিছিল। আমাৰ এগৰাকীয়ে সুধি ললে বস্তুটো কি। বলে চী কুকুম্বাৰ। আমাৰ বোম্বে ডাকৰ দৰে পোনে পোনে অনুবাদ কৰি লৈ দেখিলে যে চী কুকুম্বাৰ নিশ্চয় সাগৰীয় তিয়হ। আৰু নিৰীহ তিয়হ যেতিয়া অৰণ টেষ্ট কৰি চোৱাত বাধা নাই। কামুৰি দেখিলে যে তিয়হ যেন নালাগে। কিবা লিকটা মাংস যেনহে লাগে। মইও লাঞ্চৰ টেবুলত কথাটো নকলো যদিও মই জানিছিলো যে চী কুকুম্বাৰ মানে উদ্ভিদৰ্জ নহয় আমাৰ শামুকৰ দৰে এটা প্ৰানী হে। সাগৰীয় কুমজেলুকা বুলি কলেহে বস্তুটোৰ প্ৰকৃত বিবৰণ দিয়া হয়।

দুদিনমানৰ পাচত কথাটো শুনাৰ পাচত আমাৰ সংগীগৰাকীৰ অৱস্থা চাবলগীয়া হৈছিল। তেওঁ যেন খোৱাখিনি বমি কৰি উলিয়াইহে দিব। টিং ফেং হোটেলৰ এই সাপ ৰন্ধা বদনাম টো শুনাৰে পৰা আমাৰ দুজনমানৰ সমস্ত উৎসাহ দমি গৈছিল। তেওঁলোক অতিশয় সাবধান হৈছিল। প্ৰথমদিনা ডীনাৰৰ কাৰণে টাও টাও জু ( Too Too Ju ) ৰেষ্টাৰালৈ নামি যোৱাৰ সময়ত তেওঁলোকক ফাচীকাঠলৈ নিয়া বন্দীৰ দৰে দেখা গৈছিল।

অৱশ্যে ৰেষ্টোৰাৰ টেবুলত বহাৰ লগে লগে দেৱালৰ চিত্ৰ কেইটামানত চকু পৰাত আগৰ সকলো কথা পাহৰি গৈছিলো। চিত্ৰবোৰৰ ভিতৰত দেখিছিলো দ্ৰাগন লক্ষ্মী আৰু সৰস্বতীৰ চিত্ৰও আছে। লক্ষ্মী আছিল অন্নপূৰ্ণাৰ ৰূপত হাতত অন্ন পাত্ৰ লৈ পাখি লগা অশ্বৰ দৰে উৰি আহিছে। সৰস্বতীৰ হাতত আকৌ এখন গীটাৰ। গীটাৰ চীনৰ অতি প্ৰাচীন বাদ্যযন্ত্ৰ। ইয়াৰ স্থানীয় নাম হল বোধকৰো পিপা।

চীনত যে হানবংশৰ ৰাজত্বকালতো ( খৃ পূ ২০৮ৰ পৰা খৃঃ ২২০ লৈ ) গীটাৰৰ প্ৰচলন আছিল সেইকালৰ এটা কাহিনীত সেই কথা পোৱা গৈছে। বৰ মনোৰম এটা কাহিনী। সেই কাহিনীৰ নায়িকা আছিল অনিন্দ্যসুন্দৰী এগৰাকী নাৰী। নাম আছিল চাওচুন। হান সম্ৰাটৰ হেৰেমৰ সহস্ৰ উপ পত্নীৰ তেওঁ আছিল অন্যতম। ওঠৰ শতিকাৰ অটোমেন ( তুৰস্ক ) সম্ৰাটসকলৰ দৰে ৰক্ষিতাৰ এক্সটিক ব্ৰীদিং ফাৰ্ম চীনৰ হান সম্ৰাটসকলে আৰম্ভ কৰা

নাছিল যদিও ৰক্ষিতা বা উপপত্নী তেওঁলোকৰ কাৰণে আছিল অপৰিহাৰ্য এক বিলাস। হানসম্রাটে কোনদিনা কোনগৰাকী ৰক্ষিতাক কিদৰে সংগ লব সেই সম্পৰ্কে এটা বিশেষ নিবন্ধ কৰি দিছিল। সেইমতে ৰাজ চিত্ৰকৰ মাওৰে (সেই চিত্ৰকৰৰ নাম আছিল মাও; অৱশ্যে নতুন চীনৰ নিমাতা মাওৱে আকৌ চিত্ৰ আৰু সংগীত বৰ পছন্দ নকৰিছিল। নিতউ ৰক্ষিতাৰ চিত্ৰ আঁকি সম্রাটক দেখুৱাব লাগিছিল সম্রাটে সেই চিত্ৰৰ দ্বাৰাই বিষেজনক মনোনয়ন কৰিছিল।

চিত্ৰকৰ মাও আছিল আকৌ দুৰ্নীতি পৰায়ণ। যিসকল যিগৰাকী ৰক্ষিতাই বিশেষ উপঢৌকন দিয়া নাছিল তেওঁৰ চিত্ৰ দেখাত কুৎসিৎকৈ আঁকি দিছিল। আৰু উপঢৌকন দিয়া গৰাকীৰ ছবি প্ৰকৃততে দেখাত যিমান তাতকৈ বেচি আকৰ্ষণীয় কৰি আঁকি দিছিল আৰু সম্রাটৰ ওচৰত দাখিল কৰিছিল।

চাওচুনে কোনোদিন দুষ্ট মাওক বিশেষ উৎকোচ দিবলৈ মান্তি হোৱা নাছিল। আৰু ফলত তেওঁক দুষ্ট মাওৱে আঁকি দিছিল কুৎসিত ৰূপত। গতিকে সম্রাটৰ সংগসুখৰ বাবে তেওঁ কোনোদিন আমন্ত্ৰণ লাভ কৰা নাছিল।

ইফালে হান সাম্রাজ্যৰ সীমান্তত হিউংনু সকলে প্ৰচণ্ড আক্ৰমণ চলাইছিল। বহুদিন যুদ্ধৰ অন্তত সন্ধিৰ প্ৰস্তাৱ আলোচনা হৈছিল। তাৰে এটা চৰ্ত হিচাপে হিউংনু দলপতিয়ে বিবাহৰ অৰ্থে এগৰাকী ৰাজকন্যা বিচাৰিছিল। সম্রাটে দলপতিৰ প্ৰস্তাৱ শুনি অকণো বিচলিত হোৱা নাছিল বৰঞ্চ আনন্দিত হৈছিল কিয়নো সম্রাটে এই সুযোগতে কদৰ্যা চাওচুনক হাৰেমৰ পৰা চিৰদিনৰ বাবে বিদায় দিয়াৰ কথা ভাবিছিল।

দলপতিলৈ পঠোৱাৰ উদ্দেশ্যে সম্রাটৰ আদেশত চাওচুনক হাৰেমৰ পৰা উপস্থিত কৰা হৈছিল সম্রাটৰ সন্মুখলৈ। ৰক্ষিতাৰ ভুবন জিনা ৰূপ দেখি সম্রাট বিস্ময়ত হতবাক হল। গভীৰ চিন্তা কৰি তেওঁ প্ৰকৃত ৰহস্যটো আৱিষ্কাৰ কৰিলে। আৰু বিচাৰত দুৰ্বৃত্ত চিত্ৰকৰ মাওৰ হৈছিল মৃত্যুদণ্ড। কিন্তু আচলতে সেই বিচাৰ আছিল মাওৰ অপৰাধৰ; আনহাতে সুন্দৰী চাওচুন নিৰ্দোষী হৈও সুবিচাৰ পোৱা নাছিল। সম্রাটৰ প্ৰতিশ্ৰুতি ৰক্ষাৰ হকে বিশেষকৈ হান সাম্রাজ্যৰ শান্তি আৰু মৰ্যাদা অটুট ৰখাৰ স্বাৰ্থত তেওঁ বিশাল মাতৃভূমি আৰু প্ৰিয় চমৰ অঢৰ্য্য অৰণ্য পাৰ হৈ হিউংনু ৰজাৰ প্ৰাসাদ শুৱনি কৰিবলৈ সাৱলণীয়াত পৰিছিল। তেওঁৰ দীৰ্ঘ বিপদ সংকুল কণ্টকময় যাত্ৰাত সান্ত্বনা দিবলৈ বুলি যাত্ৰাৰ সংগীসকলে গাইছিল বাটটো গীটাৰ বজাই গৈছিল। ঐতিহাসিকসকলৰ ধাৰণা—এই গীটাৰ হিউংনুসকলেই চীনলৈ নৈ

আহিছিল। সেইটো যি কি নহওক হান ৰাজত্বৰ সময়ত হলে এই বাদ্য চীনত বি যে জনপ্ৰিয় হৈ পৰিছিল।

মই আমাৰ সংগীসকলক কলো যে লক্ষ্মী সৰস্বতীৰ চিত্ৰ আছে যেতিয়া আমাৰ দেশৰ হিন্দুৰ প্ৰভাব টো চয় থাকিব এই ৰেস্টোৰাৰ ওপৰত। গতিকে ইয়াত নিভয়ে নি সন্দেহে খাব পৰা হব যিহকে দিয়ে তাকে।

আচলতে ভয় বা সন্দেহ কৰিবলগীয়া একো নাছিলেই। উত্তৰ চীনৰ দৰে ইয়াত চাও নড লচ নাই। আছে ভাত। বৰা চাউলৰ ভাত। লগত শ্ৰিম্প দাম লিং। ময়দাৰ পিঠা ৰোস্ট ডাক বেকড ঈল আদি। বৰা চাউলৰ ভাত মিঠা কৰি দিয়া আছিল। আৰু আছিল বৰ্ত্তমান চীনত নতুনকৈ জনপ্ৰিয় হোৱা ভেজিটেৰিয়ান দিছ। চতুদ মাছৰূম বীন বাড অথবা চয়াৰে বনোৱা। ভিজিটেবল ৰল কেতবোৰ খাই এনেহে লাগে যেন মাছ বা মা সহে খাইছো। চয়াবীন চচত ৰখা স্টদ পক দিব অ াচ পৰ্কৰ নাম গোন্ধেই নাই। সেইয়া নাহৰি কিয় একোৰে মা সই নহয়। কিবা এবিধ দাম লিঙত খিয় কৰাই ৰখা গছ এজোপাত পখিলা এজনী বহি আছে খাই চাল দেখিব পখিলা াছ এইবোৰ চব ময়দাৰ পিঠাহে।

চীনৰ এই অভিনব পাক প্ৰণালীৰ উদ্ভাবক আছিল শেষৰজনা চিং সম্ৰাটৰ পাচক লিউ হাইবেন। ১৯১১ চনত প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা হোৱাত লিউ হাই কেনে নিজে এখন হোটেল খুলিছিল। আৰু তাতেই প্ৰথম এনে পাক প্ৰণালীৰ উদ্ভাবন কৰিছিল। তেওঁ উদ্ভাবন কৰা এখন অতিশয় জনপ্ৰিয় নিৰামিষ ব্যঞ্জনৰ নাম হল টমাটো-বীফ। অৰ্থাৎ বিলাহীৰে ৰন্ধা গোমা স। ট ফেঙত অৱশ্যে আমাক এই বিধ ব্যঞ্জন পৰিবেশন কৰা নাছিল। কৰবাত আমাৰ অনভূতি আহত হব পাৰে বুলি হয়তো ভয়তে বৰা নাছিল।

বেচ ভুৰি ভোজন হৈছিল। অসমীয়া মানহ তাতে আকৌ ভাত পাইছো। দহতলাৰ বাৰন্দাৰে গৈ আছিলো। লগত বিহাৰীবন্ধু আৰু মিণ্টাৰ হু। পৰপিনে আকাশত জোনটো উঠি আহিছিল। নিস্তেজ ম্লান ৰঙচুৱা জোন। বিহাৰীবন্ধুৱে উপৰাই মন্তব্য দিলে—

চন্দ্ৰমাভী লালী হ্যায়।

মিণ্টাৰ হুক মই কথাষাৰ অৰ্থ কৈ দিলো। তেওঁ অৰ্থ শুনি ইমান ডাঙৰ কৈ হাহি দিছিল য মই স্তব্ধ হৈ গৈছিলো। মানহজনে যে সময়ত এনেদৰেও হাহে মোৰ ধাৰনাই নাছিল। অৱশ্যে চীনাসকলৰ কথা এটা আছে। মই আগতেই কৈ আহিছো। সেইটো হল তেওঁবিলাকৰ আত্মমৰ্যাদাৰ

চেতনা। তেওঁলোকৰ কমিউনিষ্ট ৰাষ্ট্ৰত যদি জোনটোও ৰঙা হৈ যোৱা বুলি কোনোবাই ধাৰণা কৰি লয় সেইটো উল্লসিত হোৱাৰ এটা অৱকাশ মাত্ৰ।

মই প্ৰসংগটো আৰু আগবাঢ়িবলৈ নিদি কৈছিলো—

আপোনাসকলৰ ৬ৰা ঝা৬ধা পিচে সচাকে ধনীয়া।

সম্প্ৰতি হৈছে অৱ ৷ ৷।

মিণ্টাৰ হুৰ মন্তব্যষাৰ যদিও আধৰুৱাৰ দৰে কৰি কৈ থ ল মই মোৰ কোঠা পাইছিলোহি বাবে দ্বিৰুক্তি নকৰাকৈ সোমাই পৰিছিলো। মিণ্টাৰ হুৰ এতিয়া বিশ্ৰামৰ সময়। ডীৱাৰৰ পাচত চীনা শ্ৰমিক কমচাৰীৰ সেয়া নিজস্ব সময়। হুৰ কষ্টোপাৰ্জিত নিজস্ব সময়খিনি মোৰ প্ৰশ্নোত্তৰেৰে অপব্যয় কৰাবলৈ মোৰ ভাল লগা নাছিল।

অৱশ্যে হুৰ আধৰুৱা কৰি থৈ যোৱা মন্তব্যষাৰৰ পৰ্‌ ৬ এথ বুজাত মোৰ একণো অসুবিধা হোৱা নাছিল। আচলতে ঘটনাটো ঘটিছিল কালচাৰেল ৰিভলিউ ্যনৰ সেই দুৰ্যোগপূৰ্ণ কালছোৱাত। সেই ৰিভলিউ ্যনৰ খ ্যায়ক গেং অফ ফোৰ আৰু তেওঁলোকৰ দালালসকলে চীনৰ জনসাধাৰণৰ মুক্ত জীৱন যাত্ৰাত বিধিপথালি সৃষ্টি কৰাৰ উপৰিও আলট্ৰা লেফটিজমৰ বদহজমী গে ॥ কত বাৰ ধাৰ ্যাৰ ব ্যৱৰ্ত্তী হৈ ্যবলো ্যন্ত ্যৰু সকলো সুন্দৰৰ বিৰুদ্ধে জহাদ ঘোষণা কৰিছিল। মহিলাৰ চুলি চুটিকৈ কটাই দিছিল আৰু মহিলাৰ দেহৰ কমনীয়তা নষ্ট কৰাৰ উদ্দেশ্যে তেওঁলোকক কঠোৰ ্যৰীৰিক শ্ৰম কৰিবলৈ দিয়া হৈছিল। খেৰৰ পুঁজি (চীনতো খেৰৰ পুঁজি আছে। চনোৱা ্যস্যৰ খেৰ পুঁজি কৰি থৈ দিয়ে যিদৰে ভাৰতৰ উত্তৰ পূৰ প্ৰান্তত কৰা হয়।) জাপানত খেৰৰ ওপৰত কৃষক মহিলাই নিজৰ দেহটোকে পেলাই দি আনে। (সাধাৰণতে মতামানুহ ভৰিৰে গছকি খেৰৰ জাপ বাৰ নিট কুৰায়)

চীনৰ সেই দুৰ্যোগৰ কালছোৱাত গুৱাংঝাওৰ সৰ ্যয় বৰ্ত্তা ্যছিল টাও চ। তেওঁ চহৰখনৰ কৰ্তৃত্ব লৈয়ে তাৰ মনোৰম কৰি ্যঢ়ি তোলাত বিশেষ মনোনিবেশ কৰিছিল। বিদেশী ্যস কৰ্ত্তাসকলে পাতি থৈ যোৱা যুগৰ বাগিচা আৰু বিনোদন কেন্দ্ৰসমূহৰ উন্নতি সাধন কৰাৰ উপৰিও তেওঁ চহৰৰ বিভিন্ন ঠাইত নতুনকৈ পাৰ্ক আলিবাট বাটৰ কাষত ফুলনি ধনীয়া বজা দোকান বজাৰ পাতি দি চহৰখন চালে চকুৰোৱা কৰি তুলিছিল।

তেওঁৰ সেই কামক ১৯৬৭ চনত দুঘোৰ অপৰাধ হিচাপে গণ্য কৰা হৈছিল। তাৰ পাচতে প্ৰায় দহবছৰ কাল গুৱাংঝাও চহৰ যি এক চৰম অবহেলাৰ বলি হৈছিল গোটেই চহৰখন যুদ্ধ বিধ্বস্ত এখন পৰিত্যক্ত চহৰৰ

দৰে দেখা গৈছিল। যোৱা সাতটা বছৰত গুৱাংঝাৱে আকৌ লাহে লাহে ঠা ধৰি উঠিছে। ১৯৮২ চনৰ পৰা সমগ্ৰ পৰিস্থিতিৰ আমূল পৰিবৰ্ত্তন ঘটিছে। চহৰখনে নিজৰ হাত মৰ্য্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। বৰষাত িাৰ পাচত চৰায়ে পাখি কটালি আটোমটোবাৰি হৈ পৰাৰ দৰে গুৱাংঝাৱো সম্প্ৰতি মনোৰম হৈ পৰিছে। এই ঝাওখন হঠাতে আমাৰ কলিকতাৰ দৰেও লাগি যায়। আলিবাটৰ দাতিত প্ৰকাণ্ড বুঢ়া গছ শাৰি ভালেখিনি পৰলৈকে আলিবাটত মানহৰ সমাগ। যান বাহনৰ ভীৰ। ওপা ঝাওৰ এনে উ মুক্ত পৰিবে। দেখিলে জিনান ঝোৰঝিয়া কিয় নানজিঙৰ দৰে চহৰৰ কথাও ভাবিব নোৱাৰি।

গুৱা ঝাওৰ ইতিহাস আছিল সম্পূৰ্ণ সবীয়া। প্ৰাচীন কিম্বদন্তীমতে আদিম যুগত পাচগৰাকী াস্যৰ দেৱতা হেনো স্বৰ্গৰ পৰা নামি আহিছিল এই গুৱাংঝাওলৈ ভেৰাৰ পিঠিত উঠি। প্ৰতিটো ভেৰাৰ মুখত লাগি আহিছিল াস্যৰ মঞ্জৰি। পঞ্চ দেৱতাই হেনো পজাত তুষ্ট হৈ গুৱা ঝাওবাসী ৰাইজক হেনো এটা বৰ দি গৈছিল। সেই বৰ আছিল প্ৰাচয্যৰ বৰ ওৱা ঝাওৰ জন সাধাৰণে। কেতিয়াও দুভিক্ষৰ ।ৰা।২০ নপৰিব বুলি বৰ।

পিচে পৰিছিল। ১৯৩৮ চনত সমগ্ৰ চীন জুৰি যি ভাষণ দুভিক্ষ হৈছিল তাৰ প্ৰলয় কৰী প্ৰভাবৰ পৰা ওৱা ঝাৱো মুক্ত হৈ থাকিব পৰা নছিল। অৱশ্যে উত্তৰ আৰু মধ্য চীনৰ দুখীয়া কৃষক সকলক যিদৰে বানপানী আৰু খৰা বতৰে বছৰি ব্যতিব্যস্ত কৰিছিল দক্ষি। চীনত বিশেষকৈ গুৱা দঙত তেনে বিশেষ অপায় ঘটা নাছিল। দেৱতাৰ বৰৰ বলতেই হওক অথবা আন ভৌগলিক কাৰণতেই হওক গুৱাংদ ৱাংঝাওৰ সমৃদ্ধি দেশৰ ভিতৰত শ্ৰেষ্ঠতম নহলেও (জিয়াংশু প্ৰদেশ সমৃদ্ধতম) চলকপ্ৰদ।

পাচদিনা পৰা পাচ বজাতে সাজু হৈছো। এই প্ৰথমে চীনত চেক্সী বুলি প্ৰেক লগোৱা মোটৰগাড়ী দেখিলো। আমি অৱশ্যে চৰকাৰী গাড়ীত উঠিছিলো। ন বজাত ওৱা দ ৰেচম গৱেষণা প্ৰতিষ্ঠান পাইছিলোঁ। ।ৰষ।। প্ৰতিষ্ঠানৰ মিষ্টাৰ চাও প্ৰোফেচাৰ চুন প্ৰোফেচাৰ শ্ব মাদাম জু মিষ্টাৰ সঁ মিষ্টাৰ ল মিষ্টাৰ চা আটায় আমাৰ বাবে বাট চাই আছিল। তাতো দেখিছিলো চীনা বিশেষজ্ঞসকলে যুগ যুগ ধৰি লাভ কৰা অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি এনে কেতবোৰ পদ্ধতি গ্ৰহণ কৰিছে যে প্ৰকৃতিয়ে তেওঁলোকৰ কৰ্মাচনিত বাধা সৃষ্টি কৰা দূৰৰ কথা প্ৰকৃতি যেন আজ্ঞাবহ ভৃত্যৰ দৰে হৈ পৰিছে। এঠাইত পল পোহা চালো। এৰী বিশেষজ্ঞ মিষ্টাৰ চাওে পলবোৰলৈ দেখুৱাই কৈছিল—

দিজ আ এলী। এলী কেম ক্ৰম আছাম।

অৰ্থাৎ পলবোৰ এৰী পল আৰু এৰী চীনৰ পল আহিছিল অসমৰ পৰা। হবও পাৰে। বিয়নো হালযুগৰ আন্তজাতিক বজাৰত ৰেচমৰ বেপাৰত চীনৰ লগত অসমেও যে অংশ গ্ৰহণ কৰিছিল তাৰ প্ৰমাণ নাহোৱা নহয়। কিন্তু এটা কথা দেখি দুখ লাগিল। ইয়াৰ এৰী পলক আমাৰ দৰেই এৰা গছৰ পাতকে খুৱায়। অথচ ইয়াৰ পলবোৰ ইমান যে ডাঙৰ! ভাৰতৰ উত্তৰপূৰাঞ্চলৰ অসম ৰাজ্যৰ ৰাণী আৰু কোকৰাঝাৰত এৰী কাটোনত পল যিমান ডাঙৰ তা তাকৈ দুগুণমান ডাঙৰ হব এই পলবোৰ। গধূৰ মাংলৈ উভতি আহিছিলো হাটেলাল। বাটতে পুৰণি পেগোদা এটা দেখিছিলোঁ। নামি চাবলৈ মন গল। চীনত মোৰ বোধেৰে প্ৰাচীনতকৈ বিস্ময়কৰ হল নতুনবোৰহে। বিশেষকৈ চীনৰ নতুন প্ৰজাতি। চীনৰ নতুন প্ৰজন্ম বিশ্বৰ এক বিস্ময়। ৰাজনৈতিক আৰ্থিক আৰু সাংস্কৃতিক সকলো দিশে দি ইমান বিশাল বৃহদাধিক মানুহৰ দেশ এখনৰ এনেধৰণৰ অবিচল বিকাশ বিশ্বৰ এক অভুতপূৰ্ব ঘটনা। সেইবাবে মই আন চোৰাতকৈ যিমান পাৰো মানুহ চাইছোঁ।

এই সাফল্যৰ মূলত মোৰ বোধেৰে তাৰ নীতি। নীতি বুলিলেও যথাৰ্থ ভাবে কোৱা নহয়। আচলতে শাৰ চিস্টেম— (কম পদ্ধতি?)। চীনৰ নতুন প্ৰতিটো আচনিয়েই যে ৰাষ্ট্ৰীয় সাফল্য লাভ কৰিছে এনে নহয় বিফল আচনি ব্যৰ্থ হোৱা যেন দেখিলেই উচিত সময়ত প্ৰথোচিত ব্যৱস্থা লোৱাত দ্বিধাক প্ৰশ্ৰয় দিয়া নহয়। অলপতে বহুতবোৰ ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত তেনেধৰণে ব্যৱস্থা লোৱা হৈছে। আধুনিক চীনৰ সামৰিক বিভাগৰ পনৰগঠন বিশ্ব ৰাজনীতিৰ এক বহু আলোচিত বিষয় হৈ পৰিছে।

আলিবাটৰ দুয়োকাষে যিমান পাৰো মই মানুহক চাই আহিছিলো। অকণমান ছয় সাত বছৰীয়া শৰ এটা মুৰত বগা নাপোৰৰ ফিতা এটা বান্ধি স্কুলৰ পৰা আহি ঘৰ পাইছেহি; বাপেক নে কাকাবা এটা ওলাই আহিছিল লৰাই দেখোন ফিডোৰাটো সপাই পেণ্টৰ জেপত ভৰাই পিঠিৰ কিতাপৰ বগটো মানুহজনৰ হাতত দি একেবাৰে মহম্মদ আলিৰ পজ দি মানুহজনৰ পেট ভৰি যতে পাইছে ততেই বক্সিং আৰম্ভ কৰি দিলে। মানুহজনে অলপ পাচত যতিয়া ধেমালিতে ও লাটা বক্সিং দিবলৈ হাত এখন দাঙিলে লৰাই টপাটপ আৰু কেইটামান বক্সিং দি দৌৰি গৈ ঘৰত সোমাল।

স্কুলত যে কন কন লৰা ছাত্ৰীৰ বিশেষ যত্ন লোৱা হয় এই সৰু লৰা টোৱেই তাৰ অকাট্য প্ৰমাণ।

আহোতে বাটত এটা বেলৰে ক্ৰচিং পৰিছিল। ক্ৰচিংটো পোৱাৰ আগতে মাকৰ কাষত বহি অকণমান ল ৰা এটাই মখ মেলি কান্দি আছিল ; গি চয় ।াকৰ ৬চৰত অভিমান বৰি মা ফ তালৈ একেবাৰে ভ্ৰক্ষেপ কৰা নাছিল। এ াতে প্ৰচণ্ড ।ব্দ কৰি ৰল এখন পাৰ হৈ গৈছিল বেলখন অহাৰ লে। লে। অব ।মা ।টোৱে হঠাৎ কন্দা বন্ধ বৰি বচা মানহৰ দৰে নিৰ্ব্বিকাৰ হৈ বেলখনৰ পিনে চাই থাকিল ।াব মুখখন দেখি মোৰ । ন মনে হাহি উঠি ৈছিল। হঠাৎ যে বি আগুল পৰিবৰ্ত্ত।।

তাৰ পাচত চহৰ পাইছিলোহি। এটা ষ্টেটাৰৰ বাৰান্দাত দেখিলো ।াৰী ।াৰী হৈ ধনীয়া সাজপাৰ পিন্ধি আঠণৰাকীমান ডেকা গাভৰু। ৬চৰত পৰু সৰু ।বোটাহত মেশ্বিন। জোতা ।ৰামত কৰা ।াৰ ব দিয়া কাম বৰিছে তেও লোকে। ৰং দিলে ৰে না পচি। চেন্ট লা।। ।ৰা পিৰ কাম অনপাতে দাম। হাও ইয়ে। ৬ৰা হয়ো - এনে ধৰ।ৰ।

*আৰ দে ফ্ৰম বেইদা

নই সধিছিলো। ল ৰা ছোৱালী বেইটিক ব্যৱসায়ী যে। লগা গাছিল। পাগিছিল বলেজৰ ।।ক্ষাথীৰ দৰে। বেইজিং ইউনিভাৰচিটিত (Beijing Daxue অ াৎ Beida) এ । ধৰণৰ ।শিক্ষাত্ৰ ম আছে। মিণ্টোৰ হুৰে কলে—

দে মাণ্ট বা যুম চা । লো কল বলেজ। দিই হজ দেশ্বাৰ ভেকেশ্যন টাইম। দে লান এণ্ড ।ান। যিয়েই নহওব ল ৰা ছোৱালীবেইটিয়ে কিন্তু কামটোত বেচ অহতা অজন কৰা যেন দেখা গ ল। লোকৰ দেখুৱাৰ লৈকে পাল মৰা যেন নালাগিল। তেওঁলাকৰ পাৰ হৈ অহাৰ পাচতো মই আৰু বহুত ।িণ্ড দেখিছিলো। এবেবাৰে ।িজৰ চিন্তাতে বিভোৰ হৈ স্কলৰ পৰা উভতি গৈ ।কা। ধুনীয়া ধনীয়া হইউনিফৰ্মত। মৰত প্ৰায়বিলাকৰে ব।। ফিডোৰা। ভা। কৰি জেপত সমাই থৈ দিব পৰা। বেচ জনপ্ৰিয় হৈছে কিন্তু এই ফিডোৰাৰ দৰে টপীটো। এওপোকেই হল চীনৰ নতুন পৰুষৰ প্ৰদেত। প্ৰয়োজন হলেই নি সঙ্কোচে পৰা। পুৰুষৰ সমস্ত সংস্কাৰ বক্সি মাৰি উৰাই দিব আৰু প্ৰয়োজন বোধে জোৰা চাফাও কৰিব। চীনত দেখিছোঁ দোকান পোহাৰ ব্যৱসায় বাণিজ্য প্ৰায়বোৰেই দ ৰ যৱশক্তিৰ হাতত। চৰকাৰী কাৰ্যালয়ত বাদে বয়সস্থ ব্যক্তি আমি কতো লগ পোৱা নাছিলো।

কনস্ট্ৰাকশ্যন বিভেদত কাম কৰা বিশেষজ্ঞ আৰু শ্ৰমিক দেখিছো। তাতো বয়সস্থ ব্যক্তি আমাৰ চকুত পৰা নাই। মুঠতে উন্নয়নৰ আচল কাম কাজবোৰৰ দায়িত্ব দেশৰ যুৱক যুৱতীসকলে লৈ লৈছে ইতিমধ্যে। মই প্ৰথমে

সকলো ঠাইতে কমবয়সীয়া ল ৰা ছোৱালীবোৰ দেখি ভাবিছিলো চীনত পৰিয়াল পৰিক পনাৰ আচনি ব্যৰ্থ হৈছে। কিন্তু পাচত গম পালো যে চীনৰ দৰে এখন দেশৰ বিশেষ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত চীনে এই ক্ষেত্ৰত যি সফলতা লাভ কৰিছে তাৰ তুলনা নাই। তাৰ কাৰণে চৰকাৰে ইনচেন্টিভ দিছে যথেষ্ট। এটা সন্তান থকা পৰিয়ালৰ কেচুৱা বোকালি (baby sitter) ৰ খৰচৰ চাৰি ভাগৰ তিনিভাগ চৰকাৰে বহন কৰে আৰু সন্তানটোৰ ১৪ বছৰ বয়স নোহোৱালৈকে চৰকাৰে কেতবোৰ আৰ্থিক সাহায্য দিয়ে। মাকে মেটাৰনিটি লীভ পায় ছমাহ পৰ্যন্ত।

এটা মাত্ৰ সন্তান হোৱাত ইমানেই গুৰুত্ব দিয়ে যে যৌথ পৰিয়ালৰ ককায়েকৰ ঘৰত সন্তান হব লগীয়া থাকিলে ভায়েকৰ ঘৰত গৰ্ভধাৰণ পিছুৱাই দিব লাগিব। ককায়েকৰ ঘৰৰ সন্তানটো জন্মাৰ পাচতহে ভায়েকৰ ঘৰৰ সন্তানটো জন্ম দিব পৰা হয়। বিয়া ল ৰাৰ ২৫ বছৰত ছোৱালীৰ ২২ বছৰ বয়সত। তাৰ আগতে হব নোৱাৰে।

হোটেললৈ আহি সোমাই থাকিবৰ মন যোৱা নাছিল। উত্তৰ পূৰ্বী আৰু বিহাৰী বন্ধু ক লগত লৈ খোজ কাঢ়ি অলপ চাই লওঁ বুলি ওলাই গৈছিলো। আমাৰ বিহাৰী বন্ধুজন আছিল যুদ্ধৰ দিনৰ লেগ ঘোড়াৰ গাড়ীৰ দৰে। কাতো ফেইল নকৰে। ভীষণ স কটৰ সময়ত কামিজৰ হাতৰ ভাজত টেক্সাটো লুকুৱাই ৰাখে। কাজেই তেখেতবো স ঙ্গী কৰি লোৱা হল। ট ফে হোটেলৰ পৰা ওলাই সোফালে কিছুদূৰ গৈয়ে মে উপস্থিত। প্ৰকাণ্ড দোকান—যত সকলোধৰণৰ। কনজিউমাৰ গুদচ পোৱা যায়। ৰাবী জেদৰ পৰা জোতা ছাতিলৈকে। তাৰ পৰা অলপ গৈয়ে নটা ডাঙৰ চক পায়; তাৰ পৰা উৰ্দ্ধ পিনলৈ আৰম্ভ হয় চহৰৰ ব্যস্ত আলিবাটৰ এটা। তাৰ চুক এটাত দেখিছিলো মানহ এজন মোনা এখন এচৰতে থৈ আমন জিমন কৈ থিয় দি আছিল। চীনত মানুহ তেনেদৰে থিয় হৈ বৈ থকা দৃশ্য একেবাৰে বিৰল। ভালদৰে চোৱাত দেখিলো তেওঁৰ হাতত ৰচী এডালৰ এমৰ ধৰি থকা অৱস্থাত; আনটো মূৰ দেখিলো এটা বৰ ভেকুলীৰ ককালত বন্ধা। ভেকুলীটোৱেও মানহজনৰ দৰে বিমূঢ় হৈ ফুটপাথত বহি আছে। দৃশ্যটোৰ তাৎপৰ্য ব্যাখ্যা কৰি বিহাৰী বন্ধুৱে কৈছিল—

ঃ বাহিৰত বহি থকাটো চেম্পল। আচল স্টকটো আছে মোনাখনত।

সেইদিনা বহুত ঘূৰিছিলো। বিহাৰী বন্ধুৰ লেগুমাৰ্কবোৰ মন কৰি থাওঁ ত মোৰ কলেজীয়া দিনৰ ঘটনা এটা মনত পৰিছিল। ১৯৪৬ চনৰ কথা।

বন্ধত ঘৰ'লৈ যাওতে ৰঙিয়া ৰেলজংচনত মোৰ বন্ধ এগৰাকীৰ বৰ আমোদজনক ঘটনা এটা ঘটিছিল। ৰঙিয়া জংচনত ৰেলৰ যাত্ৰীয় নামি গৈ চাহ খাই অহাৰ সময় পাইছিল। বন্ধ আছিল বেচ স্মাৰ্ট। তেওঁ নামি যোৱাৰ সময়ত ডবাৰ নম্বৰটো চাই লৈছিল। যাতে দীঘল গাড়ীখনত নিজৰ ডবাটো বিচাৰি উলিয়োৱাৰ কাৰণে হাবাথুৰি খাবলগীয়া নহয়। তেওঁৰ ডবাটোৰ নম্বৰ আছিল ১১১; চাহ খাই ঘূৰি আহি চাই দেখে যে তেওঁৰ ৰেলখনৰ বেছি ভাগ ডবাৰে নম্বৰ আছিল ১১১ তেওঁ হতভম্ব হ'ল। খন্তেক চিন্তা কৰি বুজিলে যে তেওঁ ৰোমান নম্বৰত তৃতীয় শ্ৰেণীৰ চিহ্ন আৰু তিনিডালকে এশ এঘাৰ বুলি ধৰি লৈছিল।

মইও বিহাৰী বন্ধুক কওঁ কথাটো। লেণ্ডমাৰ্ক বহুত কেইটা একে ধৰণৰ নেদেখিলেহে ৰক্ষা। সেইদিনা অৱশ্যে আমাৰ বিহাৰী বন্ধুৰ কল্যাণত বাট ভুল্ হোৱা নাছিল। আমি ঠিকে ঠাকেই হোটেললৈ ঘূৰি আহিছিলো। মাত্ৰ এটা কথাত আমাৰ ভুল হৈছিল। আমি মিণ্টাৰ হু বা মিণ্টাৰ ক্সিঙক কৈ মাতিবোলো আমাৰ ভুল হৈছিল। মিণ্টাৰ হু আৰু মিণ্টাৰ ক্সিঙে ডীনাৰৰ পাচত শুবলৈ যোৱা নাছিল। হোটেলৰ লবীত আমাৰ কাৰণে উৰেখৰে বাট চাই আছিল।

মই আমাৰ সদৌটিৰে হৈ ক্ষমা খুজিছিলো। হুৱে স্বস্তিৰ হাঁহি এটা মাৰি আমাক আশ্বাস দি কৈছিল—

দেট অলৰাইট; নো প্ৰব্লেম।

কথাষাৰত কোনো ধৰণৰ আন্তৰিকতা অনুভৱ কৰিছিলো। মনটো একেবাৰে মুকলি লাগিছিল। বিচনাত পৰাৰ লগে লগে টোপনিয়ে হেচা মাৰি ধৰিছিল।

পাচদিনা পুৱা আৰু কেইটামান গৱেষনা কেন্দ্ৰলৈ গৈছিলো আৰু গৈছিলো এটা আয়াত নিযাত কেন্দ্ৰলৈ। তাৰে এটা কেন্দ্ৰ আছিল দক্ষিণ চীন কৃষি বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত। তাতে এগৰাকী প্ৰখ্যাত কৃষি বিজ্ঞানী প্ৰোফেছৰ হু ৱেই গুৱাঙক লগ পাইছিলো। তাত F A O ৰ পৃষ্ঠপোষকতাত স্থাপিত এছীয় আৰু প্ৰশান্ত মহাসাগৰীয় এলেকাৰ কাৰণে এটা ৰেচম প্ৰশিক্ষণ প্ৰতিষ্ঠানো আছে। প্ৰোফেছৰ হু তাৰ প্ৰজেক্ট ডিৰেক্টৰো। সেই কেন্দ্ৰতেই মই লগ পাইছিলো বা লাদোৰ পৰা অহা দুজন ডেকা কৃষি বিষয়া আৰু এগৰাকী যুৱতী ৰেচম বিশেষজ্ঞক। তিনিও তাত বিশেষ

প্ৰশিক্ষণ লৈ আছিল। মোক অসমৰ বুলি জানি ফৰিদ নামৰ ডেকা কৃষি বিষয়াজনে সাবট মাৰি ধৰিছিলহি। আৰু বাংলা ত মোৰ কুশলাকুশল সুধিছিল। মইও তাহাতক লগ পাই অন্ত ত পলক অনভৱ কৰিছিলো।

বিদায়ৰ সময়ত গৱেষণা কেন্দ্ৰৰ প্ৰোফেছাৰ হু সেই কেন্দ্ৰৰ নিজা কাৰখানাত তৈয়াৰ কৰা কেইটামান ফাউণ্টেন পেন আমাক উপহাৰ দিছিল। চীনৰ কাৰিকৰী বিশেষজ্ঞসকল যে বহুমুখী প্ৰতিভাৰ আকৰ সেই দিশত নট মই সেই বিষয়ে প্ৰাথমিক অভিজ্ঞতা লাভ কৰিছিলো।

কে ন্দ্ৰৰ মুখ্য কাৰ্যালয়ৰ পৰা ওলাই আহোতে বাহিৰত দেখিছিলো বাৰীয়া মাটিমুটি পাকৰ ডৰা। মই ডৰাটোলৈ দেখুৱাই মিষ্টাৰ হুক সাধাৰণ তেওঁ উচপ খাই উঠাৰ দৰে কৰি মোকহে ওলাটি প্ৰশ্ন কৰিছিল—

কিষ ? তোমালোকেও খোৱা নেকি এই বিধ শাক ?

খাওঁ তাৰ। মই আমাৰ দেশৰ যিটো অঞ্চলৰ পৰা আহিছোঁ শাত আমি ইয়াক শাক হিচাপতো খাওঁৱেই বনৌষধি হিচাপেও ব্যৱহাৰ কৰো।

ৱেল ইউ মীন আছাম। লেণ্ড অফ মুকা এণ্ড এৰী

এৰা হওতে হয়। মুগা আৰু এৰীৰ ৰাজ্য অসম। কিন্তু বিয়েবা হব। পতিয়া নামটোহে টিকি আছেগৈ। সিও যায় যায় অৱস্থা। মই কিবা এষাৰ মাত মতাৰ আগতেই বিহাৰী বন্ধুৱে মাজতে সোমাই সুধিলেহি—

ৰিচাচ ষ্টেচাৰ চোণ্ডলবোৰো তাতে বনায় নেকি ?

নো নো দে বাই দোজ ফ্ৰম লো কল ফেক্টৰী।

মিষ্টাৰ হুৰ উত্তৰষাৰ বন্ধুৰ প্ৰত্যাশিত নাছিল। তেওঁ হয় তো ভাবিছিল ফাউণ্টেন পেন নিজে তৈয়াৰ কৰি লৈছে যেতিয়া পল পোহা কণী ৰখা ঘৰবোৰত সোমোৱা হাইজিনিক চেণ্ডেলবোৰো তাতেই বনাব। বন্ধুৰ অকণ হতাশ হোৱা যেন দেখি হুৱে হাহি হাহি কৈছিল—

ইফ দে হেভ ট মেক এভ্ৰিথিং দে উইল নট গেট টাইম ফৰ ৰিচৰ্চ।

আবেলি অলপ ফ্ৰেণ্ডশ্বিপ ষ্টোৰখন চাব লাগিব বুলি তেওঁ মিষ্টাৰ হুক কলে। বোধকৰো হুৰ কথাষাৰ শুনি তেওঁৰ ফ্ৰেণ্ডশ্বিপ ষ্টোৰ বস্তু কিনা এনেবোৰ কথা মনত পৰিল। হুৱে সুধিলে যোৱা ধুলি যে চহৰত ঘূৰা হৈছিল বস্তু জানো কিনা নহল। আমাৰ বন্ধুৱে কৈছিল য যোৱা পধুলি তেমে মতলবত যোৱা হোৱা নাছিল তদুপৰি মতলব কৰিলেও কমিউনিকেশ্যন গ্যাপৰ বাধা আছিল। হুৱে তেওঁৰ উত্তৰ শুনি হাহি হাহি মোক উদ্দেশ্য কৰি সুধিছিল—

ঃ তেনেহলে কিনো চালে মিষ্টাৰ চধলী ?

পিপল The people and the people alone are the motive force in the making of world history

মাও চে টুং।

ইয়েচ আই এ দোজ মাওচ পিপল।

মিষ্টাৰ হুৱে আচৰিতভাবে মোৰ কথাত কোনো ধৰণৰ আগ্রহ প্রকাশ নকৰিলে। মই মুহূর্তৰ বাবে বিমূঢ় হৈ পৰিছিলো। অৱশ্যে মুহূর্তৰ পাচতে কথাৰ মোৰ ঘূৰাই কৈছিলো—

মই ইয়াত দেখিলো জনসাধাৰণৰ মাজত এটা ৰিলাক্সড এটমোস্ফেয়াৰ। উত্তৰৰ চহৰবিলাকৰ দৰে টেঞ্চ নহয়।

: আচলতে দোষ এটমোস্ফেয়াৰৰ নহয়। দোষ হল নেচ্চাৰৰ। (nature শব্দটোৰ শেষৰ চিলেবলটো তেওঁ বেলেগ ধৰণে উচ্চাৰণ কৰিছিল) এনেতে বিহাৰী বন্ধুৱে কাৰ মাজত সোমাই সুধিছিলহি গুৱা ঝাওৰ স্পেচিয়েলিটি কি বুলি। মই প্রসঙ্গটো বাদ দিলো। স্থানীয় ভাষা জনা নাথাকিলে ইণ্টাৰ পিটাৰক লৈ এনেধৰণৰ টানাটনি লাগেই। কেতিয়াবা দলৰ মাজতে ইয়াকে লৈ মন কষাকষিও হয়। গতিকে মই বন্ধুৰ প্রসঙ্গত যোগ দি সুধিছিলো—

স্পেচিয়েলটি নে স্পেচিয়েলিটি?

বন্ধুৱে কলে— স্পেচিয়েলটি।

মিষ্টাৰে হুৱে অকণো চিন্তা নকৰাকৈ উত্তৰ দিলে—

ইটচ দিছ অফ পয়জনাচ স্নেক।

বিষাক্ত সাপৰ আঞ্জাৰ কথা শুনি বন্ধুৰ উৎসাহ হঠাৎ স্তিমিত হৈ পৰিছিল। ইতিমধ্যে আমাৰ গাড়ীও আহি ফ্রেণ্ডশ্বিপ ষ্টোৰৰ সম্মুখত ৰৈ গৈছিলহি।

তাত ঘড়ী এটা কিনিছিলো। গুৱাংঝাও কাৰখানাত তৈয়াৰ হোৱা sea gull ঘড়ী। দাম আশী ইয়েন। ইয়াৰ স্থানীয় ঘড়ীৰ কাৰখানাটো হেনো দেশৰ ভিতৰত সবৰৃহত। চোৱাৰ বৰ ইচ্ছা আছিল। কিন্তু লোকৰ দেশ লোকৰ কথা। গৃহস্থে ইচ্ছা নকৰিলে আমাৰ ইচ্ছাৰ কোনো মূল্য নাই।

কাৰখানাৰ সলনি আমাক লৈ যোৱা হৈছিল গুৱাংঝাও পার্কলৈ। এটা প্রকাণ্ড টিলাৰ ওপৰত পার্কখন। কাঞ্চন গছ আছিল অনেক। মূত্যুৰঙী। অর্থাৎ বগা ৰঙৰ। মই উৎসাহহীন হৈ পৰিছিলো। ওপৰলৈ যোৱাৰ চিন্তা বাদ দি আলিবাটৰ দাতিত থিয় হৈ দৰ্শকসকলকে চাই আছিলো। হঠাৎ দেখিছিলো কেইগৰাকীমান আমেৰিকান যুবক-যুৱতী হলস্থূল কৰি পাকৰ পৰা নামি

আহিছিল। ভিতিত কেবাজনবো নিকন মিনল্টা কেমেৰা অৰা। সিহঁতে খোজকাঢ়িয়েই আলিবাটেদি নামি গৈছিল আৰু এঠাইত অদৃশ্য হৈ পৰিছিল।

তাৰ পাচতে নামি আহিছিল বয়সস্থ জাপানী কেইগৰাকীমান। লগত দহ বাৰটামান শিশু। তেওঁলোকৰ ডিঙিতো কেমেৰা। স্থানীয় চীনা দশকতো অলেখ। উঠিয়েই আছে নামিয়েই আছে। কোৰিয়া চীন আৰু চিংগাপুৰ আদিৰ মানহ কেতিয়াবা ধৰাই টান কানজন ক'ব। আকৃতি আৰু গাৰ বৰণত। মাত্র সাজ পাৰেহে কৈ দিয়ে। চীনৰ অৱশ্যে একান্ত নিজস্ব ষ্টাইল আছে চৰতে। সাজ পাৰৰ পৰা বহ্মা বড়ালৈকে। পৃথিবীৰ যি প্রান্ততে নাথাকক লাগিলে চীনাৰ পৰিচয় বৈশিষ্ট্য সকলোতে অক্ষয় থাকে। মিণ্টাৰ চিংঙৰ মতে আকৌ সেই অক্ষয় ৰখাটোও চৈনিক বৈশিষ্ট্য।

বিশ্বৰ বিভিন্ন প্রান্তৰ মানুহবোৰ দেখি মইও এসময়ত ওপৰলৈ উঠি গৈছিলো। পাৰ্কৰ স মুখত থকা প্রকাণ্ড বাটচ ৰাটোৰ পদূলিৰ দুকাষে দুটা ভেকুলীমুৰীয়া সিংহৰ প্রস্তৰ মূৰ্তি। ভিতৰত মজিয়াত মিংযুগৰ এপাট বিয়াগোম লংগৰ, আৰু এটা সৈনিকৰ বিশাল ব্রঞ্জৰ মূৰ্তি। ঘৰটোৰ এবেকাচ আৰু পিলাৰবোৰ আমাৰবোৰৰ দৰে অলংকৃত নহয়। একেবাৰে চাধাচিধা। লিনটেলত দেখিছিলো ঘোৰাৰ বাগী আৰু নাঙলত গৰু যুৰি হাল বাই থকা দৃশ্য। মি যুগৰ কৃষি প্রধান সমাজৰ ইতিহাস বহন কৰিছিল সেই দৃশ্যপটটোৱে। সেইবোৰকে চাই পাকত নুঘুৰাকৈয়ে নামি আহিছিলো। আমাৰ বন্ধু সকলো সেই সময়তে নামি আহিছিল। বিহাৰী বন্ধু জনে মোৰ কাষলৈ আহি কলেহি—

ঃ টুদে ইট ওবাজ দেয়াৰ চেকণ্ড ফ্রেইলাৰ।

তেওঁৰ দোষ এইটোৱে। কথাবোৰ হেয়ালিৰ দৰে হঠাতে আগ গুৰি নোহোৱাকৈ কৈ দিয়েহি। মই ভাবিছিলো নিশ্চয় পাৰ্কতে কিবা দেখিলে। অলপ আগ্রহী যেন দেখুৱাই সুধিলো—

ঃ কিহৰ ফ্রেইলাৰ ?

ঃ কিয় ? তুমি জানো মন কৰা নাই ?

ওহো।

তেওঁ যেতিয়া কথাটোৰ আতি গুৰি কলে মই হতভম্ব হৈ গলোঁ। দু ঘণ্টামানৰ আগতে আমি যেতিয়া সেই আয়াত-নিযাত কেন্দ্রটোত কিবা এটা আলোচনাত যোগ দিছিলো সেই সময়ত আমি বহা কোঠাটোৰ এয়াৰ কুলাৰটো

বেয়া হৈ আছিল। এজন ইলেকট্ৰিচিয়ানক মতাই অনা হৈছিল ভাল কৰিবলৈ। তেওঁ আহি যত্ন কৰিছিল কিবাবিবি খুলি মেলি। কিন্তু এয়াৰ কুলাৰটো ভাল নহল শেষ পৰ্যন্ত।

ইমান সাধাৰণ কথা এটাকে বন্ধুবৰে যে ইমান চিৰিয়াচলি লৈ ইমান সময় ধৰি পাৰ্ক ফেণ্ডশ্বিপ ষ্টোৰ আৰু কত কি চোৱাৰ পাচতো যে সেই সামান্য কথাটোকে পাহৰি নাযাব মই ভাবি আচৰিত হৈছিলো। আৰু বেচি আচৰিত হৈছিলো বন্ধুৰ অন্তৰ্দ্বন্দ্বৰ উমান নাই। চীনৰ একোতে গুৰুত্ব দিবলৈ মনে কোনোপধ্যেই নামানে অথচ চাক্ষুষ অভিজ্ঞতাই বিবেকক বাৰে বাৰে জাওৰ খুৱাই দিছে। ইতিকে চীনাসকলৰ সামান্যতম দুৰ্বলতাৰ আশ্ৰয় লৈ হলেও মনক আশ্বস্ত কৰাৰ যত্ন কৰিছিল আমাৰ বন্ধুৱে।

হোটেললৈ ঘূৰি অহাৰ লগে লগে দেহ মনৰ অসম্ভৱ ক্লান্তি অনুভৱ কৰিছিলোঁ। জেদ চৰাইবোৰ উৰি উৰি শেষ হৈ গৈছিল। চীনদেশ এৰি আহিবলৈ আমাৰ এটা দিনো নাছিল পৰাকৈ। আমি পাচদিনা পুৱাৰ ভাগতে গুৱাংঝাও এৰি আহিম। এই কেইদিনতে গঢ়ি উঠা নিবিড় সম্বন্ধ এপিনে — যাৰ বলত মিষ্টাৰ হু আৰু মিষ্টাৰ চিঙৰ ওপৰত যথেচ্ছা কৰিছোঁ আনপিনে আকৌ ইমানদিনে এৰি থকা নিজৰ দেশ আৰু ঘৰখনৰ আকৰ্ষণ— মনটো দ্বিধাগ্ৰস্ত হৈ পৰিছিল। মিচ টুঙেও এইকেইদিন আমাৰ লগতে ছাঁৰ দৰে ঘূৰি ফুৰিছিল আমাৰ বিভিন্ন ফাষ্ট ফৰমাচ খাটি।

মহিলাৰ এটা বিশেষ গুণো আছিল। একেবাৰে আমাৰ বিহাৰী বন্ধুৰ দৰে। সেইটো হল তেওঁৰ unobtrusiveness— almost to the point of invisibility তেওঁ হয়তো আমাৰ ওচৰতে আছে; কিন্তু আমি কোনো সেই সম্পৰ্কে সচেতন নহওঁ। তেওঁৰ এই গুণটোৰ বাবেই আকৌ আমি প্ৰতিমুহূৰ্ত্তে সতৰ্ক থাকিব লগীয়াতো পৰিছিলো। এনে এটা পৰিস্থিতিত তেওঁ আচলতে আমাৰ সকলোৰে চকুৰ কুটা হব লাগিছিল। কিন্তু তেওঁৰ নিস্পন্দ নিৰীহ মুখখনলৈ চালেই আমাৰ সমস্ত দুশ্চিন্তা আঁতৰ হৈছিল।

চীনৰ পৰা বিদায় লোৱা মানে মই যে মিচ টুং মিষ্টাৰ হু মিষ্টাৰ চিঙহঁতৰ সংসৰ্গৰ পৰা চিৰতৰে বঞ্চিত হব লাগিব—কথাটো ভাবি মোৰ মনটো বিষণ্ণ হৈ পৰিছিল।

ৰাতি ডীনাৰলৈ নগলো। যেহেতু এয়ে শেষ ডীনাৰ হব যোৱাটো উচিত আছিল। কিন্তু যাবলৈ একেবাৰে মন নগল। বিছনাত পৰি বেইজিঙৰ পৰা গুৱাংঝাওলৈ দিনকেইটাৰ সকলোৰে সমস্ত ঘটনা এটা এটাকৈ মনত পেলাই

গৈছিলো। ঘটনা যিমান আছিল তা তাকৈ বহু বেচি গুণে আছিল নিৰ্লিপ্ত মানুহ। হেজাৰ হেজাৰ মানুহ।

চীনৰ প্ৰথম দিনা বেইজিঙৰ ঝিৰেই ৰেষ্টাৰাত লগ পোৱা মিষ্টাৰ খ্ৰি ঝ ফেং — ফৰেইন এফেয়াচ বুৰোৰ ডেপুটি ডাইৰেক্টৰ ভাৰতীয় দূতাবাসৰ চ কণ্ড চক্ৰেটাৰী মিষ্টাৰ শ্বিনয় — বেচ স্মাৰ্ট আৰু সহায় কৰিবলৈ সততে ট মুখ মিষ্টাৰ ঝাং হাং টা৺ বেচ উদাৰ খোলা হাহিৰে যে প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ে।

দ্বিতীয় দিনাৰ নিশা চকুৰ চাৰ্চাবে মিষ্টাৰ ফিঙক শাসন কৰা সেই ধনীয়া গাভৰুজনী কি যে নাম আছিল তেওঁৰ। তাৰ পাচত মেইচুন টাউন শিপৰ লীডাৰ সেই যে চপল ডেকা মিষ্টাৰ ঈ। তদুপৰি পথাৰে পথাৰে দেখা সমৰত অগণন কৃষক; বিভিন্ন চত্বৰতলিত নিৰ্মাণ কাৰ্যত ব্যস্ত বিভিন্ন ব্ৰিগেদৰ অসংখ্য শ্ৰমিক হাটে বজাৰে গাঁৱে চহৰে ৰেল-মোটৰে দেখা পোৱা অলেখ জনতা। নজিঙৰ বজাৰত গিমিক ৰ আশ্ৰয় লৈ এপাৰ্থকাৰি বিক্ৰী কৰা সৰল-হোজা যা দেখা সেই চতুৰ ব্যৱসায়ীজন। বিধে বিধে কিমান যে মানুহ দেখিলোঁ।

এই বাৰকে এপিনৰ পৰা ভাবি আহিছিলোঁ। য়াটাৰ চিফু হোটেলৰ লিফটত কাম কৰা সেই আলফুলীয়া ছোৱালীজনী মেইচুন চেনৰ সেই নাতিয়কৰ সাতে খেলি থকা নিলিপ্ত বুঢ়াণৰাকী ভগা ভগা ইংৰাজী কৈ আমাক গি যোৱা সেই ফৰেন এক্সচেঞ্জৰ ব্যৱসায় কৰা মানুহজন চব এটা এটাকৈ মাৰ পটত ভাহি উঠিছিল। এ নতে দুৱাৰত জোৰেৰে কোনোবাই শব্দ কৰা শুনিলা। দুৱাৰখন খুলি দিয়াৰ লগে লগে ধুমুহাৰ দৰে সোমাই আহিছিল আমাৰ বা মীৰী স গীণৰাকী। খুব গোপনীয় কথা এষাৰ কোৱাৰ দাৰে কৰি সধি ল —

হোৱেৰ ইজ এন ই?

অৰ্থাৎ নথ-ইন্টৰ বন্ধ ক ত। মই প্ৰথমতে হতভম্ব হৈ গলো। সপ্ৰশ্ন দৃষ্টিৰে তেওঁলৈ চোৱাত তেওঁ কলে

ড ইউ নো হোৱাট ইজ দ্য টাইম নাও? ইটচ ইলেভেন। এণ্ড হি ইজ নো হোৱেৰ ইন দ্য হো টল।

ৰাতিয়ে এঘাৰ বাজি গৈছিল মোৰ খেয়ালেই নাছিল। হোটেলৰ কতো যদি নাই তেন্তে সচাকে চিন্তাৰ কথা। তথাপি মই কলোঁ—

: আছে নিশ্চয় কৰবাত। হোটেলৰ বাৰ ৰেষ্টোৰা। কেবাখনো। কৰবাত নহয় কৰবাত থাকিব।

সিদিনাতো আমাৰ আন এজন বন্ধু হেৰাই গৈছিল। মিষ্টাৰ ফ্লিতে বিচাৰি বিচাৰি আধা ঘণ্টামানৰ মূৰত আন এখন ৰেষ্টোৰাৰ পৰা বন্ধুক লৈ আহিছিল। অৱশ্যে কথাষাৰ কৈছিলো যদিও সময়টোৰ কথা ভাবি মই নিজেই আশ্বস্ত হব পৰা নাছিলো। কাশ্মীৰী বন্ধুৰে মোৰ পৰা আশানৰূপ সহাৰি নেপাই ওলাই গৈছিল।

অলপ পাচতে মোৰ কোঠাৰ ফোনটো বাজি উঠিছিল। ধৰিলো। আমাৰ উত্তৰ পৰী বন্ধুৰ মাত। তেওঁ যেন সঞ্জয় দম্পিটৰে ইমানপৰে আমাৰ আলেখ লেখকে চাই আছিল।

হেল্লো চাৰ ডোনট বৰি। আই এম বিলাক্সিং ইন এ চেপাৰেট বাৰ। বুজিং।

মাৰ দুখতে ডীনাৰলৈ যোৱা নাছিল হেনো তেওঁ। ডীনাৰৰ বদলি তেওঁ খাইছিল একেলেনাৰিয়ে সাত গিলাচ বীয়েৰ আৰু দুশগ্ৰাম পটেটো চীপচ। সেয়া যেন চেজাৰহে। দুখৰ কাৰণ হেনো দুটা আছিল। তাৰে এটা হল—ডীনাৰত যি বীয়েৰ পৰিবেশন কৰে তাৰ সিংহভাগ গ্ৰহণ কৰে নিৰামিষাশী সংগী এজনে। কোনোমতে দুগিলাচমানহে তেওঁৰ ভাগত পৰেহি। যিটো তেওঁৰ কাৰণে একেবাৰে যথেষ্ট নহয়। দ্বিতীয় কাৰণটো হল চীন দেশ ইমান সোনকালে এৰি আহিবলগীয়া হোৱাটো।

আহিবৰ দিনা পুৱাতে তেওঁৰ কাৰণেই ফ্ৰেণ্ডশ্বিপ ষ্টোৰ'ল যাবলগীয়াত পৰিছিলো। তেওঁ আগদিনাখনেই কোট এটা পচন্দ কৰি থৈ আহিছিল। চীনা ৰেষ্টোৰাত ব্ৰেকফাষ্ট কৰি চাৰে সাতবজাতে নাহিৰলৈ ওলাই আহিছিলোঁ। আমি হোটেলৰ পৰা বিমান বন্দৰলৈ যাত্ৰা কৰিব লাগিব চাৰে ন বজাত। গতিকে কিছু সময় আছিল হাতত।

ষ্টোৰ যদিও নবজাত খোলাৰ কথা ভাবিলো দহ পোন্ধৰ মিনিটৰ আগেয়েই নিশ্চয় খুলিব। গতিকে আমি সোনকালেই বাহিৰলৈ ওলাই আহিলো। চাইকেল গাড়ী আৰু মোটৰে হোটেলৰ সম্মুখৰ আলিবাটটো ব্যস্ত কৰি তুলিছিল। হোটেলৰ পৰা ওলায়েই সোফালে ঘূৰি এটা ব্লক পাৰ হলেই ফ্ৰেণ্ডশ্বিপ ষ্টোৰ। ন বাজিবলৈ তেতিয়াও বহুত বাকী। গতিকে ষ্টোৰৰ সম্মুখৰ ফুটপাথত থিয় হৈ আলিবাটৰ মানুহবোৰকে চাই আছিলোঁ দুয়ো। যিকোনো ৰঙৰ মোজা পিন্ধি পাৰ হৈ যোৱা জাক জাক মহিলা আৰু গাভৰু ছোৱালী দীঘল পাটলুং আৰু মাওকোট পিন্ধা আদহীয়া মানুহ পাতল নীলা বা হালধীয়া হাফ চাট পিন্ধা ডেকাল'ৰাৰ জাক কোনটোইত খোজকাঢ়ি

কোনটোহত চাইকেলত ক্ষিপ্র—ব্যস্ত গতিত আমাৰ সম্মুখেদি পাৰ হৈ গৈছিল। মহিলা বা পুৰুষ চালকে চলোৱা চিংগল বা বিৰাট ডাবল ডেকাৰ বাচতো আহিছে—গৈছে অজস্ৰ মানুহ। বৃদ্ধত বাদে কাৰো গতি লেথ নাছিল। সকলোৱে তৰা নৰা ছিগা বেগত গৈছে আহিছে আমাৰ সম্মুখৰ ফুট পাথ আৰু প্ৰশস্ত আলিবাটটোৰেদি। মই সেইবোৰৰ চাই তন্ময় হৈ পৰিছিলো। এনেতে এজন খীন ত্ৰিশ বত্ৰি। বছৰ বয়সীয়া মানহে কাষলতিত সৰু পট ফলিঅ বেণ এটা চেপি লৈ আমাৰ কাষ চাপি আহি সুধিছিল আমাৰ মুদ্ৰা বদলি কৰিবলগীয়া আছে নেকি? মানহজনৰ মুখত ভঙা ভঙা ইংৰাজী শুনি আমি দুয়ো সতৰ্ক হৈ পৰিছিলো। মই নহীন হৈ নাই বুলি কোৱাৰ লগে লগে মানহজন ফুটপাথৰ ভীৰত সোমাই পৰিছিল।

থেটাৰৰ সম্মুখত ইতিমধ্যে দহ বাৰ জন গ্ৰাহক জমা হৈছিল। তাৰে সাত গৰাকী আছিল বিদেশী অৰ্থাৎ পশ্চিমীয়া দেশৰ। আমাৰ যেনেদি লেথ গতিত পাৰ হৈ গৈছিল এহাল বৃদ্ধ দম্পতি। স্থানীয় নিচয়। জমা হোৱা গ্ৰাহকবিলাকৰ মাজেদি গৈ তেওঁলোক একেবাৰে সম্মুখত থিয় হৈছিল। ঠিক চাৰে আঠবজাত থেটাৰ নবজাত খোলে বুলি ইংৰাজীত লেখা ছাইনখনৰ কাষতে চুল এখন লৈ ডেকা লৰা এটা বহিলহি। ধুনীয়া ফিট ফাট কাপোৰ কানি পিন্ধা। নিচয় থেটাৰৰ দ্বৈইভাৰ বা পিয়ন। এদোধৰণৰ। লৰাজনক দেখি বাবুটো হালে আগবাঢ়ি গৈ কিবা এষাৰ সুধিছিল। লৰাজনে ছাইনখন দেখুৱাই কিবা এটা কোৱাত বুঢ়াবুঢ়ী ঘূৰি আহি আৰৌ আগৰ জেগাত থিয় হৈ ৰল।

আমি দুয়ো একেঠাইতে থিয় হৈ মানহবোৰৰ আলেখলেখ চাই আছিলো। ঠিক আঠবাজি আঠাৰম মিনিট যোৱাত এজন ডেকা দম্পতিয়ে লগত তিনিবছৰ মান বয়সৰ হাফপেন্ট পিন্ধা পতেকটো লৈ খটখটি বজাই দোকানৰ দুৱাৰ মুখলৈ আগবাঢ়ি গৈছিল। লৰাজনে আগভেটি ধৰিবলৈহি। দম্পতি স্তব্ধ হৈ বৈ ৰল।

ঠিক নবজাত ছাইনখন তাৰ লৰা আঁতৰাই লৈ যোৱা হল। ডেকা লৰা অদৃশ্য হল। গ্ৰাহকৰ অপেক্ষমান দলটো দোকানলৈ সোমাই গল। সোমোৱা বাটৰ দুয়োকাষে পৰিপাটীকৈ সাজপাৰ পিন্ধা চেলচ বয় আৰু চেলচ গাল সকলে থিয় হৈ চাপৰি বজাই দিনটোৰ প্ৰথম গ্ৰাহকৰ দলটোক স্বাগতম জনোৱা দেখি আমাৰ উত্তৰপুৰী বক্ষৰে মোক একৰকম টানিয়ে লৈ গৈছিল সেই স্বাগতমৰ ভাগ লবলৈ। আমাৰ অন্তৰ্শ্যে অৰুণ দেৰি হৈ গল।

বন্ধুৰ লক্ষ্য আছিল স্থিৰ। দোকানত সোমায়েই সো বাও কোনোপিনে নোচোৱাকৈ ষ্টলবোৰৰ মাজেদি গৈ জেণ্টেচ গামেণ্ট কাউণ্টাৰত হাজিৰ। কোটটো নি চয় আগদিনাৰ ঠাইতে আছিল। তেওঁ খুজিলে। চেলচ গাল গৰাকীয়ে কোটটো দিলত তেওঁ পিন্ধি লৈ নৰ্ব্বে নে বিৰানৰ্ব্বে ইয়েন অথাৎ প্ৰাইচটেগত লিখি ৰখা দামটো দি দিলে। ক্যাছ মেমোও দিয়া হৈ গল। আমাৰ বন্ধুৱে কোটটো পিন্ধি আহিবলৈ লৈছে এনেতে ছোৱালীজনীয়ে খপ কৰে বন্ধুৰ হাতত ধৰি কোটটো খুলি দিবলৈ কলে। মোৰ বুকুখন হঠাৎ চিৰিং কৰে গৈছিল। কিবা এটা অঘটন নহলেহে ৰক্ষা! বন্ধুৱে বিমূঢ়ৰ দৰে কোটটো খুলি দিলে। লোকৰ দেশ লোকৰ কথা কিবা নবৰিবলগীয়া কৰি পেলালে বন্ধুৱে। ইপিনে লগত মিণ্টাৰ হু বা ষ্টিভো নাই। মোৰ মূৰটো ঘূৰি যোৱা যেন লাগিল।

ছোৱালীজনীয়ে কোটটো লৈ পিঠিৰ পিনে দাগ এটা দেখুৱালে আৰু তৎক্ষণাৎ ক্যাছবক্সৰ পৰা দামটো ঘূৰাই দিলে। মই তেতিয়াহে ভালদৰে দাগটোলৈ চালো। সেইয়া আচলতে দাগ নাছিল। গজাল তজাল কিহবাত লাগি সেই ঠাইতে কোটটোৰ সামান্য ফাটি গৈছিল।

ছোৱালীজনীয়ে ফটাখিনি দেখুৱাই দামটো ঘূৰাই দিয়াত আমি দুয়ো স্তব্ধ হৈ গৈছিলোঁ।

বাহিৰলৈ আহি বন্ধু আবেগত একেবাৰে উথলি উঠিল।

ঃ চাৰ দিছ নেশ্যন উইল নেভাৰ দাই। ইট চিম্পলি ক্যাননট দাই।

তেওঁৰ আবেগৰ আতিশয্য দেখি মই শান্ত কৰিবৰ উদ্দেশ্যেই কৈছিলো আমাৰ নিজৰ দেশতো যে তেনে সৎ মানুহ আছে। তেওঁ কিন্তু আকোৰ গোঁড হৈ কলে—

ঃ গাৱঁৰ কৃষকৰ মাজত হয়তো আছে। কিন্তু ব্যৱসায়ত আমাৰ তাত এনে সততা নাই চাৰ। (বয়সত মই তেওঁতকৈ বহুত ডাঙৰ কাৰণেই নেকি তেওঁ মোক সদায় চাৰ বুলি সম্বোধন কৰে।) বিদেশী বস্তুতো স্মাগল কৰেই তাৰ আকৌ ডুপ্লিকেট কৰি ব্যৱসায় কৰা দুষ্ট মানহো আমাৰ দেশতহে আছে।

মই ভাবিলো বন্ধুক এই দিশত বৰ বেচি আগবাঢ়িবলৈ নিদিয়াটোৱে যুগুত হব। গতিকে ওলোটা প্ৰশ্ন কৰিলোঁ—

ঃ কিয় কৰে বাৰু?

ঃ টু পাইচ কৰিবৰ বাবে।

ঃ ট পাইচ কৰাটো ব্যৱসায়ীৰ একমাত্ৰ লক্ষ্য। কিন্তু এই ক্ষেত্ৰত গ্ৰাহকৰ ফৰেণ ক্ৰেজৰ সুযোগ লয় ব্যৱসায়ীয়ে। বিদে।ী বস্তুৰ কাৰণ আমাৰ গ্ৰাহক বলিয়া। বিদেশী বস্তু ব্যৱহাৰ কৰাটো সামাজিক মৰ্যাদা উন্নী৺ কৰাৰ চাবিকাঠি বুলি ভাবে তেওঁলোকে। গতিকে অসতৰ্ক ব্যৱসায়ীয়ে তাৰ মুনাফা উঠায়। আমাৰ দেশৰ টেক্সটাইল সামগ্ৰীয়ে বিশ্বৰ বজাৰত বিশেষ প্ৰতিষ্ঠা লাভ কৰিছে। কিন্তু আচৰিত আপুনি এই মুহূৰ্তত কিনিব বিচাৰিছে চীনৰ এটা কোট।

তেওঁৰ উৎসাহ স্তিমিত হৈ পৰিল। কথাৰ মোৰ ঘূৰাই তেও মাথোন কলে —

বলক চাৰ সোনকালে। আমাৰ কাৰণে চবেই হয়তো ইমানপৰ বাট চাই আছে। চাৰে নটা'ল মাত্ৰ পোন্ধৰ মিনিত'হ বাকী।

তেওঁ ঠিকেই কৈছিল আমাৰ কাৰণে আটায়ে ৰবীত বৈ আছিল। আমাক দেখিয়েই মিচ চুঙে আগবাঢ়ি আহি কলেহি —

লাগেজ।

মই হঠাৎ ৰোমাঞ্চিত হৈ পৰিছিলো। বিদায় বেলিকা অন্ততঃ মিচ টঙৰ এষাৰ কথা শুনিলো। আমি দুয়ো লিফটলৈ দৌৰ দিলো। চাবিটো মিচিচৰ ভিতৰতে বয়ৰ হাতত আমাৰ লাগেজবোৰ চমজি দি লবীলৈ ঘূৰি আহিছিলো।

চটি স্কাৰ্ট পিন্ধি মিচ টং স্মাৰ্ট হৈ আহিছিল সেইদিনা। গাড়ীৰ ড্ৰাইভাৰ হোটেলৰ বয়ৰ লগত নিজেহ লাগি ভাৰী। আমাৰ বস্তুবোৰ গাড়ী তুলি দিছিল। আমি তুলিবলৈ বিচৰাতো আমাক কৰিবলৈ দিয়া নাছিল।

হোটেলৰ পিচপিনে থকা বাহৰ জোপোহা এটাৰ তলত আমাৰ সমূহীয়া ফটোগ্ৰাফ লোৱা হ'ল। আঠুৰ ওপৰত থকা চুটি স্কাৰ্ট'চাৰে মিচ টঙে সন্মুখত বহি লৈ যেতিয়া আমাৰ ফটো লৈছিল দগাটো চাবলগীয়া হৈ পৰিছিল। ফটো লোৱাৰ পাচতে মিণ্টাৰ হুৱে খৰধৰ লগাই দিছিল। আমি লৰালৰিকৈ গাড়ীত বহিছিলোহি। অহাৰ সময়ত মিচ টঙৰ গাড়ীত উঠা আমি দেখা নাছিলো। কিন্তু বিদায় লোৱাৰ সময়ত দেখিছিলো নীৰৱ নিশ্চলক দৃষ্টিৰে চেই গাৰীটোৰ একাষে থিয় হৈ লাহী হাত দুটা যোৰ কৰি আমালৈ প্ৰণাম জনাইছিল। দহবাজি পোন্ধৰ মিনিট যোৱাত মিণ্টাৰ হু মিণ্টাৰ চি মিচ টং মিণ্টাৰ ক্যাং মিণ্টাৰ ল এনেদৰে দহগৰাকীমান চৈনিক বিময়াৰ পৰা বিদায় ল'লা আমি গুৱাংঝাও এয়াৰপোৰ্টৰ চিকিওৰিটি এনক্লোজাৰত সোমাই পৰিছিলো।

বিদায় চীন বিদায়। বিদায় চীনৰ এশ তিনি কোটি সংগ্ৰামী জনতা বিদায়! সেইদিনা গুৱাংঝাওৰ বতৰ অস্বাভাৱিক ৰকমৰ ঠাণ্ডা আছিল। পাল নৈখন অকাই পকাই গৈ পৰতৰ মাজত লুকাভাকু খেলি দক্ষিণৰ সাগৰত পৰা দেখিছিলোঁ। তলত দৃশ্যবোৰ চাই চাই এসময়ত তন্ময় হৈ পৰিছিলোঁ। হঠাতে কাষৰ বন্ধু জনে কলে—

ঃ মিণ্টাৰ হু ইজ ৰিলিভড এট লাণ্ট।

অৰ্থাৎ আমি অহাত মিণ্টাৰ হুৱে সকাহ পালে। এই কথাটো যে বন্ধুৰ মনত কিয় খেলালে মই ভাবি পোৱা নাছিলো। কিন্তু কথাটোৱে হঠাৎ চাবুকেৰে মৰাৰ দৰে মোৰ মনটোক আঘাত দিছিল।

আহিবৰ সময়ত মিণ্টাৰ হুক অৱশ্যে বিষণ্ণ দেখা নাছিলো। বৰ যে এটা মানসিক স্বস্তিৰ ভাব তেওঁৰ মুখত ফুটি উঠিছিল তেনেকৈও কব নোৱাৰি। অৱশ্যে আমাক বিদায় দি চীনা সহযোগীসকল যে দুঃখতে মুহ্য। যাব তেনেদৰে ধাৰণা কৰাৰ মূৰ্খামী কাৰোবাৰ আছিল যদিও মোৰ অন্তত নাছিল। কথাটো তেনে দৰে ভবাৰ লগে লগে মোৰ মনত পৰিছিল লু শুনে কোৱা এটা ৰগৰলৈ।

চীনৰ তেতিয়া ভীষণ দুৰ্যোগৰ সময়। জাপানী সাম্ৰাজ্যবাদী শক্তিয়ে সেই সময়তে চীনদেশৰ উত্তৰ পুবাঞ্চল কৰতলগত কৰিছে। চীনৰ হীনবল কুওমিণ্টাং শাসকগোষ্ঠীয়ে আমেৰিকা যুক্তৰাজ্যৰ প্ৰকা্য সহানুভূতিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰচাৰ কৰিছিল যে আমেৰিকা যুক্তৰাজ্যই নিশ্চয় এইক্ষেত্ৰত অন্ততঃ সুবিচাৰ কৰিব। অৰ্থাৎ জাপানী শক্তিক চীনভূমিৰ পৰা অপসাৰিত কৰাব।

লু শুনে তাকে শুনি বন্ধুমহলত এটা গল্প কৈছিল। তেওঁলোকৰ গাঁৱত অৰ্থাৎ শ্বাওচিঙত এসময়ত হেনো এজন বৰ ধনী প্ৰতাপশালী ব্যক্তি আছিল। অনেকে তেওঁৰ সুনজৰত পৰাৰ কাৰণে যত্ন কৰিছিল। কিয়নো এটা বিশ্বাস আছিল যে তেওঁ যাৰ লগতেই কথা পাতে তাৰেই সামাজিক মৰ্যাদা বাঢ়ে। তেওঁ পিচে খুব কমেইহে আনৰ লগত কথা পাতিছিল। বৰ গহীন গম্ভীৰ আছিল মানুহজন। বহুতে তেওঁৰ কাষ চাপিবলৈকে ভয় কৰিছিল। শ্বাওচিঙত প্ৰতিজন মানুহেই তেওঁৰ নামত ভয়মান।

এদিন শ্বাওচিঙৰ বাটত দেখা গল—এজন মগনিয়াৰ আনন্দত আত্মহাৰা হৈ নাচি নাচি সেই প্ৰতাপশালীজনৰ ঘৰৰ পিনৰ পৰাই আহি আছিল। তাৰ কাণ্ড-কাৰখানা দেখি গাঁৱৰ মানুহ বিস্ময়ত হতবাক। বুঢ়া এজনে মগনিয়াৰজনক আগচি ধৰি সুধিলে—

ঃ হেৰ' কিনো হ'ল তোৰ আনন্দত এইদৰে যে নাচিছ ?
মগনিয়াৰে ফোপাই ফোপাই ক'লে—

ঃ ৰহ চোন অকন জিৰাই লবলৈ দে।

উদগ্ৰীৱ হৈ আটায়ে তাৰ মুখলৈ চাই ৰ'ল। সি খন্তেক বৈ শান্ত গহীন সৰত ক'লে যে ধনী মানুহজনৰ লগত সি এইমাত্ৰ কথা পাতি আহিছে। বুঢ়াজনে বিস্ময়াবিষ্ট হৈ সুধিলে—

ঃ কেনেকৈ ?

মগনিয়াৰজনে গৰ্বত উৎফুল্ল হৈ ক'লে—

মই তেওঁৰ পদূলিমুখত থিয় হৈ ভিক্ষা খুজিবলৈহে পালো তেওঁ চোন ধপধপকৈ পদূলিলৈ ওলাই আহিল আৰু প্ৰচণ্ড ধমক দি ক'লেহি যা ভাগ ইয়াৰ পৰা।

মগনিয়াৰৰ কথা শুনি হাহিৰ ৰোল উঠিছিল মানুহবোৰৰ মাজত। আমাৰ ক্ষেত্ৰতো হুহতক বিষাদত অভিভূত হোৱা বুলি ভবা কথাটো মগনিয়াৰজনৰ আত্মসন্তুষ্টিৰ দৰেই হাস্যকৰ আছিল। মই মনে মনে কথাটো ভাবিছিলো আৰু পাহৰি যাবৰ চেষ্টা কৰি খিৰিকীৰে তলৰ দৃশ্যবোৰ চাই গৈছিলো।

আমাৰ বান্ধবী বন্ধু বহিছিল মোৰ সন্মুখৰ চিটটোত। তেওঁ ৰেচম বিশেষজ্ঞ, আৰু প্ৰতিটো কথাকে ক্ৰমেল আৰু শাচ মাৰ পথাৰলৈ লৈ যাবাৰ বাবে সততে সজাগ। তেওঁ বুৰি লৈ মোৰ কথাষাৰ সধি আছিল ইমান পৰ। মই কিন্তু মন কৰা নাছিলো। তেওঁ এবাৰ মাক বাউসীত খোচা এটা মাৰি সুধিলে—

ঃ মিষ্টাৰ চৌধুৰী হোৱাট ইজ হুওৰ ইম্প্ৰেছন ?

ঃ অফ হোৱাট ?

ঃ চাইনা ইটচ পিপল দেয়াৰ একটিভিটি ?

ফ্যাক্টচ এণ্ড ফিগাৰচ গিভন বাই দেম আৰ দে ৰিলায়েবল মোৰো কেতবোৰ কথাত মাজে মাজে সন্দেহ হৈছিল। এনেবোৰ কথা ওলালেই মোৰ মেইচুন কমিউনৰ কথা মনত পৰে। উহিৰ পৰা মাত্ৰ তেৰ কিলোমিটাৰ অন্তৰত। পঞ্চাশ বৰ্গকিলোমিটাৰ জোৰা এটা অঞ্চলত এই কমিউনটো। গাৱৰ সংখ্যানুপাতে বাইশটা ব্ৰিগেদ, তদুপৰি এটা ফিছ (মাছৰ) ব্ৰিগেদো আছে। তিনি। পয়সত্তৰটা প্ৰদাকশ্যান টীম। আঠ হেজাৰ চাৰিশ চৰিবশটা পৰিয়ালত একত্ৰিশ হেজাৰ জনসংখ্যা। পৰিয়ালে

প্ৰতি গড়ে চাৰিজনতকৈও কম। খেতিৰ মাটি আছে উনত্ৰিশ হেজাৰ মু ( ১ মু=০.০৬৬৭ হেক্টৰ ); নানিগছ আছে মাত্ৰ চাৰি হেজাৰ মুৰ ওপৰত। ধান ঘেহু বাঠফুলাৰ খেতি হাহ আৰু কুকুৰাৰ পালন পৰিয়ালবিলাকৰ মূল অৱলম্বন। বছৰি আয় হল পঞ্চা। নিযুত ইয়েন। ১৯৮৪ চনত ইয়াৰ জনমূৰি আয় আছিল চাৰে চাৰি। ইয়েন। ইয়াৰে তিকৰা মাঠি ভাগেই উদ্যোগৰ পৰা।

মই তথ্যবোৰ শুনি মনে মনে হিচাপ কৰি চাইছিলো। এনহাজাৰ হেজাৰ মানুহৰ জনমূৰি আয় চাৰে চাৰি। হয়েন হলে মুঠ আয় হবো। তেৰ নিযুত ন লাখ পঞ্চা। হেজাৰ হয়েন। আনহাতে আমাক দিয়া তথ্যমতে কমিউনৰ মুঠ আয় পঞ্চা। নিযুত ইয়েন।

উছি কাউন্টিৰ তথ্যাতো সেই একেধৰণৰ গড়মিল। তাৰ ৫৬৫ খন গাঁও ব্ৰিগেদো সিমানেই। ৮৭০০ টা প্ৰোদাকচন টীম জনসংখ্যা ১.০৪ নিযুত ৮ লাখ মু মাটি তাৰে ৬০ হেজাৰ মু শুকান আৰু ১২০ হেজাৰ জলসিঞ্চিত। ৫০ হেজাৰ মুৰ ওপৰত নানিগছৰ খেতি। হাপগুহ গাহৰিকে ধৰি বিভিন্ন পশুপালন কুকুৰা হাহ পোহা পাট পলৰ খেতি ধান ঘেহুৰ খেতি—জন সাধাৰণৰ এইবোৰেই অৰ্থনৈতিক অৱলম্বন। কাউন্টিৰ মুঠ আয় ৩৪০০ নিযুত ইয়েন। জনমূৰি আকৌ ৬৫০ হয়েন। ইয়াতো হিচাপৰ গড়মিল।

মই অৱশ্যে তথ্যবোৰ ভুৱা বুলি উৰাই দিয়া নাছিলো। নিজৰ মনে মনে সাধিছিলো। তেওঁ কৈছিল যে জনমূৰি আয় মানে প্ৰতিজন ব্যক্তিয়ে যিখিনি প্ৰকৃততে লাভ কৰে অৰ্থাৎ যিখিনি নিজাকৈ পায়। বাকীখিনি উমৈহতীয়া পুঁজি আৰু ষ্টেটলৈ যায়।

আমি বিস্তীৰ্ণ শস্যৰ পথাৰ দেখিছোঁ ৰেচম উদ্যোগৰ পল পালনৰ পৰা বস্ত্ৰ উৎপাদন কাৰখানা পৰ্যন্ত দেখিছোঁ ব্যৱসায় প্ৰতিষ্ঠান চাইছোঁ নিমা। আচনি ৰূপায়ণ কৰা চাইছোঁ। য ত যিহকে দেখিছোঁ চাইছো তাতেই দেখিছোঁ বিপুল সম্ভাবনাৰ প্ৰতিশ্ৰুতি।

চীনৰ সকলো ক্ষেত্ৰতে অনুভৱ কৰা যায় এক প্ৰচণ্ড উদ্বেগ। আৰু সেই উদ্বেগ মানহৰ কাৰণে কেৱল মানহৰ কাৰণে। আমি তাত থাকোতেই চীনে এটা জটিল অথচ ব্যাপক আভ্যন্তৰীণ সমস্যাৰ সন্মুখীন হৈছিল। ইমান বছৰ ধৰি অশেষ যত্নৰ ফলত গঢ়ি তোলা চীনৰ আত্মনিৰ্ভৰতাৰ ইমাৰত থৰক বৰক হৈ পৰিছিল এই সমস্যাটোৰ কাৰণে। ইয়াৰ মূলতে আছিল চীনৰ গাঁৱৰ ভৰালত শস্যৰ পথাৰত চহৰৰ গুদামত ধ্বংস লীলাৰ

সৃষ্টি কৰা চাৰিশকোটি এন্দুৰ। ইহঁতজাকৰ উৎপাত ইমান বেছি হৈছিল যে একোটাইঁত ভোটোঙা এ দুৰে ল ৰাছোৱালী সম্মুখত পৰিলেও কামুৰিবলৈ খেদা মাৰি আহিছিল।

চৈনিক বিশেষজ্ঞসকলৰ চিন্তা হ ল সমস্যাটোৰ সম্যক সমাধান কিদৰে কৰিব পৰা যায়। বিষ প্ৰয়োগ কৰি মাৰি পেলোৱাটো কোনো কথাই নহয়। পোন্ধৰদিনত এন্দুৰৰ ভিকাচন ভাগিব। কিন্তু লগতে খাদ্যশস্যত বিহ লাগি মানুহো মৰিব পাৰে। গতিকে বিষ প্ৰয়োগ কৰাৰ প্ৰশ্নই নুঠে ফান্দ পাতি মৰাটোও বিশেষ টান কথা নহয়। কিন্তু লোহাৰ দৰে সম্পদ আৰু ফান্দ তৈয়াৰ কৰোতে মূল্যবান মানৱ সময় (man houı) অপচয় হব।

শেষত চিন্তা কৰি এটা উপায় উলিয়ালে। আৰু তাক কাযকৰী কৰাৰ অথে দেশৰ বাতৰি কাকত আৰু আন প্ৰচাৰ মাধ্যমৰ যোগেদি এটা বিজ্ঞাপন প্ৰচাৰ কৰা হ ল। বিজ্ঞাপনটো আছিল এনেধৰণৰ এটা থালত এ দুৰ লোৱা। ভাপত তাক সিজোৱা। আন এটা পাত্ৰত তিলতেল উতলাই চাউলৰ খুদি দি লৰাহ থকা। পাচত সেই তেলতে এ দুৰটো ভৰাই দিয়া। দ্যাট ইজ দ্য বেস্ট ষ্টিব ইন দ্য ৱাৰ্ল্ড। অথাৎ এনে সুস্বাদু মাংসৰ টুকুৰা পৃথিবীত নোপোৱা।

বিজ্ঞাপনটো প্ৰচাৰ হোৱাৰ এস তাহৰ পাচত দেখা গ ল—এন্দুৰৰ উৎপাত সাহস দুয়োটাই নাইকিয়া হৈছে। এ দুৰে ল ৰাছোৱালী দেখিলে খেদি যোৱা দূৰৰ কথা মানুহৰ সহাৰি পালেই পলাই ফাট মাৰে।

এইটো দৰাচলতে আছিল চীনাজনসাধাৰণৰ গ্যাস্ট্ৰো মীৰ কৃতিত্ব। চীনা গ্যাস্ট্ৰোনমী সম্বন্ধে আলোচনা কৰি আমেৰিকাৰ টাইমচ বাতৰি কাকতে লিখিছিল—It is basically a cuisine of survival in which every last canceivably usable ingredient goes into the pot সেই কথাকে লৈ হাঁতকিং কৰাৰ অৱকাশ ক ত?

প্ৰকৃতিৰ সম্পদক যিমানে মানহৰ কল্যাণত প্ৰয়োগ কৰিব পৰা যায় সিমানেই মানবজাতিৰ মংগল নিশ্চিত হয়। যিটো জাতিয়ে প্ৰকৃতিৰ এনে সম্পদ সৰ্বাতোকৈ অধিক আহৰণ কৰিব পাৰিছে সেই জাতিয়ে সৰ্বাতোকৈ সভ্য তাত বিতৰ্কৰ কোনো অৱকাশেই নাই বিশ্বৰ খাদ্যসমস্যা ক্ৰমে ইমান জটিল হৈ আহিছে যে ফৰাছী দেশেই যে কেৱল ভেকুলী খাব আমেৰিকাই যে কেৱল অয়ষ্টাৰ (জোনাই শামুক) খাব আৰু চীনাহে যে এ দৰ খাব এনেধৰণৰ পৰিস্থিতি আৰু বেছিদিন নাথাকে। আজি পঞ্চাছিচ বছৰৰ

আগলৈ আমাৰ অসমীয়া হিন্দু গাঁওবোৰত খাহী ছাগলীৰ দাম একুৰি টকাৰ বেচি চালেই নাখাইছিল ; আৰু আজি ? বাচি থাকিবৰ কাৰণে কোনে ক ত কি খাবলগীয়া হবগৈ তাৰ এবো ঠিক ঠিকনা নাথাকিব

মই ভাবিছিলো মানহৰ কাৰণে চীনৰ উদ্বেগৰ কথা। চীনৰ এ। তিনি কোটি মানচৰ এজনকো যে ভোকাতুৰ কৰি ৰখা নাই সেয়ে এই উদ্বেগৰ পৰিণতি। পৃথিবীৰ আটাইতকৈ ধনী দে।তো নিবন্ন লোক আছে। কিয়নো সেই দে।ৰ কৰ্তৃত্ব ীল মহলে অথ আৰু ক্ষমতাৰ কাৰণে যিমান উদ্বে। বোধ কৰে মানহৰ কাৰণে তাৰ আধাও নকৰে। চীনৰ চিন্তা পদ্ধতিয়ে বেলেগ। তাত স্বকীয় বৈশিষ্ট্য আছে। স্বকীয় ঐতিহ্যৰ নিবিড় স্পশ আছে। চীনা বুদ্ধিজীৱিৰ আলোচনাত ভুলতো ৫ লটো এৰিষ্টটলৰ নাম শুনা নেযায়। মাও চে টঙে আকৌ সমাজ তান্ত্ৰিক বি লৱৰ নেতৃত্ব দিছিল চীনৰ মনিষী সকলৰ প্ৰজ্ঞাক আশ্ৰয় কৰি। চীনা জনসাধাৰণৰ ইতিহাসৰ চেতনাও বেলেগ ধৰণৰ। তেওলোকৰ ইতিহাস চেতনাক এগৰাকী সমালোচকে তলৰ উপমাটোৰে ধুনীয়াকৈ ব্যাখ্যা কৰিছে—

এজন আমেৰিকান এগৰাকী স্পেনিয়াড আৰু এ।ৰাকী চীনা ভ্ৰমণকাৰীয়ে হেনো এদিন এটা ভগ্নাৱশেষ চাবলৈ গৈছিল ও।াৰে যেটো দেখি আমেৰিকান জনে হেনো উপৰাই কলে—

It s ready to fall down

স্পেনিয়াডজনে হেনো খন্তেক ৰৈ মন্তব্য দিলে—

It s standing up veiy well

চীনা গৰাকীয়ে গোটেই ভগ্নাৱ যেটো ঘূৰি ঘূৰি চালে আক ৰ লে—

Let s rebuild it as it had been

মুঠতে চীনা বুদ্ধিজীৱিয়ে ইতিহাস বজনো নকৰে ইতিহাসৰ ৰাগীত বিভোৰো নহয়। মাথোন ইতিহাসক জীৱন্ত বাস্তবত পৰিণত কৰাৰ এটা প্ৰবল আগ্ৰহ তেওঁবিলাকৰ প্ৰতিটো অভিব্যক্তিতে এব।। পায়।

টাইমচ পেপাৰে ঠিকেই কৈছিল

In china ultimate stature goes to those who can reduce historic goals to the hum in scale ইতিহাসৰ বৰাই কৰিলে কিছুমানৰ আচৰণত ফটৰামিহে প্ৰকাশ পায় ; আদশবাদৰ ফুলজাৰি ডকুৱালে বহুতে হাস্যাস্পদ হৈ পৰে। কিন্তু চীনৰ ক্ষেত্ৰত তেওঁলোকে বাস্তৱৰ সতে এনেবোৰ কথাক ইমান ঘনিষ্ঠ কৰি তুলিছে যে ভাবিলে আচৰিত লাগে। চীনৰ নতুন

যুগলৈ উত্তৰণৰ পথ ইমান বিপদাকীৰ্ণ আছিল যে ১৯১১ চনৰ মি অভ্যুদয় সেইটো তেনে পৰিস্থিতিত কিদৰে সম্ভৱ হৈছিল একেবাৰে ধাৰণা কৰিব নোৱাৰি। পৃথিৱীৰ কোনো এটা জাতিয়েই মাত্ৰ সত্তৰটা বছৰৰ ভিতৰত চীনৰ দৰে ইমান ব্যাপক অন্তৰ্বিপ্লৱ আৰু বহিঃ শক্তিৰ আক্ৰমণৰ সন্মুখীন হবলগীয়া হোৱা নাই। আৰু আটাইতকৈ ডাঙৰ কথা বিচিত্ৰ ক্ষুদ্ৰ জাতিসত্তাক একত্ৰিত কৰি একাধিক revanchist war কৰিবৰ সাহস কৰা নাই। তদুপৰি কোনো এটা জাতিয়েই সমাজবাদৰ আদৰ্শক ইমান কম সময়ৰ ভিতৰতে ইমান সাধক ৰূপে বৃহদাধিক জনসাধাৰণৰ মাজত বাস্তৱত ৰূপায়িত কৰিব পৰা নাই। ইতিহাসৰ গতি প্ৰকৃতিৰ শুদ্ধ অনুভৱ নাথাকিলে এনে সফলতা কাৰো কাৰণে সম্ভৱ নহয়। এই সম্বন্ধে আলোচনা কালত মাও চে টুঙে সকিয়াই দিছিল—

Men make their own history but they do not make it just as they please, they do not make it under circumstances chosen by themselves but under circumstances directly found and given and transmitted from the past

এগৰাকী পাশ্চাত্য সমালোচকে (Henri Michaux) কৈছিল যে মানুহে মহৎ কৰ্ম সম্পাদন কৰে আচলতে তাত পূৰ্বপৰিকল্পনা নাথাকে, তেওঁলোকে সংকটত পৰিহে কৰে। তেওঁলোকে cul de sac অৰ্থাৎ উভতিব নোৱাৰা ঠেকত পৰি কৰে। মাওৰ মতে এই cul de sac অৰ সৃষ্টি কৰে কেতবোৰ বিশেষ ঐতিহাসিক পৰিস্থিতিয়ে যিবোৰ given and transmitted from the past

বন্ধুৰ লগত কথাৰ মাজে মাজে এইবোৰ চিন্তাই মনলৈ আহিছিল এসময়ত নাই এইবোৰকে ভাবি নীৰৱ হৈ পৰিছিলো। এনেতে উত্তৰ-পূবী বন্ধুৱে মাত লগা ল

ঃ চাৰ চীনত বুদ্ধিজিমৰ ইনফ্লু়েন্স এতিয়াও আছে দেখিছো।

আছে কিয় বাৰু?

বন্ধুৰ দৃষ্টিতে বুজিলো তেওঁ আমাৰ দুটা শাৰীৰ আগত বহা জাপানীজ সংকজনৰ প্ৰতি মোৰ মনযোগ আকৰ্ষণ কৰিছে। মই কলো সেইজন পিচে জাপানীজ সংকহে বুলি। আৰু সযোগ পাই পুনৰ ইমান পৰে পাতি থকা কথাটোকে উলিয়ালোঁ আমাৰ আগৰ বক্ত গৰাকীবো দৃষ্টি আকৰ্ষণ কৰি। ইও এক ঐতিহাসিক চেতনাৰ বিশিষ্ট দৃষ্টান্ত।

চীন আৰু জাপানৰ মাজত কিমান যুদ্ধ-বিগ্ৰহ কিমান অবিশ্বাসৰি। অথচ দুয়োদেশৰ মাজত থকা প্ৰাচীন ঐতিহাসিক সম্বন্ধ আজিও একেদৰেই অটুট

আছে। বৌদ্ধ পূর্ণিমাৰ সময়ত জাপানীজ বৌদ্ধসকলে তীৰ্থযাত্ৰাৰ উদ্দেশ্যে প্ৰতি বছৰে আহে চীনৰ খ্রিয়ান (শ্বেনচি প্ৰদেশ) ৰ খ্রিংজিয়াও মন্দিৰলৈ। এইটো হ'ল ঝুৱান চুৱাঙৰ সমাধি মন্দিৰ। ইতিহাসত পোৱা যায় প্ৰখ্যাত বৌদ্ধ পণ্ডিত আৰু ভাৰত পৰিব্ৰাজক (৭ম শতাব্দীৰ) ধ্যান মাৰ্গৰ প্ৰতিষ্ঠাতা ঝুৱান চুৱাঙৰ দেহত্যাগৰ পাচত তেওঁৰ মূৰৰ লাওখোলাটো ছয় টুকুৰা কৰি হেনো বিভিন্ন ছয় ঠাইত সমাধিস্থ কৰা হৈছিল। তাৰে এটা টুকুৰা জাপানত সমাধিস্থ কৰিছিল। জাপানৰ বৌদ্ধ ভিক্ষুসকলে মাজে মাজে সেই টুকুৰাটো লৈ সমভিব্যাহাৰে খ্রিজিয়াও মন্দিৰলৈ তীৰ্থযাত্ৰাৰ উদ্দেশ্যে আহে। এইবাৰো তেওঁলোক আহিছে।

ঃ আপুনি যে সহস্ৰবুদ্ধৰ পৰ্বতত উলিয়াইছিল সেই ঝুৱান চুৱাঙেই নেকি?

অ। আজিকালি অৱশ্যে XUAN ZANG এইদৰহে লিখে নামটো।

উত্তৰপূৰ্বী বন্ধুজনে কিন্তু এই নাম চামৰ কথাত গুৰুত্ব নিদি কলে যে তেওঁ তিব্বতৰ কথা কাণ্ড দেখি বৌদ্ধধৰ্ম আৰু কৰ্মবিমুখতাক সমাৰ্থক বুলি ভাবিছিল। কিন্তু চীনলৈ আহি তেওঁৰ সেই ভুল ভাগি গ'ল। তিব্বতৰ নিষ্ক্ৰিয়তাৰ আটাইতকৈ নিদাৰুণ দৃষ্টান্ত আছিল ১৯০৪ চনৰ ৩১ মাৰ্চৰ দিনা ঘটা লাৰ্ছা ওচৰৰ গুৰুৰ সেই ভয়ঙ্কৰ কাণ্ডটো। যত সসভ্য ইংৰাজৰ শান্তি মিছনৰ ৰাইফলৰ গুলীৰ আগত সামান্যতম প্ৰতিৰোধো নকৰাকৈ আঠশ গৰাকী বৌদ্ধ সন্ন্যাসীয়ে মৃত্যু বৰণ কৰিছিল। সেয়া অৱশ্যে ইতিহাসত পৰিণত হৈছে। এই প্ৰতিৰোধবিহীনতাই তিব্বতৰ ভৱিষ্যতলৈ নমাই আনিছিল চৰম দুৰ্যোগৰ দিনবোৰ।

মই বন্ধুক সুধিলো—

ঃ কেনে লাগিল বাৰু?

বেলেগ জাতি চাৰ। আনতকৈ একেবাৰে বেলেগ। ইংৰাজী কিতাপবোৰত পোৱা কানিখোৰ নিষ্ঠুৰ ঠগ চীনাবোৰ যে কেনি গ'ল?

ঃ ইংৰাজী কিতাপ লেখা ইংৰাজবোৰনো কি ভাল?

কৃষ্ণমেননে কৈছিল নহয় বৃটিছ সাম্ৰাজ্যত বেলি ডুব নাযায় বুলি এষাৰ কথা যে আছে সেইটো হেনো আখৰে আখৰে সচা। কিয়নো ইংৰাজবিলাক এনে গভাইত অপৰাধী যে সিহঁতক এন্ধাৰত ভগবানেও বিশ্বাস নকৰে।

এন্ধাৰত স্টেটচৰ মানুহবোৰকো বিশ্বাস কৰা টান চাৰ।

উত্তৰ-পূৰ্বী বন্ধুক দেখিলো আমেৰিকানসকলৰ প্ৰতি ধাৰণা একেবাৰে ভাল নহয়। পশ্চিমীয়া জাতি কাৰোবাৰ বদনাম ওলালেই তেওঁ পোনে পোনে প্ৰসংগটো

ষ্টটচলৈ (তেওঁ ষ্টেটচ বুলিহে কয়) টানি লৈ যায়। মই তেওঁৰ মন মাণাবলৈকেই কলো—

ঃ আপুনি ঠিকেই কৈছে—১৯৬৫ চনত নৰেম্বৰ মাহৰ এৰাতি আমেৰিকাৰ এটা অঞ্চলত হঠাৎ বিজুলী নোহোৱা হৈছিল। তাৰ নমাহৰ পাচত দেখা গৈছিল সেই অঞ্চলত জন্মৰ হাৰ অত্যধিক ৰকমে বাঢ়ি গৈছে। পাকৌ এদিনা ১৯৭৭ চনত ১৯ জুলাইৰ দিনা ৰাতি কিছু সময়ৰ কাৰণে বিজুলী শক্তি নোহোৱা হৈছিল নিউইয়ৰ্ক চহৰত। পাচদিনা পুৱা ব্ৰুকলিন অঞ্চলৰ ফটোগ্ৰাফ ছপা হৈছিল বাতৰিকাকতত। যেন যুদ্ধ বিধ্বস্ত নগৰীহে। এটা বিৰাট এলেকা জুৰি লুটপাত ডকাইতি এনে বিবিধ ধৰণৰ ঘটনা। সেই সময়ছোৱাত চুৰি হোৱা সামগ্ৰীৰ (নষ্ট হোৱা বোৰৰ বাদে) মূল্য আছিল প্ৰায় এশ কোটি ডলাৰ।

চাৰ আই ফীল ফৰ দ্য চাইনীজ ইনোচেণ্ট গালচ। চাইনা গুড নট হেভ পাৰ্মিটেড দোজ বাণ্টাদচ ইনচাইদ।

তেওঁ ঠিক এই একেষাৰ কথাকে মিষ্টাৰ হুকো কৈছিল। মই তেওঁক আৰু বেচি চিৰিয়াচ কৰি তুলিবৰ মনেৰেই কৈছিলো

Conference on violence against women—ৰ এগৰাকী প্ৰবক্তাই অভিযোগৰ সুৰত দাঙি ধৰা তথ্য এটা ১৯৮০ চনৰ ২৪ চেপ্টেম্বৰৰ দিনা পৃথিবীৰ বাতৰি কাকতসমূহে প্ৰচাৰ কৰিছিল। তথ্যটো আছিল এনে ধৰণৰ—

Every fourth U S girl faces rape or be molested by the time she is eighteen years old

Furthermore about two million American women have been beaten by their husbands and probably many more cases go unreported

তথ্য দুটাৰ কথা কবলৈহে পালো মোৰ বন্ধু মিষ্টাৰ হুৰ ওপৰত এ কৰাৰে গৰম হৈ পৰিল। কোনোবা চীনা ছোৱালীয়ে বিদেশী বিয়া কৰালেই তেওঁক চিৰদিনৰ কাৰণে চীনৰ পৰা বহিস্কৃত কৰা হব বুলি হুৱে দিয়া আশ্বাসষাৰ তেওঁৰ মনত একেবাৰে অন্তঃসাৰ শূণ্য যেন লাগিছিল। এইবোৰ চব ভুৱা। সৌ ইছৰায়েল নামৰ বুঢ়াজন দেখোন চীনা গাভৰু বিয়া কৰাই চীনতে থাকি গ'ল।

কথাটো মিছা নহয়। বৃদ্ধ ইৰাজ সাংবাদিক ইছৰায়েল আজি তেৰকুৰি বছৰতকৈও অধিককাল চীনতে আছে। বন্ধুৰ চিন্তা আমেৰিকানবোৰক

চীনত সোমাবলৈ দিয়া হৈছে যেতিয়া চীনৰ উঠি অহা ডেকা-গাভৰু চামৰ মৰ্য্যাল নষ্ট হবলৈ আৰু বেচি দিন নাই। লোকৰ দেশ লোকৰ কথা। চীনাসকল হ ল তাত পৃথিবীৰ আটাইতকৈ দূৰদৰ্শিট সম্পন্ন জাতিসমূহৰ অন্যতম। কাজেই বন্ধ ৰ ইমান আবেগেৰে তেনে এটা প্ৰশ্নৰ সতে জড়িত হোৱাৰ কাম নাছিল। মই তেনে এটা ভাবেৰে তেওঁক নিৰস্ত কৰিবৰ চেষ্টা কৰা দেখি তেওঁ অলপ আহত হোৱা যেন কৰি কলে যে তেওঁ কোনোদিন আমেৰিকানক বিশ্বাস নকৰে। দ্বিতীয় মহাযুদ্ধৰ সময়ত তেওঁ জন্মা নাছিল। কিন্তু সেই সময়ত উত্তৰ পূবাঞ্চলত আমেৰিকান টমীয়ে যি জঘন্য অত্যাচাৰ চলাইছিল সেই সম্বন্ধে অনেক কাহিনী তেওঁ শুনিছে। আমেৰিকানহতে বৰ বৰ মুখেৰে প্ৰচাৰ কৰা হিউমেন ফ্ৰীদমৰ নামত কি ধৰণৰ জঘন্য প্ৰবঞ্চনা লুকাই আছে ভিয়েটনাম যুদ্ধৰ বেজুৰেলটি লিষ্ট চালেই হ ল। দ্বিতীয় মহাসমৰৰ পাচত এই যুদ্ধতেই আটাইতকৈ বেচি সংখ্যক মানহ মৰিছে। আমেৰিকাই অৱতাৰণা কৰা এই জঘন্যতম অপৰাধৰ বলি হৈছিল দুই নিযুত দুই লক্ষ মানহ। তাৰে প্ৰায় ডৰ লক্ষ আছিল নিৰপৰাধ নিৰীহ শিশু আৰু মহিলা।

১৯৮৩ চনৰ ডিচেম্বৰ মাহৰ এটা সমীক্ষামতে হিউমেন ফ্ৰীদমৰ আপোচ চীন বিক্তা বিশ্বৰ শ্ৰেষ্ঠতম ধনী ৰাষ্ট্ৰ আমেৰিকা যুক্তৰাজ্যৰ দুই নিযুত শিশু দাৰিদ্ৰ্যৰ সীমাৰেখাৰ তলত জীৱন নিয়াবলগীয়াত পৰিছে।

বন্ধ ৰ আমেৰিকাৰ প্ৰতি শ্লেষোক্তি শুনি মোৰ মনত পৰিছিল হেৰল্ড ম্যাকমিলান সম্বন্ধে মানহৰ মুখত শুনা মন্তব্য এষাৰলৈ— He spent half his cleverness to hide how clever he was আমেৰিকানসকলো তেনেকুৱাই। ভীষন চতৰ। বৰ ফ্ৰী যেন দেখুৱায়। কিন্তু ভীষণ ইনহিবিটেড। প্ৰেছিডেন্ট নিৰ্বাচনৰ আগে আগে প্ৰাৰ্থীয়ে ভূদৰ বাৰা মংগল চোওৱা দেশ পৃথিবীত এখনেইহে আছে। আৰু সেইখন দেশ হ ল আমেৰিকা যুক্তৰাজ্য। আমেৰিকাখন হ ল ইনকনচিচটেঞ্চিৰ এখন জোলোঙা। বিশ্বৰ বৃহত্তম বিজিনেচ হাউচবোৰৰ শতকৰা পচানব্বৈ ভাগেই আছে আমেৰিকাত। ইপিনে আকৌ সেইখন দেশতে আছে লক্ষ লক্ষ ভোকাতুৰ শিশু আৰু দৰিদ্ৰ নিৰন্ন মানুহ।

আমেৰিকান সাংবাদিকে আকৌ তথ্য দাঙি ধৰে চীনৰ দৈন্যৰ ওপৰত। ইমানবোৰ মানুহৰ মাজত মোটৰ-গাড়ী মাত্ৰ এক লক্ষ খন। দহহেজাৰৰ মাজত এখনকৈও নপৰে। চীনৰ মানুহে আজিও মধ্যযুগীয় যান ব্যৱহাৰ কৰে। বেইজিং হেন চহৰত আজিও কুৰি লক্ষ চাইকেল চাংহাইত চাইকেল

আছে চল্লিশ লাখ। চীনৰ বতৰটোও গ্ৰীষ্মকালত যেন খনা বাখ ( জলীয় বাষ্প স্নান ) আৰু মানুহবোৰ কি চাবা? quite homogenous in appearance।

চীন দেশত তেনে ডাঙৰ বিজিনেচ হাউচ নাই। মোটৰ গাড়ীও আমে ৰিকাৰ দৰে নাই। ইপিনে ভোকাতুৰ শিশু দৰিদ্ৰ নিৰন্ন মানুহো নাই। বেইজিঙত মোটৰ কাৰ নাই বাৰু, চাইকেলেই আছে। কিন্তু চাইকেলৰ সহায়তে বেইজিং এয়াৰপোৰ্টত চীনা কৰ্মীয়ে যি ক্ষিপ্ৰতা আৰু দক্ষতাৰে কম-সম্পাদন কৰা দেখিছিলো মোটৰকাৰ নহলেও ক্ষতি নাই।

চীনত কথা হ'ল মানুহ। দেশত লক্ষ লক্ষ লাইম গ্ৰিন আৰু লক্ষ লক্ষ ভোকাতুৰ শিশুৰ সহাৰস্থান চীনৰ কম আচনিৰ অন্তৰ্ভুক্ত নহয়। মানুহৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ চাহিদা সন্তোষজনকভাৱে মিটোৱাৰ পাচতহে ব্যৱহাৰ্য সামগ্ৰী ( Consumer goods )ৰ প্ৰতি দৃষ্টি দিছে। মানুহৰ কাৰণে ইমান উদ্বিগ্ন কাৰণেই হয়তো যোৱা বহু বছৰ ধৰি চীনত হিংসাজড়িত অশান্তিৰ সৃষ্টি হোৱা নাই ( মাত্ৰ যোৱা ১৯ মে ৮৫ ৰ দিনা বেইজিঙত চকাৰ খেলত জাদিয়েক চীনা যুৱকে আবেগৰ বশৱৰ্তী হৈ অশান্তিৰ সৃষ্টি কৰাত বাদে )। তাত গাৰে ভুক্তে পিপলচ মিলিচিয়া আছে। তেওঁলোকৰ হাতত অস্ত্ৰ-শস্ত্ৰ মজুত আছে। কিন্তু কোনোদিন আভ্যন্তৰীন অশান্তিৰ সৃষ্টি হোৱা নাই।

মোৰ বিহাৰীবন্ধুৱে কোৱা কথাষাৰ মোৰো এসময়ত বিশ্বাস কৰিবৰ মন গৈছিল। তেওঁ কৈছিল যে চীনৰ জনসাধাৰণক মাৰি-পিটি ঠিক কৰি দিয়া হৈছে বাবে এতিয়া ঘড়ীৰ কাঁটাৰ দৰে চলে।

মইও ভাবিছিলো স্টেলিনিষ্ট টৈৰৰ বা চি আই এ ৰ জুলুম-জবৰদস্তিৰ দৰে নিশ্চয় চীনতো কিবা আছে। নহলে এশ তিনিকোটি মানুহৰ মাজত নিৰ্বিবাদে নিৰ্বিৰোধে চলা এটা সামাজিক ব্যৱস্থা। বহু বিদগ্ধজনে এই সম্বন্ধে নিবিড়ভাৱে অনসন্ধান কৰি বিভিন্ন সময়ত মন্তব্য দিছে। ১৯৭১ চনত চীন ভ্ৰমণ কৰি এগৰাকী আমেৰিকান সাংবাদিকে মন্তব্য দিছিল এনেধৰণে— Peking trusts its citizens in their millions with rifles at home What it does not trust them with is their own minds

বিশ্বত বোধকৰো আন এটা জাতি নাই যাৰ জনসাধাৰণৰ চীনাসকলৰ দৰে ৰাষ্ট্ৰৰ প্ৰতি একক আৰু অকুণ্ঠ আনুগত্য আছে। ৰাষ্ট্ৰৰ সতে জন-সাধাৰণৰ এটা আনুভূতিক যোগাযোগৰ প্ৰশ্ন জড়িত। তাত শাৰীৰিক বলপ্ৰয়োগ অথবা ভীতি সঞ্চাৰৰ কোনো প্ৰশ্নই নুঠে। চীনত ৰাজনৈতিক আদৰ্শৰ সতে

ব্যক্তিৰ আনুভূতিক বৈশিষ্ট্যাক এনেদৰে মিলাই দিয়া হৈছে যে আদৰ্শ বাস্তৱ জীৱনৰ অপৰিবজনীয় সম্বল স্বৰূপ হৈ পৰিছে।

এই মুহূৰ্ত্তত মোৰ ধাৰণাত চীনৰ আৰু বহুত কথা স্পষ্ট হৈ পৰিছে। উত্তৰী চীনৰ চহৰবিলাকত ঘূৰি ঘূৰি মোৰ উশাহ বন্ধ হৈ যোৱা যেন লাগিছিল। কি যে প্ৰাণহীন ইনষ্টিটিউগ্যালে এটা পৰিবেশ। দৰাচলতে প্ৰকাশৰ দূৰত্ব আৰু তাৰ জনসাধাৰণৰ চাৰিত্ৰিক বৈশিষ্ট্য সম্বন্ধে মোৰ অজ্ঞতাই মোৰ তেনে অনুভৱৰ হেতু আছিল।

চীনা জনসাধাৰণৰ শতকৰা তিৰানব্বৈ ভাগেই নিজকে পৰিচয় দিয়ে হান গোষ্ঠীৰ লোক বুলি। সৌ সিদিনালৈকে গাখীৰ নোখোৱা আৰু দহ বছৰীয়া পুতেকলৈ গাভৰু ছোৱালী বিয়া কৰাই আনি ঘৰত কাম কৰা বান্দীৰ সংখ্যা বঢ়োৱা হান বংশৰ লোক বুলি চিনাকি দি তেওঁলোকে গৰ্ব বোধ কৰে। তাৰে উত্তৰ চীনৰ খিনি হ ল এৰিষ্টোক্ৰেট। ভাষাও এৰিষ্টোক্ৰেট অৰ্থাৎ মান্দাৰিণ। এনেয়ে উত্তৰী মংগোলয়দসকলে কম কথা কয়। তাতে হান এৰিষ্টোক্ৰেট। গতিকে তেনে লোকৰ মাজলৈ মোৰ দৰে ভাৰতীয় শিণ্ডি এটা সোমালে অৱস্থা কি হবগৈ সেইটো সহজে অনুমান কৰিব পাৰি।

মোৰ ধাৰণা সম্বন্ধে শুনাৰ পাচত বন্ধ ৱে এটা হুমুনিয়াহ এৰিলে। কিন্তু একেলগে নকৈ হঠাৎ মুখ ঘূৰাই স্বাভাবিক হৈ বহি ললে। মই হাতৰ ঘড়ীটোলৈ চালোঁ। হং কং পাবলৈ আৰু দুই মিনিটো নাই। এয়াৰ হোষ্টেচে কোৱা মতে আমাৰ ফ্লাইং টাইম মাত্ৰ পশিচটা মিনিট আছিল। সাগৰৰ তৌবোৰ প্লেনখনে উচ্চতা হেৰুওৱাৰ লগে লগে স্পষ্ট হৈ পৰিছিল। দুপৰৰ প্ৰখৰ ৰ দত কোৱানলুন হাৰাৰৰ পানী জিয়েলিবোৰ জিলমিলাই উঠিছিল। তলত সাগৰটো দেখি মোৰ মনত পৰিছিল চীনা জাতিৰ সত্তৰ বছৰীয়া চৰম দুযোৰ্গৰ আৰম্ভণিৰ সেই ১৮৩৮ চনৰ ঘটনাটোৰ কথা। জঘন্য শঠতাৰ আশ্ৰয় লৈ কিদৰে সুসভ্য ইংৰাজে চীনক কাবু কৰিছিল সেই ঘটনাটোৱে তাৰ অমুচ্য প্ৰমাণ দাঙি ধৰে।

১৮৩৮ চনত অপিয়াম ৱাৰৰ পটভূমিত ঘটিছিল ঘটনাটো। সেই বছৰৰ চতুৰ্থ চন্দ্ৰৰ বাইশ দিনৰ পৰা আৰম্ভ কৰি পঞ্চম চন্দ্ৰৰ পোন্ধৰ দিনৰ ভিতৰত ঘটিছিল ঘটনাটো। সেই কেইদিনতে দুই নিযুত কেটি (১ কেটি = ৫০০ গ্ৰাম) কানি গলাই এই সাগৰৰ পানীত পেলাই দিয়া হৈছিল। চীন সম্ৰাটৰ অধীনত থকা দুখন দক্ষিণী প্ৰদেশৰ (গুৱাংদং সহ) গৱৰ্ণৰ লিন চে ছুৱে (Lin Tse-hsu) এই কামটো কৰিছিল ইংৰাজ বেপাৰীবিলাকে চীনত গঢ়ি তোলা আফিঙৰ ব্যৱসায় নিষিদ্ধ কৰি দিয়াৰ প্ৰথম পদক্ষেপ স্বৰূপে।

তাৰ অব্যবহিত পাচতে প্ৰকট হৈ পৰিছিল ইংৰাজ সাম্ৰাজ্যবাদৰ আগ্ৰাসী নগ্ন স্বৰূপ। যাৰ ফলত ১৮৫৬ চনত গুৱাংদঙৰ গৱৰ্ণৰ শান্তিপ্ৰিয় বিদ্যোৎসাহী য়েহে (Ye) নিবাসন দণ্ড ভুগিবলগীয়াত পৰিছিল। ভাৰতবৰ্ষৰ বৃটিছ কাৰাগাৰত বংগদেশৰ এক অন্ধ প্ৰকোষ্ঠত। আৰু যাৰ ফলত হংকং হৈ পৰিছিল বৃটিছৰ কৰতলগত; ক্যাণ্টন আৰু চাংহাইকে ধৰি কেবাখনো সাগৰ-পৰীয়া বৃটিছ বেহাৰ কাৰণে উন্মুক্ত বন্দৰ। কুখ্যাত নানকিং চুক্তিমতে চীনে যুদ্ধৰ খৰচ বাবদ বৃটিছক ছয় নিযুত ডলাৰ ক্ষতিপুৰণ দিয়াৰ উপৰিও আফিঙৰ ব্যৱসায় সাময়িকভাৱে বন্ধ হোৱাৰ বাবদ ক্ষতিপুৰণ হিচাপে দিবলগীয়াত পৰিছিল ওপৰঞ্চি ন নিযুত ডলাৰ।

ইংৰাজৰ মতলব আছিল সম্পূৰ্ণ বেলেগ। বিভিন্ন চাতুৰীৰে দক্ষিণ চীনৰ জনসাধাৰণক উত্তেজিত কৰি তুলিলে। আৰু যেতিয়া জনসাধাৰণ উত্তেজিত হৈ বিদেশীসকলৰ সম্পত্তি কিছুমান ধ্বংস কৰিলে, তেতিয়া তাৰ পোতক তুলিবলৈ ইংৰাজ আৰু ফৰাচী একগোট হৈ চীনৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। ১৮৬০ চনত পিকি চুক্তি স্বাক্ষৰিত হৈছিল যাৰ বলত ইংলণ্ড আৰু ফ্ৰান্সে চীনৰ পৰা বিপুল পৰিমানৰ ক্ষতিপুৰণ লাভ কৰাৰ উপৰিও হংকঙৰ মুখামুখি কোৱানলন প্ৰদেশখন বৃটিছে লাভ কৰিছিল। তাৰ বাহিৰেও একাধিক সাগৰপৰীয়া চহৰ ইংৰাজ আৰু ফৰাচী বেপাৰীৰ কাৰণে চীনে মুকলি কৰি দিবলগীয়াত পৰিছিল। শত্ৰু যদি কেৱল নৃশংস হয়— তেনেহলে কোনো কথা নাই; কিয়নো শত্ৰুক মৰমিয়াল হব বুলি কোনেও আশা নকৰে। আনহাতে তাৰ গতি বিধিৰ প্ৰতি দৃষ্টিৰখাত কোনো জটিলতাৰ সন্মুখীন হবলগীয়া নহয়। কিন্তু শত্ৰু যদি যুগপৎ নৃশংস আৰু চতুৰ-কপটাচাৰী হয় তেন্তে সেই শত্ৰুৱে এবাৰ কোনোমতে জয়লাভ কৰিব পাৰিলে বিজিতৰ শেষ ৰক্ত পৰ্যন্ত শুহি শেষ নকৰালৈকে তাৰ নৃশংসতাৰ স্বৰূপ স্পষ্ট হৈ নপৰে। ইংৰাজ আছিল এনেধৰণৰ শত্ৰু। ইহঁতেই চীনা জনসাধাৰণৰ বিদ্ৰোহ দমাবলৈ নিয়োগ কৰিছিল ইহঁতৰ নিজা সৈন্যক নহয়— ভাৰতীয় সৈন্যকহে। ১৯২৫ চনৰ চাংহাই চহৰৰ নানকিং ৰোডৰ সেই নৃশংস কাণ্ডটো যত শান্তিপূৰ্ণ শোভাযাত্ৰাকাৰী চীনা যুৱকৰ ওপৰত বৃটিছ বিষয়াই গুলীচালনাৰ হুকুম দিছিল আৰু যত সাতজন নিৰীহ যুৱকে মৃত্যু বৰণ কৰিব লগীয়াত পৰিছিল তাতো নিয়োগ কৰা হৈছিল ভাৰতৰ শিখ সৈন্যবাহিনীক।

কিন্তু চীন চীনেই। নেপোলিয়নে নিশ্চয় নজনাকৈয়ে চীনৰ বিষয়ে— সি এটা সুপ্ত দৈত্য তাক নজগাবা - বুলি কৈছিল। কিন্তু নিৰ্জ্জোল সত্য এটাকে তেওঁ কৈছিল। দৈত্যৰ দৰে প্ৰচণ্ড শক্তিৰ অধিকাৰী নহলে চীনে

এনেদৰে আৰু ইমান সোনকালে মুক্তিলাভ কৰাৰ কথা কল্পনাকে কৰিব নোৱাৰি। মূল্য হয়তো বহুত দিছিল আজিও হয়তো তাৰ মূল্য পূৰ্ণভাৱে শোধ হোৱা নাই—কিন্তু প্ৰবল শক্তিৰ বিৰুদ্ধে যুদ্ধ কৰিও চীনে যে সন্দেহাতীতভাৱে জয় লাভ কৰিছিল সেয়া আজি এক নিশ্চিত ঐতিহাসিক তথ্য।

দক্ষিণ চীন সাগৰৰ পানীত হংকং কোৱানলনৰ পানী জিয়েলিত বৃটিছ সাম্ৰাজ্যবাদৰ কলংকৰ দাগ এতিয়াও লাগি আছে। কানি বৰবিহে সেই পানী যি ধৰণে বিষাক্ত কৰিছে সংগ্ৰামী লক্ষ চীনাৰ তেজে সেই পানী যিদৰে ৰঞ্জিত কৰিছে বৃটিছে আৰু হয়তো বহুত নতুন পজাতিৰ জন্ম দিব লাগিব আৰু বহুত নতুন চেতনাৰ জন্ম দিব লাগিব সেই বিহ তেজৰ সেই গভীৰ দাগ নোহোৱা কৰিবলৈ।

ঠিক পশিচ মিনিট লাগিল।

মই পাহৰি গৈছিলো সেই মুহূৰ্ত্তত মই যে বিমানেৰে হংকং অভিমুখে আহি আছিলো। বন্ধুৰ মাতত সচেতন হৈ উঠিছিলো। এয়াৰ হোষ্টেচজনীয়ে ঠিকেই কৈছিল। আমি এতিয়া চীনদেশৰ বাহিৰলৈ ওলাই আহিলো।

বন্ধুৱে পৰম আহ্লাদেৰে কথাকেইটা একেলগে কলে। আৰু প্লেনখন ভালদৰে বৈ যোৱাৰ আগতেই চীট বেল্টডাল খুলি ললে। নামিবলৈ সাজুহোৱাৰ সমৰ্থিতা আমাৰ উত্তৰ পূৰ্বীবন্ধ নীৰৱে থকা নাছিল।

ঃ ইউ কে ক যে কি পৰোৱা কৰিব লাগিছে। আৰু বাৰ বছৰ বব লাগিছে কেলেই? চীনে আজিয়ে হংকংখন লৈ লব পাৰে।

মই হাঁহিলো বন্ধুৰ অহেতুক উদ্বেগৰ কথা শুনি। লাহেকৈ কলো—

ঃ হংকং ইংৰাজৰ হাতত থকাৰ কাৰণে চীনে বছৰি বৈদেশিক মুদ্ৰা কিমান অৰ্জন কৰে আপোনাৰ খবৰ আছেনে?

ঃ নাজানো। কিমান বাৰু?

ঃ দুশ পঞ্চাশ নিযুত পাউণ্ড।

বন্ধুৱে কিস্ময় বিস্ফাৰিত নেত্ৰে মোলৈ চালে। কিন্তু মুহূৰ্ত্তৰ বাবে। কিয়নো ইতিমধ্যে আমি ভেল্টিবিউলৰ গভত সোমাই পৰিছিলো আৰু পিচৰ মানুহৰ জুমে আমাক একৰকম ঠেলিয়েই লৈ আহিছিল।

আকৌ একেবাৰে বেলেগ এখন জগত। এয়াৰ পোৰ্টৰ প্ৰকাণ্ড লবী পোৱাৰ লগে লগে মনৰ শান্ত নিৰুদ্বিগ্ন ভাবটো হেৰাই গ ল। মিন্টাৰ হু চাও-জিনহঁতৰ পৰম আশ্ৰয় লাভ কৰি মনৰ কোনোবা এটা কন্দৰত তাপ মাৰি থকা উত্তেজনাবোৰ হংকংত ভৰি দিয়াৰ লগে লগেই উকি মাৰিবলৈ

আৰম্ভ কৰিছিল। বিভিন্ন ৰাষ্ট্ৰৰ হেজাৰ হেজাৰ ব্যস্ত মানুহবোৰৰ মাজে মাজে আহি থাকোতে কিবা এটা বুজাব নোৱাৰা শলকো অনুভৱ কৰিছিলোঁ উ ৰগৰ মুহূৰ্ত্তবোৰৰ মাজে মাজে।

চীনত থাকোতে অন্তত এটা কথাত নিশ্চিত হব পাৰিছিলোঁ যে তাৰ জনসাধাৰণৰ এটা বিশেষ আদৰ্শ আছে যি আদৰ্শ চীনৰ মহান ঐতিহ্যৰ দ্বাৰা প্ৰভাবিত। হ কঙৰতো এনে নাই। আগো নাই গুৰিও নাই মোষ্ট আ াবা৬ৰ আৰু মোষ্ট আনপ্ৰেডিক্টেবল। সম্প্ৰতি যেনিবা চীন বৃটিছ চুক্তিৰ মতে আৰু বাৰটা বছৰৰ অন্তত ১৯৯৭ চনৰ পহিলা জুলাইৰ পৰা হংকঙে ক্ৰমত সাৰ্বভৌমত্ব পুনৰ লাভ কৰিব আৰু লগে লগে হংকং পিপলচ ৰিপাব্লিক অফ চাইনাৰ এক অংগবিশেষ হৈ পৰিব। তদুপৰি চীনে ঘোষণা কৰা ওৱান চাইনা টু চীষ্টেমচ নীতি অনসৰি তাৰ পাচতো পঞ্চাশ বছৰলৈ হংকঙৰ সামাজিক আৰু অৰ্থনৈতিক ৰীতি অপৰিবৰ্ত্তিত থাকিব।

আমি লবীৰ বিভিন্ন অংশনবোৰ পাৰ হৈ মেৰিদিয়ান হটেলৰ পিনে আহি আছিলো। সম্মুখত নিজৰ মালবস্তুৰ ট্ৰলিবোৰ ঠেলি ঠেলি আগি আটায়ে নাৰবে আগবাতিছিলো। নিচয় প্ৰতিজনৰে মনত মোৰ দৰেই এটা পৰিবৰ্ত্তন অনুভূত হৈছিল আৰু সেই পৰিবৰ্ত্তনৰ প্ৰভাৱৰ মনত জাহ গিয়াবলৈ প্ৰতিজনে মাতে আপ্ৰাণ চেষ্টা কৰিছিল।

আৰী লিফট। আৰী দুকাষ কন ভৱনৰ বংষ্ট থকা দীঘল কৰিডৰ— পনত হ ক মহানগৰীৰ ব্যস্ত চিক্সা শো ষ্ট্ৰীট। একাষে কাৰ পৰ্ক তাৰ পাচত লবী। হোটেলৰ লবী পোনাপ ন। লগেই আমাৰ বন্ধু এগ স্বাভাৱিক হৈ পৰিল। উত্তৰপূৰ্ব্বী বন্ধুৱে দীঘল কাউণ্টাৰৰ এমুৰে থকা গাভৰুজনীৰ কাষ চাপি অভিবাদন জনালে চি চি বুলি।

গাভৰুৱে প্ৰত্যভিবাদন হিচাপে মুখেৰে একো নকৈ মাথোন হাঁহিলে।

মই বন্ধুৰ কাষ চাপি কলো

এওঁলোকে ক্যাণ্টনীজ ভাষাহে কয়। আৰু এচাম ইংৰাজীও জানে।

বন্ধুৱে অকণ ক্ষুন্ন হোৱাৰ দৰে কৰি কলে—

এওঁলোকোতো চাইনীজ!

কোনে কলে নহয় বুলি। হংকঙৰ পচপন্ন লক্ষ লোকৰ শতকৰা ৯৮ ভাগেই চীনা লোক। কিন্তু মুক্তিলাভৰ পাচতহে মান্দাৰিণ ভাষা দক্ষিণ চীনলৈ প্ৰসাৰিত হৈছিল। আৰু হংকংতো বৃটিছৰ দখললৈ আহিল ১৮৪০ চনত আৰম্ভ হোৱা অপিয়াম ৱাৰৰ স্পয়ল হিচাপে।

ঃ আগেয়ে জনাহেতেন গুৱাংঝাওত থাকোতেই দুই এষাৰ ক্যান্টনীজ শিকি আহিলোহেতেন।

বন্ধুৱে হাহি হাহি কৈছিল। মই পৰিস্থিতিটো উপলব্ধি কৰিছিলো। গাভৰুজনী সচাকৈ ধুনীয়া আছিল।

হোটেলত চেক-ইন কৰি নিজৰ খোটালীত সোমাই কাপোৰ-কানি সলাবলৈ লৈছিলোহে এনেতে দুৱাৰত টোকৰ পৰিল।

বন্ধুৰ হংকঙলৈ এয়ে প্ৰথম আগমন; অথচ তেওঁৰ চলন ফিৰণৰ বেপৰোৱা ধৰণ দেখি এনেহে ভাব হয় যেন তেওঁ নিজৰ জন্ম নগৰী পাটনাতহে আছে। দুৱাৰত টোকৰ শুনি মই দুৱাৰখন খুলি দিয়াৰ লগে লগে তেওঁ ধুমুহা এচাটিৰ দৰে সোমাই আহিল আৰু মোক ওলাবলৈ তৰণি দিয়া নাছিল। তেওঁ কলে যে তেওঁ হংকং চহৰত কি কি ভাল বস্তু পোৱা যায় চাবলৈ যাব আৰু মই তেওঁৰ লগত যাব লাগে।

ঃ কিন্তু ইয়াত আমি দুয়ো নতুন মানুহ। গাইড নোহোৱাকৈ পাৰিম জানো ?

আৰে তুম চিন্তা মত্ কৰো। য়ে পাটনাচে জ্যাদা বড়া নহী। হংকংতো ইন্টাৰনেশ্যনেল স্মাগলাৰকা ডেন হ্যায়। চলো কুচ্ছ খৰিদ লেংগে আচ্ছা চীজ মিলে তো।

ঃ কিন্তু যাবা কিহেৰে ?

ঃ চলো না হোটেলকা ওয়াৰলেচ ফিটেদ কাৰ হ্যায় ন! কাৰচে যায়েঙ্গে।

ঃ বহুত মেহেংগা হোগা।

ঃ তুম ঠিক কহতে হো। চলো চিটিবচচে যায়েঙ্গে।

ঃ চিনি পাবা জানো চিটি বাচ ?

ঃ চিন্তা মত কৰো— টু এ য়া নাইন্টিন এ নম্বৰ বাচ পকৰেংগে। চলো।

ঃ লেকিন কাহা ?

ঃ মে ন বাজাৰমে।

চিটি বাচৰ ৰুট বাচৰ নম্বৰ চব জানি লৈ বহি আছে ভদ্ৰলোকে। হোটেলৰ পিচপিনৰ বাণ্টাৰে ওলাই সোফালে কিছুদূৰ গৈ এটা আণ্ডাৰগ্ৰাউণ্ড ৰুটেৰে অকণ আগবাঢ়ি গলেই এটা ব্যস্ত ৰাজপথৰ ফুটপাথত ওলাই পৰে। আমাৰ বিহাৰী বন্ধুৱে মোক সেই বাটেদিয়ে লৈ গ'ল আৰু বাচ ষ্টপেজত

বাচৰ কাৰণে খন্তেক বৈ থাকিল। আধামিনিটৰ পাচতে নাইন্টিন এ নম্বৰ বাচখন আহি ৰলত মোক একৰকম টানি উঠাই দিয়াৰ দৰে কৰিলে। মোৰ বুকুৰ চপচপনি খৰ হৈ উঠিছিল। কিবা এটা অনি চয়তাৰ মাজত নিজকে এৰি দিয়া যেন লাগিছিল।

বাচেৰে গৈ তেওঁ মোক চহৰৰ এ ন এটা অঞ্চলত নমাই নিছিল য ৰ ব্যস্ততাৰ সতে আবেলি চৌৰংগীৰ ব্যস্ততা অথবা দিল্লীৰ চাঁদনি চকৰ ব্যস্ততা একোৱেই নহয় যেন লাগিছিল। কলিকতাৰ হাওৰা জংচনত অৱশ্যে এনে ব্যস্ততা প্ৰায়ে দেখা যায়। প্ৰ াস্ত ৰাস্টাবোৰ গাড়ীৰে সন্ধিহীন হোৱা দৃশ্য বাম্বাই কলিকতাত প্ৰায়ে দেখা যায়। ইয়াৰ এই ব্যস্ততাৰ কাৰণে নহয় আচলতে চাৰিওপিনে আকা। চাকি ৰখা স্কাই স্কেপাৰবোৰে এই ব্যস্ততাটোত আনি দিছিল এব ক্ল ষ্ট্ৰ ফবিয়াৰ অনুভূতি। প্ৰকাণ্ড আলিবাটবোৰো এই উচ্চতাৰ প্ৰভাবত সৰু গলি গলি যেন লগা হৈ পৰিছিল। বাচৰ পৰা নামি ফুটপাথত থিয় হৈ মই দিশাহাৰা হৈ গৈছিলো। বন্ধুৱে নিৰুদ্বিগ্নভাৱে কলে—

তুমতো অচমীয়া ন? মছলি খাতা। চলো ুমকো মছলি মাৰ্কেট দিখা দেগা। চামনেহি সমুন্দৰ। উচকা কিনাৰচেহি চলা যাতা এক বড়া ৰোড একদম হমলোগকা মেৰিদিয়ান হোটেলকা নজদিকমে এক টিচন হ্যায় ন? উহা তক। চামনে বায়ে তৰফ যো গলী হ্যায় উহা তুমহাৰা মছলি মাৰ্কেট। চালা লোগ চব খাতা।

ইচকো পাটনা চমঝতে হো ক্যা?

মই তেওঁৰ আত্মবিশ্বাস দখি হাহি আশ্বস্ত হৈ কলো। তেওঁৰ দ্বিধাহীন চালচলন দেখি গম নোপোৱাকৈয়ে মোৰ মনটো সহজ হৈ পৰিছিল। বন্ধুৰ লগে লগে গৈ তেওঁ দেখুৱা মাছ বজাৰৰ গলিটোত সোমায়ে বিস্ময়ত হতবাক হৈ গৈছিলো। গলি মা ন আমাৰ বিনু গোৱালাৰ গলি নহয়। পেদেস্ট্ৰিয়ান চ প্লাজা বা শ্বপিং মাল বুলি কলেহে যথোচিত কোৱা হয়। প্ৰশস্ত এখন পীচ্চ কৰা পথাৰত মানুহ পোহাৰ মেলি বহিছে। তেনি বহিছে। মাছ সাগৰীয় প্ৰাণী আৰু শাকৰ বজাৰ। চাইকেলৰ ব্যাগত ট্ৰলিত কেহ্বেলত (থালি) হুইল বেৰ ত যিয়ে যেনেকৈ পাৰিছে তেনেকৈ পোহাৰ মেলিছে।

মাছৰ বজাৰখন পাৰ হোৱাৰ লগে লগে মোৰ চেণ্ডেলযোৰ তিতি অসুবিধা লগা হৈ পৰিছিল। ইমান ধুৰ আৰু লেহকা হৈ পৰিছিল যে ফিটা ছিগি ৰবৰাত বৈ যাব বুলি ভয় খাইছিলো। মই বন্ধুৰ আগত ভয়ে ভয়ে কলো চেণ্ডেলযোৰ চিগোঁ চিগোঁ হৈছে কৰবাত ফুটপাথত মুচী পোৱা যায় নেকি চাব'লা।

তেওঁ ঘপ কৰে বৈ কলে তেনেহলেতো মৰিলেই হল বুলি। ইয়াত ফুটপাথত চব ডকাইত—জোচ্চোৰবোৰ বহি থাকে খাপলৈ। এয়াতো চীনৰ গুৱাংঝাও নহয় যে কলেজত পঢ়া ধুনীয়া ধুনীয়া ডেকা গাভৰুৱে অকমান শু ছাইনিং মেচ্চিন একোটা লৈ দোকানৰ বাৰান্দাত বহি থাকিব আৰু মাত্র ফিফটি চেন্ট লৈ জোতা ৰং কৰি দিব। ইয়াত ষ্টেটচনাৰি ফেৰিৱালাৰ পৰা মুচীটোলৈকে কাকো বিশ্বাস কৰিব নোৱাৰি। হংকঙৰ মুচী সম্বন্ধে মোৰো অভিজ্ঞতা বৰ আনন্দদায়ক নহয়। তথাপি মুচীৰ কাষ চাপিবই লাগিব নহলে মোৰ চেণ্ডেলযোৰ তাতে এৰি থৈ আহিব লাগিব। অকণ ৰং লগাই দিলেই চেণ্ডেলযোৰ শুকাই যাব আৰু তেতিয়া আগৰ দৰে হৈ পৰিব।

ময়েই দেখিছিলো মুচীজনক প্ৰথমে। কাম কাজ নাছিল বোধকৰো। আমন-জিমনকৈ বহি আছিল।

মই বন্ধুক কলো—

ঃ দিওঁ দিয়া। নহলেতো উপায় নাই।

ঃ পেইচা জ্যাদা লেগা। তুমতো ঝগড়া কৰ নাহী চেকোঁগে।

মই দি দিলো চেণ্ডেলযোৰ ৰং কৰিবলৈ। কিমান বেচি লব পাৰে মোৰতো আগৰ অভিজ্ঞতা আছেই। কিন্তু সেয়া যে আৰু এক নতুন অভিজ্ঞতা হব মোৰ ধাৰণা নাছিল। নতুন অভিজ্ঞতাটো যে ইমান মূল্য দি অৰ্জন কৰিবলগীয়া হব পাৰে মই সচাকে কল্পনাও কৰা নাছিলো। ৰংটো দিলে—আমাৰ হেকোদাংবৰিৰ হাটখোলাৰ মিস্ত্ৰীজনেও তাতকৈ ভালদৰে দিয়ে। আৰু পইচা? লেখি লেখি পোন্ধৰটা ডলাৰ। অৰ্থাৎ আমাৰ টকাৰে প্ৰায় তেইচ টকা। বন্ধু একেবাৰে নিৰ্বিকাৰ। তেওঁ আশা কৰা মতেই কাণ্ডটো ঘটিল যেতিয়া তেওঁ চিন্তিত হোৱাৰ কাৰণো নাছিল। ৰ দিয়া কাৰণে যি হক নহ'ক চেণ্ডেলযোৰ পিন্ধিব পৰা হৈছিল। এইবাৰ বন্ধুৱে কাষৰ প্ৰকাণ্ড প্ৰকাণ্ড ইলেকট্ৰনিক গুদ চব দোকানবোৰলৈ দেখুৱাই কলে যে তাত থকা চোনি চেনিয় হিতাছি এনে সামগ্ৰীবোৰৰ খুব কম ভাগেইহে অৰিজিনেল। বেচি ভাগ হংকঙতে তৈয়াৰ কৰি এছেম্বল কৰা। বন্ধুৱে ৰসিকতা কৰি কলে—

ঃ এনেধৰণৰ ব্যৱসায় য'ত থাকিব তাত ইণ্ডিয়ান ৰিপ্ৰেজেন্টেটিভতো থাকিবই। ব লা তোমাক ইণ্ডিয়ান শ্বপ কেইখনমান দেখুৱাই দিওঁ।

অলপ আগবাঢ়ি গৈ দেখিছিলোঁ বিৰাটাকাৰ ক্ৰেণ আৰু পাইল ড্ৰাইভাৰৰ কাম চলি আছে। এটা দহমহলীয়া প্ৰকাণ্ড ব্লক সজাৰ কামত পাচশৰো অধিক মানুহ ব্যস্ত হৈ থকা দেখিছিলো। কৰবাত এযাৰ কথা পাইছিলোঁ—

Hongkong is forever building onward and upward—কথাষাৰ দখিছোঁ মিছা নহয়। মোৰ কিন্তু ভাল লগা নাছিল। অলপ দৰ গৈয়ে ক্লান্তিৰ জঠৰতা অনভব কৰিছিলো। বন্ধ আছিল অ ভুত স চতন। মোক সুধিলেই অন্তযামীৰ দৰে—

তোমাৰ কি ভাল লগা নাই নেকি?

অকণো ভাল লগা নাই; these uninviting heights

আৰু বিশবছৰ অপেক্ষা কৰা তোমালোকৰ গুৱাহাটীতো এ নকুৱাই ৵ব।

কথাষাৰ শুনি চাটকৰে মনটো ৰ গুৱাহাটীৰ ফাঁচীবজাৰলৈ ঢাপলি মলিলে। বন্ধুৰ মখত খুল চন্দ। পৰক! তেওঁৰ ভৱিষ্যৎ বাণী ফলিয়াওক। বন্ধৰ কথাষাৰত মহ কিবা এটা উৎসাহ অনুভব কৰিলা। অলপ আগৰ দেহ মনৰ আড়ষ্টতা ভালেখিনি আঁতৰি গল।

বন্ধৰে ৰহস্যময়ভাৱে কলে—

হংকঙৰ আচল ৰূপ কিন্তু এইটো নহয়। এবাৰ দিনৰ ঝুপিবোৰ নেদেখিলে মানুহ যে ইয়াত কিমান যন্ত্ৰণাৰ জীয়াই থাকে কি কষ্টত দীৱন নিবাহ কৰিবলগীয়াত পৰে সেই সম্বন্ধে ধাৰণা কৰিব পৰা নেযায়। াৰতবৰ্ষৰ ভিতৰত আমাৰ বিহাৰতেই দুখীয়া মানুহ আছে। কিন্তু এবাৰ দিনৰ নানুহবোৰ কেৱল ধাৰ দুখীয়াই নহয় সকলো দিশে দিনায়। চৰম দাৰিদ্ৰ্য আৰু হতাশাই তেওঁলোকক কদৰ্য কৰি তুলিছে।

বন্ধৰ কথা শুনি মই প্ৰতিবাদৰ সুৰত কৈছিলো—

ইয়াৰ জনসাধাৰণৰ জনমূৰি আয় চল্লিশ চাৰি হেজাৰ ডলাৰ।

নাইট ক্লাব যত আছে যত আছে ইমান ব্যস্ত উন্মুক্ত বন্দৰ যৰ মুঠ আয় এক। ।কোটি ডলাৰ অথচ জনসংখ্যা মাত্ৰ পচপন্ন লাখ— তাত অংকটো তেনেকুৱাই হব। কিন্তু সমাজৰ বাস্তব সমস্যাবোৰে অংকৰ ঐকিক নিয়ম মানি চলাহেতেন কথাই নাছিল।

বন্ধৰে ঠিকেই কৈছিল। জীৱন অংক হোৱাহেতেন অংকৰ সৰ আম্বা আৰু লজিক যদি খটাব পৰা গলহেঁতেন জীৱনৰ সমস্যাবোৰৰ ক্ষেত্ৰত সমস্ত জটিলতা নিমিষতে নাইকিয়া হলহেঁতেন। হংকঙৰ কথাকে চোৱা যাওক। আন্তজাতিক বিত্তীয় কেন্দ্ৰ হিচাপে হংকঙৰ স্থান লণ্ডন আৰু নিউইয়ৰ্কৰ পিচতে। কিন্তু জীৱনৰ মানৰ ক্ষেত্ৰত কিমান এক দুস্তৰ ব্যৱধান। হংকঙত বিত্তীয় প্ৰতিষ্ঠানেই আছে ত্ৰিশ হেজাৰটা। ১৯৮৪ চনৰ প্ৰথম এঘাৰটা মাহতে হংকঙে

ৰপ্তানিৰ কাৰণে উৎপাদন কৰা সামগ্ৰীৰ মূল্য আছিল এশ ছাব্বিশ হেজাৰ নিযুত হংকং ডলাৰ (আমাৰ টঃ ১ ৬২ = এক হংকং ডলাৰ)। আনহাতে আকৌ ঝুপ্গিত বাস কৰা অদ্ধ াহাৰে কটোৱা মানুহৰ সংখ্যাও এক নিযুততকৈ কম নহব।

সেইবোৰ যিয়ে নহওক হংকঙে সাবভৌমত্ব পোৱাৰ লগে লগে অৱস্থাৰ পৰিবৰ্ত্তন হব বুলি বহুতে আ া কৰে। সম্প্ৰতি আমেৰিকাৰ certificate of origin ৰেগুলেশ্যানে হংকঙৰ টেক্সটাইল ব্যৱসায়ৰ কিছু ক্ষতিসাধন কৰিছে। তদুপৰি হংকঙৰ পৰা ঘড়ী কিনিবলৈ ফ্ৰাঞ্চে বন্ধ কৰাৰ সিদ্ধান্তক E C C এ সমথ ন জনোৱাত হংকঙৰ ঘড়ী ব্যৱসায়ো যথেষ্ট ক্ষতিৰ সন্ম খীন হৈছে।

কিন্তু আৰু মাত্ৰ বাৰটা বছৰ। তাৰ পাচত হংকঙত উৎপাদিত সামগ্ৰীৰ প্ৰশস্ত বজাৰ এখন নিজৰ দেশতে পোৱা হব।

কথাবোৰকে ভাবি ভাবি গৈ আছিলো বন্ধ ক অন্ধৰ দৰে অনুসৰণ কৰি। যানবাহন আৰু পথচাৰীৰ ভীৰত নিজকে চোৱাত বাদে আন একোৰে চোৱাৰ অৱকা । নাছিল। এঠাইত এটা দশ্য চকুত পৰাত আমি দুয়ো থমকি ৰৈ গৈছিলো। বন্ধ ৰে অৱ ্য মোৰ সতে তেওঁৰ দৰত্ব ব মোৱাৰ উদ্দেশ্যেহে ৰোৱা যেন লাগিছিল। মই কিন্তু দশ্যটো দেখি সচাকে স্তম্ভিত হৈ পৰিছিলো। কাষ চপাৰ লগে লগে বন্ধ ৰে কলে—

চলো।

কহা ?

বুলাতা ন ?

ছোৱালীজনীয়ে মতা দেখিয়েতো থমকি ৰৈছিলো মই। বন্ধ ৰ আহ ানত একেলগে অজস্ৰ চিন্তা মনলৈ আহিছিল। বন্ধ ৰ লগে লগে মই মন্ত্ৰমু ধৰ দৰে গৈ থাকিলো।

য়হা কাফি আচ্চা চীজ মিলেগা।

চীজৰ মানে তেনেকুৱা পৰিস্থিতিততো বহুত কিবাকিবি হবগৈ পাৰে। মোৰ মুৰটো আচন্ত্ৰাই কৰাৰ দৰে লাগিছিল। দুখন দোকানৰ মাজেদি এটা গেটৰ দৰে বাটেৰে সোমাই গলেই খটখটি পায়। ছোৱালীজনী খটখটিয়েদি দুটামান চিৰি উঠিয়েই আমাৰ পিনে ঘূৰি চাই হাহিলে। বন্ধ ৰে কলে ঠিক জেগালেকেই অহা হৈছে। মই অৱশ্যে সেই মুহূৰ্ত্তো প্ৰমাদ গণি আছিলো। মোৰ বুকুখনো কঁপিছিল। খটখটিয়েদি গৈ আছিলো চন্দেনমু লিণ্টৰ দৰে।

গৈ একেবাৰে ওপৰত দেখিলো বাটটো সোপিনে ঘূৰি এখন প্ৰকাণ্ড দুৱাৰেদি সোমাই গৈছে। ভিতৰৰ পৰা বহুত কিবাকিবি চেপা শব্দ মাত-কথা আশা

কৰিছিলোঁ। কিন্তু কবৰৰ দৰে চব নীৰৱ নিস্তব্ধ। গাভৰুজনী গৈ দুৱাৰ মুখত ৰৈছিল আৰু আমাক উদ্দেশ্য কৰি বাদছাহী কুর্নিশৰ চঙত বো কৰিছিল আৰু হাত দুখন একেলগে প্ৰসাৰিত কৰি আমাক সোমাই যাবলৈ ইংগিত দিছিল।

মোৰ নিজকে বলিশাললৈ নিয়া জন্তুৰ দৰে লাগিছিল। গাভৰুজনীক লাগিছিল এগৰাকী চতুৰ চিকাৰীৰ দৰে। আমাক দুয়োকে সম্মোহিত কৰি তাই যেন মুখ্য ঘাতকৰ হাতত গটাই দি গৈছে। আমি দুৱাৰমুখ পোৱাৰ লগে লগে তাই আমাৰ কাষেদি কিবা এটা নাম নজনা চেন্টৰ সুবাসেৰে চৌদিশ আমোলমোলাই পুনৰ ব্যস্ত হৈ নামি গৈছিল। ইপিনে দুৱাৰ মুখত আন এগৰাকী সমানে ধুনীয়া গাভৰুৱে আমাক আদৰণি জনালেহি।

ৱেলকাম। উই হেভ দ্য বেষ্ট এণ্ড বিগেষ্ট ষ্টক হিয়াৰ। হংকং। প্লীজ কাম ইন।

বুকুখনৰ ভিতৰত কিবা এটা জপিয়াই উঠা যেন পাইছিলো। মই বিমূঢ় হৈ পৰিছিলো। বন্ধু কিন্তু সোমাই গ'লহি। মইও পিচে পিচে গৈ সোমাই পৰিলো। ভিতৰখন দেখি বিস্ময়ত মই হতবাক হৈ গলো। মুৰ্কলি পথাৰ যেন পোহৰত এটা প্ৰকাণ্ড হলত এখন বজাৰ। বহুত গ্ৰাহক। বেচি ভা গই মহিলা। চবেই জীন প্যাণ্ট আৰু জ্যাকেট পিন্ধাত ব্যস্ত। জীনবোৰত প্ৰাইচ ট্যাগ লগোৱা। লমেন ক্ৰচলী এনেদৰে বিভিন্ন নামৰ জীন। জীনৰ বজাৰখন দেখি বন্ধু একেবাৰে নিমগ্ন হৈ পৰিল। মোৰ আকৌ মনত পৰিছিল গুৱাংঝাওৰ টুং ফেং হোটেলত খোৱা ব্ৰেকফাষ্টৰ কথা। চয়াবীন গাখীৰত তিওৱা ইউ টিয়াও (নিমকিৰ দৰে) আৰু বন টন নামৰ দইটা বস্তু পেট খাইছিলো আহিবৰ আগে আগে। পিচে এটা বৰ ডাঙৰ ভুল কৰিছিলো। পেটটো পধুৰ কৰিবৰ বুলি জং জি (পাতত সিজোৱা বৰা চাউলৰ ভাত) খিনি যে নোখালো। এতিয়া বন্ধুৰ পাল্লাত পৰি পেটৰ নাড়ীভুৰু হজম হোৱা অৱস্থা। মই এৰ মোৱাৰি সুধিলো—

তুমি জীন কিনিবা নেকি ?

ঃ নহলে ইয়াত কি গাভৰুৰ লগত চুপটি মাৰিবলৈ অহা যেন পালা নেকি ? লৰাই আহোতে যি অডাৰ দি পঠাইছে নিনি পাৰোনে ? Papa as you are staying en route at Hongkong Jean is a must Thirty four is my size আহিবৰ সময়ত যি হে হুকুম।

কিন্তু একো নোখোৱা জানো আজি ? মোৰ হলে বৰ ভোক লাগিছে।

তোমালোক অসমীয়া চব চব্বিশ ঘণ্টা খোৱাৰ চিন্তাতে থাকা। তোৱা না পৃথিবীৰ শ্ৰেষ্ঠ জীন আৰু অনিন্দ্য সুন্দৰী গাভৰু একেদৰে যুগপৎ ক ত পাৰা? জীন নালাগে এগিলাচ বিয়েৰ হোৱাহেতেনো। মোৰ মনে মনে খঙ উঠিছিল। বন্ধুৱে কিন্তু নিৰ্লিপ্ত সুৰত ক'লে যে খোৱাটো সদায় নিজৰ টাইমত খাব লাগে। মই জাওঁৰ খাই উঠাৰ দৰে কৰি কৈছিলো—

ড ইউ নো হোৱাট ইজ দ্য টাইম নাও? ইট ইজ থ্ৰী। ডোণ্ট ইউ থিংক লাঞ্চ টাইম হেজ অলৰেডি পাচদ ?

নো। ইট ইজ অনলি টুৱেল্ভ থাৰ্টি ইণ্ডিয়ান ষ্টেণ্ডাৰ্ড টাইম। ষ্টিল হাফ এন আৱাৰ ফৰ লাঞ্চ।

বন্ধুৰ কথা শুনি হাহিমেই নে খঙেই কৰিম! সহ্য কৰি থকাত বাদে উপায় নাছিল। বন্ধুৱে প্ৰায় পাঁচটামান বিভিন্ন ধৰণৰ জীন চাই পয়ত্ৰি। ডলাৰৰ প্যা ট এটা দৰাই দৰাই চৌত্ৰিশ ডলাৰত কিনি লৈ ওলাই আহিছিল। আৰু গোটেই বাটটো দিল্লীৰ বজাৰৰ লগত হংকঙৰ বজাৰৰ দামৰ তাৰতম্য সম্বন্ধে বহুত কিবাকিবি পাই আহিছিল। মোৰ সেই সময়ত কাৰো কথা শুনাৰ ধৈৰ্য নাছিল।

আবেলি চাৰে চাৰি বজাত বাহিৰে বাহিৰে মেৰিদিয়ান হোটেলৰ পিচ পিনৰ ৰাস্তাটো পাৰ হৈ আধা কিলোমিটাৰমান দূৰৰ সৰু এখন হোটেলত সোমাই পৰিলো। সোমোৱাৰ লগে লগই খাবলৈ এৰি মানুহবোৰে মূৰ তুলি চাইছিল (যিটো চীন মুল ভূমিত সচৰাচৰ নঘটে)। বন্ধু নিৰ্বিকাৰ। গৈ এখন ডাঙৰ টেবুলত লগৰ টোপোলাটো থৈ এখন চকী টান মাৰি লৈ আৰাম কৰি বহি ল'লে আৰু মোক ক'লে—

অভাৰ ম্যায় দুংগা। তুম চালে চব খাতেহো।

ঠিক হ্যায় বী এ ফাদাৰ এণ্ড পে।

ঃ আৰে পেমেণ্টকি বাৰেমে ফিকৰ মৎ কৰো। বহুৎ পেইচা হ্যায় মেৰে পা।।

হংকঙৰ এয়ে ভাল। চব ধৰণৰ খাদ্য পোৱা যায়। বন্ধুৰ আকৌ ভয় সেইখিনিতে। টেবুলৰ মেনুখন চাই চব নিৰামিষ দিবলৈ ক'লে। মোৰ আপত্তি কৰাৰ কাৰণে একো নাছিল। লোকৰ ওপৰত খাবলৈ ভটিয়া নাওত যাবলৈ আপত্তিয়ে বা কিহৰ

খাই থাকোঁতেই বন্ধুৱে ক'লে যে অসমীয়া মানুহৰ এটা বৰ ভাল কথা আছে। মই বুজিছিলো। অলপ আগতে অসমীয়া মানহ চব্বিশ ঘণ্টা

খোৱাৰ চিন্তাতে থকা বুলি কৈ বন্ধুৱে চাগে মনতে অনুতপ্ত হৈছে। আৰু মোৰ মনটো সহজ কৰি দিবৰ মনেৰে প্ৰসংগটো তুলিছে। মই অৱশ্যে ধাৰণা কৰিব পৰা নাছিলো তেওঁ কি কব খুজিছে! সুধিলোঁ—

ঃ কি বাৰু ?

তোমালোকৰ তাত অসমীয়া হিন্দুখিনিৰ মাজত মাত্ৰ দুটাই জাত আছে।

কথাষাৰ তেওঁ কোনদিনে পাহৰিছিল ধৰিব পৰা নাছিলো। পতিকে নীৰৱে বৈ আছিলো। তেওঁ বৰ ভক্তিৰে খাই খাই কৈ গৈছিল যে এদিন অনেক অসমীয়া গোস্বামীক পাটনাত তেওঁলোকৰ চুবুৰীয়া এঘৰত লগ পাইছিল। কথা প্ৰসংগত তেওঁৰ আন এজন অসমীয়া চিনাকিৰ কথা ওলালত বন্ধুৱে কৈছিল সেই চিনাকিজনক ক্ষত্ৰিয় বুলি। কিয়নো অসমীয়া চিনাকিজন আমাৰ বন্ধুৰ দৰেই কায়স্থ আছিল। গোস্বামীয়ে হেনো প্ৰতিবাদ কৰি কৈছিল—কৰ ক্ষত্ৰিয় হব; তেওঁ শূদ্ৰহে বুলি। আমাৰ বন্ধুৰ গোস্বামীৰ কথা শুনি হতবাক হৈ গল। তেওঁ ইমানদিনে জানি আহিছিল যে সকলো কায়স্থই ক্ষত্ৰিয়। কিন্তু গোস্বামীৰ মতে তেনে কথা বিহাৰত হব পাৰে। অসমত নহয়। অসমত বৰ্ণ দুটাই। এটা ব্ৰাহ্মণ আনটো শূদ্ৰ।

ঃ তোমালোকৰ তাত মাজত একো নাই। এটা ব্ৰাহ্মণ আৰু আনটো শূদ্ৰ বচ। বঢ়িয়া ব্যৱস্থা।

ব্যৱস্থা বঢ়িয়া হয় নে নহয় নাজানো। বিশেষ যে হয় তাত কোনো সন্দেহ নাই। ঐতিহাসিক কাৰণো নোহোৱা নহয়। জীমূতবাহন আৰু ৰঘুনন্দন আচাৰ্যৰ দৰে স্মাৰ্ত্ত পণ্ডিতেও হাৰ মানিছিল এই অঞ্চলৰ বিধি নিবন্ধন কৰিবলৈ গৈ। মচুৰ দালি উখোৱা চাউল পিয়াজ মাছ মাংস একোকে বাদ দিব পৰা নাছিল ব্ৰাহ্মণৰ আহাৰ বিধি নিবন্ধিত কৰাৰ বেলিকা। আৰু বোলে জাত!

মনতে বন্ধুক ধন্যবাদ দিছিলো অসমীয়া সমাজৰ অন্ততঃ এটা কথাও যে শ্ৰদ্ধাৰে মনত ৰাখিছে। খাই বই উঠি বন্ধুৰ কিবা সমতি হল পোনে পোনে হোটেল পালেহি। আবেলি চাৰে পাচ বাজিছিল। ৰদজাৰ নিস্তেজ হৈ পৰিছিল। হংকঙৰ বাতি পুৱাবৰ সময়। এন্ধাৰ হোৱাৰ লগে লগে হংকং চহৰৰ নিয়ন লাইটবোৰে সাৰ পাই উঠিব আৰু প্ৰাণচঞ্চল হৈ পৰিব চহৰৰ অগণন নাইট ক্লাববোৰ।

কোঠাত সোমায়েই টি ভিটো খুলি দিছিলো। হঠাৎ দেখিলো এখন জাপানী কথাছবিৰ শেষৰ দৃশ্যটো। হুবহু আমাৰ কাবিসকলৰ দৰেই মানৰ

লাও লৈ বিৰোধী পক্ষই আপোচ মীমাংসা কৰিছে। দুয়ো পক্ষৰ সম্ভ্ৰান্ত দুগৰাকীক মদৰ লাও যাচি সম্মান জনোৱা হৈছে। এই নতুন অভিজ্ঞতাটো মনত ভালদৰে জীন নিয়াবলৈ পোৱাৰ আগতেই পট পৰিবৰ্ত্তন হৈছিল আৰু কুংফু ( নে কাৰাটি )ৰ কোবত টিভিৰ টিউবটোৱে উফৰি পৰিব যেন লাগিছিল। এজনী গাভৰু ছোৱালীয়ে এজন অসচ্চৰিত্ৰৰ লগত যুঁজ দিছিল। চেনেলটো বদলাই দিছিলো। এখন অনুপম ছবি ৰঙীন টিউবত স্পষ্ট হৈ পৰিছিল। এগৰাকী চীনা বিশ্ব বিশ্ৰুত খেলৱৈৰ জীৱনৰ আধাৰত কৰা ছবি। শৈশৱ কৈশোৰৰ বিকাশ আৰু যশস্যাৰ তুংগত তেওঁৰ জীৱনৰ বিভিন্ন আলেখ্য ইমান সুন্দৰ আকৰ্ষণীয় ভাৱে দাঙি ধৰা হৈছে যে ছবিখন শেষ নোহোৱালৈকে মই তন্ময় হৈ আনকি পুৱাতে চীনত পিন্ধি অহা কাপোৰ সাজ সলাবলৈকে পাহৰি আছিলো ।

ছবিখন শেষ কৰিহে মই বাহিৰলৈ ওলাই আহিছিলো। কৰিড ৰটোত থিয় হৈ দেখিছিলো হংকঙৰ আকৰ্ষণীয় টুৰিষ্ট স্পট ভিক্টোৰীয়া পিকটোৰ অদমনীয় গাম্ভীৰ্য তলত পাহাৰৰ নিয়ন লাইটবোৰে অদৃশ্য কিন্তু ভয়াবহ কৰি তুলিছিল। কেইদিনমানৰ আগতে তাত হেনো কোনোবা অজ্ঞাত আততায়ীয়ে দুজন বৃটিছ কিশোৰক হত্যা কৰি পেলাই থৈ গৈছিল। আমি প্ৰথম অহাৰ দিনা ৰাতিলৈ টুৰিষ্ট যোৱাটো বন্ধ কৰি দিয়া হৈছিল। এই মুহূৰ্ত্তটো এনেহে লাগিছিল যেন সেই ভয়ংকৰ ভিক্টোৰীয়া পিকটোৱে কিবা মন যাব এদিনা গোটেই হংকংখনকে দাঙি নি সাগৰত পেলাই দিব। মই চাৰিওপিনে ঘূৰি ঘূৰি চাইছিলো। চীনৰ চহৰবোৰৰ দৰে ইয়াতো প্ৰকাণ্ড ফ্লেটবোৰ সজোৱা হৈছে। এন্ধাৰত অসংখ্য খিৰিকীবোৰে নিশাৰ এখন দীঘল যাত্ৰীবাহী ট্ৰেইনৰ কথা মনত পেলাই দিয়ে। তলৰ প্ৰশস্ত আলিবাটৰ যান বাহন আৰু ওপৰৰ আকাশত বিমানৰ বিৰতিহীন শব্দই চৌদিশ মুখৰ কৰি তুলিছিল। মোৰ নিজকে একেবাৰে অকলশৰীয়া যেন লাগিছিল। মই তললৈ নামি আহিছিলো এয়াৰ পোৰ্টৰ লবীত অজস্ৰ যাত্ৰীৰ ভীৰত নিজকে হেৰুৱাই লবলৈ।

প্ৰশান্ত সাগৰীয় দেশবোৰৰ আৰু ইউৰোপ আমেৰিকাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা যাত্ৰীবোৰ দেখি মোৰ মনত এটা সন্দেহে উঁকি মাৰিছিল। আজিৰ পৰা বাৰবছৰৰ পাচতো হংকং এনেদৰেই থাকিবতো !

হয়তো থাকিব। কিন্তু আগ ভুৰি নোহোৱা কিম্ভূত কিমাকাৰ হৈ নাথাকিব। তাৰ এটা স্পষ্ট স্বকীয় ৰূপ আহি পৰিব। হংকঙৰ বৰ্ত্তমান স্বৰূপ হ'ল চূড়ান্ত বিভ্ৰান্তিকৰ। কালচাৰেল বিভলিশ্যনৰ সময়তে চীনৰ পৰা

উন্নত শিক্ষা উন্নত জীৱনৰ সন্ধানত পলাই আহি হংকঙত আশ্ৰয় লোৱা এজন যুৱকে কিছুদিনৰ পাচত মোহমুক্ত হৈ খেদ কৰি হেনো কৈছিল যে তেওঁ হংকঙত অনথক কঠোৰ শ্ৰম কৰিছিল। নিজৰ দেশৰ হকে কঠোৰ শ্ৰম কৰাহেঁতেন অথাৎ এই শ্ৰমৰ ফললাভৰ এটা কণা মাত্ৰও যদি নিজৰ দেশৰ স্বাৰ্থত লাগিলে হেতেন তথাপি এটা কথা আছিল। এই শ্ৰম কেৱল শ্ৰমৰ কাৰণে, আন একোৰে কাৰণে নহয়। হংকঙত মাত্ৰ দুটা কাম কৰিব পাৰি ; এটা শ্ৰম আৰু আনটো খৰচ। শেষ সিদ্ধান্তত ইয়াত খৰচ কৰাত বাদে একো কামেই নেথাকে।

সামাজিক অনুবন্ধ নাই দীৰ্ঘসূত্ৰী উদ্দেশ্য নাই দীৰ্ঘম্যাদী ফললাভৰ লক্ষ্য নাই॥ আছে মাত্ৰ কেতবোৰ সাময়িক সমস্যা সমাধানৰ চমু চমু পথৰ মকৰাজাল। চীনে অৱশ্যে দুৱাৰ উন্মুক্ত কৰি দিছে। হংকং আছিল ; মাকাওখনো আহি যোৱাৰ যো জা চলিছে। ইও একৰকম বিজ্ঞানচিন্ট ৰাৰেই। এদিন টাইৱানো পুনৰ চীনৰ মূলভূমিৰ পিপলচ ৰিপাব্লিকৰ অংগীভূত হৈ পৰিব।

টাইৱান চীনৰ কাৰণে যেন ভিত্তিৰ বিষয়ে। ১৮৯৫ চনৰ খিম ন চেকিৰ চুক্তি অনুসৰি টাইৱান ( ফৰমোছা ) খন প্ৰথ ম চীনে এৰি দিবলগীয়াত পৰিছিল জাপানক। সেইদিন ধৰি টাইৱানক লৈ চীনা মূল ভূমিৰ দুশ্চিন্তাৰ অন্ত পৰা নাই। সম্প্ৰতি টাইৱানত চলি থকা বিদেশী ৰাষ্ট্ৰৰ কেতবোৰ ক্ৰিয়াকলাপে পিপলচ ৰিপাব্লিক অফ চাইনাক পুনৰ চিন্তিত কৰি তুলিছে।

সেইবোৰ যি কি নহওক, চীনৰ অথনীতি আৰু বিশেষকৈ জনসাধাৰণৰ দৃষ্টিভংগী আলট্ৰাৰেড কবলৰ পৰা আজি সম্পূৰ্ণ মুক্ত। ১৯৭৮ চনৰ একাদশ পাৰ্টি কেন্দ্ৰীয় কমিটীৰ তৃতীয় সাধাৰণ অধিবেশনত গৃহ অথনীতিৰ সংশোধন আৰু বিদেশী ৰাষ্ট্ৰৰ বাবে চীনক উন্মুক্ত কৰি দিয়াৰ উদ্দেশ্যে আধুনিকীকৰণৰ যি চাৰিটা লক্ষ্য গ্ৰহণ কৰা হৈছিল আজিৰ অবাধ উন্মুক্ত অথনৈতিক কাৰ্য কলাপ তাৰে পৰিণতি। ওৱান কাণ্ট্ৰি টু চীস্টেম চীনৰ প্ৰবীন সৰ্বজনস্বীকৃত নেতা টেং খিয়াওপিঙে ঘোষণা কৰা চৈনিক সমাজবাদৰ ( Socialism with Chinese Characteristics ) এটা প্ৰয়োগ পদ্ধতি মাত্ৰ। টাইৱানৰ ৰিপাব্লিক অফ চাইনাৰ চীনৰ মূলভূমিৰ পিপলচ ৰিপাব্লিক অফ চাইনাৰ সতে চামিল হোৱাটো এই পদ্ধিতিয়ে একেবাৰে নিৰংকুশ কৰি তুলিব বুলি নেতা টেঙে বাৰে বাৰে সোঁৱৰাই দি আহিছে।

গতিকে হংকঙবো একো বিশেষ সলনি নহব। মাত্ৰ এটা স্পষ্ট আদৰ্শ লাভ কৰিব। চীনে ইতিমধ্যে নিজকে সমস্ত সম্ভাবনাক চম্ভালিব পৰাকৈ প্ৰস্তুত

কৰি লৈছে। ব্যক্তিগত খণ্ডক কেৱল বৰ্ত্তাবলৈকে নহয় পৰিবৰ্দ্ধিত কৰিবলৈকো উদগনি দিছে। ১৯৫৬ ৫৭ চনত সমাজবাদলৈ ৰূপান্তৰৰ অথে যি বিপ্লৱ ঘটিছিল সেই বিপ্লৱত ব্যক্তিগত অথনৈতিক প্ৰচেষ্টাৰ শোচনীয় মৃত্যু ঘটিছিল। তাৰ পাচৰ দুটা দশকৰ ভিতৰত প্ৰায় চাৰে তিনি লক্ষ হোটেল আৰু আন খোৱা বস্তুৰ দোকান বন্ধ হৈ গৈছিল। অথচ সেই সময়ছোৱাত জনস খ্যা বাঢ়িছিল শতকৰা সত্তৰ ভাগ। সেই দুযোগৰ গভীৰতা সহজে অনুমেয়।

সাম্প্ৰতিক অথনীতিৰ লক্ষণ একেবাৰে বেলেগ হৈ গৈছে। এতিয়া ৰাষ্ট্ৰীয় অথনীতিৰ প্ৰভাবশালী শক্তি হ ল সমাজবাদী গ। মালিবানা। ব্যক্তিগত খণ্ডই এই শক্তিৰ পৰিপুৰক হিচাপে কাম কৰি ছ। ব্যক্তিগত খণ্ড এনে কাৰণতে পৰিপুষ্ট আৰু পৰিবৰ্দ্ধিত হৈছে।

টেঙ শ্বিয়াওপিঙৰ এই নীতিয়ে ইমান সমাদৰ লাভ কৰিছে যে মাওক নতুন চীনৰ জন্মদাতা হিচাপে যিমান শ্ৰদ্ধা কৰা হৈছিল সম্প্ৰতি টেঙে চীনৰ জনসাধাৰণৰ পৰা বিশেষকৈ বুদ্ধিজীবি মহলৰ পৰা অনৰূপ শ্ৰদ্ধা লাভ কৰিছে। এইবাৰৰ চীনাদেৰ পঞ্চত্ৰিংশতিতম ৰাষ্ট্ৰীয় দিৱস পেৰেডত – ব্যক্তিবিশেষক প্ৰশংসা কৰা নীতি বজন কৰা চীনৰ—বুদ্ধিজীৱিমহলৰ শ্ৰেষ্ঠ কেন্দ্ৰ বেইজিং বিশ্ববিদ্যালয়ৰ ছাত্ৰসবলে এখন বিশেষ পতাকাৰ তলত শোভাযাত্ৰা কৰিছিল। সেইখন পতাকাত স্পষ্টকৈ লিখা আছিল—

শ্বিয়াওপিং তোমলৈ অভিনন্দন বুলি।

আমিও চীনলৈ অভিনন্দন জনাইছিলো। শুভেচ্ছা জ্ঞাপন কৰিছিলো চীনৰ বৃন্দাধিক সংগ্ৰামী জনতালৈ। পঞ্চাশবছৰৰ ভিতৰত চীনক বিশ্বৰ আন উন্নত ৰাষ্ট্ৰৰ শাৰীলৈ উন্নীত কৰাৰ যি স্বপ্ন তেওঁলোকে দেখিছে সেই স্বপ্ন অচিৰে সফল হওক।

এঘাৰ মেৰ দিনা ৰাতি ঠিক বাৰ বাজি এঘাৰ মিনিট যোৱাত হংকঙৰ পৰা দিল্লী বিমানবন্দৰ পাইছিলোহি। হংকং এয়াৰ পোৰ্টৰ তুলনাত দিল্লীৰ পালামখন একেবাৰে জনহীন পথপাশ্বৰ ষ্টেচন যেন লাগিছিল। কিন্তু মনত অকণো খেদ নাছিল। বৰঞ্চ অন্ত ত এটা নিৰাপত্তাবোধ অনুভৱ কৰিছিলো।

অনুভৱ কৰিছিলো— কেৱল গৃহ প্ৰত্যাবৰ্ত্তনৰ কাৰণে নহয়— কৰিছিলো তাতোকৈ সুদূৰপ্ৰসাৰী গভীৰতৰ এটা কাৰণত। মোৰ নিজৰ ভৱিতব্যতা সম্বন্ধে দেশৰ প্ৰগতিৰ কাযক্ৰম সম্বন্ধে মই এক নতুন উপলব্ধি লাভ কৰিছিলো। চীনৰ

এগৰাকী মহান ব্যক্তিৰ জীৱনীত আমাৰ পণ্ডিত নেহৰু সম্বন্ধে এটা মন্তব্য পাইছিলোঁ। তাৰ মম আছিল এনে ধৰণৰ—

He is a new type of Asiatic leader who combine an extraordinary penetration and understanding of theoretical forces with a sense of reality of a real world inhabited by real people who behave in real ways

গৃহপ্ৰত্যাবৰ্ত্তনৰ লগে লগে এই কথাষাৰৰ মৰ্ম মই আকৌ নতুন ভাৱে উপলব্ধি কৰিছিলোঁ। উপলব্ধি কৰিছিলোঁ তাৰ বিচিত্ৰ মূল্যায়ন আৰু বিভিন্ন দিগন্ত উন্মোচন কৰি। চীনৰ নতুন নেতৃত্বৰ চৈনিক সমাজবাদৰ ধাৰণা নেহৰু আৰু তেওঁৰ সতীৰ্থ অগ্ৰণীসকলৰ উপলব্ধিৰ অনুৰণন যেন লাগিছে মোৰ ধাৰণাত। মই এই মুহূৰ্তত নিঃসন্দেহ হৈ পৰিছোঁ যে চীনৰ নবোদ্ভূত সমাজবাদ ভাৰতবৰ্ষই বিগত তিনিটা দশকত তিলে তিলে গঢ়ি তোলা অৰ্থনৈতিক আদৰ্শৰ প্ৰতিচ্ছবি মাত্ৰ। চীনৰ ক্ষেত্ৰত সেয়া ভাৰতবৰ্ষৰ অনুসৰণ নহলেও অনুৰণন যে হয় তাত সন্দেহৰ কণামাত্ৰও অৱকাশ নাই।

বাৰমে ৰ বাতিপুৱা এয়াৰপোৰ্টৰ পৰা বাহিৰলৈ ওলাই আহিছিলোঁ। দিল্লীৰ বাতিপুৱাৰ চেচা বতাহজাকে দেহ মনৰ সমস্ত অৱসাদ দূৰ কৰিছিল। নিজৰ দেশখনৰ বিষয়ে মোৰ পূৰ্বৰ উপলব্ধিটো পুনৰ দৃঢ়তৰ হৈ পৰিল। Progressive historical tendency ক এচিয়াৰ নবোদ্ভূত চেতনাৰ পৰিপ্ৰেক্ষিতত জৱাহৰলাল নেহৰুৱে যে শুদ্ধভাৱে অনুভৱ কৰিছিল নতুন ভাৰতৰ নিৰ্মাতাসকলে তাক শুদ্ধভাৱে অনুধাৱন কৰাৰ যে চেষ্টা কৰিছিল— সেই সম্পৰ্কে মোৰ প্ৰত্যয় আজি আৰু দৃঢ়তৰ হৈছে।

দিল্লীৰ আলিবাটত দেখিছিলো ইমান পুৱাতে জুমে জুমে পুলিচ। বাতৰিত পঢ়িছিলো ট্ৰেনজিষ্টৰ বোমা নে কিহবাৰ কাণ্ড পাতি বহুত মানুহ মৰা হৈছে উত্তৰ ভাৰতৰ বিভিন্ন ঠাইত। সেই বাবেই হেনো এই নিৰাপত্তা ব্যৱস্থা। দিল্লীৰ এয়াৰপোৰ্টত নামিয়েই এই ব্যৱস্থাৰ কঠোৰতাৰ সম্মুখীন হৈছিলো।

মই কিন্তু সেইদিনা নিজৰ দেশৰ মাটিত ভৰি দিয়াৰ লগে লগে ব্যক্তিগত মৃত্যুভয় বোমা-বাৰুদৰ আশংকা— এনেবোৰ কথা চিন্তা কৰাৰ অৱকাশ পোৱা নাছিলোঁ। মোৰ মানত তেনেবোৰ কথা তুচ্ছ যেন লাগিছিল। সেই মুহূৰ্তত মোৰ মন মোৰ সমগ্ৰ চেতনা পূৰ্ণ হৈ পৰিছিল আগতে অনুভৱ নকৰা এক সুৰক্ষাৰ অনুভূতিৰে, উদ্বেলিত হৈ উঠিছিল এক অভিনৱ অহংকাৰেৰে।